# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jogendra Narayan Bhuyan. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahaitaya Sabhaa Patraikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Assam Sahitya Sabha - Jorhat. |
| Year: 1978 | Edition: |
| Size: 23½ cms. - 4+94+4+84+14+4+96+4+99 pages | Genre: |
| Volumes: 35 - 4 issues | Condition of the original: good |
| Remarks: Stitd - 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

অসম সাহিত্য সভা পত্ৰিকা ॥ পঞ্চত্ৰিংশ বছৰ ॥ প্ৰথম সংখ্যা ॥ ১৯৭৮




সম্পাদক ঃ যোগেন্দ্ৰনাৰায়ণ ভূঞা

# অসম সাহিত্য সভা পত্ৰিকা

পঞ্চত্ৰিংশ বছৰ : প্ৰথম সংখ্যা

সম্পাদক
যোগেন্দ্ৰনাৰায়ণ ভূঞা

অসম সাহিত্য সভা পত্ৰিকা
পঞ্চত্ৰিংশ বছৰ
প্ৰথম সংখ্যা
মাৰ্চ—এপ্ৰিল—মে', ১৯৭৮

সম্পাদক
যোগেন্দ্ৰনাৰায়ণ ভূঞা
ৰঙ্গপুৰ
নগাঁও

প্ৰকাশক
শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট — ১

৫৩৭৩-৭৬/স্ৰী:

মূল্য
তিনি টকা

ছপাশাল
সুছন্দা প্ৰেছ
আমোলাপট্টি
নগাঁও

# অসম সাহিত্য সভা পত্ৰিকা
পঞ্চত্ৰিংশ বছৰ :: প্ৰথম সংখ্যা


| | | |
|---|---|---|
| সম্পাদকীয় | । ক । | |
| অসমত ইতিহাস ৰচনা আৰু ৰাজনীতি চৰ্চা : এটি দৃষ্টিপাত | । ১ । | ড° অমলেন্দু গুহ |
| পুৰণি অসমীয়া সাহিত্যত দাৰ্শনিক চিন্তাধাৰা | । ১৪ । | ড° কালীচৰণ দাস |
| অসমীয়া সাহিত্যত শঙ্কৰাচাৰ্যৰ চিন্-চাপ | । ২২ । | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা |
| মধ্যযুগীয় সাহিত্যত নামধাতু আৰু প্ৰত্যয় | । ২৬ । | শ্ৰীমলয় ৰায় |
| পাঠ-সমীক্ষা সম্পৰ্কত | । ৩৬ । | ড° মহেশ্বৰ নেওগ |
| অসমীয়া নাটকত কৰ্ণৰ চৰিত্ৰ | । ৩৯ । | শ্ৰীযোগেন চেতিয়া |
| পাঁচালী আৰু অসমীয়া প'াচালী-কবি | । ৪৫ । | ড° উপেন্দ্ৰনাথ গোস্বামী |
| অসমীয়া আৰু উড়িয়া ভাষাৰ তুলনাত্মক ৰূপতত্ত্বৰ আভাস | । ৪৯ । | শ্ৰীফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱা |
| মিৰি শব্দৰ আঁতি-গুৰি | । ৫৫ । | শ্ৰীনাহেন্দ্ৰ পাদুন |
| 'মিচিং আগম্' | । ৬৪ । | শ্ৰীভীমকান্ত বৰুৱা |
| ৰ'ঙ' কেন্তেৰ : কাৰবি সমাজ-বুৰঞ্জীৰ এখিলা পাত | । ৬৮ । | শ্ৰীৰংবং তেৰাং |
| টোকা | । ৭৭ । | শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা<br>শ্ৰীত্ৰৈলোক্য ভট্টাচাৰ্য |
| গ্ৰন্থ-পৰিচয় | । ৭৮ । | সম্পাদক |
| অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা | । ৮০ । | |

অসম সাহিত্য সভা পত্ৰিকাৰ

# নিয়মাৱলী

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সাহিত্য-সংস্কৃতি-বিষয়ক মৌলিক চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধাদিয়ে ঘাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনি মাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। অসম সাহিত্য সভা পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'যোগেন্দ্ৰনাৰায়ণ ভূঞা, বহ্নপুৰ, ডাকঘৰ: নগাঁও'—এই ঠিকনালৈ পঠাব লাগিব। সমালোচনাৰ বাবে পঠোৱা গ্ৰন্থৰ প্ৰতিখনৰে দুকপিকৈ পালেহে সমালোচনা প্ৰকাশ কৰাটো সম্ভৱ হয়।

৫। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট ১'— এই ঠিকনালৈ পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙনি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰপৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখা সভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা প'চিছ টকা কমিছন পাব।

১০। ডাকযোগে এজেণ্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মনি-অৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

## পত্ৰিকা সম্পাদনা সমিতি

১। শ্ৰীপ্ৰসন্নলাল চৌধুৰী।

২। শ্ৰীলীলা গগৈ।

৩। শ্ৰীমহিম বৰা।

৪। শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী।

৫। ড° সৰ্বেশ্বৰ ৰাজগুৰু।

৬। ড° নবেন কলিতা।

৭। যোগেন্দ্ৰনাৰায়ণ ভূঞা।

# সম্পাদকীয়

## তৰ্পণ

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসমীয়া ভাষা-সাহিত্যৰ একনিষ্ঠ সাধক, অক্লান্ত কৰ্মী শ্ৰীগিৰিধৰ শৰ্মা আৰু নাই। এজন সুদক্ষ সংগঠক স্বৰূপে তেখেতৰ কাৰ্য-কালত অসম সাহিত্য সভা অনুষ্ঠানটোত তেখেতে যি গতি আৰু শক্তি সঞ্চাৰ কৰিছিল, তাৰ বাবে তেখেতৰ স্মৃতি অকল অনুষ্ঠানটোৰ বুৰঞ্জীতেই নহয়, সদৌ অসমীয়া ৰাইজৰ অন্তৰত যুগমীয়া হৈ থাকিব। ঐকান্তিক নিষ্ঠা আৰু জীৱন-জোৰা সাধনাৰে শ্ৰীশৰ্মাই অসমৰ ৰাজহুৱা জীৱনত কেৱল নিজকে প্ৰতিষ্ঠা কৰি যোৱা নাই; অসমীয়া ভাষা-সাহিত্য আৰু সমাজ-জীৱনকো তেখেতৰ অমূল্য অৱদানেৰে আড্যৱন্ত কৰি গৈছে। গিৰিধৰ শৰ্মাৰ সংগ্ৰামী জীৱনাদৰ্শ আমাৰ সকলোৰে বাবে প্ৰেৰণাৰ উৎস হৈ ৰওক, তেখেতৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক, এয়ে আমাৰ কামনা।

## আমাৰ সাহিত্যৰ মূল্যায়ন-সমস্যা

সাহিত্য-সৃষ্টি আৰু তাৰ সমালোচনা পৰস্পৰ মুখাপেক্ষী। যি সাহিত্যত যিমান বেছি ধৰণৰ পৰীক্ষা-নিৰীক্ষা চলে, সেই সাহিত্যৰ সমালোচনাও সিমানে সম্ভ্ৰান্ত হৈ উঠে। আন হাতেদি, উৎকৃষ্ট সমালোচনা-ব্যতিৰেকে সৃষ্টিধৰ্মী ৰচনাৰ উৎকৃষ্টতা নিৰ্ণীত নহয়। যুগ-বিশেষৰ সাহিত্য-কৰ্মৰ বেলিকা এই কথা যেনেকৈ সত্য, একেদৰেই সত্য যুগান্তৰৰ সাহিত্যৰ ক্ষেত্ৰতো।

এটা কথা নিশ্চয় নিঃসঙ্কোচ চিত্তেৰে ক'ব পাৰি যে সাম্প্ৰতিক কালৰ ভাৰতৰ

বিভিন্ন প্ৰান্তীয় সাহিত্যৰ ভিতৰত অসমীয়া সাহিত্যৰ স্থান শীৰ্ষত নহ'লেও শেষত নহয়। কেৱল প্ৰকাশিত গ্ৰন্থৰ সংখ্যাধিক্যকেই উন্নতিৰ জোখ-কাঠি বুলি ধৰি নললে কেইটামান দিশত (চুটিগল্প, উপন্যাস) একাধিক প্ৰান্তীয় সাহিত্যৰ তুলনাত আমাৰ সাহিত্য বহুদূৰ আগবাঢ়ি গৈছে বুলিব লাগিব। কিন্তু সেই অগ্ৰগতিৰ যথাৰ্থ বিচাৰ আমাৰ লেখকসকলে কৰা নাই। কোৱা বাহুল্য যে এই কাম আমাৰে কৰণীয়। সাম্প্ৰতিক সাহিত্যৰ মূল্যায়নৰ দায়িত্ব কালৰ কষটি শিললৈ এৰি থলেও যোৱা শ'তিকাৰ যিসকল লেখকে তেওঁলোকৰ সৃষ্টি-প্ৰতিভাৰে আমাৰ ভাষা-সাহিত্যক ঐশ্বৰ্য দান কৰি গৈছে, সেইসকলৰো সাহিত্য-কৰ্মৰ মূল্যায়ন-কাৰ্য আমি কালৰ হাতত অৰ্পণ কৰি নিশ্চেষ্ট হৈ থাকিমনে? পঞ্চদশ-ষোড়শ শতিকাৰ বৈষ্ণৱ কবিসকলৰ অৱদানৰ প্ৰায়োগিক উপযোগিতা আজিৰ যুগত নাই বুলি ভাবিয়েই যদি আমি তেওঁলোকৰ প্ৰতিভাৰ বিচাৰ-বিশ্লেষণত ব্ৰতী নোহোৱাকৈ থাকোঁ, তেনেহ'লে ই নিশ্চয় আত্মঘাতী কাৰ্যৰ বাহিৰে আন একো নহয়। কোনো এটা যুগক তাৰ পূৰ্ববৰ্তী যুগৰ ঐতিহ্যৰপৰা বিচ্ছিন্ন কৰি বিচাৰ কৰিবলৈ যোৱা কথাটো ইতিহাস-বিৰুদ্ধ। বৰ্তমান শতিকাৰ আমাৰ ভাষা-সাহিত্যৰ ক্ৰমবৰ্দ্ধমান ৰূপটোৰ মূল্যায়নো পূৰ্ববৰ্তী কালছোৱাৰ সাহিত্য-কৰ্ম আৰু সমাজ-জীৱনৰ বিচাৰ-বিশ্লেষণৰ ওপৰতহে নিৰ্ভৰশীল। পিছে, এই দিশত (বিচাৰ-বিশ্লেষণ) প্ৰকট হৈ থকা দৈন্য দূৰ কৰিবৰ কাৰণে আমাৰ ব্যক্তিগত বা আনুষ্ঠানিক প্ৰচেষ্টা চকুত লগা বিধৰ নিশ্চয় নহয়। বিভিন্ন দৃষ্টিকোণৰপৰা আলোচনা কৰি এই সকলো কৰ্মৰ মূল্যায়ন কৰাৰ লেখীয়া ডাঙৰ কাম এটা কৰিবলৈ আমি এতিয়াও বাকী ৰাখিছোঁ। একোবিধ সম্ভ্ৰান্ত সমালোচনাৰ সৃষ্টি হ'ব পৰা সাহিত্য-কৰ্ম অসমীয়া সাহিত্যৰ মধ্যযুগ আৰু আধুনিক যুগটোৱে আমাক নিদিয়াকৈ থকা নাই। কিন্তু এই ক্ষেত্ৰত আমি আজিলৈকে কৰা চেষ্টা চৰ্চা স'চাকৈয়ে বৰ দুখ লগা।

সাম্প্ৰতিক কালৰ আমাৰ সাহিত্যৰ মূল্যায়ন-প্ৰচেষ্টা আঙুলি-মূৰত লেখিব পৰা আলোচনী আৰু সংবাদ-পত্ৰ কেইখনমানৰ গ্ৰন্থ-পৰিচয়-জাতীয় শিতানতে সীমাবদ্ধ। এনে একোটা শিতানত নতুন গ্ৰন্থ এখনৰ মূল্যায়ন-কাৰ্যত যিসকল লোক ব্ৰতী হয়, সেইসকলৰ সৰহ সংখ্যকেই ব্যক্তিগত ৰুচি-অভিৰুচি, ৰাজনৈতিক মতাদৰ্শ নাইবা সামাজিক সংস্কাৰৰ উৰ্দ্ধত উঠি বিচাৰ কৰে বুলিব নোৱাৰি। কোৱা বাহুল্য যে সৃষ্টিধৰ্মী লেখকৰ দৰে সমালোচকৰো এক প্ৰকাৰৰ 'তন্ময়ীভৱনযোগ্যতা' থকাটো বাঞ্ছনীয়। তাৰ বাবে সমালোচকজনৰো হৃদয়-বৃত্তিৰ কৰ্ষণ ঘটিব লাগিব। কিন্তু



বাস্তৱ ক্ষেত্ৰত দেখা যায় যে হৃদয়-বৃত্তিৰ কৰ্ষণতকৈ বুদ্ধিৰ কচৰৎ প্ৰদৰ্শনতহে সমালোচকজন ব্যস্ত হয় বেছিকৈ। এনে ধৰণৰ কচৰতৰ অৱশ্যম্ভাৱী ফল স্বৰূপে গ্ৰন্থ এখনৰ একোটা মূল্যায়ন-প্ৰচেষ্টা শব্দৰ অটব্য অৰণ্যত পৰিণত হয়; আৰু সেই প্ৰচেষ্টাই সহজবোধ্য গ্ৰন্থ এখনকো যেতিয়া এক দুৰ্বোধ্য স'াথৰ-ৰূপত পাঠক-সাধাৰণৰ আগত দাঙি ধৰে, তেতিয়া স্বাভাৱিকতেই লেখক আৰু তেওঁৰ সৃষ্টিৰ জগত পাঠকৰ হৃদয়-সংযোগ ঘটাত অন্তৰায়ে দেখা দিয়ে। সাম্প্ৰতিক কালৰ কেইখনমান কাব্য-গ্ৰন্থৰ সমালোচনাৰ বেলিকা আমাৰ এই কথাৰ যথাৰ্থতা ওলাই পৰিব বুলি ক'ব পাৰোঁ। দুৰ্বোধ্যতাৰ অজুহাতত যিহেতু আমাৰ পাঠকসকল এতিয়াও অসমীয়া কবিতাৰ পঠন-চৰ্চনৰ প্ৰতি অনাসক্ত, তেনেস্থলত নিজৰ বৈদগ্ধ্য-প্ৰদৰ্শন-স্পৃহাৰে কৰা এনে ধৰণৰ সমালোচনাই অসমীয়া সাহিত্যৰ উপকাৰ সাধন কৰিব বুলি নিশ্চয় আশা কৰিব নোৱাৰি।

শিল্প বা সাহিত্য-কৰ্ম এটাক শিল্প বা সাহিত্য ৰূপতে বিচাৰ কৰা উচিত। অৱশ্যে সেই শিল্প বা সাহিত্যযে যুগ-চৰিত্ৰ আৰু সমাজ-ধৰ্ম-নিৰপেক্ষ হ'ব লাগিব, এনে কথা আমি ক'ব খোজা নাই। কিন্তু সাহিত্য-কৰ্ম এটা সমালোচনা কৰাৰ বেলিকা আমাৰ সমালোচক এজনে যেতিয়া গ্ৰন্থখনৰ সাহিত্যিক ধৰ্মসমূহক গৌণ কৰি গ্ৰন্থকাৰজনৰ দলীয় ৰাজনীতি আৰু গোষ্ঠি বা সমাজ-চেতনাকহে মুখ্য স্থান দি বিচাৰ কৰাত প্ৰবৃত্ত হয়, তেতিয়া স্বাভাৱিকতে গ্ৰন্থখনৰ সাৰৱস্ত মূল্য আৱিষ্কাৰ কৰাত সমালোচকজন ব্যৰ্থ হয়। একেজাতীয় কাৰণতে আমাৰ বহুতো উৎকৃষ্ট গ্ৰন্থৰ মূল্যায়ন নোহোৱাকৈয়ে বছৰৰ পাছত বছৰ পাৰ হৈ যায়। অথচ, বজাৰত ভুমুকি নমৰাকৈয়ে কোনো কোনো সৌভাগ্যৱান লেখকৰ গ্ৰন্থৰ মূল্যায়ন তপাশালন হুৱাৰ-ভঙ্গিতে ঘটিছে। আলোচনী আৰু সংবাদ-পত্ৰৰ সম্পাদকৰ তুষ্টি বা ৰুচিৰ ওপৰত যাতে লেখক এজনৰ প্ৰতিভাৰ মূল্যায়ন-কাৰ্য নিৰ্ভৰশীল হ'বলগা নহয়, সেই আশা আমি কৰিব নোৱাৰোঁনে? সমালোচকৰ গোষ্ঠি বা বন্ধু-প্ৰীতিৰ ফলশ্ৰুতি স্বৰূপে কোনোবাখন গ্ৰন্থৰ তথাকথিত সমালোচনা কেতিয়াবা স্তুতিবাদত আৰু তাৰ বিপৰীত কাৰণত নিন্দাবাদত পৰিণত হোৱাৰ উদাহৰণ বৰ বিৰল নহয়। সমালোচক আৰু সমালোচিতৰ মাজত থকা আদৰ্শগত বিৰোধৰ পৰিণতি স্বৰূপে এনে ধৰণৰ সমালোচনাই কেতিয়াবা ব্যক্তিগত কলহৰ ৰূপ লোৱাও পৰিলক্ষিত হৈছে। তেনে পৰিস্থিতিত শব্দ-প্ৰয়োগৰ সংযম আৰু মিতব্যয়িতাৰ লেখীয়া এবিধ ঐশ্বৰ্য সেতিয়া সমালোচকজনে হেৰুৱাই পেলায়, তেতিয়া আমাৰ জাতিটোৰ বাবেই সি অতিশয় দুৰ্ভাগ্যৰ কথা হৈ পৰে।

ৰবীন্দ্রনাথৰ এষাৰ কথা এইখিনিতে স্মৰণীয় । তেওঁ কৈছিল : খড়্গৰ প্ৰখৰতা প্ৰমাণ কৰাৰ উপলক্ষ্যত অনাৱশ্যক হিংস্ৰতা লেশমাত্ৰ প্ৰকাশ নাপালেই তেওঁলোকৰ (সমালোচকৰ) শৌৰ্যৰ প্ৰমাণ হ'ব । তাৰ বাবে, আমাৰ বোধেৰে, অন্যান্য গুণ-সমূহৰ লগতে সমালোচকে নিশ্চয় তিতিক্ষাৰো অনুশীলন কৰিব লাগিব ।

যুগ চেতনা তথা প্ৰগতিশীল চিন্তা-চৰ্চা আৰু দৃষ্টিভঙ্গী যেনেকৈ আদৰণীয়, অধ্যয়নৰ বিপুলায়তনো সমালোচক এজনৰ ক্ষেত্ৰত থকাটো তেনেকৈয়ে প্ৰশংসনীয় । কিন্তু কেৱল যুগ-চেতনা বা প্ৰগতিশীলতায়েই যদি সমালোচকৰ একমাত্ৰ সম্পদ বুলি বিবেচিত হয়, ইয়াৰ লগত যদি ঐতিহ্যবোধৰ সুসমন্বয় নঘটে ; আৰু ইংৰাজী সাহিত্যৰ অধ্যয়ন-বিস্তৃতিয়েই যদি উক্ত বিপুলায়তনক বুজায়, তেতিয়া হ'লে আমাৰ সাহিত্যৰ প্ৰকৃত মূল্যায়ন সম্ভৱ হ'ব কেনেকৈ ? কেৱল ইংৰাজী সাহিত্যৰ পাৰদৰ্শিতাই অসমীয়াহে নালাগে কোনো ভাৰতীয় সাহিত্যৰে সাৰদৰ্শিতা প্ৰমাণ নকৰে । সৃষ্টিধৰ্মী লেখক এজনৰ ৰস-নিৰ্মিতিক সমালোচক এজনে কেৱল প্ৰগতিশীল যুগ-চেতনাৰ জোখ-কাঠীৰে কৰা বিচাৰো ভ্ৰান্ত নহৈ নাথাকে । এইখিনিতে এটা কথা অস্বীকাৰ কৰাৰ উপায় নাই যে মাৰ্ক্সীয় দৃষ্টিভঙ্গীৰ প্ৰতি আওকণীয়া হৈ থাকি সমস্যাৰ হাত সাৰিবলৈ কৰা চেষ্টা বৰ্তমান যুগত বাতুলতা মাত্ৰ । আমাৰ সমাজ-জীৱনৰ ব্যাধি নিৰাময়কৰণত এই দৃষ্টিভঙ্গীৰ প্ৰসাৰতা উত্তৰোত্তৰ বৃদ্ধি হোৱাটো নিশ্চয় সকলোৱে বিচাৰিব । কিন্তু সকলো বস্তুকে একেটা দৃষ্টিকোণৰপৰা বিচাৰ কৰিবলৈ গলে সেই বিচাৰত একদেশদৰ্শিতা দোষৰ ছিটিকনি পৰিবই । সমাজ আৰু সাহিত্যৰ মাজত থকা ওতঃপ্ৰোত সম্পৰ্কত ৰাজনীতি তথা অৰ্থনীতিয়ে ভুমুকি মৰাটো স্বতঃসিদ্ধ হ'লেও সাহিত্য-শিল্পক ৰাজনীতি আৰু অৰ্থনীতিৰ বশম্বদ ভৃত্য কৰিবলৈ কৰা চেষ্টাৰ ফল সাহিত্য-শিল্পৰ স্বাস্থ্যৰ অনুকূল নহয় ।

যোগেন্দ্ৰনাৰায়ণ ভূঞা ।
৩০ মে', ১৯৭৮

# অসমত ইতিহাস ৰচনা আৰু ৰাজনীতি চৰ্চা ঃ এটি দৃষ্টিপাত

ডঃ অমলেন্দু গুহ

ইতিহাস-সাধনাৰ ক্ষেত্ৰত অসমৰ বিশিষ্ট ভূমিকা এটি সদায় আছিল আৰু এতিয়াও আছে । এফালে সাঁচিপতীয়া বুৰঞ্জী, বংশাৱলী আৰু চৰিত-পুথিৰে, আৰু আনফালে প্ৰত্নতাত্ত্বিক ধ্বংসাৱশেষ আৰু নৃতাত্ত্বিক নিদৰ্শনেৰে সমৃদ্ধ হোৱা বাবে আমাৰ এই অঞ্চলটো ঐতিহাসিকসকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে । কিন্তু এতিয়াও এই অঞ্চলৰ পূৰ্ণাঙ্গ ইতিহাস এখন ৰচিত হ'বলৈ বাকী আছে । ছোৱাছোৱাকৈ এই অঞ্চলৰ বিতং ৰাজনৈতিক ইতিহাস যুগুত কৰা হৈছে । অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস আমি পাইছোঁ । সামাজিক ইতিহাসৰ ক্ষেত্ৰত কিছু কাম হৈছে । কিন্তু কি ৰাজনৈতিক, কি সামাজিক, কি সাংস্কৃতিক— কোনো ক্ষেত্ৰতে এই অঞ্চলৰ জনগণৰ জীৱন সামগ্ৰিকভাৱে ইতিহাসৰ পাতত জিলিকি উঠা নাই । বাইজৰ স্মৃতিত অলিখিত কথাৰূপে জীয়াই থকা ইতিহাসৰ কেঁচা সমল লিখিত দলিল আদিৰ লগত যুক্ত নোহোৱা বাবেই প্ৰকাশিত ইতিহাসৰ ধাৰা তেনেই শুকান, নীৰস আৰু অসম্পূৰ্ণ হৈ আছে । বিশেষকৈ আদিম যুগৰপৰা আজিৰ দিনলৈকে এই অঞ্চলত যি অৰ্থনৈতিক বিৱৰ্তন ঘটিছে,— অৰ্থাৎ উৎপাদনৰ আহিলা-পাতি আৰু উৎপাদন-সম্পৰ্কৰ বিটো বিকাশ ঘটিছে,— তাৰ কোনো ধাৰাবাহিক ইতিহাস আজিকোপতি লিখা হোৱা নাই ।

উৎস বা আকৰ-সমলৰ অভাৱেই এই অসম্পূৰ্ণতাৰ একমাত্ৰ কাৰণ বুলি ক'লে আসৈ মতা হ'ব । আমাৰ আকৰ-সমল সীমিত ঠিকেই । কিন্তু বুটলিব জানিলে তাৰপৰাই আমাৰ নানা প্ৰশ্নৰ মোটা-মুটি সদুত্তৰ পাব পাৰি । আমাৰ এখন আশ্চৰ্য ঐতিহাসিক দলিল 'কথা-গুৰুচৰিতৰ' কথাকে উনুকিয়াওঁ । কথাৰূপে চৰ্চি থকা সামাজিক বুৰঞ্জীৰ নানা মধ্যযুগীয় বিৱৰণ শিৱসিংহ ৰজাদিনীয়া এই গ্ৰন্থত সঙ্কলিত । আধুনিক ইতিহাস ৰচনাত ইয়াৰ উদাহৰণ-বোৰৰ আংশিক ব্যৱহাৰ নোহোৱা নহয় । কিন্তু মৰ্মভেদী বিশ্লেষণ আৰু বহুমুখী (Inter-disciplinary) গৱেষণা-পদ্ধতিৰ যোগেদি ইয়াৰপৰা ভৌগোলিক, সামাজিক আৰু অৰ্থনৈতিক তথ্য-পাতি বুটলিবৰ প্ৰচেষ্টা বৰ বেছি দূৰলৈকে আগবঢ়া নাই । ভাষা-তত্ত্বৰ সহায় লৈ, প্ৰাপ্ত সাঁচিপতীয়া বুৰঞ্জী পুথি-বোৰৰ বিভিন্ন পাঠৰ তুলনামূলক বিচাৰবো (textual criticism) কোনো চেষ্টা নাই । জনজাতীয় খণ্ড জীৱনত অতীতৰ জনগণৰ জীৱন-যাত্ৰাৰ বহুতো নিদৰ্শন গোট মাৰি গৈ, ফছিল হৈ, আমাৰ

দিনলৈকে জীয়াই আছিল আৰু আছে। এই জীয়া দলিলবোৰো ইতিহাসৰ উপেক্ষিত হৈ আছে। এই জীয়া দলিলবোৰ কেনেকৈ ব্যৱহাৰ কৰিব লাগে, তাৰ কিছু চানেকি আমি দামোদৰ ধৰ্মানন্দ কোশাম্বীৰ যুগমীয়া দুখন কিতাপ আৰু অলেখ ৰচনাত পাওঁ। • অৰ্থনীতি, ৰাজনীতি, ভাষাতত্ত্ব, নৃতত্ত্ব আদি একাধিক বিদ্যাৰ দৃষ্টিকোণৰ আলোকসম্পাত আলোচ্য বিষয়ৰ ওপৰত কেন্দ্ৰীভূত কৰিব পাৰিলেহে জনগণৰ জীৱনৰ পৰিপূৰ্ণ ৰূপ ইতিহাসৰ পাতত উদ্ভাসিত হৈ উঠিব পাৰে। এই পদ্ধতিৰ সফল প্ৰয়োগৰ এটা উদাহৰণ— নীহাৰৰঞ্জন ৰায়ৰ 'বাঙালীৰ ইতিহাস'। মুঠতে, আজিৰ ঐতিহাসিকে দলিল-সৰ্বস্ব দৃষ্টিভঙ্গী সলাব লাগিব।

এই মৌলিক অসম্পূৰ্ণতাৰ উপৰিও, আৰু কিছু সীমাবদ্ধতা আমাৰ ইতিহাস ৰচনাৰ সমৃদ্ধ ঐতিহ্যত থাকি গৈছে। মধ্যযুগৰ বুৰঞ্জী-চৰ্চাৰ ঐতিহ্যকে ভেটি হিচাপে লৈ তাৰ লগত আধুনিকতাৰ উপাদান যুক্ত কৰি, ঊনৈছ শতিকাৰ অসমীয়া সংস্কৃতিৰ গুৰিয়াল গুৰুসকলে আমাৰ ইতিহাস-চৰ্চাৰ আধুনিক, বিজ্ঞান-সন্মত ধাৰাৰ পাতনি মেলিছিল। হলিৰাম, কাশীনাথ, মণিৰাম আৰু হৰকান্তই ইংৰাজী জনা নাছিল। তথাপি, তেওঁলোকৰ ৰচনাত ঐতিহ্যৰ সৈতে আধুনিকতাৰ সংমিশ্ৰণ নোহোৱাকৈ নাছিল। আনফালে, গুণাভিৰামৰ ইতিহাস-জিজ্ঞাসা আছিল খাইকৈ আধুনিক। উভয় ক্ষেত্ৰতে প্ৰেৰণাৰ উৎস আছিল ইংৰাজ ৰাজপুৰুষসকলৰ অৱিহণা। জন পিটাৰ ওৱেড (১৮০০), বুকানন-হেমিল্টন (১৮০৭-১৪) আৰু উইলিয়াম ৰবিনচনৰ (১৮৪১) ইতিহাস-ৰচনাৰ ধাৰাও একেটাই। এই ধাৰাক আমি ইতিহাস-ৰচনাৰ ঔপনিবেশিক ধাৰা বুলি কব খোজোঁ।

শাসন-শোষণৰ ক্ষেত্ৰ বহলাবলৈ আৰু তাৰ কাম সুকলমে, নিৰ্বিঘ্নে চলাবলৈ, চৰকাৰ বাহাদুৰৰ প্ৰয়োজন হৈছিল থলুৱা ৰাইজক ভালকৈ জানিবৰ, বুজিবৰ। দেশৰ ৰীতি-নীতি, স্বাও-ভাও আৰু দুৰ্বলতাবোৰৰ সঠিক বুজ লব নোৱাৰিলে এখন দীৰ্ঘস্থায়ী, লাভজনক উপনিবেশ গঢ়ি তোলা নাযায়। এনে উপলব্ধিৰপৰাই বিদেশী প্ৰশাসনৰ পৃষ্ঠপোষকতাত ইতিহাস ৰচনাৰ বিজ্ঞান-সন্মত ঔপনিবেশিক ধাৰাৰ জন্ম। এই ধাৰাৰ দৃষ্টিভঙ্গী গুণাভিৰামৰো দৃষ্টিভঙ্গী। তেওঁ ৰজাঘৰীয়া। এতেকে মায়ামৰীয়া প্ৰজা-বিদ্ৰোহৰ বিৰুদ্ধে নিযুক্ত তাহানিৰ ৰজাঘৰীয়া পাইক বাহিনীক "আমাৰ সেনা" বুলি কবলৈ তেওঁৰ দ্বিধা নাছিল। (অঃ বুঃ, পৃঃ ১১১, পুনৰ্মুদ্ৰণ)। ১৮৬৮ চনত চৰকাৰ বাহাদুৰে ভূমি-ৰাজহ দ্বিগুণ কৰি দিয়াৰ ফলত যেতিয়া জিকাৰ খাই উঠা ৰাইজে গাঁৱে গাঁৱে ৰাইজ-মেল পাতি, মাটি ইস্তফা দি আৰু বিক্ষোভ প্ৰদৰ্শন কৰি প্ৰতিবাদ জনাইছিল, তেতিয়াও অসম-বুৰঞ্জী লেখক গুণাভিৰামৰ বক্তব্য আছিল যে খাজানা বৃদ্ধিৰ হেঁচা পাই ৰাইজৰ "উপকাৰ হে হ'ব"। তেওঁলোক বেছিকৈ খেতি কৰিবলৈ বাধ্য হ'ব। অসমৰ কানীয়া মানুহ পৰিশ্ৰম-বিমুখ; এতেকে অসমৰ উন্নতিৰ বাবে ইংৰাজৰ সুশাসনৰ, ইংৰাজৰ বল-বৃদ্ধিৰ প্ৰয়োজন আছে। ৰাজস্ব-বৃদ্ধিৰো অৱকাশ আছে। এয়া আছিল আধুনিক ইতিহাস ৰচনাৰ গইনা আৰু প্ৰতিপাদ্য বিষয়। সি পোনপটীয়াভাৱেই হওক, বা আওপকীয়াকৈয়ে হওক। (ibid, পৃঃ ১৭১)।

আঞ্চলিক ইতিহাসৰ ক্ষেত্ৰত এই ঔপনিবেশিক ধাৰাৰ পূৰ্ণ বিকাশ দেখিবলৈ পাওঁ গেইটৰ 'অসমৰ ইতিহাস' গ্ৰন্থত। আজিলৈকে অসমৰ বা পূৰ্বোত্তৰ

• কোশাম্বীৰ 'ভাৰতই-তিহাস অধ্যয়নৰ পাতনি' গ্ৰন্থখনৰ অসমীয়া অনুবাদ অসম প্ৰকাশন পৰিষদে ইতিমধ্যেই ৰাইজৰ ওচৰত দাঙি ধৰিছে।



অঞ্চলৰ দ্বিতীয় কোনো পূৰঠ ইতিহাস-গ্ৰন্থ ৰচিত হোৱা নাই, যিখনে গেইটৰ এই অমৰ কীৰ্তিৰ লগত ফেৰ মাৰিব পাৰে। আনকি, এই অঞ্চলৰ ইতিহাসৰ বুজ লোৱাৰ খণ্ড খণ্ড প্ৰচেষ্টাবোৰো এতিয়ালৈকে গেইটৰ ইতিহাস-দৃষ্টিৰ চাৰিবেৰৰ ভিতৰতে পাক খাই আছে। সদৌ ভাৰতীয় ইতিহাস ৰচনাৰ ক্ষেত্ৰত দেখা দিয়া সাম্প্ৰতিকতম আলোড়নে এতিয়াও আঞ্চলিক ইতিহাস-চৰ্চাৰ ক্ষেত্ৰত দেখনিয়াৰভাৱে প্ৰভাৱ পেলোৱা পৰা নাই। প্ৰাচীন যুগৰ সন্ধেদ লওঁতা দামোদৰ ধৰ্মানন্দ কোশাম্বী, ৰামশৰণ শৰ্মা আৰু ৰমিলা থাপৰ; মধ্যযুগৰ সন্ধেদ লওঁতা ইৰফান হবিব আৰু তেওঁৰ আলিগড় স্কুল; আধুনিক যুগৰ গৱেষক বিপনচন্দ্ৰকে আদি কৰি যিসকলে ভাৰতীয় ইতিহাসৰ নতুন নতুন ব্যাখ্যা দাঙি ধৰিছে, তেওঁলোকৰ বলিষ্ঠ পদধ্বনি আমাৰ কাণে এতিয়াও ৰবকৈ শুনিবলৈ পোৱা নাই। কেম্ব্ৰিজ-অক্সফ'ৰ্ড-কলিকতা-দিল্লীত পঢ়িবলৈ পোৱা এই অঞ্চলৰ এমুঠি ছাত্ৰ-ছাত্ৰীৰ বা গৱেষকৰ ভিতৰতে তেওঁলোকৰ প্ৰভাৱ সীমাবদ্ধ থাকি গৈছে। তেনেস্থলত গেইটৰ দৃষ্টিভঙ্গীয়েইযে আমাৰ পণ্ডিত সমাজত অবিনশ্বৰ হৈ থাকিব, তাত আচৰিত হোৱাৰ কিটো আছে? এতেকে পশ্চাৎদৃষ্টিৰ সুবিধা লৈ গেইটৰ অৱদানৰ (তেওঁৰ ঋণ স্বীকাৰ কৰিবলৈ আমি কুণ্ঠিত নহওঁ) সম্যক বুজ লোৱা যাওক।

আগেয়ে কৈছোঁ, বৃটিছ শাসক গোষ্ঠীৰ বাবে প্ৰয়োজনীয় হৈ পৰিছিল এনে এটি ইতিহাসবোধৰ, যিয়ে বৃটিছ শাসন কালক ইতিহাসৰ দৃষ্টিত এক যুক্তিসিদ্ধ, বৈধ, অগ্ৰগামী পদক্ষেপ বুলি প্ৰতিপন্ন কৰিব। গেইটে দেখুৱাইছে কেনেকৈ আহোম যুগত আঞ্চলিক ৰাজনৈতিক ক্ষমতাৰ কেন্দ্ৰমুখী বিকাশ আৰু বিস্তৃতি ঘটাৰ পাছত ওঠৰ শতিকাৰ শেষাৰ্দ্ধত এক অৰক্ষয়ী অচলাৱস্থাৰ সৃষ্টি হৈছিল; কেনেকৈ বৃটিছৰ হস্তক্ষেপৰ ফলত অসমত শান্তি-শৃঙ্খলা আকৌ ঘূৰি আহিছিল; আৰু কেনেকৈ বৃটিছ ৰাজৰ সুস্থিতিৰ জৰিয়তে সৰ্বাঙ্গীন উন্নতিৰ বাট মুকলি হৈছিল। কুশাসনৰপৰা সুশাসনলৈ আৰু আন্ধাৰৰপৰা আধুনিক সভ্যতাৰ পোহৰলৈ লৈ অহাৰ কৃতিত্বযে ইংৰাজৰ, এই বিশ্বাস অকল গেইটৰে নাছিল; ছাৰ যদুনাথ চৰকাৰ, ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা আৰু ৰায়বাহাদুৰ সূৰ্যকুমাৰ ভূঞায়ো সেইদৰেই ভাবিছিল। ইংৰাজ নাহিলে ভাৰত তথা অসম সদায় আন্ধাৰত থাকিলহেঁতেন জানো? চীনৰ সাম্প্ৰতিক ইতিহাস পাঠ কৰি তেনে ধাৰণা নহয়।

ইংৰাজৰ অৰ্থনৈতিক শোষণৰপৰা আমাৰ দৃষ্টি আঁতৰাবৰ বাবে ঔপনিবেশিক ইতিহাস ৰচনাৰ আন এটি অৱদান হ'ল— ভাৰতৰ তথাকথিত আধ্যাত্মিক শ্ৰেষ্ঠতাৰ কথা অনবৰতে গাই থাকি জনমানসক অতীতমুখী কৰি তোলা। ভোগ নহয়, ত্যাগেই ভাৰতৰ আদৰ্শ; ঐহিক জীৱনত সুখ বিচৰাটো পশ্চিমৰ অনুকৰণ; অতীত ভাৰতৰ সকলো ভাল আছিল, সেই মহান অতীতকে সাৱটি ধৰি থাকিব লাগে— এনে এটি আভুৱাৰে ভৰা প্ৰতিক্ৰিয়াশীল জীৱন-দৰ্শনৰ লগতো ইতিহাস-দৃষ্টিক সাঙুৰি পেলোৱা হৈছিল। ইয়াৰ লগত যুক্ত হৈছিল আৰ্য-অনাৰ্য তত্ত্ব। ঔপনিবেশিক ইতিহাসৰ শিক্ষামতে, বহিৰাগত আৰ্যভাষীসকলেই আছিল ভাৰতীয় সভ্যতাৰ অগ্ৰদূত আৰু থলুৱা বাকী জনসাধাৰণ আছিল অনাৰ্য, অ-সভ্য। আগন্তুক আৰ্যসকলেযে তেওঁলোকৰ ধ্যান-ধাৰণা, সভ্যতাৰ ভালেখিনি ক্ৰমে থলুৱা ৰাইজৰপৰাই লৈছিল আৰু ভাৰতীয় সংস্কৃতি, আনকি বৈদিক সংস্কৃতিওযে সংমিশ্ৰণৰে ফল, —এইটো কথা ইতিহাসৰ পাতত তল পৰিছিল। তেজৰ বিশুদ্ধতাযে আৰ্যসকলৰ নাছিল, এইটো কথা সদৰী নকৰি ৰক্ত-কৌলিন্য তত্ত্বক (racism)

প্ৰাধান্য দিয়া হৈছিল। বৰ্ণ আৰু উৎকৰ্ষৰ মাজত কাৰ্য-কাৰণ সম্পৰ্ক থকা বুলি পোনে-পোনে বা পাকে-প্ৰকাৰে দেখুৱা হৈছিল। কিয়নো বৃটিছ শাসক-শ্ৰেণীৰ অনুসৃত বৰ্ণবৈষম্য নীতিৰ অনুকূলে অতীত ইতিহাসৰ সমৰ্থনৰ প্ৰয়োজন আছিল। আমাৰ যুগৰ আৰ্য আছিল ইংৰাজ চাহাব। তেওঁৰ আগত ঘোঁৰাত উঠিবৰ, জাতি মেলিবৰ অধিকাৰ নাছিল অনাৰ্য ৰাইজৰ।

ঔপনিৱেশিক ইতিহাস-দৃষ্টিৰ আন এটি বৈশিষ্ট্যও উল্লেখ্য। ভাৰতত ভাৰতীয় নাই; আছে মাথোন হিন্দু, মুছলমান, জনজাতীয় আৰু অসংখ্য জাত-পাত, বিভিন্ন আঞ্চলিক সত্তাবোৰ। ঔপনিৱেশিক ইতিহাস-দৃষ্টিত ভাৰতীয় ইতিহাস-জিজ্ঞাসা সামগ্ৰিক নহৈ খণ্ডিত হোৱাটো স্বাভাৱিক। পৰস্পৰৰ লগত সম্পৃক্ত হৈ থকা বা হ'ব খোজা জনগণৰ সামগ্ৰিক ইতিহাস নাই; আছে কোচ, আহোম, চুটিয়া, কছাৰী, জয়ন্তীয়া আৰু মুছলমান ৰজাঘৰৰ প্ৰতি-দ্বন্দ্বিতাৰ ইতিহাস। কিয়নো, খণ্ড, ছিন্ন, বিক্ষিপ্ত সমাজক একগোট কৰাৰ কৃতিত্বওযে দিব লাগিব বৃটিছ শাসনক;— মোগল যুগৰপৰা ক্ৰমে বাঢ়ি অহা বেপাৰ-বাণিজ্যক নহয়। এতেকে ভাৰতৰ বা অঞ্চলৰ ইতিহাসক ডোখৰডোখৰকৈ দেখুৱাবৰ নাইবা তথাকথিত হৃৎভূমি আৰ্যাৱৰ্তৰ ইতিহাসকে ভাৰতৰ ইতিহাস বুলি চলাবৰ প্ৰচেষ্টা ইতিহাস ৰচনাৰ ঔপনিৱেশিক ধাৰাৰ অন্যতম দিশ।

আঞ্চলিক বা খণ্ড জীৱনৰ ইতিহাস লিখাৰো প্ৰয়োজন আছে; কিন্তু সমগ্ৰৰ লগত, বহিৰ্বিশ্বৰ লগত যোগাযোগৰ সূত্ৰবোৰক দৃষ্টিৰ বাজ কৰি নহয়। কাৰণ, দাদৰ ভেকুলীৰ কোনো ইতিহাস থাকিব নোৱাৰে। আ'কৌ, অকল তথ্য গোটালেই ইতিহাস নহয়। ঘটনা-পৰম্পৰাৰ অভিমুখ নিৰ্দ্ধাৰণ আৰু অৰ্থবহ বৰ্ণনাই ঐতিহাসিকৰ কাম। এই কামটো কৰোঁতে অসংখ্য তথ্যৰপৰা কিছু গুৰুত্ব-পূৰ্ণ তথ্য বাছি লব লাগে আৰু সজাব লাগে। এইখিনি কৰোঁতে এটি দৃষ্টিভঙ্গীৰো দৰকাৰ। এই দৃষ্টিভঙ্গী নিৰ্ভৰ কৰে দ্ৰষ্টাৰ অৰ্থাৎ ঐতিহাসিকজনৰ সামাজিক অৱস্থান আৰু ৰাজনৈতিক বিশ্বাসৰ ওপৰত। এতেকে কোনো ঐতিহাসিকেই নিৰপেক্ষ হ'ব নোৱাৰে। গেইটো নাছিল। গেইটৰ গ্ৰন্থখনৰ ১৯২৬ চনৰ সংশোধিত সংস্কৰণতো জাতীয়তাবাদৰ উত্থান আৰু কংগ্ৰেছৰ কোনো উল্লেখ নাই। উল্লেখ নাই উনৈছ শতিকাৰ ৰাইজ-মেল আন্দোলনৰ নাইবা বাগিছাৰ চাহাবৰ অত্যাচাৰৰ বিৰুদ্ধে স্বতঃস্ফূৰ্ত, পৌনঃপুনিক শ্ৰমিক বিক্ষোভৰ। অকল ঠাইৰ নাটনিৰ বাবে এইখিনি তথ্য বাদ পৰিছিল বুলি নাভাবিব। আমি জানো গোৱালপাৰা-কামৰূপত মোগল ৰাজস্ব-সংগ্ৰাহকৰ বিৰুদ্ধে এজন অজ্ঞাতনামা ৰজা আৰু বীৰ সনাতন কোঁচৰ নেতৃত্বত দীৰ্ঘদিন চলি থকা ব্যাপক সশস্ত্ৰ কৃষক প্ৰতিৰোধৰ কথা ('ৰহাবিস্তান ই-গাইবি')। মধ্যযুগৰ ইতিহাস বিস্তৃতভাৱে বৰ্ণাওঁতেও গেইটে ইয়াৰ উল্লেখ কৰা নাই।

গেইটৰ কথা বাদেই দিয়ক। ইংৰাজ প্ৰশাসকৰ ৰৱজাপিৰ তলত থিয় দি আৰু জাতীয়তাবাদী আন্দোলনৰ পিনে পিঠি দি যিসকল বুদ্ধিজীৱীয়ে ইতিহাস চৰ্চিছিল, তেওঁলোকৰ দৃষ্টিভঙ্গীও গেইটৰ দৰেই আছিল। গেইটৰ পাছত ভূঞাই আমাৰ অঞ্চলৰ ইতিহাস-ৰচনাৰ গুৰি ধৰিছিল। তেওঁৰ ওচৰতো আমি কম ঋণী নহওঁ। মায়ামৰীয়া প্ৰজা-বিদ্ৰোহৰ বিতং বিশ্লেষণ কৰাৰ পাছত তেওঁ এইটো সিদ্ধান্তলৈ আহিছিল যে বাৰ মৰাণ আৰু তেওঁৰ হাতীকান্দীমথাতকৈ মায়ামৰা সত্ৰৰ গুৰুসকলেই বিদ্ৰোহৰ যোগ্যতৰ নেতৃত্ব দিব পাৰিলেহেঁতেন।



হাতীকান্দীমথাৰ ওপৰত এই অনাস্থাৰ আঁতি-গুৰি বিচাৰিব লাগিলে ভূঞাৰ সামাজিক অৱস্থাৰ প্ৰসঙ্গটো আহি পৰিবই। ওঠৰ শতিকাৰ শেষ দশকতে অসম বৃটিছৰ তলতীয়া হ'লে দেশৰ বেছি মঙ্গল হ'লহেঁতেন বুলিও তেওঁৰ ধাৰণা আছিল। প্ৰতি-ষ্ঠিত ৰাজশক্তিৰ প্ৰতি আনুগত্যবোধেৰে গুণাভিৰামৰ দৰেই ভূঞাৰ দৃষ্টিও আচ্ছন্ন আছিল।

আঞ্চলিক ইতিহাস ৰচনাৰ ক্ষেত্ৰত আন এটা কথাও মন কৰিবলগীয়া। জনগণ যেতিয়া সৰ্বভাৰতীয় বৃহৎ জাতীয়তাবাদৰ প্ৰতি অনুগত থাকি সাম্ৰাজ্য-বাদৰ মোকাবিলা কৰাত ব্যস্ত, তেতিয়া কোনো কোনো আঞ্চলিক ঐতিহাসিকে ক্ষুদ্ৰ জাতীয়তাবাদ বা সাম্প্ৰদায়িকতাৰ আশ্ৰয় লৈ দৰকাৰ মতে তথ্যৰ বিকৃতি ঘটাই হ'লেও বিশেষ সম্প্ৰদায় বা বিশেষ অঞ্চলৰ বিৰুদ্ধে বিদ্বেষৰ কঠীয়া সিঁচাও দেখা যায়। সাম্ৰাজ্যবাদৰ বিভেদ-নীতিৰ ভু নোলোৱাকৈ আৰু জনৈক গৰ্ডন চাহাব নাইবা জনৈক ফুলাৰ চাহাব নাইবা মুলান চাহাবৰ বাক্যক বেদবাক্য যেন জ্ঞান কৰি বঙালীৰ ষড়যন্ত্ৰৰ ফলত অসমীয়া ভাষাই মৰামুখা অৱস্থা পাইছিল— এনে এটা অসত্য প্ৰচাৰো ইতিহাসবোধৰ অঙ্গ হৈ পৰিছিল। অসংখ্য উদাহৰণৰ মাজত এই এটা উদাহৰণ। "চিৰিপ চিৰিপকৈ বাগানৰ চাহাবটি চেৰাপ খাই পেলালে চিচা"— চেৰাপখিনি পি লৈ পেলাই দিয়া চিচাৰ দৰে শূন্য, উকথা, উদং, বৃটিছ-শোষিত অসমৰ যি কৰুণ চিত্ৰ লোকগীতত বিধৃত, তাৰ ইতিহাস জানো আপোনালোকে এইসকল ঐতিহাসিকৰ ৰচনাত পাইছিল ?

গেইট-কনকলাল-ভূঞাৰ অৱদানক পৰৱৰ্তী বহুতেই তেওঁলোকৰ নিজা নিজা ৰৱঙনিৰে কেউফালে প্ৰসাৰিত আৰু গভীৰতৰ নকৰাকৈ থকা নাই। কিন্তু ঔপনিৱেশিক দৃষ্টিভঙ্গীৰ চেপাত ছুটা দিশলৈ ঐতি-হাসিকৰ দৃষ্টি যথেষ্ট পৰিমাণে প্ৰসাৰিত হোৱা নাই। — (১) খণ্ড প্ৰচেষ্টা কিছুমানক বাদ দিলে আঞ্চলিক অৰ্থনৈতিক ইতিহাস বুলিবলৈ আমাৰ একো নাই। (২) ৰাজনৈতিক প্ৰশাসনিক ইতিহাসো ১৮৫৮ চনলৈকে আহি বাস্তৱতে স্তব্ধ হৈ আছিল। অতি-সম্প্ৰতি চৰকাৰী অনুদানৰ আনুকূল্য পাই একাধিক প্ৰচেষ্টাৰ যোগেদি আধুনিক যুগৰ ৰাজনৈতিক ইতিহাস স্বাধীনতা-প্ৰাপ্তিৰ সময়লৈকে সম্প্ৰসাৰিত হৈছে। কিন্তু বাট কটাৰ কাম আৰম্ভ হৈছে মাত্ৰ। সকলো নথি-পত্ৰ নোচোৱাকৈ আৰু লৰধৰকৈ পূৰ্ণাঙ্গ ৰাজনৈতিক ইতিহাস লিখা নাযায়। সমকালীন বাতৰি কাকত, ৰাজনৈতিক আ-অনুষ্ঠানৰ নথি-পত্ৰ, সংশ্লিষ্ট ব্যক্তিসকলৰ জীৱনী আৰু নথি-পত্ৰ, বিধান পৰিষদ, লোকেল ব'ৰ্ড, মিউনিচিপেলিটি আদিৰ কাৰ্য-বিৱৰণি— এইবোৰ আকৰ-সমল- ক'হিয়াই নোচোৱাকৈ অকল চৰকাৰী অভিলেখ চাই আধু-নিক যুগৰ ঘটনা-পৰম্পৰাৰ বুজ লোৱাটো টান। এইবোৰ আকৰ-সমলৰ সন্ধানেই এতিয়ালৈকে সম্পূৰ্ণ হৈ উঠা নাই; ব্যৱহাৰতো দূৰৰ কথা। 'আছাম এছোচিয়েশ্যনৰ' বুৰঞ্জী লিখাৰ কামতো বাকী আছেই, আঞ্চলিক কংগ্ৰেছ আৰু কমিউনিষ্ট সংগঠনৰ কামচলা বিধৰ বুৰঞ্জী একোখনো আমাৰ সমুখত নাই। দুখৰ কথা এইটোৱেই যে স্বাধীনতাৰ পাছত আধুনিক বুৰঞ্জীৰ সমল গোটোৱাৰ নামত লাখ লাখ টকা খৰচ কৰিও পোৱা ঠাইৰ নিৰ্দেশসহ আকৰ-সমলৰ এখন পূৰ্ণ তালিকা চৰকাৰে ৰাইজৰ ওচৰত দাঙি ধৰিব পৰা নাই। কংগ্ৰেছৰ মূল্যবান নথি-পত্ৰ হেৰাইছে, নাইবা পোকে খাই আছে।

এনে পৰিস্থিতিত অসমৰ ৰাজনৈতিক আ-অনুষ্ঠান আৰু ৰাজনীতি চৰ্চাৰ ইতিহাস দাঙি ধৰিবলৈ যাওঁতে প্ৰথমতেই প্ৰশ্ন উঠে, কাৰ ৰাজনীতি চৰ্চিম ?

কঁকালত টঙালি-বন্ধা হোজা নিৰক্ষৰ খেতিয়ক, মাছমৰীয়া, বৃত্তিয়াল আৰু খনি-বাগিছা-ৰেলৰ আলিৰ শ্ৰমজীৱী ৰাইজৰ, নে লিখা-পঢ়া জনা মধ্য আৰু উচ্চ শ্ৰেণীৰ ৰাইজৰ? নিৰক্ষৰ শ্ৰমজীৱী ৰাইজেযে কলখোকা ৰাম্দুলীয়ে খোৱাৰ কথাকে পাতিছিল এনে নহয়, ৰাজ-ভগনৰ কথাও পাতিছিল। কিন্তু তাৰ প্ৰকাশ আছিল মৌখিক। মৌখিক প্ৰচাৰৰ জৰিয়তেই তেওঁলোকে প্ৰতিবাদ জনাইছিল। বিদ্ৰোহৰ বা-বতৰো ৰচনা কৰিছিল। নিৰক্ষৰৰ এই ৰাজনীতিয়ে আমাৰ বাবে কোনো অভিলেখ থৈ যোৱা নাই। ক'ত পাম এই ৰাজনীতিৰ দৰদী বৰ্ণনা? চৰকাৰী নথি-পত্ৰ, বাতৰি কাকত আৰু লোকস্মৃতিৰপৰা সামান্য আভাস মাত্ৰ পাব পাৰোঁ।

এতেকে আমি বিতংকৈ ভু ল'ব পাৰোঁ সেই ৰাজনীতিৰ, যি ৰাজনীতি আছিল যাইকৈ মধ্য আৰু উচ্চ শ্ৰেণীৰ স্বাৰ্থৰ পৰিপোষক। মধ্য শ্ৰেণীয়ে সমাজৰ নেতা হ'ব খুজিছিল; এতেকে তেওঁলোকে ব্যাপক কৃষক-শ্ৰমিক ৰাইজৰ স্বাৰ্থকো দাঙি ধৰিব লাগিছিল। কিন্তু সেইটো কৰিবলৈ গৈ তেওঁলোকে প্ৰায়েই নিজৰ শ্ৰেণী-স্বাৰ্থকে ৰাজহুৱা, জাতীয় স্বাৰ্থ নাইবা নিজৰ ধৰ্মীয় বা ভাষাগত সম্প্ৰদায়ৰ স্বাৰ্থ বুলিয়ে আগ বঢ়াইছিল। নিজৰ শ্ৰেণী-স্বাৰ্থৰ হানি হ'লে, ৰাইজৰ স্বাৰ্থৰ বিৰুদ্ধে যাবলৈকো দ্বিধা কৰা নাছিল তেওঁলোকে। আবকাৰী কানি নিষিদ্ধ হ'লে বেছিকৈ ভূমি-ৰাজস্ব দিব লগাৰ ভয়ত যোৰহাট সাৰ্বজনিক সভাই কানি নিবাৰণৰ বিৰোধিতা কৰাৰ আৰু কানিৰ গুণ-কীৰ্ত্তন কৰাৰ কথাটো আমি জানো।

ৰাজনৈতিক আ-অনুষ্ঠানৰ ইতিহাস ১৯২০ চনলৈকে কাৰ্যতঃ এই মধ্য শ্ৰেণীৰ ইতিহাস। বাণিজ্য আৰু নগৰৰ বেপাৰী, আমোলা, উকীল, মুক্তিয়াৰ, শিক্ষক, ডাক্তৰ, কেৰাণী-মহৰীৰপৰা আৰম্ভ কৰি গাঁৱৰ মৌজাদাৰ, মণ্ডল, মৃধে আৰু নদন-বদন গৃহস্থ ৰায়তলৈকে এই মধ্য শ্ৰেণীৰ বিস্তৃতি আছিল। এই শ্ৰেণীভুক্ত মানুহৰ সৰহখিনিৰ শিপা গাঁৱৰ মাটি-বাৰীত আছিল। নতুন চাম আৰু পুৰণি চামৰ মাজত, 'মৌ'-বৰ্ণিত 'ডাঙৰীয়া' আৰু 'বাবু'ৰ মাজত পাৰ্থক্য আছিল মাত্ৰ শিক্ষাৰ আৰু ৰুচিৰ। অসমৰ ঔপনিবেশিক পৰিবেশত, অসমীয়া মধ্য শ্ৰেণীৰ বেহা-বেপাৰ আৰু চাকৰি-বাকৰিৰ সুবিধা বৰকৈ সীমিত আছিল। এতেকে ই দুৰ্বল আছিল। এতেকে প্ৰথম মহাযুদ্ধৰ অন্তলৈকে এই শ্ৰেণীয়ে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে মুখৰ হৈ উঠাতকৈ সহযোগিতাৰ কৌশলকে যাইকৈ ধৰি আছিল। এই পৰিস্থিতিৰ কথাটো মনত ৰাখিয়ে ৰাজনৈতিক আ-অনুষ্ঠান আৰু ৰাজনীতি চৰ্চাৰ বুৰঞ্জীৰ এটি ৰূপ-ৰেখা দাঙি ধৰা যাওক।

## পূৰ্বাভাস : ১৮৫০-১৮৮০

যোৱা শতিকাৰ পঞ্চাছৰ দশকটিতে আধুনিক ৰাজনীতিৰ সূত্ৰপাত। তেতিয়া মণিৰাম দেৱান আৰু আনন্দৰাম ঢেকিয়াল ফুকনৰ আবেদন পত্ৰৰ যোগেদি যিবোৰ প্ৰশ্ন মিল্‌ছ চাহাবৰ ওচৰত দাঙি ধৰা হৈছিল, সেইবোৰেই পৰৱৰ্তী কালতো ৰাজনৈতিক আন্দোলনৰ মৌল প্ৰশ্ন হিচাপে থাকি গৈছিল। এই প্ৰসঙ্গত তাৰ এবছৰৰ আগতে 'মিউনিচিপেলিটি লাগে' বুলি দাবী কৰি গুৱাহাটীৰ নাগৰিকসকলে কৰা দৰ্খাস্তখনো উল্লেখ্য। ১৮৫৬ চনত শিৱসাগৰৰ অসম দেশ হিতৈষিণী সভাৰ সম্পাদক পূৰ্ণানন্দ শৰ্মা ডেকাবৰুৱাই এখনি পোহাৰি পত্ৰ প্ৰচাৰ কৰি ৰাইজক হুৱলীয়া লাট চাহাবৰ ওচৰত ওজৰ-আপত্তি জনাবলৈ আহ্বান কৰা বুলিও আমি জানো। ১৮৫৩ চনত ছপা হোৱা ঢেকিয়াল ফুকনৰ 'আইন



ও ব্যৱস্থা সংগ্ৰহ' কিতাপখনে ইতিমধ্যেই ৰাজনীতি শাস্ত্ৰ আৰু আইন শাস্ত্ৰৰ তত্ত্বগত আলোচনাৰ দিশটোও মুকলি কৰিছিল। এতেকে কব পাৰি যে আধুনিক ৰাজনীতি চৰ্চাৰ সূত্ৰপাত যোৱা শতিকাৰ পঞ্চাছৰ দশকত। এই দশকতে ফিৰিঙ্গীৰ শাসন আৰু কৰৰ বোজাৰপৰা মুক্তিৰ প্ৰশ্নটোও খন্তেকৰ বাবে হ'লেও জাতীয় মহাবিদ্ৰোহৰ যোগেদি ভমকাই জ্বলি উঠিছিল। অৱশ্যে এই বিদ্ৰোহৰ প্ৰতি মধ্য শ্ৰেণীৰ সমৰ্থন নাছিল। ভাবতৰ ক'তো নাছিল।

মণিৰামৰ আবেদনখন ঐতিহ্য আৰু আধুনিকতাৰ এক বিচিত্ৰ সমাহাৰ। ন-পুৰণিৰ সেতুবন্ধ। শেষ ডাঙৰীয়া, প্ৰথম চাহ-খেতিয়ক অসমীয়া কেপিটেলিষ্ট হ'বলৈ ওলাইছিল। বন্দী-বেটীক মুক্তি আৰু খাত-পামৰ বাবে মাটি-খাজানা দিবলগীয়া হোৱাত উচ্চ শ্ৰেণীৰ মানুহৰ বৰ দুখ হৈছে বুলি আক্ষেপ কৰিছিল মণিৰামে। কোম্পানীয়ে ৺কামাখ্যাত পূজা দি থকাৰপৰা বিৰত হোৱা দেখিও তেওঁ আতঙ্কিত হৈছিল। আনফালে আশ্ৰিত ৰাজ্য হিচাপে আহোম ৰাজ্যৰ পুনঃপ্ৰতিষ্ঠাৰ দাবীৰ লগে লগে থলুৱা অসমীয়াৰ স্বাৰ্থ কাতি কৰি বহিৰাগত মাৰোৱাৰী আৰু বঙালীক মৌজাদাৰ পতাৰ বিৰুদ্ধে প্ৰতিবাদ, বিচাৰ-ব্যৱস্থা আৰু ৰাজস্ব-ব্যৱস্থা ইত্যাদিৰ সমালোচনা, পৰ্বতৰ জনজাতীয়সকলৰ লগত চৰকাৰী দুৰ্ব্যৱহাৰৰ সমালোচনা, চৰকাৰী কানি-নীতিৰ নিন্দা ইত্যাদিও ঠাই পাইছিল তেওঁৰ আবেদনখনত। বৃটিছৰ সংস্কাৰমূলক কাম কিছুমানৰ প্ৰশংসাও নথকা নহয়। দেৱানৰ কৰ্মসূচী গণতান্ত্ৰিক নাছিল ঠিকেই; কিন্তু ৰাইজৰ অসন্তোষৰ কিছুমান থাই কাৰণ তেওঁ ধৰিব পাৰিছিল, আৰু পঞ্চাছৰ দশকত এই গণ-অসন্তোষৰ মুখপাত্ৰ হ'বলৈ ভয় কৰা নাছিল। দুখন বাগিছা আৰু সোণ-ৰূপৰ খোঁৱা খোৱা হেলাৰঙে এৰি থৈ ভিত্তিত ফাঁচীজৰী লৈছিল তেওঁ।

আনফালে, ঢেকিয়াল ফুকন আছিল সৰ্বতোভাৱে আধুনিক। ইয়ং বেঙ্গলৰ আদৰ্শৰে অনুপ্ৰাণিত। বুৰ্জোৱা আইনৰ ভাষ্যকাৰ ব্লেকষ্টোনৰ সম্পত্তি-ব্যক্তি-স্বাধীনতা সম্পৰ্কীয় ধ্যান-ধাৰণাৰ চমজ্‌দাৰ। ৰাছিয়াৰ পিটাৰ দি গ্ৰেটৰ সংস্কাৰ-প্ৰচেষ্টা আৰু ইংলণ্ডৰ শিল্প-বিপ্লৱৰ বিৱৰণ পাঠ কৰি মুগ্ধ। বৃটিছ শাসনৰ আশ্ৰয়তে দেশে বৈষয়িক উন্নতিৰ বাট ল'ব,— এনে এটি দৃঢ় বিশ্বাস তেওঁৰ আছিল। কিন্তু তেওঁৰ সমালোচনা আছিল মৃদু আৰু সম্পূৰ্ণ গঠনমূলক। পঞ্চাছৰ ৰাজনীতিৰ পৰিপ্ৰেক্ষিতত মণিৰাম যদি চৰমপন্থী আছিল, ঢেকিয়াল ফুকন আছিল নৰমপন্থী বা মডাৰেটসকলৰ পূৰ্বসূৰী।

সাতাৱন চনৰ মহাবিদ্ৰোহ-পৰৱৰ্তী শিকি-শতাব্দী মধ্য শ্ৰেণীৰ ৰাজনৈতিক অনুষ্ঠান গঢ়ি উঠাৰ অনুকূল নাছিল। ষাঠিৰ দশকত খাজানা-বৃদ্ধিৰ বিৰুদ্ধে ফুলগুৰিৰ ধেৱা আৰু ঠায়ে ঠায়ে ৰাইজমেল গা কৰি উঠিছিল। কিন্তু গাঁৱৰ ৰায়তসকলৰ মাজত সীমাবদ্ধ এই আন্দোলনে নগৰৰ বুদ্ধিজীৱীসকলৰ ৰাজ-ভক্তিক টলাব পৰা নাছিল। সত্তৰৰ দশকৰ প্ৰধান ঘটনা অসমীয়া ভাষাৰ হৃত মৰ্যাদাৰ আংশিক পুনৰুদ্ধাৰ। আবেদন-নিবেদনৰ হেঁচাত সাম্ৰাজ্যবাদৰ এই নতি-স্বীকাৰে অসমীয়া মধ্য শ্ৰেণীৰ মনত উৎসাহৰ সঞ্চাৰ কৰিছিল। এই প্ৰসঙ্গত উল্লেখ্য যে শিৱসাগৰৰপৰা অসমীয়া ভাষাৰ সপক্ষে যিখনি দৰ্খাস্ত দিয়া হৈছিল, তাৰ স্বাক্ষৰকাৰীৰ ভিতৰত দুজনমান বঙালীৰো নাম পোৱা যায়।

সত্তৰৰ দশকটিতে অসমৰ জিলা-চহৰবোৰত পোখা মেলি উঠা ব্ৰাহ্মসমাজ মধ্য শ্ৰেণীৰ এমুঠি শিক্ষিত

অসমীয়া-বঙালীৰ মাজত বৌদ্ধিক সেতুবন্ধ হৈ পৰিছিল। কিন্তু কলিকতা-প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ মাজত সংগঠনৰ সূত্ৰপাতৰ বাহিৰে ৰাজনীতি চৰ্চা বা ৰাজনৈতিক সংগঠনৰ ক্ষেত্ৰত আন কোনো অগ্ৰগতি এইটো দশকত দেখা নাযায়। তেতিয়া বলিনাৰায়ণ বৰা চাকৰিত আৰু জগন্নাথ বৰুৱা বাগিছাত সোমাইছে মাত্ৰ। লক্ষ্মীনাথ বেজবৰুৱা স্কুলত। এই সময়ত বঙ্গদেশৰ ৰাজনৈতিক অনুষ্ঠান 'ইণ্ডিয়ান এছোচিয়েশ্বন' (প্ৰঃ ১৮৭৬) সক্ৰিয়। অসমৰ চাহ-বাগিছাত কুলী-নিৰ্যাতনৰ বিৰুদ্ধে বঙ্গদেশৰ সংবাদ পত্ৰ সোচ্চাৰ। ১৮৭৯ চনত অসম চাই আহি ৰামকুমাৰ বিদ্যাৰত্ন নামে এজন ব্ৰাহ্ম প্ৰচাৰকে বঙলা বাতৰি কাকতত চাহ-শ্ৰমিকৰ দুৰৱস্থাৰ কথা বিৱৰি এলানি প্ৰবন্ধ লিখিছিল। লক্ষ্মীনাথৰ বাল্য-জীৱনৰ স্মৃতিকথাত এওঁৰ উল্লেখ আছে। অসমৰ উঠি অহা ডেকাসমাজৰ ওপৰত বঙ্গদেশৰ সমকালীন ঘটনাৱলীৰ প্ৰভাৱ ৰাৰুকৈয়ে পৰিছিল।

১৮৭৪ চনত শ্ৰীহট্টৰ সৈতে যুঁৱলিবদ্ধ হৈ অসম এখন সুকীয়া প্ৰদেশ হ'ল। কিন্তু হ'লে কি হ'ব? বঙ্গৰ এটা অংশ হৈ থাকোঁতে অসমীয়া চাকৰি-প্ৰাৰ্থীৰ কপাল যেনে আছিল তেনেই থাকিল। ১৮৯৩ চনত শ্বিলং চেক্ৰেটাৰিয়েটত কৰ্মৰত ৫৫ জন এছিষ্টেণ্টৰ ভিতৰত ৭ জন মাত্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহ আছিল। ১৯০৫ চনত অসমৰ পূৰ্ববঙ্গ-ভুক্তিৰ পাছতো এই অৱস্থাৰ সলনি হোৱা নাছিল। ১৯১০ চনৰ এটি হিচাপ মতে, অসমত কাম কৰি থকা ১০৯১ জন চৰকাৰী কৰ্মচাৰীৰ ভিতৰত ৪২২ জন মাত্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহ আছিল। ৩৩১ জন আছিল শ্ৰীহট্ট-কাছাৰৰ মানুহ। বাকী ৩৩৮ জন আছিল তথাকথিত বহিৰাগত,— প্ৰধানতঃ বঙালী। সাম্ৰাজ্যবাদৰ কল্যাণত চাকৰিৰ সংখ্যা আছিল সীমিত; কিন্তু চাকৰি-প্ৰাৰ্থীৰ সংখ্যা বাঢ়ি গৈ আছিল। এনে পৰিস্থিতিত চাকৰি-বাকৰিৰ সুবিধাৰ বাবে থলুৱা বঙালী আৰু অসমীয়া মধ্য শ্ৰেণীৰ মানুহৰ মাজত খিয়লা-খিয়লি লাগি আছিল। মধ্য শ্ৰেণীৰ অসন্তোষে সাম্ৰাজ্যবাদৰ সৈতে প্ৰত্যক্ষ সংঘৰ্ষৰ ৰূপ নলৈ সাম্প্ৰদায়িকতা আৰু চাহাব-তোষণৰ ৰূপ লৈছিল। ইংৰাজক চেলাম দিদিয়াকৈ চাকৰি পোৱা, বেহা-বেপাৰত ভাগ লোৱা, আন কি সৰু-সুৰা বাগিছা খোলাও টান আছিল। এতেকে আত্মোন্নতিৰ বাবে সাম্ৰাজ্যবাদৰ সৈতে সহযোগিতাৰ কৌশল লৈছিল থলগিৰী বহিৰাগত মধ্য শ্ৰেণীৰ নেতৃবৃন্দই। আবেদন-নিবেদন, কাবৌ-কাকুতিৰে চাহাব-তোষণৰ বাট লৈছিল তেওঁলোকে। এই পটভূমিতে অসমৰ জিলা-চহৰবোৰত যোৱা শতিকাৰ আশীৰ দশকটিত কেইবাটিও ৰাজনৈতিক অনুষ্ঠান গজি উঠিছিল। এইবোৰেই আছিল তেতিয়া গঢ়ি উঠা ভাৰতীয় জাতীয় কংগ্ৰেছৰ তৃণমূল আৰু অসমৰ প্ৰথম প্ৰাদেশিক সংগঠন আছাম এছোচিয়েশ্বনৰ কঠিয়াতলী।

১৮৮০ চনৰপৰা ১৯৪৭ লৈকে অসমত ৰাজনীতি চৰ্চাৰ ইতিহাসক তিনিটা পৰ্বত ভগাব পাৰি:— ১) জিলাকেন্দ্ৰিক একাধিক অনুষ্ঠানৰ যুগ— ১৯০৩ লৈকে। ২) ভৈয়াম বিয়পা আছাম এছোচিয়েশ্বনৰ যুগ— ১৯০৩-১৯২০; আৰু ৩) অসম প্ৰদেশ কংগ্ৰেছৰ ৰবজাপিৰ তলত জাতীয় স্বাধীনতা সংগ্ৰামৰ যুগ— ১৯২১-১৯৪৭।

ৰাজনৈতিক আন্দোলনৰ চৰিত্ৰ আৰু সংগঠনৰ ৰূপ যুগভেদে বেলেগ বেলেগ আছিল। আমি এই তিনি পৰ্বৰ ৰাজনীতি সম্পৰ্কে বিতংকৈ আলোচনা কৰোঁহঁক।

<u>প্ৰথম পৰ্ব : ১৮৮০-১৯০৩</u>

১৯০৫ চনলৈকে অসমত কোনো প্ৰাদেশিক বিধান



পৰিষদ নাছিল। বিপন-প্ৰবৰ্তিত লোকেল ব'ৰ্ড, মিউনিচিপেলিটিতো নিৰ্বাচনী ৰাজনীতিৰ সুযোগ প্ৰায় নাছিলেই। চৰকাৰী-বেচৰকাৰী আটাইবোৰ মিউনিচিপেল কমিছনাৰ মনোনীত আছিল। লোকেল ব'ৰ্ডৰ সদস্যসকলৰো প্ৰায়বোৰ সদস্য মনোনীত আছিল। সামান্য সংখ্যক ভাৰতীয় প্ৰতিনিধি নিৰ্বাচিত হৈ অহাৰ ব্যৱস্থা একমাত্ৰ শিৱসাগৰ, শ্ৰীহট্ট আৰু কামৰূপৰ লোকেল ব'ৰ্ডত আছিল। বাকীবোৰ জিলাত চৰকাৰী মনোনয়নৰ বাহিৰে ভাৰতীয় এজনৰ আন কোনো উপায় নাছিল ব'ৰ্ডত সোমাবলৈ। ১৮৮৩ চনৰ এটি হিচাপৰপৰা দেখা যায় যে ১৬ খন লোকেল ব'ৰ্ডৰ মুঠ ৩০০ সদস্যৰ সিকিভাগ আছিল বাগিছাৰ বগা চাহাব আৰু শতকৰা পোন্ধৰজন আছিল চৰকাৰী কৰ্মচাৰী। বাকীবোৰৰ অধিকাংশ মনোনীত। বাগিছাৰ চাহাব-প্ৰতিনিধি অৱশ্যে নিৰ্বাচনৰ যোগেদি বছা হৈছিল। লোকেল ব'ৰ্ড আৰু মিউনিচিপেলিটি— উভয় ক্ষেত্ৰতে চাহাব অফিচাৰ এজনেই সভাপতিৰ আসন অলংকৃত কৰিছিল। এয়া আছিল স্বায়ত্ত শাসনৰ নমুনা। তথাপি শিৱসাগৰৰ প্ৰথম লোকেল ব'ৰ্ড নিৰ্বাচনত গঙ্গাগোবিন্দ ফুকন আৰু ইন্দিবৰ বৰুৱাক ভাগ লোৱা দেখা পাওঁ। ব'ৰ্ডত নিৰ্বাচিত ভাৰতীয় সদস্যৰ সংখ্যাগৰিষ্ঠতা বিচাৰি তেওঁলোকে মেল-মিটিঙো কৰিছিল; কিন্তু লাভ হোৱা নাছিল। সৰ্বত্ৰ লোকেল ব'ৰ্ডবিলাক স্বায়ত্ত শাসনৰ অনুষ্ঠান হৈ, প্লেণ্টাৰ-স্বাৰ্থৰ হাথিয়াৰ হিচাপেই থাকি গৈছিল। খৰচ যোগাইছিল ৰায়ত-সকলে, কৰ্তৃত্ব কৰিছিল প্লেণ্টাৰসকলে।

অৰ্থনীতিৰ ক্ষেত্ৰতো সুবিধা কৰিব নোৱাৰিছিল থলুৱা মধ্য শ্ৰেণীয়ে। দুই-চাৰিখন ভাৰতীয় বাগিছা যি আছিল, কোনোমতেহে চাহাবসকলৰ অনুকম্পাত তিষ্ঠি আছিল। ইফালে আকৌ নতুন ভূমিৰ জৰীপ আৰু ৰাজহ বন্দোবস্তৰ প্ৰস্তাৱ আহিলত চৰগ পৰিছিল মধ্য শ্ৰেণীৰ মূৰত। নিৰ্বাচনী ৰাজনীতিলৈ হেঁপাহ, খাজনা বৃদ্ধিৰ সম্ভাৱনালৈ চাই আতংক, পতিত মাটিত বাগিছা খোলাৰ আকাংক্ষা, বঙ্গৰ ইণ্ডিয়ান এছোচিয়েশ্বনৰ সৈতে পৰোক্ষ আৰু প্ৰত্যক্ষ যোগাযোগ, মাতৃভাষালৈ মৰম— এনেবোৰ কথাই আশীৰ দশকত অসমীয়া মধ্য শ্ৰেণীক সংগঠিত হ'বলৈ উদগনি দিছিল। যোৰহাট সাৰ্বজনিক সভা, তেজপুৰ ৰায়ত সভা, নগাঁও ৰায়ত এছোচিয়েশ্বন, শ্বিলং এছোচিয়েশ্বন, আপাৰ আছাম এছোচিয়েশ্বনছ—এখন এখনকৈ ভূমিষ্ঠ হৈ সক্ৰিয় হৈছিল। আবেদন-নিবেদনৰ ৰাজনীতি কৰিলে কি হ'ব। এইবোৰেই আছিল অসমীয়া মধ্য শ্ৰেণীৰ সাম্ৰাজ্যবাদ-বিৰোধী প্ৰাথমিক চেতনা আৰু ভূমিকাৰ কঠিয়াতলী। চিভিল চাৰ্ভিচৰ ভাৰতীয়কৰণ, বিধান-পৰিষদৰ বিস্তাৰ-সাধন আৰু ক্ৰম-গণতন্ত্ৰীকৰণ, কুলী-নিৰ্যাতনৰ প্ৰতিকাৰ, ভূমি-ৰাজহ হ্ৰাস, বৃটিছ নাগৰিকৰ সৈতে ভাৰতীয় নাগৰিকৰ সমানাধিকাৰ, হোম চাৰ্জ আৰু মিলিটেৰীৰ ব্যয় হ্ৰাস— এইবোৰ সৰ্বভাৰতীয় দাবীৰ প্ৰতিও অসমীয়া জন-মত সহানুভূতিশীল আছিল। এতেকে, গুৰিৰেপৰা ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু ইণ্ডিয়ান এছোচিয়েশ্বনৰ লগত অসমৰ আ-অনুষ্ঠানৰ যোগাযোগ গঢ়ি উঠিছিল। ১৮৮৬ চনত শেষোক্ত এছোচিয়েশ্বনৰ সহ-সম্পাদক দ্বাৰকানাথ গাঙ্গুলিয়ে গোপনে কুলী-নিৰ্যাতনৰ তথ্য সংগ্ৰহ কৰিবলৈ অসম ভ্ৰমণ কৰিছিল। ঘূৰি গৈ বাগিছাৰ অভিনৱ দাসত্ব-প্ৰথাৰ বিৰুদ্ধে এলানি প্ৰবন্ধও লিখিছিল। অন্যতম নেতা আনন্দমোহন বসু ডাঙৰীয়াও পৰৱৰ্তী বছৰটিত অসমলৈ আহিছিল। উল্লেখ্য যে নগাঁও ৰায়ত এছোচিয়েশ্বন ইণ্ডিয়ান এছোচিয়েশ্বনৰে অন্তৰ্ভুক্ত অনুষ্ঠান আছিল।

যিসকলে অসমীয়া মধ্য শ্ৰেণীৰ নেতিবাচক দিশটোৰ

ওপৰতে মাত্ৰ দোষ দিয়ে, তেওঁলোকে কিছুমান কথা গমি চাব লাগে। আবেদন-নিবেদনৰ ৰাজনীতিকো সমাজৰ প্ৰতিক্ৰিয়াশীল অংশই ভাল চকুৰে চোৱা নাছিল। ১৮৮৭ চনত 'মৌ' আলোচনীৰ প্ৰতিক্ৰিয়াৰপৰাই কথাটো ধৰিব পাৰি। শিক্ষিত অসমীয়া ডেকাসকলে অখ্যাত ঠাইবোৰতো ৰায়ত সভা কৰি ফুৰাটো 'মৌ'-সম্পাদকে ভাল পোৱা নাছিল। কুলী-নিৰ্যাতনৰ প্ৰশ্নতো তেওঁ প্লেণ্টাৰসকলৰ পক্ষ লৈছিল, যদিও কলিকতাৰ অসমীয়া ছাত্ৰ-সমাজৰ মতামত তেতিয়া সুস্পষ্টভাৱে প্লেণ্টাৰ-বিৰোধী আছিল। আৰু এটা কথা মন কৰিবলগীয়া যে এনেবোৰ মত পোষণ কৰা সত্ত্বেও, মৌ সম্পাদক আন কিছুমান কথাত বৃটিছ শাসনৰ টান সমালোচনাৰ পৰা বিৰত থকা নাছিল। স্বায়ত্ত শাসনৰ প্ৰহসনলৈ চাই, লোকেল ব'ৰ্ডবিলাকৰ গঠন আৰু কাৰ্যপদ্ধতিৰ তীব্ৰ সমালোচনা কৰিছিল আৰু নগাঁও ব'ৰ্ডৰ সভা হৈ থাকোঁতে বাগিচাৰ চাহাব-প্ৰতিনিধিসকলৰ মইমত্তালিত বাধা দিছিল। ব্যক্তিগত চিঠি এখনত তেওঁ লিখিছিল :—

"As per the Board, it may be that all the Europeans will resign in a body. Ultimately the Government may think it desirable to transfer me also to some other district, for, although I am on the right side, no other European planter will ever come to work in the Board again under my dictates" [৮ জুলাই, ১৮৮৯]। ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকা সম্পৰ্কে 'মৌ'ৰ আকৰ্ষক সম্পাদকীয় মন্তব্যটিও উল্লেখ্য। সন্দেহ নাই যে অসমীয়া ভাষাত ৰাজনীতি চৰ্চাৰ অন্যতম বাটকটীয়া আছিল 'মৌ' আলোচনীখন।

১৮৮০-১৯০৩ কালছোৱাত অসমীয়া মধ্য শ্ৰেণীৰ ৰাজনীতিৰ কেন্দ্ৰত আছিল ভূমি-ৰাজস্বৰ প্ৰশ্ন; কিয়নো অল্প বিস্তৰ ভূ-সম্পত্তি আটাইবোৰৰে আছিল। ভূমি-ৰাজস্ব-সংক্ৰান্ত আইন প্ৰণয়ন আৰু ভূমি-জৰীপৰ চৰকাৰী সিদ্ধান্ত আশীৰ দশকত সৰৱী হোৱাৰ লগে লগে মধ্য শ্ৰেণীৰ সাংগঠনিক তৎপৰতা দেখা গৈছিল। ১৮৮২ চনৰ মাৰ্চ মাহত শিৱসাগৰৰ আছাম এছোচিয়েশ্বনে আলোচনাৰ কাৰণে চিফ কমিছনাৰৰপৰা প্ৰস্তাৱিত ভূমি-সংক্ৰান্ত বিলখনৰ কপি খুজি পঠাইছিল। Assam Land and Revenue Regulations জাৰী হোৱাৰ পাছত ১৮৮৬ চনৰ জুন মাহত ১০,০০০ ৰাইজৰ উপস্থিতিত, যোৰহাট সাৰ্বজনিক সভাৰ অধিৱেশনত আইনখনৰ প্ৰণয়ন-পদ্ধতিৰ সমালোচনা কৰি প্ৰস্তাৱ গৃহীত হৈছিল। বিধান পৰিষদ নথকা বাবে ৰাইজে এই সম্পৰ্কে আগতীয়াকৈ মতামত দিব নোৱাৰিলে বুলিও ক্ষোভ প্ৰকাশ কৰা হৈছিল। ১৮৯২-৯৩ চনত সাৰ্বজনিক সভাকে আদি কৰি আটাইবোৰ ৰায়ত সভায়েই মেল-মিটিং পাতি খাজানা বৃদ্ধিৰ বিৰোধিতা কৰিছিল। ৰায়ত সভাবোৰৰ নেতৃত্বত যোৰহাট, তেজপুৰ, ডিব্ৰুগড়, নগাঁও আদি ঠাইৰপৰা চৰকাৰলৈ স্মাৰক লিপি পঠোৱা হৈছিল।

খাজানা-বৃদ্ধিৰ বিৰুদ্ধে আন্দোলনে প্ৰবল আকাৰ ধাৰণ কৰিলতো, মধ্য শ্ৰেণীয়ে ইয়াক মডাৰেট ৰাজনীতিৰ চাৰি বেৰৰ মাজতে আবদ্ধ ৰাখিবলৈ দৃঢ় প্ৰতিজ্ঞ আছিল। আপোচহীন সংগ্ৰাম এই শ্ৰেণীৰ আদৰ্শ নাছিল। এতেকে যেতিয়া জঙ্গী খেতিয়ক ৰাইজে 'ৰাইজ-মেল' পাতি আবেদন-নিবেদনৰ পদ্ধতিক গণ-বিক্ষোভ আৰু খাজানা-বন্ধৰ স্তৰলৈ উন্নীত কৰিছিল, তেতিয়া ভয় খাই ৰায়ত সভাবোৰৰ মধ্যবিত্ত নেতৃত্বই পিছ হুঁহকি গৈছিল। চৰকাৰে খাজনা কিছু হ্ৰাস কৰাতে সন্তুষ্ট হৈছিল তেওঁলোক। তথাপি ৰাইজ-মেলৰ বীৰত্বপূৰ্ণ সংগ্ৰামে মধ্য শ্ৰেণীৰ মানুহৰ



অন্তৰতো জোকাৰণি এটা দি গৈছিল। নহ'লে, হাকিম মাধৱচন্দ্ৰ বৰদলৈৰ পুত্ৰ নবীনচন্দ্ৰক আমি পৰৱৰ্তী কালত অসহযোগ আন্দোলনৰ আগ শাৰীত নেদেখিলোঁহেঁতেন। মধ্য শ্ৰেণীৰ ৰাইজ-মেল বিৰোধী হোৱাৰ কোনো কাৰণ নাছিল ১৮৯২-৯৪ চনত। নৈৰৰ দশকত জাতীয়তাবাদী চিন্তা-ধাৰাত এটা নতুন জঙ্গী-সুৰ বাজি উঠাও দেখা যায়। অগ্নিকবি কমলাকান্ত তাৰ একমাত্ৰ নিদৰ্শন নহয়। 'জীৱনাদৰ্শ'ৰ সমালোচনা প্ৰসঙ্গত ৰত্নেশ্বৰ মহন্তই লিখিব পাৰিছিল :-

"মণিৰাম দেৱানৰ অৱস্থাই মহাৰাজ নন্দকুমাৰৰ অৱস্থাই প্ৰায় একে, উভয়ে একে ৰকমেই মৰিল। উভয়কে মৰাত একে উদ্দেশ্য— ৰাজ্য আৰু মানুহৰ সাহ-পিত্ত গছকি লোৱা"। এয়া সাম্ৰাজ্যবাদৰ সৈতে চৰ্তহীন সহযোগিতাৰ কণ্ঠস্বৰ নহয়।

দ্বিতীয় পৰ্ব : ১৯০৩—১০

ৰায়ত সভা আন্দোলনৰ পৰিণতি হিচাপে আছাম এছোচিয়েশ্বনৰ জন্ম এটি লেখত লবলগীয়া ঘটনা। ধান-চাউলৰ দৰ বাঢ়ি থকাত বৰ্দ্ধিত খাজানা আৰু প্ৰধান প্ৰশ্ন হৈ থকা নাছিল। অসমৰ পূৰ্ববঙ্গ-ভুক্তিৰ প্ৰস্তাৱ আহি পৰাত, অসমীয়া মধ্য শ্ৰেণীৰ মনত ভয় সোমাইছিল। জানোচা পুনৰ্গঠিত প্ৰদেশখনত থলুৱা প্ৰাৰ্থীৰ চাকৰি পোৱাটো আৰু টান হৈ পৰে! এনে পৰিস্থিতিত পূৰ্ববঙ্গ-ভুক্তিৰ বিৰুদ্ধে প্ৰবল স্বদেশী বয়কট আন্দোলন গঢ়ি উঠাৰ এটা বাস্তৱ সম্ভাৱনা অসমতো আছিল। কিন্তু সাম্ৰাজ্যবাদী ভেদ-নীতিয়ে অসমীয়া মধ্য শ্ৰেণীৰ নেতৃবৃন্দক জঙ্গী জাতীয়তাবাদৰ এই প্ৰথম তৰঙ্গৰপৰা বিচ্ছিন্ন কৰি ৰাখিবলৈ সমৰ্থ হৈছিল। এছোচিয়েশ্বনৰ বৰপেটা, গুৱাহাটী, তেজপুৰ, নগাঁও, গোলাঘাট, গোৱালপাৰা আৰু ডিব্ৰুগড় শাখাৰ সভাত যিবোৰ প্ৰস্তাৱ গৃহীত হৈছিল, তাত উদ্বেগ প্ৰকাশিত হলেও সংগ্ৰামৰ মনোভাৱ ফুটি উঠা নাছিল। এছোচিয়েশ্বনেও কাৰ্জন-আঁচনিক বাধা দিয়াৰ চিন্তা এৰি, নতুন প্ৰদেশখনত যাতে অসমীয়াৰ চাকৰি-বাকৰিৰ সুবিধা সংৰক্ষিত থাকে, তাৰ বাবে সচেষ্ট হৈছিল। চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণ-নীতিৰ আংশিক প্ৰবৰ্তন, অসমীয়া ভাষাৰ হকে হুৱলীয়া লাটৰ ওকালতি আৰু পোন প্ৰথম বাৰৰ বাবে প্ৰাদেশিক বিধান পৰিষদ এখনত অসমীয়া প্ৰতিনিধিৰ অন্তৰ্ভুক্তি— এইবোৰ সুবিধাৰ বিনিময়ত চৰকাৰে আছাম এছোচিয়েশ্বনক স্বদেশী আৰু বয়কট আন্দোলনৰপৰা আঁতৰত ৰাখিবলৈ সমৰ্থ হৈছিল। কিন্তু এছোচিয়েশ্বনৰ নেতৃবৃন্দই গ্ৰহণ কৰা এই অবাটৰ বাট তৰুণ সমাজৰ মনঃপূত নাছিল। অম্বিকাগিৰী ৰায়চৌধুৰী আৰু নিধিৰাম দাসকে আদি কৰি এচাম অসমীয়া ডেকাই স্বদেশী আৰু বয়কট আন্দোলনত যোগ দিয়াৰ কথাটো আমি জানো। বঙ্গৰ স্বদেশী চাৰণ মুকুন্দ দাসে অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰতো স্থায়ী ছাব বহুৱাই থৈ গৈছিল।

আছাম এছোচিয়েশ্বনে, অসমীয়া মধ্য শ্ৰেণীৰ কিছুমান ক্ষুদ্ৰ স্বাৰ্থ লৈ ব্যস্ত থাকিও, কানি-নিবাৰণৰ সাৰ্বজনীন প্ৰশ্নটোক ৰাইজৰ সন্মুখত দাঙি ধৰিবলৈ সক্ষম হৈছিল। পূৰ্ববঙ্গ-ভুক্তি অসমৰ কাৰণে হিতকৰ হোৱা নাই— এইটো উপলব্ধি হ'বলৈকে আছাম এছোচিয়েশ্বনৰ বৰ বেছি সময় লগা নাছিল। লোকেল ব'ৰ্ড আৰু মিউনিচিপেলিটিৰ গণতন্ত্ৰীকৰণ, বিধান পৰিষদৰ বাবে বৰ্দ্ধিত ক্ষমতা, গ্ৰেজিং টেক্স হ্ৰাস, প্ৰদেশত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা, কানি-নিবাৰণ ইত্যাদি গণতান্ত্ৰিক দাবী নিয়মতান্ত্ৰিক পদ্ধতিৰে ধ্বনিত হৈছিল। ১৯১৭ চনৰপৰাই এছোচিয়েশ্বনৰ চৰিত্ৰত এটা মৌলিক পৰিবৰ্তনৰ প্ৰক্ৰিয়া দেখা গৈছিল। উক্ত বছৰটিত জাতীয় কংগ্ৰেছৰ কলিকতা অধিৱেশনত এছোচিয়েশ্বনৰ পক্ষৰপৰা এটা শক্তিশালী প্ৰতিনিধি দল উপস্থিত আছিল। ১৯১৭—২০ এই কালছোৱাত ক্ষুদ্ৰ জাতীয়তাবাদে ক্ৰমে

সৰ্বভাৰতীয় বৃহৎ জাতীয়তাবাদক ঠাই এৰি দিছিল। নিয়মতান্ত্ৰিক পদ্ধতি এৰি গান্ধী-প্ৰদৰ্শিত জাতীয় সংগ্ৰামৰ আদৰ্শ গ্ৰহণৰ প্ৰস্তুতি চলি আছিল। ভাষা-ভিত্তিক প্ৰদেশ গঠন আৰু ইংৰাজীৰ সলনি মাতৃভাষাৰ ক্ৰমবৰ্দ্ধমান ব্যৱহাৰ এই আদৰ্শৰে অঙ্গ হৈ পৰিছিল গান্ধী-নেতৃত্বৰ আবিৰ্ভাৱৰ লগ লৈ। অৱশেষত, ১৯২১ চনত আছাম এছোচিয়েশ্বনে নিজৰ স্বতন্ত্ৰ সত্তা অসম প্ৰদেশ কংগ্ৰেছত বিলীন কৰি দিছিল।

## তৃতীয় পৰ্ব : ১৯২১-৪৭

কংগ্ৰেছ যুগৰ কথা বহলাই নকওঁ। কবলৈ গ'লে বেলি অহিয়াই যাব। মূঠতে, এই যুগতে জাতীয় স্বাধীনতাৰ প্ৰশ্নটো স্পষ্টিকৃত আৰু মুখ্য হৈ উঠিছিল। কাৰ্যসূচীও বাক্-সৰ্বস্ব হৈ নাথাকি কৰ্ম-কেন্দ্ৰিক হৈছিল। একেটা মঞ্চত মধ্য শ্ৰেণীৰ লগত খেতিয়ক শ্ৰেণীও যুক্ত হৈছিল। প্ৰৱিবেশনা অসমীয়া চাহ-খেতিয়কৰ একাংশ কংগ্ৰেছৰ লগত আছিল যদিও, সৰহ ভাগে বিৰোধিতা কৰিছিল। ক্ৰমে 'তেওঁলোকৰ এই কংগ্ৰেছ-বিৰোধিতা ভোটা হৈ আহিছিল। তেখ চাই মন্ত্ৰীত্ব গ্ৰহণ আৰু বৰ্জনৰ যোগেদি আৰু খেতিয়কৰ খাজানাৰ বোজা লাঘৱৰ কৰ্মসূচীৰ যোগেদি কংগ্ৰেছৰ জন-সমাবেশ ক্ষমতাও বাঢ়ি গৈছিল। কানি-নিবাৰণ, শ্ৰীহট্ট-বিদায় আৰু পূৰ্ববঙ্গৰপৰা প্ৰব্ৰজনৰ সোঁত বন্ধ কৰা —এই তিনিটা প্ৰশ্নই সমান গুৰুত্ব অৰ্জন কৰিছিল। দ্বিতীয় আৰু তৃতীয় প্ৰশ্নটিৰ লগত কংগ্ৰেছৰ ভাষা-ভিত্তিক প্ৰদেশ গঠনৰ বৃহত্তৰ প্ৰশ্নটিও জড়িত আছিল। অসমৰ পৰিপ্ৰেক্ষিতত, জাতীয়তা-বাদৰ বাওঁ ধাৰাটিৰপৰাই জন্ম লৈছিল একাধিক সমাজবাদী আৰু কমিউনিষ্ট সংগঠন। এনে জটিলতাৰ মাজতে দেশ-বিভাগ আৰু ক্ষমতা হস্তান্তৰ সম্পন্ন হ'ল।

### সামৰণি :

পিছফালে চাই পঠিয়ালে, ভাৰতৰ আন আন অঞ্চলৰ দৰে অসমতো প্ৰায় এশ বছৰ ধৰি জাতীয়তা-বাদী ৰাজনীতিৰ দুটি ধাৰাৰ সহাৱস্থিতি দেখা যায়। এটি সৰ্বভাৰতীয় বৃহৎ জাতীয়তাবাদৰ ধাৰা। আনটো আঞ্চলিক ভাষা-ভিত্তিক ক্ষুদ্ৰ জাতীয়তাবাদৰ ধাৰা। বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰ আৰু চাকৰিৰ বজাৰখন সৰ্বভাৰতীয় হ'লে যিবোৰ অঞ্চলৰ থলুৱা মধ্য শ্ৰেণীয়ে প্ৰতিযোগিতাত সুবিধা কৰিব পাৰিব বুলি ভাবিছিল, বৃহৎ জাতীয়তাবাদক আদৰ্শ হিচাপে লোৱাত তেওঁলোকৰ কোনো অসুবিধা নাছিল। বৃহৎ জাতীয়তাবাদৰ আদৰ্শ হ'ল— শকত কেন্দ্ৰীয় শাসনৰ তলতীয়া এখন দেশ, এখন জাতীয় বজাৰ আৰু অদ্বৈত ভাৰতীয় নাগৰিকত্ব। ক্ষুদ্ৰ জাতীয়তাবাদৰ আদৰ্শ হ'ল— ব্যাপকতম আঞ্চলিক স্বায়ত্ত শাসন, আঞ্চলিক বজাৰৰ ওপৰত থলুৱা কৰ্তৃত্ব আৰু দ্বৈত নাগৰিকত্ব।

আঞ্চলিক মধ্য শ্ৰেণীটো দুৰ্বল হ'লে সেই মধ্য শ্ৰেণী-টোৱেহে অঞ্চলৰ বেপাৰ-বাণিজ্য আৰু চাকৰি-বাকৰিৰ স-সুবিধা নিজৰ বাবে সংৰক্ষিত ৰাখিবলৈ যত্ন কৰিব, তাত আচৰিত হ'ব লগা একো নাই। এনে দাবীৰ ভিত্তিতেই অসমতো ক্ষুদ্ৰ জাতীয়তাবাদে মূৰ দাঙি উঠি প্ৰায়ে সাম্প্ৰদায়িকতাআৰু প্ৰাদেশিকতাৰ ৰূপ লৈছিল। কিন্তু সকলো সময়তে নহয়। ক্ষুদ্ৰ জাতীয়তাবাদৰ লগত বৃহৎ জাতীয়তাবাদৰ সংঘৰ্ষ থাকিলেও, এই সংঘাত বেছি ভাগ সময়তে তল পৰিছিল। সাম্ৰাজ্যবাদৰ লগত উভয়ৰ সংঘাতটোৱেহে মুখ্য হৈ থাকিছিল। ইয়াতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নেতৃত্বৰ সাৰ্থকতা।

উদাহৰণৰ সৈতে বহলাওঁ। দেশ-বিভাগ বাস্তৱ হৈ



নুঠালৈকে প্ৰদেশৰপৰা শ্ৰীহট্টক বাদ দিয়াৰ প্ৰশ্নত, ব্ৰহ্মপুত্ৰ আৰু সুৰমা উপত্যকাৰ নেতৃত্বৰ মাজত কোনো মত-পাৰ্থক্য নাছিল। সংখ্যালঘুৰ ভাষা-সংস্কৃতিৰ জটিল প্ৰশ্নৰ সমাধানৰ গণতান্ত্ৰিক সূত্ৰও বিহাৰ কংগ্ৰেছৰ আন্দোলনৰপৰাই উদ্ভুত হৈছিল। আনফালে, অসম ভাৰতৰ ভিতৰত থাকিব কিয়— এই প্ৰশ্ন উঠিছিল ত্ৰিছৰ দশকত ; কিন্তু কেতিয়াও জন-সমৰ্থন লাভ কৰা নাছিল। মুঠতে, সংৰক্ষিণী মনোভাবৰ বিৰুদ্ধে যুঁজ কৰিও কংগ্ৰেছে সদায় নিৰ্বাচকমণ্ডলীৰ তথা ব্যাপক কৃষক সমাজৰ নৈতিক সমৰ্থন পাইছিল। সংৰক্ষিণী মনোভাবৰ প্ৰৱক্তা-সকলৰ বাৰম্বাৰ নিৰ্বাচনী পৰাজয়ৰপৰাই এইটো কথা ওলাই পৰে। বহিৰাগত সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষা কৰাৰ চেষ্টা লৈ গঠিত Domiciled and Settlers' Association খনো ভূমিষ্ঠ হোৱাৰ পাঁচ-ছয় বছৰৰ ভিতৰতে নোহোৱা হৈছিল। এইদৰে বৃহৎ জাতীয়তা-বাদৰ জোৱাৰৰ মুখত ক্ষুদ্ৰ জাতীয়তাবাদ পিছ হুঁহকিছিল। তথাপি দুটা ধাৰাই সক্ৰিয় আছিল আৰু আছে।

আমাৰ জাতীয়তাবাদৰ দুৰ্বলতম ঠাই আছিল মুছল-মান ৰাইজৰ লগত ৰাজনৈতিক সংহতিৰ অভাৱ। অসমতো এই দুৰ্বলতা দূৰ কৰাত কংগ্ৰেছ নেতৃত্ব ব্যৰ্থ হৈছিল। বহিৰাগত মুছলমান খেতিয়কৰ অৰ্থনৈতিক স্বাৰ্থ ৰক্ষাৰ প্ৰশ্নটো কংগ্ৰেছ আন্দোলনৰ যোগেদি সমৰ্থিত নোহোৱা বাবেই, মুছলিম লীগ এই প্ৰদেশত এটি দুৰ্বাৰ শক্তিত পৰিণত হৈছিল। তথাপিযে দেশ-বিভাগৰ আগ মুহূৰ্তত পঞ্জাব আৰু বঙ্গৰ দৰে অসমো হিন্দু-মুছলমানৰ ৰণ-ক্ষেত্ৰত পৰিণত হোৱা নাছিল, তাৰ বাবে ভালেখিনি কৃতিত্ব থলুৱা কংগ্ৰেছ নেতৃত্বকে দিব লাগিব।

ভাৰতীয় মহাজাতীয় ঐক্য গঢ়ি উঠিছিল সাম্ৰাজ্য-বাদৰ বিৰুদ্ধে বিভিন্ন ভাষা-ভাষী ৰাইজৰ উমৈহতীয়া সংগ্ৰামৰ মাজেদি। কিন্তু এইটো কথাও ঠিক যে ভাৰত বহুজাতিক দেশ, আৰু ভাষা-ভিত্তিক আঞ্চলিক স্বায়ত্ত শাসন আমাৰ কাম্য। ভাষা-ভিত্তিক ৰাজ্যৰ অৰ্থ এইটো নহয় যে ৰাষ্ট্ৰ-যন্ত্ৰৰ সহায় লৈ এটা ভাষাই আনবোৰ ভাষাৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিব। বহুজাতিক দেশ এখনত সকলো ভাষাৰ সমানা-ধিকাৰ আৰু অঙ্গ-ৰাজ্যবোৰৰ স্বায়ত্ত শাসনৰ ভিত্তিত কেনেকৈ মহাজাতীয় ঐক্যক দৃঢ় কৰা যায়, লেনিনে দেখুৱাই দি গৈছে। আমাৰ দেশতো সেই একেটা আদৰ্শই গ্ৰহণীয়।

কেন্দ্ৰ শকত হ'বলে ৰাজ্য শকত হ'ব, সেইটো প্ৰশ্ন নহয়। উভয়কে শকত কৰাৰ কাৰণে আৰু ভাৰতৰ জনগণৰ ঐক্য দৃঢ় কৰাৰ কাৰণেহে গণতন্ত্ৰ আৰু আত্ম-শাসনৰ ব্যাপকতম সুযোগ দিয়াৰ প্ৰশ্নটো উঠিছে। শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বৰ বছৰ কেইটাত কেন্দ্ৰক শকত কৰাৰ নামত স্বায়ত্ত শাসনৰ পৰিসৰ সঙ্কুচিত কৰি পেলোৱা হৈছিল। ৰাজ্য-কেন্দ্ৰ সম্পৰ্কৰ পুনৰ্বিন্যাস ঘটাই, ভাৰসাম্য ঘূৰাই আনি, ভাৰতীয় ঐক্য, ব্যাপকতম স্বায়ত্ত শাসন আৰু সকলো ভাষাৰ সমান অধিকাৰ— এইবোৰ আদৰ্শকে আগ-বঢ়াই লৈ যাব লাগিব। গ্ৰুপিং-বিৰোধী আন্দোলনৰ কথা আমাৰ মনত আছে। তেতিয়া ১৯৪৬ চনৰ ১৬ জুলাই তাৰিখে যিটো ঐতিহাসিক প্ৰস্তাৱ অসম বিধান সভাত গৃহীত হৈছিল, সেয়া স্বায়ত্ত শাসন আৰু ভাৰতীয় ঐক্যৰ সমন্বয়ৰ ক্ষেত্ৰত আমাৰ নিৰ্দে-শক নীতি ( guide line ) হৈ থাকিব। ইতিহাসৰ শিক্ষাক আমি পাহৰিব নালাগে। ০ ০ ০

# পুৰণি অসমীয়া সাহিত্যত দাৰ্শনিক চিন্তাধাৰা

ডঃ কালীচৰণ দাস

আত্ম-সংৰক্ষণ, জাতিৰ ক্ৰমবৰ্দ্ধন, পাৰস্পৰিক যোগাযোগ আৰু ভাবৰ আদান-প্ৰদানৰ স্পৃহা প্ৰাণী মাত্ৰৰেই, আৰু বিশেষকৈ মানুহৰ সহজাত বৃত্তি। মানুহ সমাজ-জীৱী প্ৰাণী। গতিকে সমাজৰ সুস্থিৰতা, শৃঙ্খলা আৰু প্ৰগতি নহ'লে ব্যক্তিৰ সংস্থিতি, শান্তি আৰু প্ৰগতি নহয়। এই কাৰণে ইতিহাসে চুকি নোপোৱা কালৰপৰাই মানুহৰ সামাজিক জীৱনৰ সমূহীয়া প্ৰচেষ্টা তেনেই নিম্ন খাপৰপৰা অবিৰতভাৱে ক্ৰমবৰ্দ্ধন আৰু ক্ৰমোন্নতিৰ পথত অগ্ৰসৰ হ'বলৈ ধৰে। সাহিত্য আৰু দৰ্শন উভয়ে মানৱ জীৱন আৰু সমাজৰ সংস্কৃতি-নিদৰ্শক দুটা অপৰিহাৰ্য মাইলৰ খুটি। জাতিৰ প্ৰগতি, সভ্যতা-সংস্কৃতি আৰু মানৱীয় প্ৰতিভাৰ মুখ্য পৰিচায়ক সাহিত্য, দৰ্শন আৰু বিজ্ঞানেই। কলা, বিজ্ঞান আৰু দৰ্শনৰ মাধ্যম হিচাপে ভাষাৰ সমৃদ্ধি নিৰ্ভৰ কৰে এই সকলো প্ৰকাৰ জ্ঞানাঙ্গৰ বিকাশ আৰু প্ৰগতিৰ ওপৰত।

সাহিত্য সামাজিক বাতাৱৰণতহে উৎপত্তি আৰু পৰিবৰ্দ্ধিত হয়। এফালে সাহিত্যই যেনেকৈ বাহ্যজগত, মনোজগত আৰু আধ্যাত্মিক জগতৰ মাজত নিভৃত তথ্যৰ আহৰণ কৰি সমাজক সত্য আৰু সুন্দৰৰ সন্ধান দিবলৈ যত্ন কৰে, আনহাতে সমাজৰ সংস্কাৰকামী আলোচনা দাঙি ধৰি নতুন পথ আৰু কল্যাণকামী আদৰ্শৰে তেনেকৈ অনুপ্ৰেৰণাও যোগায়।

সমাজৰ সৈতে জড়িত কলা হিচাপেই বোধ হয় 'সাহিত্য' নাম সাৰ্থক হৈছে ; ব্যাকৰণৰ লগত অধ্যয়ন কৰা কাৰণে সাহিত্য নাম হোৱাটো আমাৰ মনত নধৰে। আৰ্য ধৰ্ম, সংস্কৃতি আৰু সভ্যতা বৈদিক। ভাৰতীয় ঐতিহ্য, সংস্কৃতি আৰু চিন্তাধাৰা বেদ-প্ৰসূত বুলিয়েই ইতিহাসে সাক্ষ্য দিয়ে। এই দৃষ্টিকোণৰপৰা চালে ভাৰতীয় দৰ্শন আৰু সাহিত্য বেদৰ চিন্তাধাৰাৰপৰাই উদ্ভূত হৈছে। প্ৰাচীন সাহিত্যৰাজিক আমি দাৰ্শনিক সাহিত্য বুলিয়েই মানিব লাগিব। এই প্ৰাচীন সাহিত্যৰাজি দৰ্শন, সাহিত্য, কাব্যাদিৰ মিশ্ৰিত ৰূপ। কালক্ৰমত দাৰ্শনিক চিন্তাধাৰাৰ পৰিধি চেৰাই বিবিধ কলা আৰু সাহিত্যৰ উদ্ভৱ হৈ ভাৰতীয় চিন্তাধাৰাই প্ৰসাৰতা আৰু গভীৰতা লাভ কৰে।

প্ৰাচীন ভাৰতীয় দৰ্শন আৰু পাশ্চাত্য Philosophyৰ মাজত ব্যুৎপত্তি, আদৰ্শ আৰু পদ্ধতিগত প্ৰভেদ আছিল। অৱশ্যে আধুনিক ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাত প্ৰাচীন ৰক্ষণশীলতা নাই। পাশ্চাত্য Philosophy মুখ্যতঃ বিশ্বজগতৰ সম্পৰ্কে আছিল জ্ঞান-প্ৰয়াসী ; কিন্তু ভাৰতীয় প্ৰাচীন দৰ্শনৰ মুখ্য আদৰ্শ আছিল আত্ম-দৰ্শন, অধ্যাত্ম বিজ্ঞান লাভ। প্ৰাচীন ভাৰতীয় দৰ্শনক আত্ম-দৰ্শন বুলি অভিহিত কৰিলেও তাত তথাকথিত আত্ম-কেন্দ্ৰিক অনুপপত্তি ( ego-centric predicament )ৰ চেকা নাই।



সাহিত্যৰ সৈতে ভাৰতীয় দৰ্শনৰ সংযোগ থাকিলেও বিৰোধ নাই। প্ৰাচীন কালৰপৰাই ভাৰতীয় সমাজত সাহিত্য আৰু আন চাৰু কলাৰ ওপৰত প্ৰচুৰ মৰ্যাদা আৰু গুৰুত্ব আৰোপ কৰা হৈছিল। তাৰ সাক্ষ্য আচাৰ্য ভৰ্তৃহৰিৰ 'নীতিশতকম'ৰ এফাকি কথাই দিছে :—

"সাহিত্যসঙ্গীতকলাবিহীনঃ সাক্ষাৎপশুঃ পুচ্ছবিষাণহীনঃ।
তৃণং ন খাদন্নপি জীৱমানস্তদ্ভাগধেয়ং পৰমং পশূনাম্ ॥"

যাৰ সাহিত্য, সঙ্গীত, কলা আদিত জ্ঞান বা আগ্ৰহ নাই, তেনেবোৰ মানুহ শিং-নেজ নোহোৱা আচল জন্তু। তেনেবোৰে ঘাঁহ নাখালেও সেই বংশেই পাশৱিক জীৱন নিয়ায়।

আনহাতে প্লেটো আৰু এৰিষ্টোট্‌লে আজিলৈকে পাশ্চাত্য দৰ্শনৰ চিন্তাধাৰাত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। কিন্তু তেওঁলোকৰ কলা সম্পৰ্কে কৰা মন্তব্য তেনেই আচহুৱা ধৰণৰ আৰু অসন্তোষজনক।

প্লেটোৰ ভাৱবাদী দৰ্শনে ধাৰণামূলক সিদ্ধান্ত প্ৰতিষ্ঠা কৰি দৰ্শনৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰে। প্লেটো নিজে পাশ্চাত্য দৰ্শনৰ শ্ৰেষ্ঠ পথ-প্ৰদৰ্শক আৰু সুখ্যাত কলাকাৰ হৈয়ো তেওঁৰ কলা-সম্বন্ধীয় সিদ্ধান্তই কলা সম্পৰ্কে অতিশয় অসন্তোষজনক মূল্যায়ন কৰিছে। তেওঁৰ 'গণতন্ত্ৰ'ত কোৱা হয় যে কলা দৰ্শন আৰু নীতি-শাস্ত্ৰৰ আদৰ্শ-সাধনৰ উপকৰণহে। তেওঁ কলাৰ স্বতন্ত্ৰতা আৰু নিজস্ব আদৰ্শৰ কথা উপলব্ধি কৰাত ব্যৰ্থ হোৱা যেন লাগে। প্লেটোৱে কলাক অনুকৰণ-ভিত্তিক বুলিছে আৰু কলাকাৰৰ প্ৰতিভাকো স্বীকৃতি দিয়া নাই। তেওঁৰ মতে কলা অনুকৃতিৰ অনুকৃতিহে। গতিকে তেওঁ কলাকাৰৰ সৃজনাত্মক প্ৰতিভা আৰু আদৰ্শ প্ৰতিষ্ঠাৰ কথা মনলৈ নানিলে। কলাকাৰে ইন্দ্ৰিয়গ্ৰাহ্য আৱৰণ ভেদ কৰি বস্তুৰ অন্তৰ্গত সৌন্দৰ্য আৰু ধাৰণাক মূৰ্ত কৰি তোলে। সাহিত্য আৰু কলাৰ সৃষ্টি যাইকৈ প্ৰেৰণা আৰু অনুভূতিমূলক ; সেইবোৰ কঠোৰ যুক্তিৰ সৃষ্টি নহয়।

এৰিষ্টোট্‌লে তেওঁৰ Poeticsঅত কবিতা আৰু নাটৰ লক্ষণৰ ওপৰত ভিত্তি কৰিয়েই কলা সম্পৰ্কে মন্তব্য দিছিল। তেওঁ পোনতে নৈতিকতা আৰু নৈসৰ্গিকতাৰ সৈতে কলাৰ বৈশিষ্ট্য দেখুৱায়। নৈতিকতা কৰ্ম বা ক্ৰিয়া-ভিত্তিক ; কিন্তু কলা সৃষ্টিধৰ্মী। নৈতিকতাত বাহ্য ক্ৰিয়া আৰু কৰ্তাৰ সকলো মানসিক অৱস্থাই নৈতিক বিচাৰত সোমাই পৰে ; কিন্তু কলাত সৃষ্টিৰ সৌন্দৰ্য আৰু অভিনৱত্বই মূল্যায়নৰ মূল বস্তু। নৈসৰ্গিক কাৰ্যই কোনো বস্তুৰপৰা স্বজাতীয় বস্তুহে উৎপন্ন কৰে ; কিন্তু কলাৰদ্বাৰা উদ্ভাৱিত বস্তুৰ অভিনৱতা থাকে। তেওঁ কলাক অনুকৰণ-মূলক বোলা কথাটো অগ্ৰাহ্য কৰে।

টলষ্টয়ৰ মতেও সৌন্দৰ্য শিৱত্ব লাভৰ উপায়হে। গতিকে কলাৰ সাৰ্থকতা নৈতিকতাৰ আদৰ্শ লাভৰ সাৰ্থকতাৰ ওপৰত নিৰ্ভৰশীল ; কিন্তু এনে ধাৰণা গ্ৰহণযোগ্য নহয়। চৰম অৱস্থাত সুন্দৰ আৰু শিৱ অভেদ হলেও কোনো এটাকেই আনটোৰ কৰণ বা উপায় বুলিব নোৱাৰি। কলাৰ স্বতন্ত্ৰতা আৰু সৃষ্টিধৰ্মিতা অৱশ্যে স্বীকাৰ্য।

এতিয়া আজিৰ আলোচ্য বিষয়ৰ কথালৈ অহা যাওক। অসমীয়া সাহিত্যৰ বুৰঞ্জী-লেখকসকলে অসমীয়া সাহিত্যৰ পাঁচোটা যুগৰ কথা উল্লেখ কৰিছে :— আদি যুগ, পূৰ্ব বৈষ্ণৱ যুগ, বৈষ্ণৱ যুগ, উত্তৰ বৈষ্ণৱ যুগ আৰু আধুনিক যুগ। গতিকে পুৰণি অসমীয়া সাহিত্য বুলিলে তেওঁলোকৰ মতেই প্ৰথম চাৰিটা যুগ অৰ্থাৎ খৃঃ ৬০০—১৮২৬ চনলৈ বুলিয়ে ধৰিব লাগিব। অসমীয়া সাহিত্যৰ ঐতিহাসিক বিৱৰণত

খৃঃ ৬০০ ৰপৰা ১১০০ লৈ অসমীয়া সাহিত্যৰ আদি যুগ, খৃঃ ১১০০ ৰপৰা ১৪৫০ লৈ মধ্য যুগ বা পূৰ্ব-বৈষ্ণৱ যুগ, খৃঃ ১৪৫০ ৰপৰা ১৬৫০ লৈ বৈষ্ণৱ যুগ আৰু খৃঃ ১৬৫০ ৰপৰা ১৮২৬ লৈ উত্তৰ-বৈষ্ণৱ যুগ ধৰা হৈছে। আমাৰ সাহিত্যৰ পুৰণি ঐতিহ্য এই চাৰিটা স্তৰত বিভক্ত বুলিব পাৰি। ব্যক্তিৰ জীৱনৰ পৰিবৰ্দ্ধনত শৈশৱ, কৈশোৰ, বাল্য আৰু যৌৱনাদি যেনেকৈ একোটা পৰিবৰ্দ্ধনৰ পৰ্যায়, তদনুৰূপে সাহিত্যৰ পৰিবৰ্দ্ধনতো একো একোটা ক্ৰমবৰ্দ্ধনৰ বৈশিষ্ট্যপূৰ্ণ পৰ্যায় বা স্তৰ পৰিলক্ষিত হয়।

সাহিত্যই সমাজ আৰু ভাষাৰ স্বৰূপ প্ৰতিফলিত কৰে। সাহিত্য প্ৰধানকৈ সমাজ-ভিত্তিক কলা। সাহিত্যই সমাজৰ সংস্কাৰ, প্ৰগতি আৰু আদৰ্শ-নিৰ্বাচনত যথেষ্ট ৰবঙনি যোগায়। সাহিত্যৰ ভাব অন্তঃ সত্তা, আৰু ভাষা দেহ; আৰু দুয়োৰে সু-সমন্বয়ৰপৰা সাহিত্যৰ সৌন্দৰ্য প্ৰকাশ পায়। অৱশ্যে চিন্তা পূৰ্ণ আধ্যাত্মিক স্তৰত উত্তীৰ্ণ হ'লে মুক্তভাৱে ভাষাৰ সহজ ৰীতি অতিক্ৰম কৰি অশৰীৰী ৰূপত প্ৰকাশিত আৰু বিনিৰ্মিত হ'ব পাৰে। এগৰাকী বিশ্ব-বিদিত বিদেশী লেখকৰ মতে প্ৰাচীন ভাৰতৰ ঋষি-সকলেও প্ৰাকৃতিক পৰিৱেশৰ ওপৰতেই জীৱন নিৰ্বাহ কৰি মুক্ত বিহঙ্গই আকাশত বিচৰণ কৰাৰ দৰে জ্ঞান আৰু সত্তাৰ পম খেদি চিন্তা-ৰাজ্যত বিহাৰ কৰিছিল। আধুনিক জগতৰ সা-সুবিধা নথকা অৱস্থাত সামাজিক, ৰাজনৈতিক আদি সমস্যা আৰু সামাজিক আকাঙ্ক্ষা আদিয়ে মানুহক ব্যতিব্যস্ত নকৰা সময়ত প্ৰতিভা-সম্পন্ন লোকসকলে ধৰ্মীয় আৰু তাত্ত্বিক বিচাৰত মনো-নিবেশ কৰি সাহিত্য-দৰ্শনৰ ভেটি তৈয়াৰ কৰিছিল। লিখিত ভাষাৰ সা-সৰঞ্জাম নোহোৱা অৱস্থাতেই ভাৰতীয় সাহিত্য, দৰ্শন, আৰু সাংস্কৃতিক চিন্তাধাৰা শ্ৰুতি আৰু স্মৃতিৰ আলমতেই প্ৰসাৰিত আৰু প্ৰবাহিত হবলৈ আৰম্ভ কৰিছিল। এনে প্ৰাকৃতিক আৰু সামগ্ৰিক অসুবিধাক নেওচিও ভাৰতীয় চিন্তাধাৰা প্ৰবাহিত হোৱা কাৰণে অকৃত্ৰিম আৰু সহজ ৰূপত কালজয়ী হৈ আধুনিক জগতৰ চিন্তা-জগততো অশেষ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। প্ৰাচীন ভাৰতৰ চিন্তাধাৰাত দৰ্শন-সাহিত্য সহজাত আৰু অভিন্নৰূপে বহুকাল প্ৰবৰ্তিত হৈছিল।

প্ৰাচীন অসমীয়া সাহিত্য আৰু সাধাৰণ চিন্তাধাৰা যাইকৈ সমাজ-ভিত্তিক আৰু প্ৰকৃতিনিষ্ঠ। ইয়াত থুনুক-থানাক মাতৰ লগত সৃষ্টিকামী মনোজগতৰ যিবোৰ ধাৰণা আৰু ছবি সহজভাৱে প্ৰকাশিত হৈছে, তাত সংহতিপূৰ্ণ তাত্ত্বিক দৰ্শনৰ প্ৰতিফলন নহ'লেও সমাজ-দৰ্শন, প্ৰকৃতি-দৰ্শন আৰু ধৰ্ম-দৰ্শনৰ ৰহণ পৰিলক্ষিত হয়। এনে দাৰ্শনিক চিন্তাধাৰাক আধুনিক মানদণ্ডেৰে মূল্যায়ন কৰা সম্ভৱপৰ নহয়। অতীতৰ পৰম্পৰা আৰু সামাজিক জনগণৰ নিজস্ব বৈচিত্ৰ্য মৌখিক আৰু লৌকিক সাহিত্যৰ মাজত বিচিত্ৰ সাজ-পাৰ লৈ প্ৰকাশিত হৈছিল। অসমীয়া সাহিত্যৰ আদি যুগৰ মৌখিক-লৌকিক চিন্তাধাৰা গীত, নাম আদি ৰূপেৰে যেতিয়া লিখিত সাহিত্যৰ ৰূপত সন্নিবিষ্ট হৈছিল, তেতিয়া সেইবোৰৰ মৌলিক পট-ভূমি প্ৰাচীন হ'লেও তাৰ সাজ-পাৰ বহু পৰিমাণেই অৰ্বাচীন।

তাহানিৰ লোকগীত, ফকৰা-যোজনা, সাধুকথা আদিৰ মাজত জনসাধাৰণৰ আনুভূতিক, আবেগিক প্ৰকাশ, পৰিতৃপ্তি আৰু নৈসৰ্গিক প্ৰেৰণাহে দৃষ্টিগোচৰ হয়। প্ৰাকৃতিক প্ৰভাৱ, আবেগিক স্পন্দন আৰু সামাজিক আচাৰ-প্ৰথাৰ অভিব্যক্তি থাকিলেও এইবোৰত তাত্ত্বিক দৰ্শনৰ ভাবৰ সমাবেশ নাই। লৌকিক গীত বা চৰা গীতবোৰ যদি 'দহৰ কথা আৰু এজনৰ ভাষাই' হয়, আৰু সেইবোৰ ৰজা প্ৰজাৰ সামূহিক ঐক্য আৰু ভেদ-ভাৱ-ৰহিত সমাজৰ সাক্ষ্য হয়, তেন্তে যিবোৰক



সমাজ-দৰ্শনৰ আদৰ্শ ছবি বুলি লোৱাহে সমীচীন। সেই সময়ৰ ধৰ্মমূলক গীত আই-নাম, ধাই-নাম, শীতলা-নাম, মন্ত্ৰাদিৰ মাজত প্ৰধানকৈ শাক্ত ধৰ্ম-বিশ্বাসক কেন্দ্ৰ কৰি শৈৱ, বৈষ্ণৱ, বৌদ্ধাদি ধৰ্ম-সম্প্ৰদায়ৰ ধ্বনি-প্ৰতিধ্বনিৰ ভিতৰত বহুত্ববাদী বিশ্বাসৰ পৰাকাষ্ঠা অনুভূত হয়। কামৰূপৰ কামপীঠৰ আদ্যা শক্তি কামাখ্যা ধামৰ শক্তিকেন্দ্ৰী বিশ্বাসে আজিও সম্প্ৰদায়-নিৰ্বিশেষে জন-মনত প্ৰাধান্য লাভ কৰি আছে। দেহ-বিচাৰৰ গীত, টোকাৰী গীত আদিয়ে শাক্ত আৰু যৌগিক ছাপ লৈ মৌখিক গীতি-সাহিত্যৰ ৰূপত জনপ্ৰিয় হৈ প্ৰচলিত হৈ আছে।

চৰ্যাপদ আৰু ডাকৰ বচন ঐতিহাসিকসকলে বৌদ্ধ প্ৰভাৱ সন্নিবিষ্ট বুলি মন্তব্য দিছে। তথাপি ডাকৰ বচনবোৰ মূলতে কৃষিজীৱী সমাজ এখনৰ কাৰণে প্ৰয়োজনীয় কাৰ্যকৰী জ্ঞানৰ স্ফূৰণ যেনহে লাগে। যদি ডাক পুৰুষৰ পৰিচয় লৈয়ে এতিয়াও সঠিক সিদ্ধান্ত হোৱা নাই, তেন্তে আৰু ভৱিষ্যতত এই সম্পৰ্কে ধাৰাবাহিক গৱেষণা নোহোৱা পৰ্যন্ত ডাকৰ বচনত দাৰ্শনিক চিন্তাৰ আঁত লোৱা কঠিন হৈয়ে থাকিব।

যিবোৰ চৰ্যাচৰ্যপদ বা বৌদ্ধ গান অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে উল্লেখ কৰিছে, সেইবোৰৰ ভাষাগত বিতৰ্ক বাদ দি চিন্তামূলক কথালৈ মন দিলে দেখা যায় যে নানা প্ৰসঙ্গত এইবোৰৰ মাজত বৌদ্ধ দাৰ্শনিক সম্প্ৰদায়ৰ কেতবোৰ মৌলিক তত্ত্ব জন-সমাজত প্ৰচাৰ কৰাৰ অভিপ্ৰায়ে সকলো নশ্বৰ, সকলো অনাত্ম, নিৰ্বাণেই পৰম শান্তি ইত্যাদি তত্ত্ববোৰ অন্তৰ্ভুক্ত কৰা হৈছে। কেইবাগৰাকী প্ৰথিতযশা লেখক আৰু ঐতিহাসিকে লুইপাদ (লৌহিত্যপাদ), মীননাথ বা মৎস্যেন্দ্ৰনাথক চৌৰাশী বৌদ্ধ সিদ্ধপুৰুষৰ প্ৰথম বুলি নিৰ্ণয় কৰিছে। এওঁৰ জন্মস্থান আছিল কামৰূপ জিলাৰ দক্ষিণ পাৰৰ ৰাণী বা ৰাজ্জী গাঁও। এওঁ বৌদ্ধ সহজযান মাৰ্গৰ এগৰাকী সুখ্যাত বৌদ্ধ দোহা আৰু গ্ৰন্থৰ প্ৰণেতা। বৌদ্ধধৰ্মমূলক মৌলিক তত্ত্ববোৰ এওঁ কেতবোৰ খণ্ড কবিতা দুটি চৰ্যাপদৰ মাজেদি প্ৰকাশ কৰিছে। শঙ্কৰী সাহিত্যৰ বৰগীতবোৰৰ দৰে এইবোৰ সৰল অথচ ৰহস্যপূৰ্ণ, সংক্ষেপ কিন্তু তত্ত্ব-গধুৰ, সুশ্ৰাব্য অথচ দুৰ্বোধ্য দাৰ্শনিক তত্ত্বপূৰ্ণ কবিতা। ইয়াত তান্ত্ৰিক যোগমাৰ্গৰো সমাবেশ নোহোৱাকৈ থকা নাই।

বৌদ্ধ দোহাবোৰ প্ৰসঙ্গক্ৰমে দেহ-বিচাৰৰ গীতৰ মাজতো প্ৰবেশ কৰি সেইবোৰৰ তাত্ত্বিক কথাই ঠায়ে ঠায়ে এক প্ৰকাৰ বিৰোধাভাসৰ (Paradox) সৃষ্টি কৰাও পৰিলক্ষিত হয়। আন বৌদ্ধাচাৰ্য কাহ্নুপাদ বা কৃষ্ণাচাৰ্য সপ্তদশ সিদ্ধ। তেওঁ হাড়ি-পাৰ শিষ্য। গোপীচন্দ্ৰৰ গানৰ বৰ্চোতা গোপী-চন্দ্ৰও পুৰণি কামৰূপৰেই লোক বুলি ভবাৰ যুক্তি আছে। কালক্ৰমত বৌদ্ধ চৰ্যাপদবোৰে পৰৱৰ্তী বৈষ্ণৱ জোৱাৰৰ চোত কিছুমান পৰিমাৰ্জিত ৰূপ ধাৰণ কৰে। মূঠতে, বৈষ্ণৱ আন্দোলনৰ পূৰ্ববৰ্তী কালছোৱাত, পালবংশৰ ৰাজত্ব কালতেই বৌদ্ধ ধৰ্ম-দৰ্শনৰ চিন্তাধাৰাৰ প্ৰভাৱ এইখন ৰাজ্যত থকাৰ প্ৰমাণ আছে। এই দেশৰ মন কৰিবলগীয়া এটা কথা এই যে তাহানিৰপৰাই ইয়াত নানা ধৰ্মীয় লোকৰ বসতি হোৱা সত্ত্বেও সকলো অধিবাসীয়ে ধৰ্ম-নিৰপেক্ষ ঐক্যৰ বান্ধোনত বস-বাস কৰি শান্তিৰ পৰিৱেশ অটুট ৰাখিছে। হাজোৰ নিচিনা ঠাইত হিন্দু-মুছলমান-বৌদ্ধ তিনিটা মুখ্য ধৰ্মই যুগমীয়া ত্ৰিবেণী ৰচনা কৰিছে। এনেবোৰ মিলন-কেন্দ্ৰই পুৰণি অসমৰ ধৰ্মৰ সংহতি আৰু সংযোজনমূলক প্ৰভাৱৰ প্ৰকৃষ্ট পটভূমি যোগায়।

প্ৰাকশঙ্কৰী যুগত যিবোৰ মুখ্য সাহিত্য সুপৰিচিত

কেইগৰাকীমান সাহিত্যিকৰ ৰচনাৰপৰা সৃষ্টি হৈছিল, সেইবোৰ লেখকৰ নিজস্ব প্ৰতিভাৰ উপৰিও ৰাজকীয় প্ৰেৰণা আৰু পৃষ্ঠপোষকতাৰপৰা উদ্ভূত। সেই-সকল প্ৰজাৰঞ্জক আৰু বিদ্যোৎসাহী ৰাজপুৰুষৰ ভিতৰত কমতাৰ ৰজা দুৰ্লভনাৰায়ণ, পুতেক ইন্দ্ৰ-নাৰায়ণ, তাম্ৰধ্বজ, বৰাহ ৰজা মহামানিক্য আদি। অসমীয়া ভাষাৰ মাজেদি বৈষ্ণৱ চিন্তাধাৰাৰ প্ৰথম প্ৰবৰ্তক হিচাপে চতুৰ্দশ শতিকাৰ কেইজনমান সাহিত্যিকৰ নাম উল্লেখযোগ্য। নিজস্ব প্ৰতিভা, সংস্কৃত শাস্ত্ৰত পৈণত জ্ঞান আৰু জনসাধাৰণৰ প্ৰয়োজন আৰু সামৰ্থ্যলৈ বিশেষ দৃষ্টি ৰাখি এইসকল সাহিত্যিকে বৈষ্ণৱ তত্ত্বক কাব্য-ৰসত পমাই জন-সাধাৰণৰ জ্ঞান আৰু তুষ্টিৰ যোগান ধৰিছিল। হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' আৰু 'হৰ-গৌৰী সংবাদ', হৰিহৰ বিপ্ৰৰ 'বভ্ৰুবাহনৰ যুদ্ধ' আৰু 'লৱ-কুশৰ যুদ্ধ', কবিৰত্ন সৰস্বতীৰ দ্ৰোণ পৰ্বৰ ভাঙনি, মাধৱ কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ' আৰু 'দেৱজিৎ' আদি বিশেষভাৱে উল্লেখযোগ্য। মাধৱ কন্দলীয়ে নিজৰ শাস্ত্ৰজ্ঞান আৰু যুক্তি-বিচক্ষণতাৰে, অদ্ভুত কাব্য-প্ৰতিভা আৰু সাহিত্যিক আভৰণেৰে দাৰ্শনিক তথ্য হিচাপে জ্ঞান আৰু কৰ্ম-মাৰ্গৰ তুলনাত ভক্তি-মাৰ্গৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে। দেৱজিৎ কাব্যত কৃষ্ণাৰ্জুনৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে। ভাষা-ভঙ্গীৰ প্ৰতি লক্ষ্য ৰাখি কোনো কোনো লেখকে এইখন গ্ৰন্থ মাধৱ কন্দলীৰ ৰচনা নহয় বুলি কৈছে। মাধৱ কন্দলী সংস্কৃতত অগাধ পণ্ডিত হোৱা সত্ত্বেও সৰ্বজনৰ জ্ঞাতাৰ্থেহে তেওঁ সহজ অসমীয়া ছন্দত ৰামায়ণ ৰচনা কৰিছিল। ইন্দ্ৰনাৰায়ণৰ আমোলৰ প্ৰসিদ্ধ কবিৰত্ন সৰস্বতী ছোটশিলাৰ বা বাহুশিলাৰ লোক আছিল, আৰু সেই গাঁওখন আমাৰ নিজা গাঁও। কায়স্থপাৰাৰ স্থিতি-চিনহে আছে; গাঁওখনৰ তাহানিৰ সমৃদ্ধি আজি আৰু নাই।

বঙালী-অসমীয়াৰ উমৈহতীয়া স্তৰৰ ভাষাত ৰচিত বড়ু বা বৰুৱা চণ্ডীদাসৰ বাৰখণ্ড-বিশিষ্ট শ্ৰীকৃষ্ণ-কীৰ্তন কাব্যত ৰাধা-কৃষ্ণৰ প্ৰেম-মাধুৰীৰ বৰ্ণনা দি প্ৰকৃতি-পুৰুষৰ অনিবাৰ্য সংযোগ প্ৰকট কৰা হৈছে আৰু ভক্তিৰ আধ্যাত্মিক তত্ত্ব ব্যক্ত কৰিবলৈ চেষ্টা কৰা হৈছে। ৰামাই পণ্ডিতৰ 'শূন্য পুৰাণ'ৰ কিয়দংশ ত্ৰয়োদশ শতাব্দীত ৰচিত বুলি কোনো কোনো পণ্ডিতে অনুমান কৰে। ৰামাইৰ শূন্য পুৰাণত আলোচিত ধৰ্ম-পূজাত বৌদ্ধ মহাযান, তান্ত্ৰিক হিন্দু আৰু সেই কালৰ জনবিশ্বাসৰ প্ৰভাৱ দেখা যায়। শূন্যৰূপী ধৰ্ম-দেৱতাৰ ধাৰণাত থাইকৈ বৌদ্ধ পৰম তত্ত্বৰ অনিৰ্বাচ্যতা আৰু অনুৰূপ ধৰণৰ ধাৰণা থকা বোধ হয়।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কাল-ক্ৰমণিকা অনুসাৰে শঙ্কৰী যুগৰ আগ ভাগত অবৈষ্ণৱ কবি আৰু সাহিত্যৰ অভ্যুদয় মন কৰিবলগীয়া। এই সময়ৰ কাব্য-সাহিত্যবাজিয়ে থাইকৈ অসমীয়া ওজাপালি অনুষ্ঠানৰ বিষয়-বস্তুৰ যোগান ধৰিছে। এই কাব্য-বোৰ মুখ্যতঃ পৌৰাণিক কাহিনী-সম্বলিত। এই ধৰণৰ কাব্যবোৰক পাঁচালী বোলা হৈছিল। বুৰঞ্জী-লেখকসকলে এই শ্ৰেণীৰ সাহিত্যক দুই শাখাত বিভক্ত কৰিছে: পৌৰাণিক শাখা আৰু মনসা কাব্য। পৌৰাণিক কাব্য-সাহিত্য ৰচোঁতা দুগৰাকী উল্লেখযোগ্য— পীতাম্বৰ কবি আৰু দুৰ্গাবৰ কায়স্থ। পীতাম্বৰ কবিৰ উষা-পৰিণয়, মাৰ্কণ্ডেয় চণ্ডী, ভাগৱতৰ দশম স্কন্ধ, নল-দময়ন্তী; আৰু দুৰ্গাবৰ-ৰচিত গীতি-ৰামায়ণ আৰু বেউলা আখ্যানত থাইকৈ পৌৰাণিক আখ্যানৰ ভেটিত লৌকিক প্ৰথা, সামা-জিক আদৰ্শ আৰু জীৱনৰ আবেগিক পৰিতুষ্টি আৰু সমাজ-দৰ্শনমূলক কেতবোৰ ধাৰণাকে প্ৰাধান্য দিয়া হৈছে। এই সাহিত্যই বৈষ্ণৱ ভক্তি-তত্ত্বক প্ৰাধান্য নিদিলেও প্ৰতিবন্ধক সৃষ্টি কৰা নাই। গীতি-ৰামায়ণত কবি দুৰ্গাবৰে ৰামৰ চৰিত্ৰত ঈশত্ব আৰোপ নকৰি



সাধাৰণ লোকৰ জীৱনৰ সুখ-দুখৰ পৰিস্থিতি-ভেদে মানৱ-জীৱনৰ মনস্তাত্বিক দৃষ্টিৰে মনোগ্ৰাহী ছবি পৰিস্ফুট কৰিবলৈ সাৰ্থক চেষ্টা কৰিছে।

মনসা বা পদ্মাদেৱীৰ মাহাত্ম্যসূচক কাব্য ৰচোঁতা মনকৰ, দুৰ্গাবৰ আৰু সুকবি নাৰায়ণ উল্লেখনীয়। ঐহিক সুখ-সমৃদ্ধিৰ অধীশ্বৰী হিচাপে মনসাক সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী ৰূপে দেখুৱা হৈছে। এই বিশ্বাস বৈদিক চিন্তা-প্ৰসূত অথবা সম্পূৰ্ণ পুৰাণ-ভিত্তিক বোলাও কঠিন। তথাপি বৈষ্ণৱ ধৰ্মৰ ক্ষীণ প্ৰভাৱ আৰু শাক্ত ধাৰণাৰ সংস্পৰ্শত মনসাৰ জন্ম-বৃত্তান্ত আৰু বেউলা-লখিন্দৰৰ কৰুণ কাহিনীৰ বৰ্ণনাৰ মাজেদি সাপ-পূজা অথবা সৰ্পদেৱীৰ পূজাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মনসা কাব্যত আধ্যাত্মিক চিন্তাধাৰাতকৈ লৌকিক আচাৰ-প্ৰথা, নৈতিক মূল্যায়ন আৰু মনস্তাত্বিক বিশ্লেষণত অধিক গুৰুত্ব দিয়া হৈছে। সুকবি নাৰায়ণৰ পদ্মাপুৰাণত বৰ্ণিত সৃষ্টি-তত্ত্ব, হৰ-গৌৰীৰ বিবাহ, চণ্ডী-মনসা বিৰোধ আদি আখ্যানবোৰ লৌকিক ধাৰণা বা সামাজিক ধাৰণা-বিশিষ্টহে; সেইবোৰ দাৰ্শনিক বা বৈজ্ঞানিক ধাৰণা-প্ৰসূত নহয় যেন লাগে। অৱশ্যে এইবোৰ কাব্যৰ নন্দনতাত্বিক আৰু সাহিত্যিক মূল্য যথেষ্ট আছে। মনসা কাব্যৰ মাজত তাহানিৰ অসমীয়া সমাজখনৰ সাৰ্থক ছবি প্ৰতিফলিত হৈছে। সুকবি নাৰায়ণদেৱৰ পদ্মাপুৰাণৰ ৰচনাত প্ৰকৃতি-দৰ্শন, সমাজ-দৰ্শন আৰু মনস্তত্ত্বৰ ধাৰণাবোৰ যিদৰে সন্নিৱেশ কৰা হৈছে, সি কবিৰ সৃষ্টি-কৌশলৰ পৰিচায়ক। শঙ্কৰী যুগৰ প্ৰবৰ্তনৰ আগ ভাগতে গণিত, জ্যোতিষ, ব্যাকৰণ আদি বৈষয়িক বৌদ্ধিক সাহিত্য ৰচিত হৈ জ্ঞানৰ কিৰণ বিকাশত সহায় কৰে। বকুল কায়স্থ আৰু কবিৰত্নৰ লীলাৱতী গণিত-শাস্ত্ৰৰ ভাঙনি, চূড়ামণিৰ জ্যোতিষ আৰু গণিত বিষয়ৰ গ্ৰন্থই আৰু পুৰুষোত্তম ঠাকুৰৰ প্ৰয়োগ ৰত্নমালা ব্যাকৰণ ৰচনাই বৈষ-য়িক জ্ঞানৰ বিকাশত অভিনৱ প্ৰেৰণা যোগাইছিল।

পঞ্চদশ শতিকাৰ মাজ ভাগত শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভা-ৱৰপৰাই অসমৰ জাতীয় জীৱনত নৱোন্মেষৰ সূচনা হয়। শঙ্কৰদেৱৰ অসাধাৰণ বহুমুখী প্ৰতিভা, অতুলনীয় আধ্যাত্মিক শক্তি আৰু গভীৰ পাণ্ডিত্যই তেখেতক কবি-সাহিত্যিক, সমাজ-সংগঠক, ধৰ্ম আৰু নীতি-প্ৰতিষ্ঠাতা, পৈণত কলাকাৰ আৰু ভক্ত-প্ৰধান ৰূপে সুখ্যাত কৰিছে। অসমৰ জাতীয় জীৱনৰ এই যুগত অকল সাহিত্য ৰচনাতে নহয়, বৰং সকলো ক্ষেত্ৰতেই সমৃদ্ধি আৰু সংগঠনৰ পূৰ্ণ পয়োভৰ। বহিৰ্জগতৰ নৈসৰ্গিক শক্তিয়ে যিদৰে সময়-বিশেষে সামগ্ৰিক বিবৰ্তন সাধন কৰে, সেইদৰে মনোজগততো যুগ-বিশেষে একো একোটা অভিনৱ পৰিবৰ্তনৰ ঢল নামে। দ্বাদশ শতিকাৰপৰা ষোড়শ শতিকাৰ কালছোৱাত ভাৰতৰ বিভিন্ন ঠাইত ভক্তিবাদৰ আন্দোলনে গা কৰি উঠে আৰু একে সময়তে ৰাণী এলিজাবেথৰ ৰাজত্বত ইংলণ্ড আৰু পাশ্চাত্য দেশত নৱোন্মেষৰ হেন্দোলনিত ধৰ্ম আৰু মানৱীয় চিন্তাধাৰাই পৰিবৰ্তনৰ যুগৰ পাতনি মেলে। লৰ্ড বেকনে এই সময়তেই অন্ধ-বিশ্বাসৰ অন্ধকাৰ আঁতৰাই যুক্তিৰ বলেৰে বৈজ্ঞানিক অনুসন্ধান আৰু প্ৰকৃতিৰ ৰহস্য উদ্ঘাটনৰ কাৰণে বিজ্ঞানৰ ভেটি ৰচনাৰ অৰ্থে উদাত্ত আহ্বান জনায়। এই সময়তে শ্ৰীমন্ত শঙ্কৰে একশৰণীয়া ভগৱৎ ভক্তিৰ ভেটিত যুগৰ প্ৰয়োজনীয় ধৰ্ম প্ৰতিষ্ঠা কৰি জাতীয় জীৱনৰ সকলো অনুষ্ঠানকেই ধৰ্ম, নীতি, কলা, সাহিত্য ইত্যাদি সকলো দিশতে অসীম কৃতিত্বেৰে সমৃদ্ধ কৰি তোলে। ৰসময়ী নিস্পৃহ ভক্তিয়ে মানুহক পাৰমাৰ্থিক চৈতন্য আৰু পাৰত্ৰিক প্ৰস্তুতিত সজাগ কৰিয়েই ক্ষান্ত হোৱা নাই; ইয়াৰ লগতে সমদৰ্শিতা আৰু সাম্য ভাৱৰ চৈতন্য জন-জীৱনত সঞ্চাৰ কৰি কল্যাণকামী ৰামৰাজ্যৰ দৃঢ় ভেটি ৰচনা কৰিবলৈও প্ৰয়োজনীয় সকলো ব্যৱস্থা লৈছিল।

শঙ্কৰী যুগৰ ৰচনা আৰু অনুষ্ঠানে আধ্যাত্মিক প্ৰগতি আৰু জীৱনৰ বৈষয়িক উন্নতিৰ যোগসূত্ৰ ৰচনা কৰি মানৱতাৰ যি সমৃদ্ধি সাধন আৰু সুখ-শান্তিৰ প্ৰতিষ্ঠা-পদ্ধতি লৈছিল, সিবোৰ অতুলনীয়। শঙ্কৰী সাহিত্য আৰু একশৰণ ভক্তিমূলক ধৰ্মৰ মুখ্য ভেটি ভাগৱত-পুৰাণ, শ্ৰীমদ্ভগৱদ্গীতা আৰু আন কেইখনমান মুখ্য পুৰাণ। বেদ আৰু উপনিষদৰ অস্পষ্ট আৰু অসংবদ্ধ ব্ৰহ্মবাদ মহৰ্ষি বাদৰায়ণ ব্যাসে বেদান্তসূত্ৰ আৰু ভাগৱত পুৰাণত ভিন্ন পদ্ধতিৰে সন্নিৱেশ কৰে। বাদৰায়ণৰ ব্ৰহ্মসূত্ৰৰ ভাষ্যকাৰ কোনোজনৰ সৈতে শঙ্কৰদেৱৰ চিন্তাৰ প্ৰত্যক্ষ সংযোগ নাই। আন-হাতে শঙ্কৰাচাৰ্যৰ মায়াবাদ আৰু জ্ঞানলভ্য নিৰ্গুণ ব্ৰহ্মও ভক্তিলভ্য নহয়। ৰামানুজাচাৰ্যৰ জীৱ আৰু ঈশ্বৰ অংশাংশী ভাৱো শঙ্কৰী ভক্তিবাদে স্বীকাৰ কৰা নাই। শঙ্কৰদেৱে 'সমস্ত বেদান্তসাৰ শ্ৰীভাগৱত শাস্ত্ৰ' বুলিয়েই স্বীকাৰ আৰু গ্ৰহণ কৰিছে। ভাৰতৰ আনবোৰ বৈষ্ণৱ ভক্তিবাদৰ প্ৰৱৰ্তকসকলৰ ৰামানুজা-চাৰ্যৰ বিশিষ্টাদ্বৈতবাদ পন্থা নাইবা আন কোনো মতবাদকো শঙ্কৰী সংস্কৃতিয়ে প্ৰৱৰ্তন বা গ্ৰহণ কৰা নাই। শঙ্কৰদেৱৰ ভক্তিবাদত জীৱ, জগত আৰু ঈশ্বৰক অন্বয়ৰ আৰু অন্তৰী ৰূপেও বৰ্ণনা কৰা নাই। শঙ্কৰী ভক্তি-ধৰ্মত ঈশ্বৰ, জীৱ আৰু জগতৰ সম্পৰ্ক ভাগৱত-নিহিত উপনিষদীয় চিন্তাৰেই অনুৰূপ। শ্ৰীধৰ স্বামীৰ লগত মতানৈক্য থকা সত্ত্বেও শঙ্কৰ-দেৱৰ সাহিত্য আৰু ভাৱধাৰাত শ্ৰীধৰ স্বামীৰ 'ভাৱাৰ্থ দীপিকা'ৰ প্ৰভাৱ যথেষ্ট আছে।

ভক্তিবাদী ধৰ্মৰ প্ৰথম প্ৰৱৰ্তক তামিল প্ৰদেশৰ আলৱাৰ সন্ত-কৱিসকলৰ অতীন্দ্ৰিয়বাদী সহজ জ্ঞান-কেই ঈশ্বৰ-প্ৰপত্তিৰ উপায় হিচাপে শঙ্কৰী ধৰ্মই লোৱা নাই। তদুপৰি স্থান-সময়জনিত ব্যৱধান আৰু আভিপ্ৰায়িক বৈসাদৃশ্যৰ কাৰণেও শঙ্কৰদেৱ আৰু আলৱাৰ সাধুসকলৰ সংস্পৰ্শৰ প্ৰশ্নই উঠিব নোৱাৰে। উত্তৰ-পূৰ্ব ভাৰতৰ এই প্ৰান্তীয় ভূমিত তাহানিৰ জনসমাজৰ কুসংস্কাৰ, অজ্ঞান, কুপ্ৰথা আৰু অনাচাৰ-ক্লিষ্ট, নিপীড়িত আৰু অন্ধকাৰময় জাতীয় জীৱনৰ কৰুণ ছবিখনি মানস-পটত ৰাখি শঙ্কৰদেৱে যি শাস্ত্ৰজ্ঞান, দেশ-ভ্ৰমণ আৰু আন ঠাইৰ বিদ্বান-সমাজৰ সংস্পৰ্শত পাইছিল, তাৰ আধাৰত নিজস্ব প্ৰতিভা আৰু বিচাৰ-বুদ্ধিৰে ধৰ্ম, সাহিত্য, অনুষ্ঠান আৰু বিবিধ কলাৰ সৃষ্টি কৰিছিল। সত্য আৰু অহিংস নীতিক ৰাজনৈতিক ক্ষেত্ৰত প্ৰয়োগ কৰি গান্ধীজীয়ে তাৰ সাফল্যৰ চাক্ষুষ উপযোগিতাবাদী ( Pragmatic ) প্ৰমাণ দৰ্শোৱাৰ দৰে পাঁচ শতিকাৰ পূৰ্বে শ্ৰীমন্ত শঙ্কৰদেৱেও তেওঁৰ ভক্তি-ধৰ্মৰ সুচিন্তিত প্ৰয়োগ-পদ্ধতিৰে মানৱ-জীৱনৰ প্ৰতিটো দিশকেই সতেজ আৰু সুস্থ বিকাশৰ প্ৰয়োজনীয় ব্যৱস্থা উদ্ভাৱন কৰিছিল। ভাগৱত পুৰাণৰ সেশ্বৰ সাংখ্য আৰু যোগ দৰ্শনক, অদ্বৈত বেদান্তৰ অদ্বৈতবাদক ভক্তিৰ ৰসেৰে সংশোধন কৰি 'গুহ্যমন্ত্ৰ' বুলিও নিবেদন কৰা হৈছে। শঙ্কৰী সাহিত্যত একশৰণ নাম-ধৰ্ম আৰু ভক্তিবাদৰ ভেটিত যিবোৰ সাহিত্য আৰু কলা সৃষ্টি কৰা হৈছে, তাত দাৰ্শনিক বিচাৰৰ কঠোৰতা আৰু ঈশ্বৰ সম্পৰ্কীয় বিচাৰো নাই। 'তৰ্কশাস্ত্ৰ মহাব্যাধি' বুলিয়ে ধৰ্মীয় বিশ্বাসৰ পৰা আঁতৰাই ৰখা হৈছে। শঙ্কৰদেৱৰ ৰচিত গ্ৰন্থত পাতঞ্জল যোগশাস্ত্ৰৰ নিয়মাদি যোগাঙ্গক একশৰণীয়া অব্যভিচাৰী ভক্তিৰ আনুষঙ্গিক নীতিৰূপে গ্ৰহণ কৰিছে। যোগশাস্ত্ৰত উল্লেখিত শৰীৰ-তত্ত্বৰ আভাসো পোৱা যায়। শঙ্কৰী সাহিত্যত সাংখ্যৰ তত্ত্বসমূহ, সৎকাৰ্যবাদ আদি, অদ্বৈত বেদান্তৰ মায়াবাদ আৰু ব্ৰহ্মবিবৰ্তবাদ, অধ্যাস ইত্যাদি ধাৰণাবোৰ প্ৰসঙ্গক্ৰমে প্ৰয়োগ কৰা হৈছে। অদ্বৈত মায়াবাদক ঠেলি প্ৰসঙ্গ-বিশেষে সৰ্বেশ্বৰবাদী ধাৰণাও আছে :



"তুমি সত্য ব্ৰহ্ম    তোমাত প্ৰকাশে<br>
জগত ইটো অনন্ত।<br>
জগততো সদা    তুমিও প্ৰকাশা<br>
অন্তৰ্যামী ভগৱন্ত॥

সাংখ্যৰ সৎকাৰ্যবাদ, যেনে :

তুমি কাৰ্য কাৰণ সমস্তে চৰাচৰ।<br>
সুবৰ্ণ কুণ্ডলে যেন নুহি ভিন্নতৰ॥

বিবৰ্তবাদী ধাৰণা :

অসন্ত জগতখান    তোমাত উভৱ ভৈল<br>
সন্ত হেন প্ৰকাশে সদায়।

শঙ্কৰদেৱৰ বিচাৰত ঈশ্বৰ-জীৱৰ মাজত পাৰমাৰ্থিক বিভেদ নাই; কিন্তু ব্যৱহাৰিক ভেদ যথেষ্ট আছে। গতিকে জীৱই একশৰণ ৰসময়ী ভক্তিৰে ঈশ্বৰত আত্ম-নিবেদন নকৰিলে জীৱৰ অজ্ঞান, মায়াদি লোপ নাপায়। এইবাবে শঙ্কৰী সাহিত্যই ভক্তিবাদৰ লগত ৰজিতা খোৱাকৈ ভাগৱত পুৰাণ আৰু শ্ৰীধৰ স্বামীৰ মত অৰ্থাৎ ঈশ্বৰ-ভক্তি-সম্ভূত জ্ঞানৰ পৰাহে মোক্ষ লাভ হয়,— ইয়াকেই গ্ৰহণ কৰিছে। শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মত নাম, উপাস্য দেৱ, গুৰু আৰু ভকত — এই চাৰি তত্ত্বক একশৰণ নামধৰ্মৰ অপৰিহাৰ্য অঙ্গৰূপে ধৰা হৈছে। আকৌ 'নিৰ্গুণ গুণনিয়ন্তা' কৃষ্ণৰ উপাসনাৰ, ভক্তিৰ— ন প্ৰকাৰ পদ্ধতি— শ্ৰৱণ, কীৰ্তন, ধ্যান, পূজা, চৰণ-সেৱা, দাস্য, সখিত্ব, বন্দন, আৰু আত্ম-সমৰ্পণ। বৈষ্ণৱ ভক্তি নিৰাশী, আনকি 'মুক্তিতো নিস্পৃহ'। আমাৰ বিশ্বাস, শঙ্কৰদেৱে দাৰ্শনিক সম্প্ৰদায় আৰু পদ্ধতি ৰচনাৰ প্ৰয়োগ আৰু প্ৰয়োজন অনুভৱ কৰা নাছিল। এইবাবে তেওঁৰ সম্প্ৰদায়ৰ সাহিত্যৰ চিন্তাধাৰাক মুক্ত আৰু অনামী ৰখাই ভাল যেন পাওঁ।

ড° নেওগৰ মতে "অসমীয়া সাহিত্যৰ শঙ্কৰোত্তৰ যুগটো শঙ্কৰী যুগৰ মাহাত্ম্যৰ ছাঁ মাথোন।" তথাপি শঙ্কৰোত্তৰ যুগৰ বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱ সেই যুগৰ উৎকৃষ্ট গদ্য সাহিত্য আৰু সংস্কৃত লেখক। তেওঁ গদ্য ৰচনাৰ মাজেদি ভাগৱত ভক্তি-তত্ত্ব আৰু নাম-মাহাত্ম্যক জনসাধাৰণৰ বোধ্য কৰাৰ অভিপ্ৰায় প্ৰকাশ কৰিছে। গীতাৰ তত্ত্বগধুৰ বিষয়-বস্তুক তেওঁ মুকলি কৰিবলৈ যত্ন কৰিছিল। কথাগীতা আৰু কথা-ভাগৱত তেওঁৰ যুগান্তকাৰী গদ্য ৰচনা। গোপাল আতাৰ নাট্য সাহিত্য, ৰামচৰণ ঠাকুৰৰ চৰিত পুথি, গোপাল মিশ্ৰৰ ঘোষাৰত্ন, ভাগৱত আচাৰ্যৰ কথাসূত্ৰ আৰু সাত্বত-তন্ত্ৰ আৰু গোপাল মিশ্ৰৰ পদ্য গীতা উল্লেখযোগ্য বৈষ্ণৱ গ্ৰন্থ। এই যুগতে বহুতো অনুবাদ-গ্ৰন্থ আৰু জীৱন-চৰিত ৰচিত হৈছিল। শঙ্কৰী যুগৰ সবল আন্দোলনৰ অন্তত এই যুগটো তুলনামূলকভাৱে 'অৱসাদৰ যুগ' বুলিয়ে অভিহিত কৰা হৈছে।

বৈষ্ণৱ সাহিত্যৰ অৱসাদৰ যুগতেই আন লৌকিক-মৌখিক সাহিত্যৰো প্ৰচলন হয়। আজান ফকীৰৰ গীত বা জিকিৰ এক প্ৰকাৰ জনপ্ৰিয় মৌখিক গীত। কোৰাণৰ সত্য আৰু নীতিৰ ভেটিত ৰচিলেও দেহ-বিচাৰৰ গীতৰ অনুৰূপ ৰহস্য আৰু বৰগীতৰ সুৰৰ প্ৰভাৱ ইয়াত পৰা যেন লাগে। ০ ০ ০

# অসমীয়া সাহিত্যত শঙ্কৰাচাৰ্যৰ চিন্-ছাপ

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

"শোক-মোহ-মহাপঙ্ক মাজে অৰ্জুন মগন ভৈল দেখি
পৰম ঈশ্বৰ দৈৱকী নন্দ নন্দন ।" ( নামঘোষা, ৬৫৮ )

মাধৱদেৱে নামঘোষাৰ উক্ত ঘোষাটিত গীতাৰ প্ৰথম অধ্যায়ৰ বিষাদগ্ৰস্ত অৰ্জুনৰ কথা উল্লেখ কৰিছে । ইয়াত শঙ্কৰাচাৰ্যই গীতাভাষ্যৰ উপক্ৰমণিকাত ব্যৱহাৰ কৰা শব্দৰ প্ৰতিধ্বনি আছে । পৰম পণ্ডিত মাধৱদেৱে শঙ্কৰাচাৰ্যৰ গীতাভাষ্য নিশ্চয় অধ্যয়ন কৰিছিল ; তেওঁৰ পুথি-চাঙত সেই পুথি থকাও সম্ভৱ ।

চাপৰিলে মেঘ নেৰায় । ভাৰতীয় চিন্তা-জগততো শঙ্কৰাচাৰ্যৰ প্ৰভাৱ এৰাবৰ উপায় নাই । দিগ্বিজয়ী অল্পায়ু শঙ্কৰাচাৰ্যই অষ্টম শতিকাত দাক্ষিণাত্যৰ দৰিদ্ৰ ব্ৰাহ্মণৰ ঘৰত জন্ম গ্ৰহণ কৰি অল্প বয়সতে যোগ আৰু জ্ঞানত পাৰ্গত হৈ গোটেই ভাৰত ভ্ৰমণ কৰিলে ; বেদান্ত-গীতা-উপনিষদৰ ভাষ্য ৰচনা কৰি অদ্বৈত বেদান্ত-মত প্ৰতিষ্ঠা কৰিলে ; সন্ন্যাসী সম্প্ৰদায় এটা গঠন কৰি ভাৰতৰ ঠায়ে ঠায়ে মঠ স্থাপন কৰিলে ; বিভিন্ন দেৱ-দেৱীৰ সুললিত স্তৱ-স্তুতি বিবিধ ছন্দত ৰচনা কৰিলে ; বৌদ্ধধৰ্মৰ অভ্যুত্থান ভাৰতত প্ৰতিৰোধ কৰি হিন্দুধৰ্মক ভাৰতত সঞ্জীৱিত কৰিলে ; অদ্বৈতবাদী হৈও 'ষণ্মত স্থাপনাচাৰ্য' আখ্যা লাভ কৰি হিন্দুধৰ্মৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত ঐক্যবোধ দৃঢ় কৰিলে । হিন্দুধৰ্মৰ বেলেগ সম্প্ৰদায়ৰ মাজত যি ঐক্যানুভূতি আৰু সহিষ্ণু ভাব আছে, সিও একপ্ৰকাৰ শঙ্কৰাচাৰ্যৰে কৃতিত্ব বুলি কব পাৰি । শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদৰ পাছে পাছে ভেজা লৈ নানান অদ্বৈতবাদী মত ভাৰতত গজি উঠিল । শঙ্কৰাচাৰ্যৰ মতৰ লগত পৰিচয় নঘটিলে আন মতবাদৰ লগতো পৰিচয় হোৱা কঠিন । পৃথিৱীত ভাৰতীয় দৰ্শন বুলিলে শঙ্কৰাচাৰ্যৰ দাৰ্শনিক মতকেই বুজে । আধুনিক কালতো এই মতবাদ অধ্যয়ন কৰিবলৈ জগতৰ পণ্ডিতসকলে চেষ্টা কৰে আৰু প্ৰায়েই নিৰাশ হয় ।

শঙ্কৰাচাৰ্যৰ মোহমুদ্গৰ, বিবেক-চূড়ামণি আদি বৈৰাগ্য-প্ৰচাৰক শ্লোক-গ্ৰন্থ এতিয়াও ভাৰতীয় সমাজত বিশেষভাৱে প্ৰচাৰিত । শঙ্কৰাচাৰ্যৰ পৰৱৰ্তী নৱবৈষ্ণৱ অন্দোলনৰ সন্ত কবিসকলেও শঙ্কৰাচাৰ্যৰ বৈৰাগ্যৰ ভাব গীত-কবিতাত প্ৰকাশ কৰি গৈছে । অসমৰ মহাপুৰুষ কবিসকলৰ উপদেশ আৰু বৰগীতসমূহতো



অনেক ঠাইত শৰীৰৰ শক্তি-সৌন্দৰ্যৰ ক্ষণভঙ্গুৰতা, পাৰ্থিৱ ঐশ্বৰ্যৰ অস্থায়িত্ব, সাংসাৰিক মমতাৰ অসাৰতা আদি ভাব শঙ্কৰাচাৰ্যৰ মোহমুদ্গৰ প্ৰভৃতি গ্ৰন্থৰপৰা বাগৰি অহা বুলিলে ভুল নহ'ব । বৰগীতবিলাকৰ মাজে মাজে সোমাই থকা এনে বচন অসংখ্য উদ্ধৃত কৰিব পাৰি । অন্ত্যমিলযুক্ত পদ (rhyming verse) সংস্কৃতত শঙ্কৰাচাৰ্যই প্ৰথমে প্ৰচলন কৰে বুলি কোনো কোনো পণ্ডিতে কয় । এই কথাও চাবলগীয়া ।

স্মৰহ গোবিন্দ মূঢ় বোলহ গোবিন্দ মূঢ়
ভজহ গোবিন্দ সৰ্বক্ষণে ।
মৰণ সন্নিহ্ত পাইলে গোবিন্দেসে ৰাখিবন্ত
নবাধিবে 'ডুকৃঞ' কৰণে । ( নামঘোষা ৪৪ )

নামঘোষাৰ উক্ত ঘোষাটিও শঙ্কৰাচাৰ্যৰ প্ৰসিদ্ধ শ্লোকৰ সুন্দৰ অনুবাদ ।

ভট্টদেৱে কথাগীতাৰ আৰম্ভতে শঙ্কৰাচাৰ্যৰ গীতাভাষ্যৰ ওচৰত তেওঁৰ ঋণৰ স্বীকাৰ কৰিছে ।

অদ্বৈতবাদৰ লগত ভক্তিৰ সম্বন্ধৰ বিষয়ে পণ্ডিত আৰু ভক্তসকলে আলোচনা কৰিছে । শঙ্কৰাচাৰ্যৰ দ্বাৰা ৰচিত বেদান্তৰ অদ্বৈতবাদী ভাষ্যত ভক্তিৰ অনুকূল কিমান উক্তি আছে, সেই সম্পৰ্কে পণ্ডিত লোকে ইতিমধ্যে পুথি-পত্ৰিকা প্ৰকাশ কৰিছে আৰু আমাৰ মাজতো এই বিষয়ত আলোচনাৰ থল নোহোৱা নহয় ।

আহোম ৰাজত্বকালত শিৱসিংহ আৰু ফুলেশ্বৰী কুঁৱৰীৰ অনুৰোধত সেই সময়ৰ পণ্ডিত অনন্ত আচাৰ্য দ্বিজই শঙ্কৰাচাৰ্যৰ সৌন্দৰ্য লহৰী নামে স্তোত্ৰ-তন্ত্ৰ-কাব্যৰ প্ৰথমাৰ্দ্ধ অসমীয়া পদলৈ অনুবাদ কৰে; এই অংশ আনন্দ লহৰী নামে জনাজাত । পণ্ডিতপ্ৰবৰ হেমচন্দ্ৰ গোস্বামীদেৱে পুৰণি পুথি সংগ্ৰহ কৰোঁতে এই পুথি আৱিষ্কাৰ কৰে আৰু বৰ্তমান কামৰূপ অনুসন্ধান সমিতিৰ হাতত পুথিখন আছে । প্ৰত্যেক পৃষ্ঠাৰ কথাবস্তু চিত্ৰৰ সহায়ত বুজাই দিয়া হৈছে ।

অনন্ত আচাৰ্যই শঙ্কৰাচাৰ্যৰ কথা এনেকৈ কৈছে—

শঙ্কৰ আচাৰ্য যাতো যোগী অৱতাৰ ।
তান বাক্য বুজিতে শকতি আছে কাৰ ॥
তথাপিতো তাহান চৰণে কৰি নতি ।
মতি অনুসৰি পদ ৰচিলোঁ সম্প্ৰতি ॥

মূল পুথিৰ প্ৰথম শ্লোকটি বিখ্যাত; বহুতৰ মুখে মুখেই আছে—

শিৱঃ শক্ত্যাযুক্তো যদি ভৱতি শক্তঃ প্ৰভৱিতুং
ন চেদেৱং দেৱো ন খলু কুশলঃ স্পন্দিতুমপি ।
অতস্ত্বামাৰাধ্যাং হৰিহৰবিৰিঞ্চ্যাদিভিৰপি
প্ৰণন্তুং স্তোতুং বা কথমকৃতপুণ্যঃ প্ৰভৱতি ॥

অনন্ত আচাৰ্যই ইয়াৰ পদ এনেকৈ কৰিছে—

যিটো সদাশিৱ পূৰ্ণ ব্ৰহ্ম নিৰঞ্জন ।
ব্ৰহ্মা বিষ্ণু ইন্দ্ৰে সেৱে যাহাৰ চৰণ ॥
জনম মৰণ আদি শৰীৰ বিকাৰ ।
নাহি বুলি চাৰি বেদে কহন্ত যাহাৰ ॥
নিত্যানন্দ সকল মঙ্গল আত্মাৰাম ।
দেৱীৰ প্ৰসাদে তেহোঁ ভৈল পূৰ্ণকাম ॥
যাতো তান সঙ্গত থাকাহা ভগৱতী ।
এতেকে ঈশ্বৰ বোলাৱন্ত পশুপতি ॥
যদি একক্ষণো দেৱি ছাড়া তান সঙ্গ ।
তেতিক্ষণে যত গৰ্ব তান হৈব ভঙ্গ ॥
হৰি হৰ ব্ৰহ্মা আদি দেৱ নিৰন্তৰে ।
তোমাক আৰাধি সৃষ্টি স্থিতি নাশ কৰে ॥
এতেকে তোমাৰ স্তুতি-নতি কৰিবাৰ ।
নাহিকয় শক্তি মন্দপুণ্যাৰ আমাৰ ॥

মূলৰ কাব্যিক সৌন্দৰ্য ইয়াত অলপো ৰক্ষা কৰিব পৰা নাই; কৰা সম্ভৱো নহয় । অসমীয়া পদ ব্যাখ্যাত্মক । সৌন্দৰ্য লহৰী গোটেই ভাৰততে

প্ৰচাৰিত হৈছিল ; ইয়াৰ হুকুৰিমান ভাষ্যও এতিয়া-লৈকে পোৱা গৈছে । আমাৰ অসমীয়া অনুবাদকে নিশ্চয় কোনো ভাষ্যৰ গাত ভেজা দি এই অনুবাদ কৰিছে যেন লাগে । সৌন্দৰ্য লহৰীৰ কাব্য-গুণৰ কথা ৰবীন্দ্ৰনাথে কেইবা ঠাইতো উল্লেখ কৰিছে; এই কথা লক্ষ্য কৰিবলগীয়া ।

অনন্ত আচাৰ্যৰ অসমীয়া অনুবাদ নানা কাৰণত তাৎপৰ্যপূৰ্ণ । ● 'গুপ্তা কুলবধূৰিব' তন্ত্ৰ কাব্যৰ প্ৰাকৃত অনুবাদ ভাৰতত অনন্ত আচাৰ্যই প্ৰথমে কৰে যেন লাগে ।

আধুনিক কালতো শঙ্কৰাচাৰ্যৰ কাব্যৰ অসমীয়া অনুবাদ অলপীয়া হ'লেও দেখা যায় । ইং ১৯১১-১২ চনত ব'হাঁত কেইটিমান সুন্দৰ অনুবাদ ওলাই-ছিল, বহুতে নিশ্চয় পোৱা নাই । তাৰে দুটিমান তলত তুলি দিলোঁ । অনুবাদক উমেশচন্দ্ৰ বৰুৱা ।

গুৰুগীতিমালা

বৰাগীৰ জোলোঙা

( ১ )

নিশা, দিন, গধূলি, পুৱা
নিয়ৰ, বসন্ত কালি,
কালৰ গতিত আহিছে, গৈছে
আয়ু-লতা গৈছে হালি ।
আশা-বায়ু কিন্তু এতিয়াও তোমাৰ
আছে যে গাতে লাগি ;
মৰণ আহিলে মৰিব লাগিব,
নোচোৱা কিয়নো ভাবি ।
বিদ্যা-বুদ্ধি তোমাৰ তৰ্ক-নৈপুণ্যই
তেতিয়া নিদিয়ে কাম ;
(সেইহে) ভজ'া গোবিন্দক, জপাঁ গোবিন্দক
লোৱ'া গোবিন্দৰ নাম ।

( ৩ )

ধন-বিত্ত তোমাৰ আছে যতদিন,
আছে আপোনাৰ জন ;
আজিৰ নোৱাৰা হ'লে কি দেহা,
পলাব গোটেইখন ।
বাতৰি তেতিয়া নলয় তোমাৰ,
ঘৰলৈ নাহেও আৰু ;
(তোমাৰ) শকতি থাকোঁতে ভকতি তুমি
নকৰা কিয়নো বাৰু ?
মৰণ আহিলে মৰিব লাগিব,
(সেইহে) এৰ'াহে সকলো কাম ;
তুমি ভজ'া গোবিন্দক, জপাঁ গোবিন্দক,
লোৱা গোবিন্দৰ নাম ।

( ৬ )

বুঢ়া কালত তোমাৰ লুৰ্-লুৰ্ দেহা
চুলিও গৈছে পকি,
দাঁতো নোহোৱা হৈছে এটিও
গৈছা লাখুটি ধৰি ।
আশা-জালত কিন্তু এতিয়ালৈকে
মেৰ খাই আছা যে তুমি ;
মুক্ত নহ'লে নতৰা যে হেৰা,
নোচোৱা কিয়নো গমি ?
মৰণ আহিলে মৰিব লাগিব,
এৰ'াহে সকলো কাম ;
(তুমি) ভজ'া গোবিন্দক, জপাঁ গোবিন্দক,
লোৱ'া গোবিন্দৰ নাম ।

( ৯ )

দিনৰ পাছত ৰাতি আকউ
তাৰ পাছত দিন ;

● আমাৰ প্ৰবন্ধ ( অসম সাহিত্য সভা পত্ৰিকা, ড° মহেন্দ্ৰ বৰা সম্পাদিত ) চাব পাৰে ।



পখৰ পাছত মাহ গৈ
বছৰত গৈছে লীন ।
বছৰৰ পাছত বছৰ গৈ
আয়ু গৈছে টুটি ;
আশা কিন্তু এতিয়াও তোমাতে
আছে খুটি পুতি ।
মৰণ আহিলে মৰিব লাগিব,
এৰ'াহে সকলো কাম ।
ভজ'া গোবিন্দৰ, জপা গোবিন্দৰ
লোৱা গোবিন্দৰ নাম ।

অসমৰ জীৱনৰ বিভিন্ন ক্ষেত্ৰত শঙ্কৰাচাৰ্যৰ প্ৰভাৱ আৰু দান সম্পৰ্কে আলোচনা-গৱেষণা হোৱা যেন দেখা নাই । ৰুচি থকা আৰু সুবিধা পোৱা লোকে এই বিষয়ে বহলাই আলোচনা কৰিব বুলিয়েই এই সৰু টোকাটি আগবঢ়োৱা হ'ল । কেতুৰীৰ ঠাইত আদা আগ বাঢ়ি আহিব লাগে । ০ ০ ০

## অধ্যয়ন পৰিচয়

অসমীয়া ভাষাত প্ৰথম বাৰৰ বাবে এনে কেইটিমান গৱেষণামূলক প্ৰবন্ধৰ সংকলন কৰা হৈছে, যি কেইটিয়ে অসমীয়া ভাষা-সংস্কৃতিৰ ছাত্ৰ, শিক্ষক, গৱেষক আৰু অনুসন্ধিৎসু সকলক লিপি-বিজ্ঞান, ভাষা-বিজ্ঞান, ধ্বনি-বিজ্ঞান, পুৰাতত্ত্ব-বিজ্ঞান, মুদ্ৰা-বিজ্ঞান আৰু গ্ৰন্থ-সম্পাদনাৰ পদ্ধতি সম্পৰ্কে পৰিচয় দান কৰিব । প্ৰবন্ধকেইটি হ'ল পুৰাতত্ত্ব অধ্যয়ন পদ্ধতি, অসমৰ ভাস্কৰ্যৰ ধাৰা, বুৰঞ্জী প্ৰণয়ণত মুদ্ৰা অধ্যয়নৰ প্ৰয়োজনীয়তা, ভাষা-বিজ্ঞান সমীক্ষা, অসমীয়া ভাষাৰ ঐতিহাসিক বিকাশ, ধ্বনি-বিজ্ঞান পৰিচয়, অসমীয়া ভাষাৰ ধ্বনি-বিচাৰ, লিপি অধ্যয়নৰ পৰিচয়, অসমীয়া লিপিৰ চমু ইতিহাস, পাঠ-সমীক্ষা পৰিচয়, নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ লিপিৰ পাঠ-সমীক্ষা ।

সম্পাদক : নগেন শইকীয়া ।
মূল্য : দহ টকা মাত্ৰ ।
প্ৰাপ্তিস্থান : গোলাঘাট সাহিত্য সভা ।
হেমচন্দ্ৰ গোস্বামী ভৱন, গোলাঘাট ।

# মধ্যযুগীয় সাহিত্যত নামধাতু আৰু প্ৰত্যয়

শ্ৰীমলয় ৰায়

মৌখিক আৰু সাহিত্যিক ভাষা-ব্যৱহাৰৰ ক্ষেত্ৰত নামধাতুৰ এটি বিশিষ্ট স্থান আছে। বিশ্বৰ প্ৰায় সকলো প্ৰধান প্ৰধান ভাষাত ইয়াৰ অস্তিত্ব লক্ষ্য কৰা যায়। পূৰ্বভাৰতীয় প্ৰধান ভাষাবিলাকৰ মধ্যযুগীয় কিছু সাহিত্যিক নিদৰ্শনৰ ওপৰত চকু ফুৰাওঁতে ক্ৰিয়া পদৰ এই বিশেষ অংশটোৰ গঠন-তত্ত্বৰ (morphology) পিনে আকৃষ্ট হৈছিলোঁ আৰু এই সম্পৰ্কে এটি বহল আলোচনাৰ প্ৰয়োজন উপলব্ধি কৰিছিলোঁ। বৰ্তমান প্ৰবন্ধটি তাৰ এটি ৰূপৰেখা (sketch) মাথোন। আমাৰ বিশ্বাস, অকল এই বিষয়টোৰ এটি বিশ্লেষণাত্মক গৱেষণাৰ যোগেদি ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে বহুতো নতুন সম্ভেদ পোৱা যাব।

অসমীয়া, বঙলা, উড়িয়া আৰু হিন্দী (অৰ্থাৎ হিন্দীৰ অন্তৰ্গত মধ্যযুগীয় খড়ীবোলী, ব্ৰজভাষা, মৈথিলী-ব্ৰজবুলী, আৰু অৱধী ভাষাৰ সাহিত্যিক নিদৰ্শন)— এই চাৰিটা প্ৰধান পূৰ্বভাৰতীয় ভাষাত ৰচিত মধ্যযুগৰ কেইখনমান কাব্যত নামধাতু আৰু নামধাতুৰ লগত ব্যৱহৃত প্ৰত্যয়ৰ বৈশিষ্ট্য সম্পৰ্কে আমি সংক্ষেপে দুই-চাৰি কথা নিবেদন কৰিছোঁ।

নামধাতুৰ মূল প্ৰত্যয় -আ অৰ্থাৎ বিশেষ্য-বিশেষণৰ পিছত -আ যোগ কৰি প্ৰথম ধাতুৰূপৰ গঠন অসমীয়া, বঙলা, উড়িয়া আৰু মৈথিলীৰ বৈশিষ্ট্য।

'ই' যুক্ত অসমাপিকা ক্ৰিয়াৰ ৰূপটো নিষ্ঠান্ত অতীত কালৰ (Past Participle) লগত অভিন্ন বুলি পণ্ডিত-সকলৰ ধাৰণা। মধ্যযুগীয় সাহিত্যত 'ই' যুক্ত অসমাপিকা নামধাতুৰ ব্যৱহাৰ সাৰ্বজনীন। অসমীয়া আৰু বঙলাত 'ইয়া'ৰ ব্যৱহাৰো ব্যাপক। উদাহৰণ দিয়া যাওক :—

অসমীয়া

মাধৱ কন্দলী (চতুৰ্দশ শতিকা)

সম্বুধিয়া— লক্ষ্মণক সম্বুধিয়া বুলিবাক লৈল
/ৰামায়ণ/অযোধ্যা

আৰম্ভিয়া— পূৰ্বকাল মতে যজ্ঞ আৰম্ভিয়া
ঋষিসবে কৰে কাম। /ঐ/অৰণ্য

উপেক্ষিয়া— কি কাৰণে প্ৰভু মোক উপেক্ষিয়া যাহা
/ঐ/অযোধ্যা

উকৰি— গ্ৰহবেক পথ গৈয়া পৰিল উকৰি
/ঐ/অযোধ্যা

পীতাম্বৰ কবি (পঞ্চদশ শতিকা)

সুমৰিয়া—সেহি বৈৰী সুমৰিয়া দেৱ শচীপতি/উষা-পৰিণয়



আৰোহিয়া— ৰথ তুৰঙ্গমে আৰোহিয়া চৰণে /ঐ

শঙ্কৰদেৱ (পঞ্চদশ – ষোড়শ শতিকা)

আলিঙ্গিয়া— প্ৰিয়বাক্যে সম্বোধিয়া, গায়ে গায়ে
আলিঙ্গিয়া, প্ৰবোধিলা দেৱ দামোদৰে/দশম

আশ্বাসিয়া— দেখি দুখ ভকতৰ আশ্বাসিয়া দামোদৰ
উদ্ধৱক বুলিলা বচন / কীৰ্তন

টঙ্কাৰিয়া— টঙ্কাৰিয়া দিব্য অস্ত্ৰচয়ক জাকিল / কীৰ্তন

সঙ্কুকিয়া— কতো বেগি সঙ্কুকিয়া উঠে ৰাজাগণ /
ৰুক্মিণী হৰণ

নিমজ্জিয়া— নিমজ্জিয়া জলে / ঐ

নিচুকি— এতেক উচৰ্গি ইন্দ্ৰে থাকিলা নিচুকি / ঐ

বঙলা

বড়ু চণ্ডীদাস (চতুৰ্দশ শতিকা)

জালিআঁ— কাজিলী ৰাতি মোঁ প্ৰদীপ জালিআঁ
পোহাওঁ / শ্ৰীকৃষ্ণকীৰ্তন / বাণ

জিআইআঁ— জিআইঅঁা দিবোঁ মোঁ চন্দ্ৰাৱলী ৰাধা/
ঐ / বাণ

সান্তৱিআঁ— আজ্ঞা লঅঁা সান্তৱিআঁ ৰাখিল পৰাণে/
ঐ / নৌকা

খণ্ডি— হেলা না জাড়িহ আজ্ঞাক প্ৰতি
খণ্ডি সব দোষ গুণে /ঐ / নৌকা

নিৰমিঅঁা— কি কৈলি কি কৈলি বিধি নিৰমিঅঁা
নাৰী / ঐ / দান

বিকলিঅঁা— দধি দুধ বিকলিঅঁা ৰাধা আইসে ঘৰে/
ঐ/ দান

কৃত্তিবাস (পঞ্চদশ শতিকা)

আগুলিয়া— গুহক চণ্ডাল আছে পথ আগুলিয়া
ৰামায়ণ / আদি

সৃজিয়া— আপনি সৃজিয়া শনি মাৰ কি কাৰণ।
ঐ, আদি

সম্ভাষিয়া— কপি সম্ভাষিয়া পক্ষী উড়িল আকাশে।
ঐ, কিষ্কিন্ধ্যা

শোধি— মোৰ ধাৰ শোধি তুমি সত্যে হও পাৰ।
ঐ, অযোধ্যা

দংশিয়া— একজনে দংশিয়া দংশিলি তিনজনে।
ঐ, অযোধ্যা

অন্বেষিয়া— অন্বেষিয়া সীতাৰে পাইলে বহু ক্লেশ।
ঐ, অৰণ্য

উলটি — পলায় ৰাক্ষস সব উলটি না চাহে। ৰামায়ণ,
সুন্দৰা

মুকুন্দৰাম চক্ৰৱৰ্তী (ষোড়শ শতিকা)

গোচৰিয়া — মোৰে নাহি গোচৰিয়া কটাইলি বন।
চণ্ডীমঙ্গল, পদ ১৬২

প্ৰবেশিয়া — চোৰৰূপে প্ৰবেশিয়া ডাকা দিবি পাৰা।
চণ্ডীমঙ্গল, পদ ৩৬৩

কাছিয়া — কাছিয়া ৰাববাণ কৰিয়া হানহান
উঠিল ধৰি খাণ্ডা হাতে। চণ্ডীমঙ্গল, ১৭১

স্থাপিয়া — গোমুণ্ড স্থাপিয়া দ্বাৰে পূজে ষষ্ঠিবুড়ি।
চণ্ডীমঙ্গল, ১৮৫

নিকপেক্ষি — নিকপেক্ষি একদণ্ডে পেলিলে অনলকুণ্ডে
দুৰ্লভ হইল দৰশন। ঐ, ২৪৭

উড়িয়া

সাৰলা দাস (চতুৰ্দশ শতিকা)

সহি — দুৰ্ভাৰ বচন সহি বোইলে জাহ্নবী। মহাভাৰত,
আদি

পশি— ৰাজ্যে পশি তু কি পাঁই ভ্ৰতৰাজ সেবি।
ঐ - আদি

সমালি— হাতী দান্ত পানিআৰে কেশ তা সমালি।
ঐ / উদ্যোগ

বলৰাম দাস (পঞ্চদশ শতিকা)

সংক্ষেপি— তাহা সংক্ষেপি কহিবা হেউ তপোবন্ত।
ৰামায়ণ / আদি

মুকুলাই— ব্ৰহ্মাকহি সে ইন্দ্ৰকু নেলে মুকুলাই। ঐ / আদি

নির্মাণি— পূৰ্বৰ বিধান ধাতা অছই নির্মাণি। ঐ / আদি

লম্বাই— পাটদউড়ি লম্বাই গন্থি অছি ভিড়ি। ঐ /আদি

নিৰোধি— মন পবন নিৰোধি ব্ৰহ্মানন্দ ধ্যানে।
ৰামায়ণ / লঙ্কা

অচ্যুতানন্দ দাস (পঞ্চদশ শতিকা)

উপাড়ি— বৃক্ষেক উপাড়ি বেগে মাইলাক তোলি।
হৰিবংশ / ১ম খণ্ড

উপেক্ষি— সহস্রে বাণ মাইলা উপ্রোধ উপেক্ষি। ঐ / ১ম খণ্ড

উড়িয়া ভাষাত —ইণ-যুক্ত অসমাপিকাৰ মধ্যযুগীয় বৈশিষ্ট্য বহুতো ঠাইতে লক্ষ্য কৰা যায়।

বলৰাম

লদিণ— কঅ লদিণ বান্ধন্তি গন্থি দেই বতা। ৰামায়ণ/ আদি

ঘেণিণ— তঁহি পবিত্ৰ ঘেণিণ প্ৰহাবন্তে নেই। ঐ/অৰণ্য

সুমৰিণ— ৰাম নাম সুমৰিণ ৰোদই সুন্দৰী। ঐ/কিষ্কিন্ধ্যা

<u>হিন্দী</u>

কবীৰ দাস (চতুৰ্দশ শতিকা)

উৰঝাঁই— প্ৰেম প্ৰীতি ৰাখৌ উৰঝাঁই।
—কবীৰ গ্ৰন্থাৱলী

ঝপি— ঝপি মৰে জিনি কোই ৰে। —ঐ

উলটি— আপ জাণি উলটি লে আপ। —ঐ

সুৰদাস (ষোড়শ শতিকাৰ প্ৰথম ভাগ)

ফোৰি— কাঠ ফোৰি ঘৰ কিয়ো মধুপ
তৈ বংধে অম্বুজ কে পাত। —ভ্ৰমৰ গীতসাৰ

দৌৰি— ব্ৰজ হম দৌৰি আঁক ভৰি
লীন্থি দেখি ছাঁহ নব মূলন কী। —ঐ

প্যাই— গোসী প্যাই পাণি। —ঐ

তুলসী দাস (ষোড়শ শতিকাৰ শেষ ভাগ)

দলি — জিমি হিম উপল কৃষি দলি গৰহি।
ৰামচৰিতমানস / বাল

ছাই — ফুলে কাস সকল মহী ছাই। —ঐ, কিষ্কিন্ধ্যা

ধসই — ধৰণি ধসই ধৰ ধাৰ প্ৰচণ্ডা। —ঐ, লঙ্কা

নিৰখি — নিৰখি বচ্ছ জনু ধেনু লৱাই। —ঐ, উত্তৰা

মধ্যযুগীয় নামধাতুৰ অসমাপিকা প্ৰত্যয় ব্যৱহাৰৰ ক্ষেত্ৰত ওপৰৰ উদাহৰণকেইটিৰপৰা এটা কথা স্পষ্ট হ'ল যে, অসম আৰু বঙ্গত -ই আৰু -ইয়া-ৰ প্ৰয়োগ হ'লেও হিন্দীভাষী অঞ্চল আৰু উড়িষ্যাত কেৱল -ই-ৰ প্ৰয়োগ দেখা যায়। উড়িষ্যাত অতিৰিক্ত ইণ। এই -ইণ সংস্কৃত কৰণ কাৰকত তৃতীয়া বিভক্তি -এণ-ৰপৰা উদ্ভূত হোৱাটো অসম্ভৱ নহয়। -এণ-ৰপৰা অনুনাসিক -এঁ চৰ্যা-পদত লক্ষ্যনীয়। যেনে :— ভৱনই গহন গম্ভীৰ বেগেঁ বাহী। (চৰ্যা-৫, চাটিল পা)। বড়ু চণ্ডীদাসৰ শ্ৰীকৃষ্ণকীৰ্তনতো পোৱা যায় — বাঁশীৰ শবদেঁ বড়ায়ি আউলাইল ৰান্ধন। (বংশী খণ্ড)



-ইতে আৰু -ইলে যুক্ত অসমাপিকাৰ প্ৰত্যয়-যোগৰ নিদৰ্শন অসমীয়াত দুই-এটি পোৱা যায় :—

মাধৱ কন্দলী :

পালটাইতে— পালটাইতে নপাৰিলোঁ। কৰিবোহোঁ কিস। অযোধ্যা

ছেদিলে— গুৰিত ছেদিলে যেন বৃক্ষ হোৱে ছন্ন। অযোধ্যা।

আধুনিক অসমীয়াত -ইতে প্ৰত্যয়ান্ত অসমাপিকাৰ ব্যৱহাৰ নাই। -ইতেৰ ঠাইত আছে -ইব। -ইলেৰ প্ৰয়োগ আছে।

বঙলাত -ইলে, -ইতে আৰু -আতে এই তিনিবিধৰ ব্যৱহাৰ মধ্যযুগত দেখা যায়।

কৃত্তিবাস :

লঙ্ঘিলে— এ সত্য লঙ্ঘিলে নাহি পায পৰিত্ৰাণ।
ৰামায়ণ / আদি

চিয়াতে— ৰাজাৰে চিয়াতে গেল সাত শত ৰাণী।
ঐ/ অযোধ্যা

সম্মানিতে— এই হেতু ৰামদূত তোঁহে সম্মানিতে।
ঐ/ সুন্দৰা

বিজয় গুপ্ত (পঞ্চদশ শতিকা)

নিৰাইতে— ধান্য নিৰাইতে চান্দ মনে বাসে ভালো।
পদ্মাপুৰাণ

এইবোৰ প্ৰত্যয়ৰ ব্যৱহাৰ বঙলাত এতিয়াও আছে। আধুনিক যুগত -ই যুক্ত অসমাপিকাৰ প্ৰত্যয় অসমীয়াত সৰ্বব্যাপী। -ইয়াৰ ব্যৱহাৰ অন্তত: সাহিত্যিক ভাষাত নাই। উড়িয়াতো একেই। -ইণ নাই। আধুনিক সাহিত্যিক হিন্দীত -কৰ, -কে আদি প্ৰত্যয় থাকিলেও মৈথিলী, বঘেলী আদি কিছু উপভাষাত -ই প্ৰত্যয় এতিয়াও ব্যৱহাৰ হোৱা দেখা যায়।

বঙ্গত -ই প্ৰত্যয় সীমাবদ্ধ (অকল কবিতাতহে)। অৱশ্যে শ্ৰীহট্টী, চট্টগ্ৰামী আদি উপভাষাত ইয়াৰ ব্যৱহাৰ আছে। পশ্চিম বঙ্গত সাধাৰণভাৱে -ইয়া-জাত (অভিক্ৰান্ত) -এ আৰু পূব বঙ্গত সাধাৰণভাৱে -ইয়া-জাত (অপিনিহিত) '-ই-য়া' অসমাপিকা ক্ৰিয়াপদ গঠনত ব্যৱহৃত হয়।

মধ্যযুগীয় নামধাতুৰ লগত প্ৰত্যয় ব্যৱহাৰৰ আৰু কেইটিমান বৈশিষ্ট্যলৈ মন কৰক।

অসমীয়াত সাধাৰণ অতীত কালৰ প্ৰথম পুৰুষত ইলন্ত প্ৰয়োগ :—

মাধৱ কন্দলী :

ভেটাইলন্ত— তেতিক্ষণে সুগ্ৰীৱত ভেটাইলন্ত গিয়া।
ৰামায়ণ / কিষ্কিন্ধ্যা

বিচিলন্ত— বিচিলন্ত অনেক চামৰ ধৰি হাতে।
ৰামায়ণ / অযোধ্যা

চপাইলন্ত— হা প্ৰভু বুলি সীতা চপাইলন্ত কোল।
ঐ / লঙ্কা

নির্মিলন্ত—তপৰ প্ৰভাৱে নির্মিলন্ত সৰোবৰ। ঐ/অযোধ্যা

শঙ্কৰদেৱ :

জপিলন্ত— বিধিৱতে স্নানি নিমজ্জিয়া জলে
জপিলন্ত মন্ত্ৰ পাছে। দশম

আফালন্ত— পড়ি পড়ি পৃথিৱীত আফালন্ত মাথ।
একাদশ

-ইলন্ত বা -ইলান্ত প্ৰত্যয়ান্ত অতীত কালৰ প্ৰয়োগ বঙলা সাহিত্যত প্ৰথম যুগত আছিল যদিও, পাছৰ যুগত ইয়াৰ ব্যৱহাৰ দেখা নাযায়।

বড়ু চণ্ডীদাস :

কৰিলান্ত — ভাৱ সঙ্গ কৰিবাবে কৰিলান্ত মন।
শ্ৰীকৃষ্ণকীৰ্ত্তন / ভাৰখণ্ড

দিলান্ত — মথুৰা নগৰে যাইতে দিলান্ত মেলানি।
ঐ / যমুনা

কিন্তু ওপৰৰ প্ৰয়োগবোৰ বিশুদ্ধ ক্ৰিয়াধাতুৰ লগতহে। নামধাতুৰ লগত প্ৰয়োগৰ নিদৰ্শন নাই বুলি ক'ব পাৰি। ই মধ্যযুগীয় অসমীয়াৰ এটি বৈশিষ্ট্য।

সাধাৰণ অতীত কালৰ আন এটি বিশিষ্ট প্ৰত্যয় -ইলেক।

অসমীয়া :

মাধৱ কন্দলী :

পাকিলেক — প্ৰহস্তক পাকিলেক পূৰ্বৰ দুয়াৰ। লঙ্কা

আলাইলেক — হস্তীৰ মাথাক কাটি তাতে আলাই-
লেক। অৰণ্য

জঙ্কাইলেক — ক্ষুদ্ৰ পশু হুৱা কোনে জঙ্কাইলেক
হাতী। অৰণ্য

শঙ্কৰদেৱ :

জপাইলেক — জপাইলেক যুদ্ধ সাজি পন্থৰ নিৰোধি।
দশম

বঙলা :

বড়ু চণ্ডীদাস :

মুণ্ডিলেক— তাৰ গোত মুণ্ডিলেক আস্কাৰ যৌৱনে।
শ্ৰীকৃষ্ণকীৰ্ত্তন / দান

আকাইলেক — আকাইলেক কেশ তোৰ মুঠি এক
মাঝা। ঐ / দান

কৃত্তিবাস :

হৰিলেক — বিনা দোষে হৰিলেক আমাৰ বনিতা।
ৰামায়ণ / অৰণ্য

উড়িয়া :

অচ্যুতানন্দ দাস :

লুচিলেক — নন্দন বন ভিতৰে লুচিলেক যাই।
হৰিবংশ / প্ৰথম

বলৰাম :

মাগিলেক — ভূমিদান মাগিলেক যাই বলিঠাৰে।
ৰামায়ণ / লঙ্কা

উড়িয়াত আৰু এটি প্ৰত্যয় — ইলাক।

বলৰাম দাস :

ঘেনিলাক — ক্ৰিয়া ঘেনিলাক ত'হি কৈকেয়ী সুত।
ৰামায়ণ / অযোধ্যা

পশিলাক — সৰোবৰ ভিতৰে সে পশিলাক গই।
ঐ / আদি

-ইল, -ইলা প্ৰথম পুৰুষ; ইলোহো, -ইলুঁ উত্তম পুৰুষ আৰু -ইলাহা মধ্যম পুৰুষৰ অতীত কালৰ প্ৰত্যয়।

অসমীয়া :

মাধৱ কন্দলী :

প্ৰসৱিলা — সিংহৰ ভাৰ্যায়ে ছাগ প্ৰসৱিলা মোক।
ৰামায়ণ / অযোধ্যা

প্ৰণামিলা — দুই ভাই মিলি প্ৰণামিলা তান পাৱ।
ৰামায়ণ / অযোধ্যা

পখালিলা — আঁখি মুখ পখালিলা ৰামে দিলা জল।
ঐ/ অযোধ্যা

স্তম্ভিল — সাগৰ স্তম্ভিল যেন কাথৰক পাই।
ঐ/ অৰণ্য



চাপিলোহো — ঋষিক ভুঞ্জিয়া লাণ্ট পায়া পাছে
চাপিলোহো গৈয়া কোল। অৰণ্য

জিনিলোহো — জিনিলোহো তাহাক ৰাপৰ বিদ্যমান।
আদি

পীতাম্বৰ কবি :

সুম্পিলো — ৰাহুৰ হাতত আনি চান্দক সুম্পিলো হে
কলঙ্ক ঘুষিবে ৰাজে ৰাজ।
উষাপৰিণয়

বঝাইলো — কোন ছাৰ পামৰে কন্যা বঝাইলো
তোমাৰে। ঐ

শঙ্কৰদেৱ :

উল্লসিল — হেন শুনি উদ্ধৱৰ উল্লসিল জীৱ। একাদশ

খেলাইলাহা — শীতল শয্যাত সিটো খেলাইলাহা
গাৱ। ঐ

বঙলা :

বড়ু চণ্ডীদাস :

আউলাইলোঁ — বাঁশীৰ শবদে বড়ায়ি আউলাইলোঁ
ৰান্ধন। শ্ৰীকৃষ্ণকীৰ্তন, বংশী

উদ্ধাৰিলোঁ — বেদ উদ্ধাৰিলোঁ ক্ৰীড়া সাগৰজলে
লীলাএ আহ্মে মুৰাৰি। ঐ, দান

শ্ৰীকৃষ্ণকীৰ্তনত —ইলাহোঁ আছে উত্তম পুৰুষত।
পুনৰপি পড়িলোহোঁ তাহাৰ হাতে।
নৌকা

কৃত্তিবাস :

সান্ধাইল — তৃণ বান্ধি সান্ধাইল হাটেৰ ভিতৰে। আদি

বিন্ধিল— পক্ষীৰে বিন্ধিল ব্যাধ শৃঙ্গাৰেৰ কালে। আদি

মধ্যম পুৰুষ (তুচ্ছাৰ্থে) অসমীয়াত —ইলিহি নাইবা —ইলি আৰু বঙলাত —ইলি প্ৰযুক্ত হৈছিল।

মাধৱ কন্দলী (ৰামায়ণ) :

তেজিলিহি— মায়ে বুলিলন্ত পুত্ৰাই তেজিলিহি মোক
অযোধ্যা

সাধিলি — পিতৃবধ কৰি কোন কৰ্মক সাধিলি। ঐ

কৃত্তিবাস (ৰামায়ণ) :

বধিলি — স্ত্ৰী হৈয়া স্বামীকে বধিলি চণ্ডালিনী।
অযোধ্যা

বঙলাত উত্তম পুৰুষত অতীত কালৰ -ইলাম প্ৰত্যয় কৃত্তিবাসৰ সময়ৰপৰাই দেখা যায়; কিন্তু -ইলোঁ, -ইলোহোঁ লুপ্ত হয়।

বধিলাম — বধিলাম সিন্ধুৰ জীৱন। আদি

তুষিলাম — যজ্ঞ কৰি তুষিলাম যত দেৱগণে। অযোধ্যা

-ইল যুক্ত পদ কেতিয়াবা অতীত কালৰ বিশেষণ (সংস্কৃত -ক্ত প্ৰত্যয়ৰ দৰে) ৰূপে ব্যৱহৃত হৈছিল।

মুকুন্দৰাম :

ভুখিল — ভুখিল বাঘেৰ হাতে যেমন হৰিণী।
চণ্ডী, ৩১১

ইয়াৰ লগত চৰ্যাপদৰ নিম্নোক্ত প্ৰয়োগ তুলনীয় :—
বেঢ়িল হাক পড়অ চৌদীস। ভুসুকু পা।

উড়িয়াত -ইলে আৰু -ইলা অতীত কালৰ প্ৰয়োগ-ৰূপে দেখা যায়। -ইলু উত্তম পুৰুষত।

বলৰাম দাস :

জিণিলা — ত'হি বসি জিণিলা সে সৰ্ব দেৱতাএ।
ৰামায়ণ, আদি

ভেটিলা — তাকু সমাধান কৰি বলিকি ভেটিলা।
ঐ, আদি

ধ্যাইলা — এতে বোলি বেদৱতী বিষ্ণুঙ্কু ধ্যাইলা।
ঐ, আদি

বাছড়িলে—তাহা শুনি দূতমানে শীঘ্ৰ বাছড়িলে। ঐ, ঐ

গোড়াইলা— জানি গোড়াইলা লোমপাদ মহীপাল।
ঐ, আদি
সমৰ্পিলে— বিবোইল্ল যূলে সেমানক্কু সমৰ্পিলে।
ঐ, উত্তৰা
বিকিলু— তাহা ৰাজ্য যেণিণ বিকিলু নীচ ধৰ।
ঐ, আদি

অচ্যুতানন্দ দাস :
কহাইলে— যুদ্ধে প্ৰাণ হৰাইণ কীৰ্তি কহাইলে।
হৰিবংশ, প্ৰথম
প্ৰবেশিলা— পলঙ্কৰে অন্তঃপুৰে প্ৰবেশিলা যাই।
ঐ, প্ৰথম

জগন্নাথ দাস :
বন্দিলে— প্ৰণাম কৰি জনে জনে
বন্দিলে বিষ্ণুৰ চৰণে। ভাগৱত, চতুৰ্থ স্কন্ধ
উপুজিলে— মৈথুন প্ৰবন্ধে উপুজিলে পুত্ৰবেণি।
ঐ, চতুৰ্থ

মৈথিলীত (ব্ৰজবুলি) -অলহ, -অলি :—
ৰোপলহ— ৰোপলহ পহু লহু লতিকা আনি।
বিদ্যাপতি
বিসৰলি— তোঁহে বিসৰলি ভল বোলত কে।
বিদ্যাপতি

ব্ৰজভাষাত -আৱা :—
কবীৰ দাস :
মিলাৱা— কহৈ কবীৰ মন মনহি মিলাৱা।
অমৰ ভয়ে সুখ সাগৰ পাৱা॥
কবীৰ গ্ৰন্থাৱলী

অৱধীত -আ, -আৱা :—
তুলসী দাস :
পহাৰা— গহেউ চৰণ গহি ভূমি পছাৰা।
ৰামচৰিতমানস, লঙ্কা
দৃঢ়াৱা— কৰি বিচাৰ তিন্হ মন্ত্ৰ দৃঢ়াৱা। ঐ, লঙ্কা

বঙলাত সম্ভ্ৰমাৰ্থক প্ৰথম পুৰুষৰ সাধাৰণ অতীত কালৰ প্ৰত্যয় —ইলেন পঞ্চদশ শতিকাতে আৰম্ভ হোৱা দেখা যায়। নামধাতুৰ লগত এই প্ৰত্যয়ৰ ব্যৱহাৰ অৱশ্যে নিচেই কম।
কৃত্তিবাস :
শাপিলেন — অহল্যাকে শাপিলেন ক্ৰোধে মুনিবৰ।
ৰামায়ণ, আদি
উলিলেন — ৰথ হৈতে উলিলেন চাৰি মহামতি।
ঐ, অযোধ্যা
অসমীয়া আৰু উড়িয়াত সম্ভ্ৰমাৰ্থক প্ৰত্যয়ৰ বেলেগ ব্যৱহাৰ নাছিল। -ইলে নাইবা -ইলেক এই দুটাৰ দ্বাৰাই সেই উদ্দেশ্য নিষ্পন্ন কৰা হৈছিল। মৌলিক বৰ্তমান কালৰ প্ৰথম পুৰুষৰ প্ৰত্যয়-প্ৰয়োগত কিছু পাৰ্থক্য লক্ষ্যনীয়।
অসমীয়াত -অন্ত, অন্তি, -অয়, -এ :—
মাধৱ কন্দলী :
পোৰন্ত — সন্তাপে পোৰন্ত যেন তুলাত অগণি।
ৰামায়ণ, অযোধ্যা
সুমৰন্তি — লক্ষ্মণক সুমৰন্তি। ঐ, কিষ্কিন্ধ্যা
উচ্চৰন্তি — ৰাম ৰাম উচ্চৰন্তি। ঐ, ঐ
কাম্পয় — বায়ু পায়া কদলী কাম্পয় যেন মতে।
ঐ, ঐ
পীতাম্বৰ কবি :
খসাৱয় — সাঙ্খ কেহো খসাৱয়। উষাপৰিণয়
বখানে — কিসেৰ তোমাৰ ৰূপ নিগমে বখানে। ঐ
বঙলাত -এ, -ই, -আয় :—
বড়ু চণ্ডীদাস :
লহে — আন যদি দেখে ৰাজপদ পাএ
নানা উপভোগে লহে। শ্ৰীকৃষ্ণকীৰ্তন, দান



মাঙ্গে — মাঙ্গে সুৰতিদান সান দেই মাথে। ঐ, দান

কৃত্তিবাস :
জিজ্ঞাসে — চিন্তিতা হইয়া ৰাণী জিজ্ঞাসে তখন।
ৰামায়ণ, আদি
ভেঙ্গায় — মনে ভাবে আমাৰে এ দেখিয়া ভেঙ্গায়।
ঐ, আদি

মুকুন্দৰাম :
ধায় — ধায় ৰাণী ৰণ অভিমুখে। চণ্ডীমঙ্গল, ১৫৪
সম্ভ্ৰমাৰ্থে -এন :—
পূজেন — ফল মূল উপহাৰে কৰিয়া পাঁজলা।
কৰিয়া পূজেন ঘটে সৰ্বমঙ্গলা। ঐ, ৩১৭

উড়িয়াত সাধাৰণতঃ -অই আৰু -অন্তি নাইবা আন্তি :-

বলৰাম দাস :
ঝম্পাই — সপকু দেখি যেসনে ঝম্পাই নেউল।
ৰামায়ণ, উত্তৰা
আক্ৰোশই — মৃগপলকু যেসনে আক্ৰোশই ব্যাধ।
ঐ, উত্তৰা
গঞ্জই — সাধুন্ত লোককু যেহু অন্তোষে গঞ্জই।
ঐ, অযোধ্যা
আকৰ্ষই — অইঠঁা ভাণ্ডকু যেহ্নে কুআ আকৰ্ষই।
ঐ, উত্তৰা
পূজুছন্তি — সে পূজুছন্তি কি তোৰ ইষ্ট যে দেৱতা।
ঐ, উত্তৰা
বিচাৰন্তি — ভট্টমিশ্ৰ সভাপণ্ডা ধৰ্ম বিচাৰন্তি।
ঐ, উত্তৰা
বখাণন্তি — যে আপণা জাতিকি লুচাই বখাণন্তি।
ঐ, অযোধ্যা

অচ্যুতানন্দ দাস :
বঞ্চই — জল তেজিণ মীন কি বঞ্চই ভো নাথ।
হৰিবংশ, ৭ম খণ্ড
বজান্তি — বসি বিদ্যাধৰে বংশী বজান্তি সুস্বৰ।
ঐ, ৭ম
মৈথিলীত -অয়ে, -ওয় :—
বিদ্যাপতি :
নিকসয়ে — বচন ন নিকসয়ে চমকিত চীত।
বৈষ্ণৱ পদাৱলী
বিলাপয়ে — বহুবিধ বাণি বিলাপয়ে কান। ঐ
কেভিয়াবা —অঈ :—
নটঈ — ৰঙ্গিনী গণ ৰস ৰঙ্গহি নটঈ। ঐ

অৱধীত -অত, -অহি, -অই :—
তুলসী দাস :
কূজত — কূজত মঞ্জু মৰাল মুদিত মন।
ৰামচৰিতমানস, অযোধ্যা
নংচহি — ভূত পিশাচ বধূ নভ নংচহি। ঐ, লঙ্কা
ধসই — ধৰণি ধসই ধৰ ধাৱ প্ৰচণ্ডা। ঐ, লঙ্কা

অসমীয়াত উত্তম পুৰুষৰ প্ৰত্যয় -আও, -অও, -ও :—

মাধৱ কন্দলী :

গুচাও — তোক মাৰি গুচাও আজি পৃথিৱীৰ শাল।
ৰামায়ণ, অৰণ্য
ভেটাও — সৰ্পৰাজ বাসুকীক বান্ধিয়া ভেটাও।
ঐ, অযোধ্যা

পীতাম্বৰ কবি :

সাধো — ঝাণ্টে আজ্ঞা কৰা প্ৰভু সাধো কোন কাজ।
উষাপৰিণয়
বঙলাত উত্তম পুৰুষৰ -ই :—

কৃত্তিবাস :

নিবেদি — শৈব্যা বলে শুন প্ৰভু নিবেদি তোমাৰে।

ৰামায়ণ, আদি

সাধাৰণ ভৱিষ্যৎ কালৰ প্ৰত্যয়কেইটি আছিল অসমীয়া (মধ্যম পুৰুষ) -ইবি (তুচ্ছাৰ্থে) :—

মাধৱ কন্দলী :

আশ্বাসিবি— আশ্বাসিবি ইহাঙ্ক সুমিত্ৰা আৰ আই।

ৰামায়ণ, অযোধ্যা

মধ্যম পুৰুষৰ (আদৰাৰ্থে) -ইবাহা, -ইবা :—

জনাইবাহা— অবিলম্বে সীতাৰ বাৰ্তাক জনাইবাহা।

ঐ, কিষ্কিন্ধ্যা

পৰীক্ষিবা— তাঙ্কো পৰীক্ষিবা কেনে ভালে-মন্দে আছে।

ঐ, কিষ্কিন্ধ্যা

উত্তম পুৰুষত -ইবোহো :—

বৰ্ণাইবোহো— অপৰ্যন্ত দেশ তাক বৰ্ণাইবোহো কত।

ঐ, কিষ্কিন্ধ্যা

চৰ্চিবোহো— ইঠানৰ কাৰ্য চৰ্চিবোহো আমি চলিয়ো তুমি একণে। ঐ, অযোধ্যা

প্ৰথম পুৰুষত -ইবেক :—

বৰ্ণাইবেক— বৰ্ণাইবেক কেমনে ৰামৰ ৰূপ-গুণ।

ঐ, অযোধ্যা

শঙ্কৰদেৱ :

তৰাইবেক— ইসে তৰাইবেক সুখে ঘোৰ সংসাৰত।

দশম

বঙলাত প্ৰথম পুৰুষত -ইবে, -ইবেন :—

কৃত্তিবাস :

বৰ্জিবে— পুনৰপি সীতাকে বৰ্জিবে মহাশয়।

ৰামায়ণ, আদি

জন্মিবেন— ৰাৱণ বধিতে জন্মিবেন লক্ষ্মীপতি।

ঐ, আদি

শ্ৰীকৃষ্ণকীৰ্তনত -ইতেঁ আছে। ইয়াৰপৰা -ইবে উদ্ভূত হোৱাটো সম্ভৱ।

লজ্জিতেঁ— কতেঁ। না লজ্জিতেঁ যবেঁ আক্ষাৰ বোল।

দান

-ইবেক যুক্ত পদো যথেষ্ট পোৱা যায়।

কৃত্তিবাস :

খণ্ডিবেক — সুগ্ৰীৱ হইতে সব খণ্ডিবেক ক্লেশ।

ৰামায়ণ, কিষ্কিন্ধ্যা

আৰু উদাহৰণ— সাধিবেক, মিলিবেক, মৰিবেক ইত্যাদি।

উত্তম পুৰুষত -ইব :—

পালিব — শিৰে মোট বহি আনি পালিব তোমাৰে।

ৰামায়ণ, কিষ্কিন্ধ্যা

মধ্যম পুৰুষত -ইবে :—

ডুবাইবে — পুত্ৰ হৈয়া ডুবাইবে নৰক ভিতৰে।

ঐ, কিষ্কিন্ধ্যা

উড়িয়াত মধ্যম পুৰুষত -ইবা :—

বলৰাম দাস :

ভুঞ্জাইবা — পৰদিন সকালু ভুঞ্জাইবা গোৰস।

ৰামায়ণ, উত্তৰা

মধ্যম পুৰুষত (তুচ্ছাৰ্থে) —ইবু :—

বৰণিবু — বণিজাৰ লোকঙ্কু নিয়োগে বৰণিবু।

ঐ, অযোধ্যা

জগাইবু — অতি খাল বাটৰে যে খণা জগাইবু।

ঐ, অযোধ্যা

প্ৰথম পুৰুষত -ইব :—

ফেৰিব — আন্তৰ মঠক যেবে ফেৰিব অতিথি।

ঐ, অযোধ্যা

উত্তম পুৰুষত -ইবি :—

মৰিবি— অঙ্কৰ লউড়ি মোতে ছাড়িলে মৰিবি।

ঐ, অযোধ্যা



প্ৰথম পুৰুষত -ইবেকৰ প্ৰয়োগো দেখা যায়।

ভুঞ্জিবেক— বাঙ্গলা অন্ন সমস্ত ভুঞ্জিবেক পৰ।

ঐ, অযোধ্যা

অৱধীত -অৱ (প্ৰথম পুৰুষ) :—

তুলসীদাস :

সমুঝৱ— দসা এক সমুঝৱ বিলগানা।

ৰামচৰিতমানস, বাল

মৈথিলীত -আওৱ (প্ৰথম পুৰুষ), -আউবি (মধ্যম পুৰুষ), -আয়ৱ (উত্তম পুৰুষ) :—

বিদ্যাপতি :

উপজাওৱ— বড় কএকী উপজাওৱ ৰঙ্গ।

বৈষ্ণৱ পদাৱলী

বুঝাউবি— অনুনয় মোৰি বুঝাউবি বোএ। ঐ

সিখায়ৱ— চাম সিখায়ৱ চৰিত বিসেস। ঐ

সাধাৰণ কৃদন্ত পদৰ লগত যিবোৰ প্ৰত্যয় যুক্ত কৰা হৈছিল, নামধাতুৰ ক্ষেত্ৰতো প্ৰায় সেই আটাইবোৰেই প্ৰয়োগ কৰা হৈছে। গতিকে এই ক্ষেত্ৰত নামধাতু-প্ৰত্যয়ৰ বিশেষ কোনো পৃথক বৈশিষ্ট্য নাছিল। উদ্ধৃত নামধাতুৰ উদাহৰণবোৰ আমি জধে-মধে সংগ্ৰহ কৰিছোঁ, — কোনো বিশেষ ধাৰাবাহিকতা ৰক্ষা কৰা নাই। নামধাতুৰ আৰু অসংখ্য উদাহৰণ আমাৰ আলোচিত গ্ৰন্থবিলাকত সিচৰতি হৈ আছে। পূৰ্বভাৰতীয় বিভিন্ন সাহিত্যিক ভাষাত নামধাতুৰ গঠন আৰু প্ৰত্যয়-প্ৰয়োগৰ সাদৃশ্য আৰু মৌলিকতাৰ এটি চিনাকি দিয়াটোৱেই আমাৰ উদ্দেশ্য। •

২৩৭৩-৭৬/সা:

• লেখক শ্ৰীৰায়ে প্ৰবন্ধটিত বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণকীৰ্তন'ৰ উদ্ধৃতিসমূহ বঙলা ভাষাৰ নিদৰ্শন স্বৰূপেহে দেখুৱাইছে; কিন্তু 'শ্ৰীকৃষ্ণকীৰ্তন' অসমীয়া আৰু বঙলা এই দুই ভাষাৰ এটা উমৈহতীয়া স্তৰৰ নিদৰ্শন।

—পত্ৰিকা সম্পাদক।

# পাঠ-সমীক্ষা সম্পৰ্কত

ড° মহেশ্বৰ নেওগ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত পাঠ-সমীক্ষা বিষয় পাঠ্যত সন্নিবেশ কৰি ১৯৭৬ আৰু ১৯৭৭ এই দুবছৰ ছাত্ৰ-ছাত্ৰীৰ লগত কাম কৰি অশেষ আনন্দ উপভোগ কৰা গৈছিল। ল'ৰা-ছোৱালীৰ কাৰণেও বিষয়টোযে আহ্লাদদায়ক হৈছে, সেই কথা ১৯৭৮ৰ বাবে পৰা দৰ্খাস্তৰ মাত্ৰাতে বুজা গৈছিল। মই যদিও বি,এ, ইংৰাজী শ্ৰেণীত (অনাৰ্ছ) পঢ়োঁতে Variorum Shakespear আৰু শ্বেক্স্পীয়েৰ-মিল্টনৰ পুথিৰ সমীক্ষিত পাঠ পঢ়াৰ দিনৰপৰাই এই অধ্যয়ন-ধাৰাৰ প্ৰতি আকৃষ্ট, আৰু যদিও 'ভক্তি-প্ৰদীপ'তে আৰম্ভ কৰি প্ৰাচীন অসমীয়া আৰু সংস্কৃত পুথি এই ধাৰাত [সমীক্ষা] অধ্যয়ন কৰি আহিছোঁ, তদুপৰি যদিও দুটা বছৰ এম,এ,ৰ ল'ৰা-ছোৱালীৰ লগত লাগি থাকিলোঁ, তথাপি সংস্কৃত ভাষাৰ] ক্ষেত্ৰত প্ৰযোজ্য পদ্ধতিৰপৰা প্ৰায় সম্পূৰ্ণ-ৰূপে পৃথক প্ৰাচীন অসমীয়া পুথিৰ সম্পাদনৰ ক্ষেত্ৰত এটা স্থিৰ-নিশ্চিত পদ্ধতিলৈ নিজে আহিব পৰা নাই বুলি মোৰ ভাব। প্ৰথম কথা, প্ৰাচীন অসমীয়া ভাষাৰ কোনো অভিধান বা ব্যাকৰণ নাই। স্থিৰা ডক্টৰ বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা-গ্ৰন্থ 'আছামিজ : ইট্‌ছ ফৰ্মেশ্বন এণ্ড ডেভেলপ্‌মেণ্ট'ত সেই ব্যাকৰণৰ এটা জঁকা দিছে, প্ৰফেছৰ এমেনুৱে পুথি-খনৰ সমালোচনাত সন্দেহ কৰাৰ দৰে উদাহৰণ-বোৰত পুৰণি পুথিৰপৰা ধৃত পাঠবোৰ পুৰণি ৰীতিৰ প্ৰতিভূ হয়নে, ভাবিবলগীয়া কথা। আজি আধুনিক অসমীয়া বৰ্ণ-বিন্যাস-পদ্ধতি এটা tampered ধাৰা; আমাৰ কথন-উচ্চাৰণ ধাৰাৰপৰা সি আঁতৰত। হেমচন্দ্ৰ বৰুৱাই দুখন অভিধান আৰু দুখন ব্যাকৰণ লিখি ভাষাৰ অধিনায়কত্ব গ্ৰহণ কৰি আমাৰ ভাষাৰ ৰূপ নিৰ্ণয় কৰিলে। সেই ৰূপ বিজ্ঞানসন্মত নহয়। হ'লহেঁতেন যদিও তাৰ নীতি-পদ্ধতি প্ৰাচীন অসমীয়া ভাষাৰপৰা সুকীয়া। গতিকে আজিৰ ক্ষেত্ৰত rational আৰু scientific নোহোৱা অভিধান-ব্যাকৰণ-পদ্ধতিৰ আধাৰত প্ৰাচীন অসমীয়া ভাষাৰ পুথিৰ পাঠ সংগ্ৰহ কৰাযে হৈছে, সি অনৈতিহাসিক এটা প্ৰক্ৰিয়া হৈছে। মাধৱ কন্দলী বা শঙ্কৰদেৱক হেমচন্দ্ৰৰ আহিৰে 'শুধৰোৱা'টো palimpsest অৰ্থাৎ আগৰ দলিলখনত অসুবিধাজনক কথা থাকিলে, তাক মোহাৰি নতুন শব্দ বা সংখ্যা বহুৱাই দিয়াৰ দৰে ঘটনা। সেই পদ্ধতি text-critical ধাৰাত সম্পূৰ্ণয় প্ৰযোজ্য হ'ব নোৱাৰে। গতিকে ভাষাৰ ঐতিহাসিক বিচাৰত বাদে আন সময়ত প্ৰাচীন





ভাষাৰ অধ্যয়নত নতুন অভিধান-ব্যাকৰণৰ ফালে ৰবকৈ চকু ৰাখিব নালাগে। আনফালে, ১৯৭৬ ৰ অক্টোবৰত হোৱা আমাৰ বিভাগৰ ছেমিনাৰত ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মাই কোৱা, অৰ্থটো বুজিব পৰাকৈ এটা পাঠ গ্ৰহণ কৰিলেই হ'ল,— সেই নীতি হ'ব পাঠ-সমীক্ষাৰ সম্পূৰ্ণ বিৰুদ্ধ কথা। আমি এতিয়ালৈকে প্ৰাচীন অসমীয়া ভাষাৰ অভিধান এখন ঠিক কৰিব বা আন কি কল্পনাকে কৰিব পৰা নাই। প্ৰাচীন অসমীয়া বৰ্ণ-বিন্যাস বুলিও এটা ৰূপ নিৰূপণ কৰাৰ বাটত বহুত কষ্ট আৰু হেঙাৰ আছে ; বিশেষকৈ যেতিয়া ভাল বুলি ক'ব পৰা লিপিকাৰৰ পুথিতো একেটা শব্দৰে বিভিন্ন আকাৰ দেখা পোৱা যায়। যোৱা শতিকাৰ মাজ ভাগত 'অৰুণোদই'ত ডক্টৰ নাথান ব্ৰাউনে অসমীয়া ভাষাৰ বৰ্ণ-বিন্যাস যেনে হ'ব লাগে বুলি ভাবিছিল ('অৰুণোদইৰ ধলফাট'ত প্ৰবন্ধটো আছে) তাৰ এটা বৈজ্ঞানিক আৰু ঐতিহাসিক তাৎপৰ্য আছে। চাহাবৰ পদ্ধতিটো আছিল সম্পূৰ্ণ rational, গতিকে নিৰ্মম। আমাৰ পাঠ-সমীক্ষাত আমি সিমানে rational আৰু নিৰ্মম হ'ব পাৰেঁনে, বিচাৰ্য। মোৰ তলৰ কথাবোৰত সেই দোধোৰমোৰৰ ভাব নিশ্চয় ধৰা পৰিব।

শ, ষ, স (প্ৰাচীন অসমীয়াত আৰু আধুনিকতো একেটা মাত্ৰ ধ্বনি)—প্ৰাচীন অসমীয়াৰ সকলো অৰ্দ্ধতৎসম, তদ্ভৱ, দেশী আৰু বিদেশী শব্দত ইহঁতক একেটা বুলি (স) গণনা কৰাটোৱেই rational হ'ব, যদিও তিনিওটাৰ ব্যৱহাৰ তেনে শব্দত খেলি-মেলিকৈ আছে।

শঙ্কৰ, শশধৰ, শশীকান্ত, শিশুমতি, মহাশয়, ষণ্ড আদি সৰ্বপ্ৰকাৰে তৎসম শব্দ বুলি ধৰি ('ধৰি' শব্দটো মন কৰিবলগীয়া, কাৰণ ইবোৰৰ শ, ষ অক্ষৰৰ তৎসম ধ্বনি আমাৰ বাবে নাই) সিহঁতক তৎসম ৰূপতে লিখিব লাগে। ইয়াত এটা irrational কাৰণো হেঁচা আছে, কাৰণ 'সঙ্কৰ-দেৱ' বুলিবলৈ আমাৰ মনক 'হাজাৰ বাধনে জড়ায় হে।' দুই এখন পুথিত সৰ্বত্ৰ সিসুমতি, মহাসই থাকিলেও, আন পুথিত (বিশেষকৈ সংস্কৃত-জ্ঞান যাৰ এটা obsession, তেনে লিপিকাৰৰ পুথিত) শিশুমতি, মহাশয় পোৱা যাব।

শত, দশ, বাইশ আদি শব্দত পুথি-ভেদে শ, ষ, স তিনিওটাকে পোৱা যায়; গতিকে সিহঁতক stan-dardize কৰি শ লিখাৰ যুক্তি আছে। বাইশ শব্দটো পূৰ্বৰ পৰা সদায় 'বাইছ' উচ্চাৰণেই কৰা হৈ আহিছে : 'শুক-চৰিত-কথা'ৰ (যাৰ বিকৃত ৰূপ লেখাকৰ 'কথা-শুক-চৰিত') পুথিত এই অসমীয়া ছ উচ্চাৰণটো আনিবৰ বাবে 'বাইষ্য' কৰি লিখা গৈছে।

সৰ, সৰু শব্দত 'স'টোৱে 'ছ' উচ্চাৰণ হ'ব লাগে, তাক বুজাবলৈ 'শুক-চৰিত-কথা'ৰ পুথিত ক'ৰবাত 'ষ্ব', ক'ৰবাত 'চ' (আৰু কেতিয়াবাহে মাথোন স) আছে। আমি আজিও 'সৰ' লিখি 'চৰ' কওঁ; কিন্তু, কওঁ আৰু লিখোঁ 'সৰাওটি'। এই 'বাইষ্য' আৰু 'ষ্বৰ' লিখাটো interesting : আজি-কালিও আমি তেনে device-অকে লওঁ sh উচ্চাৰণ পাবলৈ, শ্বেলি, শ্যোলি, ইংলিংশ লিখোঁ।

যহ, যাদৱ নিলিখি পুৰণিত (আৰু নতুনতো) জহ, জাদৱ/জাদৱ লিখাই উচিত আছিল ; কিন্তু এই ক্ষেত্ৰতো irrational ভাৱে তৎসম ৰূপ ধৃত হ'ব পাৰে ; পুথিত যদু, যাদৱ ৰূপো আছে। তদুপৰি আমি তৎসমমতে য'ত জ আশা কৰিব লাগে, তাতো পুথিত য লিখা গৈছে (যুই) ; কাৰণ জ আৰু ফুট নকটা যৰ একে জ উচ্চাৰণ।

√সুন, √সো— ইয়াত স-ৰ বাহিৰে শ বা ষ হ'ব নোৱাৰেই। বিশেষকৈ সো ধাতু যদিও সংস্কৃতৰ পৰাই আহিছে,— শেতে, শয়াতে আদি ৰূপ হোৱা শী ধাতুৰপৰা নাই ওলোৱা; স্বপ্ ধাতুৰ সুপ্ত ৰূপৰপৰাহে আহিছে। হিন্দীত ঠিকমতে সো লিখা হয়; বঙলাতহে 'শো' হ'ল আৰু অসমীয়ালৈ সি আমদানি হ'ল আধুনিক যুগত। অৰ্দ্ধতৎসম আৰু তদ্ভৱ শব্দত মূল সংস্কৃতৰ ৰূপৰ অনুকৰণ অনাৱশ্যক। তেনে অনুকৰণ বৰ্তায়ে হেমচন্দ্ৰ বৰুৱাই আমাৰ আধুনিক ভাষাত এটা বিভ্ৰান্ত ৰাখি গ'ল।

ন / ণ — তৎসম শব্দৰ বাহিৰে ণ সমীক্ষিত পাঠত পৰিহাৰ্য বুলিয়ে ল'ব লাগে। ণত্ব-বিধিও সেইবাবে ভাত বাতিল। পুথিবোৰে এই কথা সমৰ্থন কৰিব।

জত, জেন, জদি, জি, জাক-জাহাক, জাৰ-জাহাৰ, √জা— ইয়াত 'জ'-টো খুব legitimate আৰু সৰহ ভাগ ঠাইত সি বৰ্তমান।

ইটো, সিটো, এইটে (এইটোৱে), সেইটে আদিত প্ৰায় ঠাইতে 'ট'কেহে পোৱা যায়; সি গ্ৰহণযোগ্য নিশ্চয়।

ৰ/ৱ—সময়ত আৰু লুইতত যিমানে উজোৱা হৰ সিমানে ৱ পোৱা যাব আৰু যিমানে ভটিওৱা হ'ব, ৰ-ৰ লগত বেছি ভেট হ'ব। কিন্তু প্ৰভাৱ (উচ্চাৰণ—প্ৰভাও), স্বভাৱ (উচ্চাৰণ—চভাও) আদি সত্ত্বেও বেছি naturalised বাবে ভাব-হে, ভাৱ নহয়; যদিও এইভাৱে—এইভাবে দুইটা আছে। মধ্যম স্থানত থাকিলে ৱ সাধাৰণতঃ ব নহয়; ও লৈহে যায়গৈ, ভাৱনা—ভাওনা। ভাব-চিন্তা বুজাবলৈ কিন্তু ভাবনা।

য় / ৱ—'গুৰু-চৰিত-কথা'ৰ পুথিত মধ্যম স্থানত এই দুটাৰ ইটোৱে সিটোৰ ঠাই সলোৱা-সলুই কৰি থাকে— গাৱন, বাৱন (গায়ন, বায়ন)। আন পুথিত লক্ষ্য কৰিবলগীয়া। ০ ০ ০


## অসম সাহিত্য সভাৰ ৰূপলেখা

অসম সাহিত্য সভাৰ হীৰক জয়ন্তী-প্ৰকাশনসমূহৰ অন্যতম এই গ্ৰন্থখনিত অনুষ্ঠানটোৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই সভাৰ ষাঠি বছৰীয়া জীৱন-কালৰ বুৰঞ্জী লিপিবদ্ধ কৰিছে। ১৯৫৩ চনৰপৰা ১৯৫৬ চনলৈকে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰূপে কাৰ্য নিৰ্বাহ কৰোঁতা শ্ৰীহাজৰিকা ডাঙৰীয়াৰ নখ-দৰ্পণতযে অনুষ্ঠানটোৰ বাহিৰ-ভিতৰ এনেদৰে জিলিকি থাকিব পাৰে, গ্ৰন্থখন নপঢ়িলে সেই কথা অনুমান কৰিব নোৱাৰি। সুপৰিকল্পিত-ভাৱে পাঁচোটা খণ্ডত বিভক্ত প্ৰায় ৪৫০ পৃষ্ঠাৰ এই গ্ৰন্থখনিত লেখকে অসম সাহিত্য সভাৰ জন্মলগ্নৰপৰা ১৯৭৭ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰত যোৰহাটত দুদিনীয়াকৈ অনুষ্ঠিত হীৰক জয়ন্তী উৎসৱৰ বিৱৰণলৈকে খৰচি মাৰি আলোচনা কৰিছে। অসমৰ জাতীয় জীৱনৰ ইতিহাস জানিবলৈ হ'লে অসম সাহিত্য সভাৰ ইতিহাস জানিব লাগিব, আৰু সেই ইতিহাস-জ্ঞানৰ বিশুদ্ধি-সাধনত 'অসম সাহিত্য সভাৰ ৰূপলেখা' অৱশ্য পঠনীয়।
মনোৰম ছপা-বন্ধা আৰু বেটুপাত এই গ্ৰন্থৰ আন এটি বিশেষত্ব।

মূল্য :—১৬·০০ টকা মাত্ৰ।


# অসমীয়া নাটকত কৰ্ণৰ চৰিত্ৰ

শ্ৰীযোগেন চেতিয়া

অসমীয়া পৌৰাণিক নাটকসমূহৰ ভিতৰত তুলনা-মূলকভাৱে কৰ্ণৰ চৰিত্ৰক কেন্দ্ৰ কৰি ৰচনা কৰা নাটকৰ সংখ্যা বেছি। কৰ্ণক কেন্দ্ৰীয় চৰিত্ৰ বা নায়ক কৰি ৰচনা কৰা নাটকৰ সংখ্যা ৬ খনৰো অধিক। তাৰ উপৰি পাৰ্শ্বচৰিত্ৰ হিচাপে কুৰিখনৰো অধিক নাটকত কৰ্ণৰ চৰিত্ৰ সন্নিবিষ্ট হৈছে। কৰ্ণৰ চৰিত্ৰৰ প্ৰতি নাট্যকাৰসকল বিশেষভাৱে আকৃষ্ট হোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰি চাবলগীয়া। সূৰ্যদেৱতাৰ পিতৃত্বৰ গৌৰৱ লৈ কুন্তীৰ গৰ্ভত জন্ম গ্ৰহণ কৰিলেও জগতৰ চকুৰ আগত কৰ্ণ সূত-পুত্ৰ, অন্ত্যজ বুলি পৰিচিত হৈ ৰ'ল। বিশ্বৰ অগ্ৰগণ্য বীৰৰ পৰাক্ৰমৰ অধিকাৰী হৈ অন্তিম কালত ঋষিৰ অভিশাপত অস্ত্ৰ-প্ৰয়োগৰ সকলো জ্ঞান ৰহিত হৈ মৃত্যুক সাৱটি লবলগীয়া হৈছিল। শাৰীৰিক বল-বিক্ৰমৰ লগত কৰ্ণৰ দান-শীলতাই তেওঁক জগতৰ শ্ৰেষ্ঠ দান-বীৰৰ মৰ্যাদা দান কৰিছিল। কৰ্ণৰ চৰিত্ৰৰ এই বৈচিত্ৰ্যক যুগ যুগ ধৰি বিভিন্ন ভাষাৰ নাট্যকাৰসকলে নাটকত প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছে। সংস্কৃত সাহিত্যত কবি ভাসৰ পঞ্চৰাত্ৰ, দূতকাব্য আৰু কৰ্ণভাৰ নাটকত কৰ্ণৰ চৰিত্ৰ ৰূপায়িত হৈছে। কৰ্ণভাৰ নাটকত কৰ্ণ কেন্দ্ৰীয় চৰিত্ৰ। কবি ভট্টনাৰায়ণৰ বেণীসংহাৰ নাটকতো কৰ্ণক দুৰ্যোধনৰ সখা আৰু কুমন্ত্ৰণাদাতা হিচাপে অঙ্কন কৰা হৈছে। বঙালী নাট্যকাৰসকলৰ মাজতো কৰ্ণ অতি জনপ্ৰিয় চৰিত্ৰ। মতিলাল ৰায়ৰ কৰ্ণবধ, অপৰেশ চন্দ্ৰ মুখোপাধ্যায়ৰ কৰ্ণাৰ্জুন, নৰনাৰায়ণ এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখিত নাটক। তেনেদৰে ভাৰতীয় সাহিত্যত কৰ্ণৰ চৰিত্ৰক কেন্দ্ৰ কৰি লিখা নাটকৰ সংখ্যা যথেষ্ট।

কৰ্ণ-চৰিত্ৰৰ আধাৰ-গ্ৰন্থ ব্যাসৰ মহাভাৰতত আৰু অন্যান্য প্ৰাদেশিক ভাষাৰ মহাভাৰতত কৰ্ণৰ চৰিত্ৰ নানা বৈশিষ্ট্যৰ অধিকাৰী হৈছে। তুলনামূলকভাৱে অসমীয়া ৰামসৰস্বতীৰ মহাভাৰতত‌কৈ বঙালী কাশী-দাসৰ মহাভাৰতত ব্যাসৰ মহাভাৰতত নথকা বহুতো কথা সন্নিবিষ্ট হৈছে। কৰ্ণৰ দানশীলতাৰ বিষয়ে বঙলা মহাভাৰতত ব্ৰাহ্মণৰূপী ইন্দ্ৰৰ ক্ষুধা নিবাৰণৰ কাৰণে কৰ্ণই নিজৰ পুত্ৰ বৃষকেতুক ৰান্ধি খুউৱাৰ কথা বৰ্ণনা কৰা হৈছে। কৰ্ণৰ জন্ম-সম্পৰ্কত কাশী-দাসৰ মহাভাৰতত বহুতো ৰহণ দিয়া হৈছে। দ্ৰৌপদীৰ স্বয়ম্বৰত কৰ্ণই লক্ষ্যভেদ কৰিবলৈ শৰ নিক্ষেপ কৰোঁতে সুদৰ্শন চক্ৰই কৰ্ণৰ শৰ বিপথগামী কৰে বুলি উক্ত মহাভাৰতত বৰ্ণনা কৰিছে।

অসমীয়া মহাভাৰতত কৰ্ণৰ চৰিত্ৰ ব্যাসৰ মহাভাৰতক অনুসৰণ কৰি অঙ্কন কৰা হ'লেও স্থানবিশেষে নতুনত্ব দান কৰা হৈছে। অস্ত্ৰ-গুৰু পৰশুৰামক কোলাত লৈ অৰণ্যত বহি থাকোঁতে এটা পোকে কৰ্ণৰ উৰু ভেদ কৰি গভীৰ নিদ্ৰাত মগ্ন হৈ থকা পৰশুৰামৰ গাত দংশন কৰাৰ কাৰণে পৰশুৰামৰ নিদ্ৰাভঙ্গ হয়। কৰ্ণৰ এই বিৰল সহনশীলতা দেখি পৰশুৰামৰ কৰ্ণৰ তথাকথিত ব্ৰাহ্মণত্বৰ প্ৰতি সন্দেহ জাগে। পৰশুৰামে কৰ্ণক ভীতি প্ৰদৰ্শন কৰাত শঙ্কিত হৈ কৰ্ণই নিজৰ প্ৰকৃত পৰিচয় দান কৰে, আৰু ক্ষত্ৰিয় হৈ ব্ৰাহ্মণ বুলি পৰিচয় দি পৰশুৰামৰপৰা দুৰ্লভ অস্ত্ৰ-শিক্ষা লাভ কৰাৰ কাৰণে যুদ্ধৰ সময়ত অস্ত্ৰৰ প্ৰকৃত ব্যৱহাৰৰ কথা পাহৰি যাব বুলি পৰশুৰামে অভিশাপ দিয়ে। অসমীয়া মহাভাৰতত অৰণ্যত পোকৰ দংশনৰ সলনি পৰশুৰামক কোলাত লৈ থাকোঁতে এজোপা শালগছ কৰ্ণৰ উৰু-শিৰ ভেদ কৰি গজি উঠাৰ কথা সন্নিবেশ কৰা হৈছে। তাৰ উপৰি কৰ্ণই পৰশুৰামক অস্ত্ৰ-গুৰু হিচাপে গ্ৰহণ কৰাৰ প্ৰসঙ্গত ৰাধাৰ পুত্ৰ বুলি পৰিচয় দি পৰশুৰামক অস্ত্ৰ-শিক্ষা দান কৰিবৰ কাৰণে অনুৰোধ কৰিছে। প্ৰত্যুত্তৰ স্বৰূপে পৰশুৰামে কৈছে যে—তেওঁ ক্ষত্ৰিয়ৰ সম্বন্ধে শৰ কাকো নিশিকায়; কিন্তু কৰ্ণক "সূৰ্যৰ ছাৱাল" যেন দেখা গৈছে কাৰণে তেওঁ অনুগ্ৰহ প্ৰদৰ্শন কৰি কৰ্ণক অস্ত্ৰ-শিক্ষা দান কৰিব। ব্যাসৰ মহাভাৰতত কৰ্ণই দ্ৰোণৰ ওচৰত অস্ত্ৰ-শিক্ষা লাভ কৰি গুৰুৰপৰা মন্ত্ৰপূত ব্ৰহ্মাস্ত্ৰ লাভ কৰিবৰ কাৰণে প্ৰাৰ্থনা কৰি বিমুখ হৈ তেওঁ নিজকে ভৃগু-কুলোদ্ভৱ ব্ৰাহ্মণ বুলি পৰিচয় দি পৰশুৰামৰপৰা অস্ত্ৰ-শিক্ষা লাভ কৰাৰ কথা পোৱা যায়। কৰ্ণৰ কৱচ-কুণ্ডল হৰণৰ কাহিনীৰ ক্ষেত্ৰত সংস্কৃত আৰু বঙলা মহাভাৰতৰ বৰ্ণনাৰ মাজত পাৰ্থক্য দেখা যায়। অধিক ক্ষেত্ৰত ৰামসৰস্বতীয়ে ব্যাসৰ মহাভাৰতক অনুসৰণ কৰিছে। ব্যাসৰ মহাভাৰতত সামগ্ৰিকভাৱে কৰ্ণক এক উদাত্ত প্ৰকৃতিৰ বীৰ হিচাপে অঙ্কন কৰা হৈছে। তেওঁ সৰ্বশাস্ত্ৰবেত্তা। সভা পৰ্বত দ্ৰৌপদীৰ বস্ত্ৰহৰণৰ ক্ষেত্ৰত কৰ্ণই দ্ৰৌপদীক 'বাৰস্ত্ৰী' বুলি অভিহিত কৰা আৰু বিকৰ্ণই কৌৰৱৰ কাৰ্যৰ সমালোচনা কৰা দেখি কৰ্ণই "হে দুঃশাসন। পণ্ডিতৰ অভিমান ৰখা এই বিকৰ্ণ অতি বালক। গতিকে তুমি পাণ্ডৱসকলৰ আৰু দ্ৰৌপদীৰ কাপোৰবিলাক হৰণ কৰা"— বুলি কোৱা কাৰণে কৰ্ণৰ চৰিত্ৰত কালিমা পৰিছে। তাৰ বাহিৰে ব্যাসৰ কৰ্ণ বীৰশ্ৰেষ্ঠ। অসমীয়া মহাভাৰতত কৰ্ণক বহুক্ষেত্ৰত শকুনি চৰিত্ৰৰ শাৰীত প্ৰতিষ্ঠা কৰা হৈছে। দুৰ্যোধনৰ অৰ্থাৎ কুৰুকুলৰ ধ্বংসৰ কাৰণে শকুনিৰ লগতে কৰ্ণকো দোষাৰোপ কৰা হৈছে। কুৰুক্ষেত্ৰৰ যুদ্ধৰ শেষত সঞ্জয়ে যুদ্ধৰ সকলো বাতৰি দি ধৃতৰাষ্ট্ৰক কৈছে—

কেৱলে দেখিলা কৰ্ণ শকুনিক হিত।
আন সমস্তৰে কথা মানিলা অহিত ॥

কুৰুক্ষেত্ৰ যুদ্ধৰ আৰম্ভণিতে শ্ৰীকৃষ্ণই কৰ্ণক পাণ্ডৱৰ পক্ষ লবলৈ অনুৰোধ কৰোঁতে কৰ্ণই কৈছে—

দুৰ্যোধন সহিতে আলোচি বিপৰীত।
যত দুখ পাণ্ডৱক দিছোঁ প্ৰতিনিত ॥
দুৰ্যোধন নামমাত্ৰ মই মূল ঘাই।
পাণ্ডৱক কৰি আছোঁ যতেক বিলাই ॥

এনে ধৰণেৰে অসমীয়া মহাভাৰতত কৰ্ণৰ চৰিত্ৰত এক স্বকীয়া বৈশিষ্ট্য আৰোপ কৰা হৈছে। মুঠৰ ওপৰত 'কৰ্ণৰ জীৱনৰ ৰহস্য আৰু তেওঁৰ শক্তি-সামৰ্থ্যৰ অসাধাৰণত্বই কৰ্ণৰ চৰিত্ৰত এনেদৰে নানা ৰহণ দিবলৈ কবি, নাট্যকাৰসকলক সুবিধা দিছে।

কৰ্ণৰ চৰিত্ৰ আৰু কাহিনী ৰচনা কৰোঁতে অসমীয়া নাট্যকাৰসকল সচৰাচৰ অসমীয়া বা সংস্কৃত মহাভাৰতটকৈ কাশীদাসৰ মহাভাৰতৰ প্ৰতি বেছি আকৃষ্ট হোৱা দেখা যায়। প্ৰকৃতপক্ষে কবলৈ গলে, বঙলা মহাভাৰতত কিম্বদন্তীমূলক অলীক কাহিনীৰ



পয়োভৰ আছে। অঙ্কীয়া নাটৰ ঠাচত ৰচনা কৰা বিষ্ণুচন্দ্ৰ দেৱ, জগদীশচন্দ্ৰ দেৱৰ কৰ্ণপৰ্ব নাট অসমীয়া মহাভাৰতৰ আখ্যানৰ নাটকীয় ৰূপ। আধুনিক অসমীয়া নাট্যকাৰসকলৰ ভিতৰত ৺সোণাৰাম চৌধুৰীৰ কৰ্ণ, দণ্ডীৰাম চৌধুৰীৰ দাতাকৰ্ণ কৰ্ণক নায়ক হিচাপে অঙ্কন কৰি লিখা প্ৰথম নাটক। দাতাকৰ্ণৰ কৰ্ণত কাশীদাসী কৰ্ণৰ প্ৰভাৱ পৰিছে আৰু ইয়াত কৰ্ণৰ বিৰল দানশীলতাৰ দিশটো প্ৰকাশ কৰা হৈছে। শ্ৰীভবেন্দ্ৰনাথ ঠাকুৰীয়াৰ তিনি অঙ্কীয়া মহাবীৰ কৰ্ণ এই বিষয়ৰ এখন উল্লেখযোগ্য নাটক। এই নাটকৰ আধাৰ-গ্ৰন্থ ব্যাসৰ মহাভাৰত হ'লেও, বৃষকেতুক ৰন্ধন কৰি ব্ৰাহ্মণ-ৰূপী ইন্দ্ৰক ভোজন কৰোৱাৰ কথা কাশীদাসী মহাভাৰতৰপৰা সংযোগ কৰা হৈছে। পদ্মাৰ বিবাহ-প্ৰসঙ্গটো নাট্যকাৰৰ কল্পনাপ্ৰসূত। কৰ্ণক বীৰত্ব, মহত্ত্ব আৰু দানশীলতাৰে মহীয়ান কৰি তোলা হৈছে। মহাভাৰতত বৰ্ণনা কৰা দুৰ্যোধনৰ কূট পৰামৰ্শদাতা কৰ্ণৰ ৰূপ এই নাটকত দেখা পোৱা নাযায়। দুৰ্যোধনৰ অনুৰোধমতে অৰ্জুনক হত্যা কৰিম বুলি সযতনে সংৰক্ষণ কৰি ৰখা একাঘ্নী অস্ত্ৰেৰে ঘটোৎকচক বধ কৰি কৰ্ণই উপলব্ধি কৰিছে—

যোৱা বীৰ
নিৰ্মম হৃদয়ে আজি
নিজ হাতে পুত্ৰবধ
কৰিলে কৰ্ণই।
শান্তনা মনৰ মাথোঁ
যি বাণেৰে ভ্ৰাতৃষ্পুত্ৰ
কৰিলোঁ বিনাশ,
সেয়ে মোৰ মৃত্যু-পথ
দিলে মোকলাই।

৺সুৰেন্দ্ৰনাথ শইকীয়াৰ কৰ্ণ আন এখন সফল নাটক। বিষয়-বস্তু ৰচনা কৰোঁতে নাট্যকাৰে বঙলা মহাভাৰতৰ কথা মনত ৰাখিছে। ইয়াত নাট্যকাৰে স্বকীয়ভাৱে দ্ৰৌপদীৰ স্বয়ম্বৰত দ্ৰৌপদীয়ে সূতপুত্ৰ বুলি কৰ্ণক বৰণ কৰিবলৈ প্ৰত্যাখ্যান কৰাত কৰ্ণই লাজ আৰু ক্ষোভত গঙ্গা নদীত আত্মহত্যা কৰিবলৈ যোৱাৰ কথা যোগ কৰিছে। এই কথাই কৰ্ণ-চৰিত্ৰৰ মহত্ত্ব বৃদ্ধিত বিশেষ অৰিহণা যোগোৱা নাই যদিও গোটেই নাটকৰ বিভিন্ন পৰিস্থিতি আৰু সমস্যাৰ মাজত কৰ্ণই হিমালয়ৰ দৰে অচল-অটল হৈ থাকি নিজৰ মহত্ত্ব আৰু পুৰুষকাৰ প্ৰকাশ কৰিছে। শ্ৰীঠাকুৰীয়া আৰু শইকীয়াৰ দুয়োখন নাটকতে দেৱতাৰ বীৰ্যত কুন্তীৰ গৰ্ভত জন্ম লৈ ভাগ্যৰ বিড়ম্বনাত পদে পদে অস্পৃশ্য আৰু অন্ত্যজ বুলি জগতবাসীৰ অৱহেলিত হ'বলগীয়া হোৱাৰ কাৰুণ্য কৰ্ণৰ চৰিত্ৰত বিদ্যমান। শইকীয়াৰ কৰ্ণৰ চৰিত্ৰটো কলুষ-কালিমাৰ ধূলি-বালিৰপৰা আঁতৰাই ৰাখিবলৈ সততে যত্ন কৰা হৈছে। দুয়োখন নাটকতে শত বিপদ, অভিসম্পাতৰ মাজতো কৰ্ণৰ পৌৰুষৰ দীপ্তি আৰু আবেদনে পাঠকক অভিভূত কৰি তোলে। অসমৰ এজন প্ৰথিতযশা নাট্যকাৰ শ্ৰীহৰিশ চন্দ্ৰ ভট্টাচাৰ্যৰ কৰ্ণবীৰ নামৰ তিনি অঙ্কীয়া নাটকখনিত কৰ্ণৰ বাল্যকালৰপৰা মৃত্যু পৰ্যন্ত কাহিনী পৰিবেশন কৰা হৈছে। এটা সামাজিক পৰিবেশৰ মাজেদি কৰ্ণৰ জীৱনালেখ্য প্ৰকাশ কৰাৰ কাৰণে চৰিত্ৰৰ পৌৰাণিক গাম্ভীৰ্য-সৃষ্টি বাধাগ্ৰস্ত হৈছে।

মহাভাৰতৰ আখ্যান লৈ ৰচনা কৰা সৰহভাগ নাটকতে কৰ্ণ-চৰিত্ৰৰ প্ৰাধান্য আছে। অসমৰ সুপ্ৰসিদ্ধ নাট্যকাৰ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাৰ কুৰুক্ষেত্ৰ নাটকত কৰ্ণৰ চৰিত্ৰ অঙ্কনত নাট্যকাৰৰ মৌলিক দৃষ্টিভঙ্গী লক্ষ্য কৰা যায়। যুগমানৱ মহাত্মা গান্ধীৰ অস্পৃশ্যতা বৰ্জন আন্দোলনৰ ঢৌ এই নাটকৰ কৰ্ণৰ চৰিত্ৰত ঠেকা খাই চৰিত্ৰটোক নতুনত্ব দান কৰিছে। এই নাটকত কৰ্ণ নিজৰ বীৰত্ব আৰু পুৰুষকাৰৰ জ্বলন্ত প্ৰতীক। কুন্তীয়ে কৰ্ণক লগ ধৰি তেওঁৰ জন্ম-ৰহস্য

ভেদ কৰি পাণ্ডৱৰ পক্ষ লবলৈ অনুৰোধ কৰোঁতে কৰ্ণই উদাত্ত কণ্ঠে ঘোষণা কৰিছে—

নিৰ্বিচাৰেঁ। দৈৱবল
নিৰ্বিচাৰেঁ। ভাগ্যৰ সহায়,
আছে মোৰ নিজ বাহুবল
আছে মোৰ পুৰুষত্ব কৰায়ত্ত হই
তাৰ সহায়তে মই
অধিকাৰ কৰি লম
জগতত নিজ প্ৰাপ্য স্থান।

স্বয়ং শ্ৰীকৃষ্ণই কুন্তীৰ আগত প্ৰকাশ কৰিছে কৰ্ণৰ অসীম বীৰত্বৰ কথা—

কৱচ-কুণ্ডলধাৰী কৰ্ণ মহাবীৰে
দয়া-মায়া কৰি বিসৰ্জন
পশিলেহি ৰণৰ প্ৰাঙ্গন
নকওঁ আনৰ কথা
নোৱাৰে ৰোধিব গতি
নিজে এই শ্ৰীকৃষ্ণয়ো ধৰি সুদৰ্শন।

গতিকেই শ্ৰীকৃষ্ণই কুন্তীৰ জৰিয়তে কৰ্ণৰ জন্ম-পৰিচয় জ্ঞাপন কৰি পাণ্ডৱৰ পক্ষ লবলৈ অনুৰোধ কৰিছিল। কৰ্ণই প্ৰতিশ্ৰুতি দিলে: তেওঁ অৰ্জুনৰ বাহিৰে চাৰি পাণ্ডৱৰ কাৰো অনিষ্ট সাধন নকৰে। কুন্তী গুচি গ'ল। কিন্তু মাতৃয়ে খুলি থৈ যোৱা মৃত্যুৰ দুৱাৰ-খন কৰ্ণৰ চকুত পৰিল।

কৰ্ণৰ হিতৰ বাবে
আজিওতো নাহিলা জননী।
আহিছিলা পাণ্ডৱৰ মঙ্গলৰ বাবে
তাকে পাই গুচি গলা তুমি।
তাৰ লগে লগে
এই হীন উপেক্ষিত কৰ্ণক তোমাৰ
নাজানিলা দিলা কিনো দান!
ৰাক্ষসী জননী!
মাতৃ হৈ পুত্ৰৰ আগত
মেলি দিলা মৃত্যুৰ দুৱাৰ।

অস্পৃশ্যতা ভাৰতীয় জীৱনৰ অভিশাপ। কৰ্ণই গোটেই জীৱন এই অস্পৃশ্যতাৰ যাতনা ভোগ কৰিছে। গতিকে জীৱন-মৰণ সন্ধিক্ষণত অৰ্জুনৰ সাৰথি শ্ৰীকৃষ্ণক কৰ্ণই এজন বিপ্লৱী আৰু নিৰ্যাতিত নেতাৰ দৰে কৈ উঠিছে—

যদুপতি! তুমিয়েই আজি
নিৰ্যাতিত ভাগ্যহীন অস্পৃশ্য কৰ্ণক
ছলে-বলে কৰাবা নিধন
নাৰাচে ইয়াৰপৰা সুখ্যাতি তোমাৰ।
কিন্তু, এইদৰে পৃথিৱীৰপৰা
অস্পৃশ্যতা ধ্বংস তুমি কৰাবা যিদিনা
সেইদিনা— সেইদিনা মাথোঁ হ'ব
সাৰ্থক তোমাৰ নাম পতিত-পাৱন।

কুৰুক্ষেত্ৰ নাটকত কৰ্ণৰ চৰিত্ৰ অঙ্কনত নাট্যকাৰে প্ৰদৰ্শন কৰা দৃষ্টিভঙ্গীয়ে অসমীয়া নাটকত কৰ্ণৰ এই চৰিত্ৰ স্মৰণীয় কৰি ৰাখিব।

বিপ্লৱী কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ জয়দ্ৰথ বধ গীতি-নাটকত কৰ্ণৰ চৰিত্ৰটোৰ আন এটা ব্যাখ্যা দিবলৈ যত্ন কৰা হৈছে। সূৰ্য অস্ত যোৱাৰ আগতে অৰ্জুনে জয়দ্ৰথক বধ কৰিবৰ কাৰণে প্ৰতিজ্ঞা কৰিছিল। কিন্তু শ্ৰীকৃষ্ণই আশঙ্কা কৰিছে—গাণ্ডীৱধাৰী অৰ্জুনৰ এই প্ৰতিজ্ঞা ভঙ্গ কৰিব পৰা সম্ভাব্য বীৰ হৈছে সূতপুত্ৰ কৰ্ণ। গতিকে শ্ৰীকৃষ্ণই বালক-ৰূপী ব্ৰাহ্মণৰ বেশ লৈ কৰ্ণক লগ ধৰিছেগৈ। শ্ৰীকৃষ্ণ অৰ্জুনৰ ৰথৰ সাৰথি হ'ব পাৰে; কিন্তু কৰ্ণ কোন? শ্ৰীকৃষ্ণই ব্যক্ত কৰিছে—

তেওঁ চোৰাঁচোন
প্ৰাণৰথী যি ৰথত আৰোহণ কৰি
যুদ্ধ কৰি জয় কৰে
পঞ্চ ইন্দ্ৰিয় শত্ৰুক
সেই যদি কি ৰথ?

কৰ্ণই নিজৰ ইন্দ্ৰিয়ক দমন কৰি নিজৰ দেহ-ৰথৰ



সাৰথি ৰূপে ভগৱানক কাষলৈ আনিব পাৰিছে। গতিকে কৰ্ণ শ্ৰীকৃষ্ণৰ ভক্তশ্ৰেষ্ঠ আৰু বীৰশ্ৰেষ্ঠ। শ্ৰীকৃষ্ণই কৰ্ণক অনুৰোধ কৰিছে— কৰ্ণই সূৰ্য অস্ত যোৱালৈকে জয়দ্ৰথক ৰক্ষণাবেক্ষণ দিব বুলি যি প্ৰতিজ্ঞা কৰিছিল, তাক যেন পাহৰি যায়। কাৰণ, কৰ্ণ অৰ্জুনতকৈ শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠ ভক্ত, গতিকে শ্ৰেষ্ঠ ভক্তৰ প্ৰতিজ্ঞা ৰক্ষা কৰাত শ্ৰীকৃষ্ণই সহযোগ কৰিব লাগিব; সেয়ে হলে অৰ্জুনৰ বিনাশ অৱশ্যম্ভাৱী। কৰ্ণই শ্ৰীকৃষ্ণৰ অনুৰোধ শুনি তেওঁক আশ্বাস দিছে—

শঙ্কাহাৰী!
নাই একো শঙ্কা,
কৌৰৱৰ দ্ৰোণাচাৰ্য সেনাপতি এবে
পালিম যাদৱ বাক তোমাৰ আদেশ
আচাৰ্যৰপৰা তেওঁ
নলওঁ সেনাপতিত্ব মই।

কৰ্ণৰ চৰিত্ৰৰ এই আধ্যাত্মিক ব্যাখ্যা ৰায়চৌধুৰীৰ নাটকৰ নিজস্ব। জনপ্ৰিয় কবি নাট্যকাৰ ৺গণেশ চন্দ্ৰ গগৈৰ শকুনিৰ প্ৰতিশোধ নাটকত কৰ্ণৰ চৰিত্ৰ অৱতাৰণা কৰা হৈছে। কলঙ্কৰ চেকা ধুই নিকা কৰিবৰ অভিপ্ৰায়ে কুন্তীয়ে তেজ-মঙহৰ পুত্ৰক মাটিৰ পুতলা জ্ঞান কৰি নৈৰ বুকুত বিসৰ্জন দিছিল। অধিৰথ সূতে তেওঁক ডাঙৰ-দীঘল কৰিলে। কিন্তু হীন, নীচ বুলি গুৰুৱে তেওঁক অস্ত্ৰ-শিক্ষা নিদিলে, দ্ৰৌপদীয়ে তেওঁৰ প্ৰাৰ্থীত্ব প্ৰত্যাখ্যান কৰিলে। পুত্ৰৰ জীৱনৰ এই চৰম লাঞ্ছনা আৰু বিপৰ্যয়তো মাতৃৰ হৃদয় কান্দি নুঠিল; কিন্তু আজি জীৱনৰ অন্তিম পৰ্যায়ত কুন্তীয়ে তেওঁৰ জন্মদাত্ৰী মাতৃ বুলি পৰিচয় দিলেহি। মাতৃৰ প্ৰতি ক্ষোভ আৰু অভিমান থাকিলেও "তথাপি জননী মোৰ আৰাধ্য জননী" বুলি কৰ্ণই নিজৰ উদাৰতা আৰু মহত্ত্বৰ পৰিচয় দিছে। ইয়াত মাতৃৰদ্বাৰা উপেক্ষিত সন্তানৰ বেদনা ফেকুৰি উঠিছে। মাতৃৰ অনুৰোধ ৰক্ষা কৰি যুধিষ্ঠিৰ আৰু ভীমক একো অনিষ্ট নকৰি এৰি দিছে। কিন্তু সেই অনুভূতিসম্পন্ন বীৰজনে মৃত্যুৰ আগ মুহূৰ্তত মহাকালৰ দৰে গৰ্জি উঠিছে— নিজৰ বীৰত্বৰ ওপৰত অতুল বিশ্বাস ৰাখি।

ব্ৰহ্ম-শাপে, ঋষি-শাপে
নকৰাহঁতেন মোক আজি জৰ্জৰিত,
নিদাৰুণ নিয়তিয়ে
নকৰাহঁতেন গ্ৰাস ৰথচক্ৰ মোৰ,
—থাকক সাৰথি তোৰ নৰনাৰায়ণ,
এই বিজয়েৰে আজি
শিৰশ্ছেদ কৰি
ক্ষত্ৰিয় পূজাৰী হই
মাধৱক পূজিলোঁহেঁতেন,
তোৰ সেই ছিন্নমুণ্ড উপহাৰ দি।

নাটকখনত কৰ্ণৰ চৰিত্ৰটো অতি সংবেদনশীল হিচাপে অঙ্কন কৰা হৈছে। চমু পৰিসৰত চৰিত্ৰটোৰ প্ৰকাশ মন কৰিবলগীয়া।

৺দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ বৃষকেতু নাটকৰ কৰ্ণ কাশীদাসী মহাভাৰতৰ বিষয়-বস্তু লৈ সৃষ্টি হোৱা চৰিত্ৰ। কৰ্ণৰ দানশীলতা আৰু সত্যবাদিতাৰ ৰূপ মহাভাৰতৰ অনুকৰণতে ফুটাই তুলিছে। অন্য বৈশিষ্ট্য ফুটাই তোলাৰ চেষ্টা কৰা নাই। এইবিলাকৰ বাহিৰেও প্ৰবীণ নাট্যকাৰ শ্ৰীমিত্ৰদেৱ মহন্তৰ প্ৰজয় পাণ্ডৱ, ভাৰতচন্দ্ৰ দাসৰ অভিমন্যু বধ, আনন্দ কুমাৰ কটকীৰ দ্ৰৌপদীৰ বস্ত্ৰহৰণ দেৱনাথ বৰদলৈৰ জৰাসন্ধ, আৱাহনত প্ৰকাশিত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ একাঙ্ক নাটক দাতাকৰ্ণ, লক্ষ্মীধৰ শৰ্মাৰ তিনিটা দৃশ্যৰ একাঙ্কিকা ঘটোৎকচ আদি সৰু-বৰ নাটকত কৰ্ণৰ চৰিত্ৰ বিৰাজমান।

কৰ্ণৰ চৰিত্ৰ পৌৰাণিক হলেও তাৰ মাজত অস্পৃশ্য লোকৰ, অভিশপ্ত জীৱনৰ কৰুণ আৰ্তনাদ বৰ্তমান। গতিকে ভাৰতৰ জাত-কুলৰ বিচাৰে জৰ্জৰিত কৰা

পৰিবেশত কৰ্ণৰ জীৱনৰ আৰ্তনাদ আজিৰ মানুহবেই আৰ্তনাদ। চৰিত্ৰ আৰু বংশৰ মৰ্যাদা ৰক্ষা কৰিবলৈ যাওঁতে বহু পিতৃ-মাতৃয়ে পুত্ৰক মাটিৰ পুতলা জ্ঞান কৰি পৰিহাৰ কৰা ট্ৰেজেডীৰ আজিও সামৰণি পৰা নাই। অলৌকিকতাৰ লগত বাস্তৱৰ তেজ-মঙহৰ মানুহৰ মধুৰ সমন্বয় ৰক্ষা কৰাৰ কাৰণে কৰ্ণ চৰিত্ৰ সকলোৰে আদৰৰ। তেনেদৰে কৰ্ণৰ দলিত, উপেক্ষিত জীৱনৰ স্বীকাৰোক্তিত হাজাৰ নিৰ্যাতিত জনৰ বুকুৰ বেদনাই ভাষা পায়, প্ৰত্যয় জাগে।

জয়ী হোক, ৰাজা হোক পাণ্ডৱ সন্তান—
আমি ৰব নিষ্ফলেৰ হতাশেৰ দলে।
জন্মৰাত্ৰে ফেলে গেছ মোৰে ধৰাতলে
নামহীন, গৃহহীন। আজিও তেমনি
আমাৰে নিৰ্মমচিত্তে তেয়াগো, জননী,
দীপ্তিহীন, কীৰ্তিহীন পৰাভৱ-'পৰে।
শুধু এই আশীৰ্বাদ দিয়ে যাও মোৰে,
জয়লোভে যশোলোভে ৰাজ্যলোভে, অয়ি,
বীৰেৰ সদ্গতি হতে ভ্ৰষ্ট নাহি হই।

—ৰবীন্দ্ৰনাথ ঠাকুৰ।


## Anandaram Dhekiyal Phukan : Plea For Assam and Assamese.

বৃটিছ-শাসনত অসম আৰু অসমীয়া ভাষাৰ হকে 'ঊনবিংছ বছৰীয়া ডেকা' স্বনামধন্য আনন্দৰাম ঢেকিয়ালফুকনে যি অহোপুৰুষাৰ্থ কৰিছিল, তাৰ সাক্ষ্য বহন কৰিছে তেওঁৰ 'Observations on the Administration of the Province of Assam' আৰু 'A Few Remarks on the Assamese Language and on Vernacular Education in Assam' শীৰ্ষক পুস্তিকা দুখনে। মূল পূৰ্ণ পাঠেৰে সৈতে এই দুষ্প্ৰাপ্য পুস্তিকা দুখনি সম্পাদনা কৰি প্ৰথিতযশা গৱেষক-পণ্ডিত ড° মহেশ্বৰ নেওগে ৫৫ পৃষ্ঠাৰ যিখন সুদীৰ্ঘ পাতনি এই গ্ৰন্থত সন্নিবেশ কৰিছে, সেইখনে ঊনবিংশ শতিকাৰ অসমৰ জাতীয় জীৱনৰ এটা নিখুঁত ৰূপ দাঙি ধৰাৰ লগে লগে ভাৰতীয় তথা আন্তৰ্জাতিক বিদ্বৎ সমাজত আনন্দৰাম ঢেকিয়ালফুকনক নিঃসন্দেহে পৰিচয় কৰাই দিব পাৰিব।

অসম সাহিত্য সভাই এতিয়ালৈকে প্ৰকাশ কৰা গুৰুত্বপূৰ্ণ গ্ৰন্থসমূহৰ ভিতৰত এইখনো অন্যতম।

নিখুঁত ছপা-বন্ধা আৰু গাম্ভীৰ্যপূৰ্ণ বেটুপাতেৰে প্ৰায় দুশ পৃষ্ঠাৰ এই গ্ৰন্থখনৰ মূল্য মাত্ৰ ১২·০০ টকা।


# পাঁচালী আৰু অসমীয়া পাঁচালী-কবি

ড° উপেন্দ্ৰনাথ গোস্বামী

পাঁচালী শব্দটোৰ উৎপত্তিৰ বিষয়ে আলোচকসকলে বিভিন্ন মত দাঙি ধৰিছে। "পাঁচালী শব্দৰ মূল সংস্কৃত পাঞ্চালী বা পাঞ্চালিকা, অৰ্থ— পুতলা। পুতলা-নাচৰ লগত এনে কাব্যৰ সংশ্ৰয় আছিল যেন অনুমান কৰিব পাৰি।"[১] পাঁচালী শব্দ "সংস্কৃত পাঞ্চালিকা (পুতলা) শব্দৰপৰা আহিছে। পুতলা-নাচৰ সূত্ৰধাৰৰ আদৰ্শতে কথক বা ওজাই কোনো পৌৰাণিক কাহিনীযুক্ত গীত বা কাব্য নাচ-গান আৰু অঙ্গী-ভঙ্গীৰ যোগেদি সামাজিকৰ আগত প্ৰকাশ কৰিছিল কাৰণেই হয়তো সেই শ্ৰেণীৰ কাব্যই পাঁচালী নাম পালে।"[২] বঙলা সাহিত্যৰ ভক্তিসূচক, কাহিনীমূলক পাঞ্চালী বা পঞ্চালিকা শ্ৰেণীৰ কবিতা-বোৰৰ বিষয়ে ড° সুকুমাৰ সেনে এনেদৰে মন্তব্য কৰিছে : পাঞ্চালী বা পঞ্চালিকাই মূলতঃ পুতলাকে বুজাইছিল। এই নামটোৱে ইয়াকে সূচায় যে আৰম্ভণী কালত কাহিনী এটাক অৱলম্বন কৰি দেখুওৱা পুতলা নাচৰ সহায়কৰূপে ভক্তিমূলক গীতবোৰ গোৱা হৈছিল আৰু কবিতাবোৰ পাঠ কৰা হৈছিল।[৩] পাঁচালী শব্দটোৰ লগতে আন এটা শব্দৰো ব্যৱহাৰ আছে। সেইটো হ'ল লেছাৰি, লেছেৰি, বা লাছাৰি শব্দ। নাৰায়ণদেৱৰ বৰ্ণনাত্মক পদৰ শেষত এনেদৰে পোৱা যায় : "সুকবি নাৰায়ণ-দেৱৰ সুৰস পাচালি, পদ্মাৰ কান্দোন বুলি একেই লেছেৰি।" ইয়াৰদ্বাৰা কাহিনীটোৰ পৰৱৰ্তী ঘটনা-টোৰ ইঙ্গিত এইদৰে দিয়া হ'ল যে ইয়াৰ পাছত পদ্মাই কেনেদৰে কান্দিব, তাৰ বৰ্ণনা পোৱা হ'ব। পদ্মাৰ কান্দোনৰ বৰ্ণনাৰ আগতে ওজা-পালিয়ে এবাৰ বিশেষ ধৰণে নাচিও ল'ব। এই ক্ষেত্ৰত লেছাৰি শব্দৰ অৰ্থ এক বিশেষ নৃত্য-ভঙ্গী বুলিয়ে ক'ব লাগিব। ড° সুকুমাৰ সেনে 'নাচাড়ি' শব্দটো নৃত্যবৃত্তিক (নৃত্যভঙ্গী) শব্দৰপৰা সিদ্ধ কৰিছে। নাচাড়িয়েই নাচাৰি, নেচাৰি, লেচাৰি, লেছাৰি, লেছেৰি বা লাছাৰি।

অসমীয়া কবি মনকৰ, পীতাম্বৰ আৰু নাৰায়ণদেৱৰ ৰচনাত 'পাচালি' শব্দৰ ব্যৱহাৰ পোৱা গৈছে। দুৰ্গাবৰে এনে শব্দ ব্যৱহাৰ কৰা নাই। মনকৰে আৰম্ভণিতে লিখিছে : "পোঞ্চাৰ পাঞ্চালি মই যে নাজানো আপুনি দিয়োক চিত্ত।" পদ্মাৰ জন্ম-খণ্ড বৰ্ণনা কৰিবলৈ যাওঁতে তেওঁ আকৌ লিখিছে : "পাঞ্চালি খেলাই

১। নেওগ, মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা। ২। শৰ্মা, সত্যেন্দ্ৰনাথ : অসমীয়া সাহিত্যৰ ইতিবৃত্ত। ৩। সেন, সুকুমাৰ : History of Bengali Literature.

জাল জে। দেৱ মোৰ খেলাই পাঞ্চালি : নৱ বধূ লৈয়া নাহাবে। গঙ্গা দুৰ্গা লৈয়া গোসাই খেলে পাশাসাৰি।" ইয়াত পাঞ্চালি শব্দটোৱে পাশা-খেলক বুজাইছে। পাশাসাৰি শব্দটোৰপৰা পাঁচালি শব্দটোও সিদ্ধ হয় : পাশাসাৰি, পাসাসাৰি, পাসাৰি, পাচাৰি, পাচালি, পাঁচালি, পাঁচালী। কবি পীতাম্বৰে উষা-পৰিণয় পুথিৰ আৰম্ভণিতে উল্লেখ কৰিছে : "ৰচিলো পাঞ্চালি জেন বুঝে সৰ্ব্বলোকে। ......... মোৰ দোষ মৰিসিয়ো সভাসদ লোকে। ৰচিবো পাঞ্চালি তাতে জত দোষ থাকে।" নাৰায়ণদেৱে 'সুৰস পাচালি'ৰ ব্যৱহাৰ সঘনে কৰিছে। প্ৰথম অৱস্থাত পুতলা নাচৰ লগত পাঁচালি-ৰচনাৰ সম্পৰ্ক থাকিলেও পৰৱৰ্ত্তী কালত ইয়েই জন-ৰুচি আৰু জন-বিশ্বাস সম্বলিত জনসাধাৰণৰ জীৱনৰ নানা দুখ-কষ্ট, অপায়-অমঙ্গল নাশ কৰি ধনে-জনে ঐশ্বৰ্যমণ্ডিত কৰি তুলিব পৰা কোনো দেৱ-দেৱীৰ মাহাত্ম্যসূচক, ভক্তিমূলক নৃত্য-গীতৰ জৰিয়তে প্ৰদৰ্শন কৰিব পৰা নাইবা পাঠ কৰিব পৰা কাহিনীকে বুজাবলৈ ল'লে। পাঁচালী-ৰচনাৰ অকল শক্তি-পূজাৰ লগতে বিশেষ সম্পৰ্ক নহয়। শ্ৰীসত্যনাৰায়ণ-দেৱৰ পাঁচালি, ত্ৰিনাথৰ পাঁচালি আদি পাঁচালী-পুথিও পোৱা গৈছে। দৰঙী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰি বিপ্ৰেশ্বৰ দ্বিজে ৰচনা কৰা সত্যনাৰায়ণ-দেৱৰ পাঁচালীত সত্যনাৰায়ণে ব্ৰাহ্মণক উপদেশ দিছে :

> পঞ্চ সেৰ গুড়ি আনি পাত্ৰে নিবেদিব।
> পঞ্চ আধা কলা আনি একত্ৰে মথিব ॥
>
> • • • •
>
> এক চিত্ত মনে পাচে আমাক ভাবিব।
> সেই দ্ৰব্য মধ্যে লৈয়া বেড়িয়া বসিব ॥
> পাঞ্চালি প্ৰবন্ধে সবে কৰিব কথন।
> আমাৰ যতেক কথা সাৰ বিবৰণ ॥

ত্ৰিনাথৰ পাঁচালীত ত্ৰিনাথে ব্ৰাহ্মণক একে ধৰণে উপদেশ দিছে :

> • • • •
>
> ধূপ দীপ দিয়া নৈবেদ্য সহিতে
> কৰিবা মোক অৰ্পণ ॥
> পাঞ্চালি প্ৰবন্ধে কৰিবা বৰ্ণন
> মোহোৰ যত কাহিনী।

গতিকে গীত আৰু পাঠৰ উপযোগীকৈ ৰচনা কৰা কাহিনীযুক্ত কোনো সকাম ভক্তিমূলক ৰচনাকে পাঁচালী বুলি সংক্ষেপতে ক'ব পাৰি। অসমীয়া পাঁচালী-লিখকসকলে নিজৰ নিজৰ ৰচনাত বৰ্ণনা কৰা দেৱ-দেৱীৰ মহিমা আৰু তেওঁক পূজাৰ ফল কি হ'ব পাৰে, তাৰ বৰ্ণনা দিবলৈ পাহৰা নাই। পীতাম্বৰে উষা-পৰিণয়ৰ আৰম্ভণিতে উল্লেখ কৰিছে :

> হৰি নাম শুনে জেবা হৰি বোলে মুখে।
> ধন পুত্ৰ পৰিবাৰ বাড়ে নানা সুখে ॥
> বাড়ে পৰমায়ু সম্পদ অতিসয়।
> অন্তকালে ৰথে চড়ি স্বৰ্গলোকে জায় ॥

মনকৰে লিখিছে :

> এক চিত্ত মনে জিটো পূজে বিষহৰি।
> পুত্ৰ দাৰা ধন জন দেন্ত দিগম্বৰী ॥

নাৰায়ণদেৱৰ ভাষাত :

> আস্তিক মুনিৰ মাতা বাসুকী ভগিনী।
> দ্বিজনে কৰে পূজা খণ্ডাই বিধিনি ॥

সত্যনাৰায়ণক পূজিলেও "অপুত্ৰৰ পুত্ৰ হয় নিধ'নীৰ ধন"। "জিবা পঢ়ে জিবা শুনে সত্যৰ চৰিত্ৰ, সংসাৰ নিস্তৰি বৈকুণ্ঠত হয়ে থিত"। ইফালে ত্ৰিনাথ হৈছে "ত্ৰিলোকৰ পতি তেওঁ সৰ্ব্বফল দাতা, তেৱেঁ বিষ্ণু মহেশ্বৰ তেৱেঁই বিধাতা"।

অসমীয়া পাঁচালী-কবিসকলৰ ভিতৰত নাৰায়ণদেৱৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ পদ্মাপুৰাণ এখন বুজন আকাৰৰ গ্ৰন্থ। অকল আকৃতিৰ ফালৰপৰাই



নহয়, তাত বৰ্ণনা কৰা নাৰায়ণদেৱৰ সম-সাময়িক অসমীয়া সমাজখনৰ ৰীতি-নীতি, সংস্কাৰ-কুসংস্কাৰ, আদৰ্শ, মানৱীয় চৰিত্ৰ, সামাজিক আৰু ধাৰ্মিক সমস্যা আৰু সংঘাত আদিৰ চিত্ৰই গ্ৰন্থখনৰ মূল্য যথেষ্টৰূপে বঢ়াইছে। এজন সমালোচকৰ ভাষাত "কবিয়ে নিজৰ ঘৰৰ কথা লিখোঁতে, সদায় দেখা দৈনিক ঘটনাৰ কথা বৰ্ণনা কৰোঁতে, অজ্ঞাত-সাৰে এক মহাকাব্য ৰচনা কৰি পেলাইছে"।[৪] নাৰায়ণদেৱৰ ৰচনাত বিশেষভাৱে উল্লেখ কৰিবলগীয়া হৈছে চান্দ সদাগৰ আৰু বেউলাৰ চৰিত্ৰ-অঙ্কন। এই চৰিত্ৰ দুটাই জনসাধাৰণৰ জীৱনত মনোবল, প্ৰেৰণা আৰু সান্ত্বনাৰ যোগান ধৰিছে। চান্দ সদা-গৰক এজন কৰ্ত্তব্যপৰায়ণ, দূৰদৰ্শী, সূক্ষ্ম বিচাৰসম্পন্ন, অসীম মনোবলেৰে বলী, নিষ্ঠাবান, প্ৰতিহিংসা-পৰায়ণ অথচ মানৱীয় গুণসম্পন্ন লোক হিচাপে নাৰায়ণদেৱে অঙ্কন কৰিছে। লখিন্দাৰৰ জীৱন-ৰক্ষাৰ কাৰণে চান্দ সদাগৰে ল'বলগীয়া আটাইখিনি ব্যৱস্থা লৈছে। মেৰঘৰত চান্দ সদাগৰে :

> শ্ৰীখণ্ডি কপাট দিছে লোৰৰ কৰাল।
> পিপৰা নুৰাবে তাত পশিব ভিতৰ ॥
> সপ্ত হাল হস্তী দিয়া দুৱাৰ টানিলা।
> তথাপিতো মেৰঘৰৰ লোম নলৰিলা ॥
> কাচা কাষ্ঠ কাটি আনি অগনি জ্বালিলা।
> তথাপিতো মেৰঘৰৰ ছিদ্ৰ নাপাইলা ॥
> ঠাট কটক দিয়া ৰাখিছে যতনে।
> কি কৰিতে পাৰে তাক নাগৰ পৰাণে ॥
> ৰাজ্যে ৰাজ্যে চন্দ্ৰধৰে দি আছে ঘোষণা।
> এক সৰ্প মাৰি দিলে লক্ষ তোলা সোণা ॥

কিন্তু 'দৈৱৰ নিৰ্ব্বন্ধ হায় নাযায় খণ্ডন'। লখিন্দাৰৰ মেৰঘৰত মৃত্যু হ'ল। বেউলাৰ ক্ৰন্দনত বৃক্ষৰ পাত সৰিল; পাথৰ ফাটিল, মেদিনী বিদাৰিল। ক্ৰন্দন শুনি সোণেকাই চান্দ সদাগৰক জনালে। আত্ম-বিশ্বাসী চান্দই তাৰ উত্তৰ দিলে এই বুলি : "পুত্ৰ-বধূ দুই যুৱা, মেৰত কৰিছে কিবা; তাতে তুমি কেনে পাতা কাণ"। তেওঁৰ আশ্বাসত পতিয়ন নগৈ সোণেকা মেৰঘৰলৈ বুলি দৌৰ মাৰিলে। গোটেই "চম্পক নগৰ জুৰি হৈলা গণ্ডগোল"। এনে অৱস্থাত চান্দও ঘটনাস্থলীত উপস্থিত হ'ল। কিন্তু হেমন্তালক বাৰি লৈ তেওঁ সাপডাল ক'ত লুকাই আছে তাকেহে বিচাৰিবলৈ ধৰিলে। "বিচাৰিয়া চন্দ্ৰধৰে নাগক নাপাইলা, পুত্ৰৰ মুখ চাই চান্দই সন্তাপ কৰিলা।" এইখিনিতে চান্দৰ অন্তৰৰ মানৱীয় ফালটো ফুটি ওলাইছে। ইফালে তেওঁ তাতে কান্দি থাকিলেও নহয়। তেওঁৰ আন কৰ্ত্তব্যও আছে। মৃত পুত্ৰক জীয়াই তুলিবলৈ তেওঁ মন্ত্ৰৰ ত্ৰুটী কৰাটো অনুচিত। সেয়েহে :

> ক্ৰন্দন সামৰি স্থিৰ হৈলা চন্দ্ৰধৰ।
> ওজাক আনিতে যাত্তে পাচে অনুচৰ ॥
> চান্দ বোলে শুনা লেঙ্গা আমাৰ বচন।
> ধন্বন্তৰীৰ পুত্ৰক আনা লখাইৰ কাৰণ ॥
> যদি জীয়াইতে পাৰে সুন্দৰ লখিন্দাৰে।
> অৰ্দ্ধৰাজ্য ভাগ কৰি দিবোহো তাহাৰে ॥

ওজাই চাই-চিতি ক'লে "তব প্ৰাণপুত্ৰ লখাই জীয়া-ইতে নাপাৰি"। এনে নিষ্ঠুৰ বচন শুনি "পুত্ৰ কোলে লৈয়া চান্দ কৰিলা ক্ৰন্দন"। এনে সময়তে পদ্মাৰ প্ৰতি থকা প্ৰতিহিংসাৰ জুইকুৰা তেওঁৰ আকৌ জ্বলি উঠিল। যদি 'কাণী'ক এবাৰ লগ পায়, তেনে-হ'লে একেকোবে তেওঁ 'সাতো পুত্ৰৰ ধাৰ' শুজিব। তেওঁ পুনৰ মনলৈ দৃঢ়তা ঘূৰাই আনিলে, পুত্ৰৰ শৱ নদীত ভহাই দিবলৈ আদেশ দিলে। ইফালে বেউলাই লখিন্দাৰৰ শৱ ভুৰ বান্ধি লৈ যাবলৈ ওলাল। ভুৰ সাজিবলৈ মালীয়ে সদাগৰৰ ওচৰত কলগছৰ বাবে

---

৪ দাস, ভাৰতচন্দ্ৰ : অসমীয়া সাহিত্যৰ বুৰঞ্জী (মনসা শাখা)

কোৱাত তেওঁ কলগছ কাটিবলৈ হাক দিলে ; কাৰণ সেই কলগছ বেচি পোৱা ধনেৰে বুঢ়া-কালত তেওঁ খাব লাগিব ; যিহেতু তেওঁৰ কোনো পুত্ৰ আৰু বাকী নাথাকিল । এইখিনিতে এপিনৰপৰা তেওঁক দূৰদৰ্শী আৰু আনপিনে কৃপণ বুলি ভাবিবৰো স্থল থাকিল । শহুৰেকৰ কথা শুনি বেউলাই কল-গছৰ মূল্য হিচাপে হাতৰ কঙ্কণ খুলি দিছে । চান্দ সদাগৰ প্ৰকৃততে কৃপণালি কৰি কলগছ নিদিয়াকৈ থকা নাছিল । এজন সদাগৰ হৈ তেওঁ বিধৱা বোৱাৰীয়েকক অকলশৰে এক অনিৰ্দিষ্টতাৰ মাজত পেলাব নোৱাৰে । শহুৰেক হিচাপে তেওঁৰ এটা দায়িত্ব আছে । সেই কাৰণে তেওঁ ক'লে : "কদা-চিত্তো বধূ মই তোমাক নেদো চাৰি" । বেউলাক এনেকৈ যাবলৈ দিলে জ্ঞাতিসকলেও নানা কথা ক'ব । অৱশেষত জয়ধৰৰ অনুৰোধ, বেউলাৰ মনৰ দৃঢ়তা আৰু প্ৰতিজ্ঞা, জ্ঞাতিসকলৰ অনুমতি এই আটাইবোৰ বিবেচনা কৰি বেউলাক যাবলৈ সন্মতি দিলে । লখিন্দাৰৰ শৱ ভুৰত তুলি নানা প্ৰতিকূল পৰিস্থিতিৰ মাজতো মনোবল, ধৈৰ্য, উপস্থিত বুদ্ধি আদিৰ সহায়ত যেতিয়া বেউলাই লখিন্দাৰ আৰু চন্দ্ৰধৰৰ আন পুত্ৰসকলক জীয়াই চৈধ্যখন ডিঙাৰ বস্ত্ৰ-বস্তুৰে সৈতে উপস্থিত হ'ল, তেতিয়া আৰু পদ্মাৰ পূজা নকৰোঁ বুলি চান্দ সদাগৰ আঁকোৰ-গোজ মনোবৃত্তি লৈ বহি থাকিব নোৱাৰিলে । বাওঁ হাতেৰে হ'লেও তেওঁ পদ্মাৰ নামত ফুল দিলে । এইখিনিতে চান্দ সদাগৰৰ মহান চৰিত্ৰৰ পৰিচয় পোৱা গৈছে । এটা পৰিয়ালৰ মুৰব্বী হৈ অকল নিজৰ কথাতে লাগি থাকিলে পৰিয়ালটোৰ মঙ্গল নহ'বও পাৰে । যিটো কৰিলে গোটেই পৰিয়ালৰ মঙ্গল হয়, তাকে কৰাটো তেওঁৰ কৰ্তব্য । চান্দৰ চৰিত্ৰৰ জৰিয়তে নাৰায়ণদেৱে শৈৱ আৰু শাক্ত ধৰ্মৰ মাজত সমাজত দেখা দিয়া বিৰোধবোৰ অন্ত পেলাই সমাজৰ সন্মুখত উদাৰ আৰু সমন্বয়ৰ আদৰ্শ দাঙি ধৰিলে । চান্দ সদাগৰৰ নিচিনা বেউলাৰ চৰিত্ৰকো এক মহান আদৰ্শ চৰিত্ৰৰূপে অঙ্কন কৰি নাৰায়ণদেৱে জনসাধাৰণৰ জীৱনলৈ দৃঢ় মনোবল আৰু আত্মবিশ্বাস ঘুৰাই আনিলে ।


## সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা

অসম সাহিত্য সভাৰ দ্বিতীয় অধিৱেশনৰ সভাপতি, অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰথম সম্পাদক সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাৰ জন্মশতবাৰ্ষিকী উৎসৱ উপলক্ষে অসম সাহিত্য সভাই প্ৰকাশ কৰা এই জীৱনী গ্ৰন্থখনত চন্দ্ৰধৰ বৰুৱাৰ জীৱন-বৃত্ত আৰু কৰ্মধাৰাৰ পৰিচয় দাঙি ধৰাৰ উপৰি বৰুৱাৰ সাহিত্য-প্ৰতিভা সম্পৰ্কে এটি বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে । গ্ৰন্থখনৰ লিখক শ্ৰীডিম্বেশ্বৰ শৰ্মাই চন্দ্ৰধৰ বৰুৱা সম্পৰ্কে সংগ্ৰহ কৰা পৰিশ্ৰম-সাপেক্ষ তথ্যসমূহে গ্ৰন্থ-খনক কেৱল এখন সাধাৰণ জীৱনী কৰিয়েই নাৰাখি এটি গৱেষণা-কৰ্মলৈ উন্নীত কৰাইছে ।

মূল্য : পাঁচ টকা পঞ্চাছ পইচা । পৃষ্ঠা-সংখ্যা : প্ৰায় ডেৰ শ ।


# অসমীয়া আৰু উড়িয়া ভাষাৰ তুলনাত্মক ৰূপতত্ত্বৰ আভাস

শ্ৰীফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱা

ভাষাবিদ পণ্ডিতসকল এই বিষয়ত একমত যে অসমীয়া, বঙলা আৰু উড়িয়া — এই তিনিওটা ভাষা তথাকথিত পূৰ্বমাগধীৰপৰা উৎপত্তি হোৱা আৰ্যমূলীয় ভাষা । ইয়'ৰ ভিতৰত উড়িয়া ভাষাই প্ৰথমে মূলৰপৰা ফালৰি কাটি আহি স্বাতন্ত্ৰ্য লাভ কৰে । ইয়াৰ কিছু পাছতহে অসমীয়া আৰু বঙলা ভাষাই পৰস্পৰ বিভাজিত হৈ নিজ নিজ স্বাতন্ত্ৰ্য প্ৰতিপাদন কৰে । এই ক্ষেত্ৰত স্বাভাৱিকতে উৎকণ্ঠা জাগে যে কি কি বিষয়তনো এই তিনিটা ভাষা পৰস্পৰে পৃথক আৰু এই পৃথকীকৰণ কোন কোন স্তৰত কেনেভাৱে সাধিত হৈছে । এক পূৰ্ণদৈৰ্ঘ্যৰ গৱেষণা-গ্ৰন্থৰ বাহিৰেকে এই আলোচনাৰ প্ৰতি সুবিচাৰ কৰা সম্ভৱ নহয় । কাজেই, দ্বিতীয় প্ৰসঙ্গৰ কথা আগলৈ এৰি প্ৰথম প্ৰসঙ্গৰ কেইটামান মূল মূল কথাৰ প্ৰতিহে দৃষ্টি আকৰ্ষণ কৰিবৰ প্ৰয়াস কৰা হৈছে । [ ইয়াতে আন এটা কথাও উল্লেখ কৰি থোৱা প্ৰয়োজন : ধ্বনিগত আৰু বাক্যগঠন-প্ৰণালীগত আলোচনা নকৰি কেৱল ৰূপতত্ত্ব আৰু আংশিকভাৱে অৰ্থতত্ত্বৰ সীমাৰেখাৰ মাজতেই আলোচনা সীমাবদ্ধ ৰখা এই নিবন্ধৰ উদ্দেশ্য ।]

অসমীয়া আৰু উড়িয়া ভাষাৰ মাজত চকুত লগা প্ৰভেদ পৰিলক্ষিত হয় সৰ্বনামৰ বচন আৰু পুৰুষৰ অভিব্যক্তিত । দুয়ো ভাষাতেই বচন দুটা—একবচন আৰু বহুবচন ; দ্বিবচন নাই । কিছুমান সৰ্বনাম একবচন, আন কিছুমান বহুবচন ; ইয়'ৰ মাজত ৰূপগত সম্পৰ্ক স্থাপন কৰিব নোৱাৰি । আন কিছুমান সৰ্বনাম একবচন, ইয়'ৰ লগত কিছুমান বহুবচনবাচক প্ৰত্যয় যোগ দি বহুবচনৰ ৰূপ উলিয়াব পাৰি । ( বহুবচনবাচক প্ৰত্যয়ৰ সংযোগ দুয়ো ভাষাতেই ৰূপসাপেক্ষ । ) তলৰ তালিকা-খনলৈ মন কৰক :—

| পুৰুষ আৰু মান | | অসমীয়া একবচন | অসমীয়া বহুবচন | উড়িয়া একবচন | উড়িয়া বহুবচন |
|---|---|---|---|---|---|
| প্ৰথম পুৰুষ | | মই | আমি | মুঁ | আমে |
| দ্বিতীয় পুৰুষ | তুচ্ছাৰ্থ | তই | তহঁত | তু | তুমেমানে/ |
| | সন্মানাৰ্থ | তুমি | তোমালোক | তুমে/তমে | তমেমানে |
| | অতি সন্মানাৰ্থ | আপুনি | আপোনালোক | আপন (অ) | আপনমানে |
| তৃতীয় পুৰুষ | তুচ্ছাৰ্থ | ই/সি/এই/তাই | ইহঁত/সিহঁত | এই / সে | এইমানে/ |
| | সন্মানাৰ্থ | তেওঁ | তেওঁলোক | | সেমানে |
| | অতি সন্মানাৰ্থ | তেখেত | তেখেতসকল | | |

ইয়াত দেখা যায় যে প্ৰথম পুৰুষৰ একবচনৰ সৰ্বনাম অসমীয়া 'মই' আৰু উড়িয়া 'মুঁ'ৰ বহুবচনৰ ৰূপ ক্ৰমে 'আমি' আৰু 'আমে'। দুয়ো ভাষাতেই প্ৰথম পুৰুষৰ একবচনৰ ৰূপ আৰু বহুবচনৰ ৰূপৰ মাজত ৰূপগত কোনো সম্বন্ধ স্থাপন কৰিব নোৱাৰি। আনপক্ষে, দ্বিতীয় পুৰুষৰ একবচনত দুয়ো ভাষাতেই সৰ্বনামবোৰৰ মান-বিভাগ (rank distinction) আছে। তুচ্ছাৰ্থত অস. 'তই' আৰু উড়ি. 'তু', সন্মানাৰ্থত অস. 'তুমি' আৰু উড়ি. 'তুমে' বা 'তমে', আৰু অতি সন্মানাৰ্থত অসমীয়াত 'আপুনি' আৰু উড়িয়াত 'আপন(অ)' ব্যৱহৃত হয়। বহুবচনত অস. 'তই'ৰ লগত -হঁত আৰু আন দুটাৰ লগত -লোক যুক্ত হৈ ক্ৰমে তহঁত, তোমালোক আৰু আপোনালোক হয়। অৰ্থাৎ বহুবচনতো অসমীয়াত মান-বিভাগ অটুট আছে; কিন্তু উড়িয়াত নাই। উড়িয়াত তু আৰু তুমে বা তমে দুয়োটাৰে বহুবচনত একে ৰূপ, তুমেমানে বা তমেমানে। একেদৰে অতি সন্মানাৰ্থত উড়ি. 'আপনমানে'। অৰ্থাৎ উড়িয়াত তুচ্ছাৰ্থ বা অসন্মান অৰ্থৰ বহুবচন বুলি একো নাই। উড়িয়াত বহুবচন আৰু সন্মানাৰ্থক সমাৰ্থবাচক। অসমীয়াত তৃতীয় পুৰুষতো দ্বিতীয় পুৰুষৰ অনুক্ৰমে তিনিটা মানৰ প্ৰকাশ হয়; একবচনৰ ৰূপবোৰৰ লগত ক্ৰমে তুচ্ছাৰ্থত -হঁত, সন্মানাৰ্থত -লোক আৰু অতি সন্মানাৰ্থত -সকল যুক্ত হৈ বহুবচনৰ ৰূপ সাধিত হয়। কিন্তু উড়িয়াত (কৰ্তা কাৰকত ব্যৱহাৰ হোৱা) তৃতীয় পুৰুষৰ সৰ্বনামৰ মান-বিভাগ নাই। একবচনত সে আৰু বহুবচনত সেমানে হয়। মন কৰিবলগীয়া যে কৰ্তা-ভিন্ন অন্য কাৰকত ৰূপ হ'লে উড়ি. তৃতীয় পুৰুষৰ একবচনৰ সৰ্বনাম 'সে'ৰ মান-বিভাগ প্ৰকাশ থাকে; ই তুচ্ছাৰ্থত তা আৰু সন্মানাৰ্থত তাঙ্ক তিৰ্যক ৰূপ ধাৰণ কৰে; এই তিৰ্যক ৰূপৰ পিছতহে কাৰক-বিভক্তি যুক্ত হয়। যেনে, তা-কু — তাক; তাঙ্ক — তেওঁক/তেখেতক, তা-ৰ(অ) — তাৰ/তাইৰ; তাঙ্ক-ৰ(অ) — তেওঁৰ/তেখেতৰ ইত্যাদি। কিন্তু বহুবচনত এই মান-বিভাগ নাই। অৰ্থাৎ তৃতীয় পুৰুষতো উড়িয়াত বহুবচন আৰু সন্মানাৰ্থক সমাৰ্থবাচক। সন্মানাৰ্থে বহুবচনৰ প্ৰয়োগ অসমীয়াতো সম্পূৰ্ণ অপৰিচিত নহয়। অসমীয়াৰ কামৰূপী উপভাষাত অঞ্চল-বিশেষে শাহুৱেকে একমাত্ৰ বোৱাৰীয়েকক মাতোঁতে বা উল্লেখ কৰোঁতে তইৰ পৰিবৰ্তে 'তহঁত', তাইৰ পৰিবৰ্তে 'সিহঁত' ব্যৱহাৰ কৰা শুনা যায়। অৰ্থাৎ বোৱাৰীয়েকক পৰম্পৰাগত সন্মানাৰ্থক 'তুমি' বা 'তেওঁ'ৰে নুবুজাই 'তই' বা 'তাই'ৰ বহুবচনৰ ৰূপেৰে সন্মানসূচকভাৱে উল্লেখ কৰা হয়। (মান-ভেদ উড়িয়া বিশেষ্য পদৰো এক লক্ষ্যনীয় গুণ। সন্মানাৰ্থক বিশেষ্য পদৰ বিভিন্ন কাৰকৰ ৰূপ সন্মান নুবুজোৱা বিশেষ্য পদতকৈ বেলেগ। যেনে, — ছাত্ৰকু — ছাত্ৰক, কিন্তু পণ্ডিত-অং(ক)-কু — পণ্ডিতক; পিলা-ৰ (অ) — ল'ৰাৰ; কিন্তু মাষ্টৰ-অঙ্ক-ৰ (অ) — মাষ্টৰৰ ইত্যাদি।)

উড়িয়াত লিঙ্গ মূঠেও ব্যাকৰণগত নহয়; অসমীয়াত কিছু পৰিমাণে ব্যাকৰণগত। উড়িয়াত এটা প্ৰাণীবাচক বিশেষ্য পুংলিঙ্গ নে স্ত্ৰীলিঙ্গ, সেইটোৱে বাক্যৰ অন্য উপাদানৰ ওপৰত একো প্ৰভাৱ বিস্তাৰ নকৰে; কিন্তু অসমীয়াত কিছু পৰিমাণে কৰে (অৱশ্যে বিশেষণ আৰু ক্ৰিয়াৰ ওপৰত নকৰে)। কিয়নো অসমীয়াত তৃতীয় পুৰুষৰ তুচ্ছাৰ্থৰ সৰ্বনামৰ একবচনত লিঙ্গভেদ আছে; নিকটবাচক 'ই' আৰু দূৰবাচক 'সি' পুংলিঙ্গ; নিকটবাচক 'এই' আৰু দূৰবাচক 'তাই' স্ত্ৰীলিঙ্গ। (অৱশ্যে বহুবচনত অসমীয়াতো লিঙ্গভেদ ৰক্ষিত হোৱা নাই। 'ইহঁত', 'সিহঁত' আদিয়ে সাম্প্ৰতিক সাহিত্যত পুৰুষ-তিৰোতা উভয়কে বহুবচনত উল্লেখ কৰে। এই বিষয়ত অসমীয়াৰ তামিল ভাষাৰ লগত চমকপ্ৰদ মিল আছে।) কাজেই অসমীয়াত



পুংলিঙ্গ বিশেষ্যপদক বুজাবলৈ তাই, তাইক, তাইৰ ইত্যাদি ব্যৱহাৰ কৰিব লাগে। একেদৰে অসমীয়াত বিশেষ্যৰ লিঙ্গভেদ অনুসৰি বিশেষ্যৰ লগত ভিন ভিন নিৰ্দিষ্টবাচক প্ৰত্যয় (enclitic definitives) যুক্ত হয়। বিশেষ্যৰ দৰে নিৰ্দেশাত্মক সৰ্বনাম (demonstrative pronoun) ৰ লগতো ভিন ভিন নিৰ্দিষ্টবাচক প্ৰত্যয় যুক্ত হয়। উড়িয়াত নহয়। তলৰ উদাহৰণবোৰলৈ চাওক—

| | অসমীয়া | উড়িয়া |
|---|---|---|
| পুং | ই, সি | এই, সে |
| স্ত্ৰী | এই, তাই | |
| পুং | মানুহ-টো<br>চৰাই-টো<br>গৰু-টো | মণিষ(অ)-টা<br>চৰেই-টা<br>গৰু-টা |
| স্ত্ৰী | মানুহ-জনী<br>চৰাই-জনী<br>গৰু-জনী | |
| পুং | সো-টো | সে-টা |
| স্ত্ৰী | সো-জনী | |

উড়িয়াত সৰ্বনামৰ লিঙ্গভেদ নোহোৱা কাৰণে উড়িয়া-ভাষী অসমীয়া শিকাকৰে সকলো ক্ষেত্ৰতে পুংলিঙ্গৰ সৰ্বনাম ব্যৱহাৰ কৰে।

অসমীয়া আৰু উড়িয়াৰ মাজত আন এটা চমকপ্ৰদ প্ৰভেদ হ'ল এয়ে যে অসমীয়াত ক্ৰিয়াৰ বচন নাই; কিন্তু উড়িয়াত আছে। অসমীয়াত একবচন আৰু বহুবচন উভয়তে ক্ৰিয়াৰ একেই ৰূপ; কিন্তু উড়িয়াত দুয়ো বচনত ভিন ভিন ক্ৰিয়া-ৰূপৰ ব্যৱহাৰ হয়। উড়িয়াত বিশেষ্য আৰু সৰ্বনামৰ নিচিনা ক্ৰিয়াৰো সন্মানাৰ্থে বহুবচন হয়। তলৰ তালিকাখনলৈ মন কৰক—

| | অসমীয়া | উড়িয়া | |
|---|---|---|---|
| | একবচন আৰু বহুবচন | একবচন | বহুবচন |
| প্ৰথম পুৰুষ, ভবিষ্যৎ | খাম | খাইবি | খাইবু, খাইবা |
| দ্বিতীয় পুৰুষ, অতীত | খালি | খাইলু, খাইল (অ) | খাইল (অ) |
| তৃতীয় পুৰুষ, অতীত | খালে | খাইলা, খাইলে | খাইলে |

সকলো কাল আৰু পুৰুষতে অসমীয়াত একবচন আৰু বহুবচনৰ ৰূপ একে ; কিন্তু উড়িয়াত বেলেগ। (অৱশ্যে বহুবচন আৰু সন্মানাৰ্থক একবচনৰ ৰূপ উড়িয়াত একে।)

উড়িয়াত ক্ৰিয়াৰ আন এটা মন কৰিবলগীয়া বিশেষত্ব এয়ে যে প্ৰথম পুৰুষৰ বহুবচনত সকলো কালতে ক্ৰিয়াৰ দুটাকৈ ৰূপ পোৱা যায়। (ওপৰৰ তালিকাৰ প্ৰথম উদাহৰণ দ্ৰষ্টব্য)। এটা হ'ল সসীম (exclusive) আৰু আনটো হ'ল অসীম (inclusive) [সসীম আৰু অসীম এই শব্দ দুটাৰ প্ৰয়োগ পৰীক্ষামূলক ; আন যথাৰ্থক শব্দ পালে ইহঁতক বৰ্জন কৰিব পৰা যায়]। ইহঁতৰ প্ৰথম ৰূপটোৱে শ্ৰোতাক বাদ দি প্ৰথম পুৰুষে আন কাৰোবাৰ লগত কোনো কাৰ্যত প্ৰবৃত্ত হোৱা বা হ'ব খোজা বুজায় ; দ্বিতীয়টো ৰূপে শ্ৰোতাক ধৰি প্ৰথম পুৰুষ একেলগে কোনো কাৰ্যত প্ৰবৃত্ত হোৱা বা হ'ব খোজা বুজায়। অসমীয়াত এনে ধৰণৰ ৰূপ-ভেদ নাই। তলৰ উড়িয়া উদাহৰণকেইটা আৰু ইহঁতৰ আনুক্ৰমিক অসমীয়া তৰ্জমাই প্ৰভেদটো স্পষ্ট কৰি তুলিব।

| | | | |
|---|---|---|---|
| সসীম | খাইলু | আমি ( আপোনাক / তোমাক / তোক বাদ দি ) | খালোঁ |
| | কৰিছু | ,, ( ,, ,, ,, ,, ,, ) | কৰিছোঁ |
| | যিবু | ,, ( ,, ,, ,, ,, ,, ) | যাম |
| অসীম | খাইলে | আমি ( আপোনাক / তোমাক / তোক ধৰি ) | খালোঁ |
| | কৰিছে | ,, ( ,, ,, ,, ,, ) | কৰিছোঁ |
| | যিবা | ,, ( ,, ,, ,, ,, ) | যাম |

অসমীয়াত তৃতীয় পুৰুষৰ ক্ৰিয়াৰ মান-ভেদ নাই। অথচ উড়িয়াত দুই থলপীয়া মান-ভেদ আছে। উড়িয়াত তৃতীয় পুৰুষৰ একবচনত ক্ৰিয়াৰ তুচ্ছাৰ্থত এটা ৰূপ আৰু সন্মানাৰ্থত আন এটা ৰূপ হয়। আগতে কোৱা অনুসৰি বহুবচনত সন্মানাৰ্থক ৰূপটোৱেই ব্যৱহৃত হয়। তলৰ উদাহৰণকেইটাই প্ৰভেদটো স্পষ্ট কৰি তুলিব।

| | অসমীয়া | উড়িয়া | |
|---|---|---|---|
| | একবচন আৰু বহুবচন | একবচন | বহুবচন |
| তুচ্ছাৰ্থ | • কৰে | কৰে ] | কৰন্তি |
| সন্মানাৰ্থ | ,, | কৰন্তি ] | |
| তুচ্ছাৰ্থ | কৰিছিল | কৰিথিলা ] | কৰিথিলে |
| সন্মানাৰ্থ | ,, | কৰিথিলে ] | |
| তুচ্ছাৰ্থ | ক'ব (অ) | কহিব (অ) ] | কহিবে |
| সন্মানাৰ্থ | ,, | কহিবে ] | |

অসমীয়াত সকৰ্মক ক্ৰিয়া অকৰ্মক ক্ৰিয়াতকৈ স্থান-বিশেষে বেলেগ। তাৰ উপৰি ক্ৰিয়া সকৰ্মক নে অকৰ্মক এই বিচাৰে বাক্যৰ উপাদান, বিশেষকৈ কৰ্তাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। (অসমীয়াত



শুদ্ধ সকৰ্মক ক্ৰিয়াৰ কৰ্তাই প্ৰথমা বা কৰ্তাকাৰকৰ বিভক্তি গ্ৰহণ কৰে।) কিন্তু উড়িয়াত সকৰ্মক আৰু অকৰ্মক ক্ৰিয়াৰ মাজত কোনো ৰূপগত প্ৰভেদ নাই। কাজেই কৰ্তাৰ ওপৰত ক্ৰিয়াৰ সকৰ্মকত্বৰ কোনো প্ৰভাৱ নাই। তলৰ উদাহৰণকেইটালৈ মন কৰক—

| | অসমীয়া | উড়িয়া | |
|---|---|---|---|
| অকৰ্মক ← | হৰি গ'ল | হৰি গ-লা | |
| | হৰি-য়ে খা-লে | হৰি খা-ইলা | → সকৰ্মক |
| ,, ← | যদু বহ-ইল | যদু বস-ইলা | |
| | যদু-য়ে ক'-লে | যদু কহ-ইলা | → ,, |

অসমীয়াত সকৰ্মক ক্ৰিয়াৰ কৰ্তাত -এ (ইকাৰান্ত শব্দৰ পিছত -য়ে ৰূপত আৰু উকাৰান্ত শব্দৰ পিছত -ৱে ৰূপত) বিভক্তি যুক্ত হৈছে ; ক্ৰিয়াৰ লগতো (-ইল প্ৰত্যয়ান্ত অতীত কালৰ ক্ৰিয়াৰ লগতহে) তৃতীয় পুৰুষত -এ যুক্ত হয়। উড়িয়াত সকৰ্মক-অকৰ্মক সকলো ক্ষেত্ৰতে ক্ৰিয়াৰূপ একে থাকে।

অসমীয়া আৰু উড়িয়াৰ ৰূপতত্ত্বৰ বিভিন্ন দিশত আৰু অনেক চকুত লগা প্ৰভেদ আছে। ঠাইৰ সীমাবদ্ধতাৰ কথা সুঁৱৰি সেই আলোচনা আগলৈ কৰাৰ আশা ৰাখি দুয়ো ভাষাৰ কেইটামান সম ধ্বন্যাত্মক শব্দৰ অৰ্থভেদ আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল। দুয়ো ভাষাত প্ৰচলিত একেমূলীয় আৰু একে আখৰ-জোঁটনিৰ একোটা শব্দই এনে চমকপ্ৰদ অৰ্থৰ বৈপৰীত্য সূচায় যে কোন স্তৰত সেই অৰ্থান্তৰ কেনেভাৱে ঘটিল, সেই বিষয়ে সাধাৰণ লোককো অনুসন্ধিৎসু কৰি তোলে। তলত কেইটামান নমুনা দিয়া হ'ল :

আই : অসমীয়াত 'মা' (আই ?-স.); উড়িয়াত 'আইতা'

√কুট : অস. 'সৰু সৰুকৈ কটা' ; যেনে— পাচলি কুটে ; উড়িয়াত 'খুন্দা' ; যেনে ধান(অ) কুটে। (পশ্চিমাঞ্চলৰ কামৰূপীতো অৱশ্যে 'কুটা' শব্দ খুন্দা অৰ্থত ব্যৱহৃত হয়।

খেতি : অস. 'কৃষি' ; উড়িয়াত সম ধ্বন্যাত্মক 'খেত' শব্দই 'পথাৰ' বুজায়।

ঘন্টা : অসমীয়াত 'বে'ল (bell)' ; উড়িয়াত 'ঘড়ী' আৰু 'বে'ল' দুয়োটাকে বুজায়।

ঘৰ : অস. 'গৃহ' বা 'পৰিয়াল' ; যেনে 'এঘৰ মানুহ', উড়িয়াত কিন্তু ই 'গৃহ' বা 'কোঠা' দুয়োটাকে বুজায়।

চৰ্চা : অস. 'আলোচনা' ; উড়িয়াত ই 'আলোচনা' আৰু 'আপ্যায়ন' দুয়োটা বুজায় ; যেনে, 'অতিথি চৰ্চা কলে'।

চুলি : অস. 'মূৰৰ চুলি' ; উড়ি. 'চৌকা' বুজায়।

দা : অস. 'কাঠ, বাঁহ আদি কটা ডাঙৰ দা' ; উড়ি. 'কাচি'।

√দেখা : অস. সাধাৰণভাৱে 'চকুৰে দেখা'— 'মনোযোগ সহকাৰে চোৱা' নুবুজায়। উড়িয়াত ই দুয়োটা বুজায়।

ধন্দা (? ধান্দা—স.) : অস. বেয়া অৰ্থত 'নানা চিন্তা', 'বিকেন্দ্ৰিক মনোযোগ'। উড়িয়াত সজ অৰ্থত গভীৰ মনোযোগ বুজায়।

ধুৰন্ধৰ : অস. 'দুষ্ট' বা 'বদ্ মাচ্' বুজায় ; উড়িয়াত সজ অৰ্থত 'পাকৈত' বুজায়।

পৰিবাৰ : অস. 'পত্নী' ; উড়ি. 'পৰিয়াল'।

√পলা : অস. 'নজনাকৈ গুচি যোৱা' ; উড়ি. 'সাধাৰণভাৱে যোৱা'।

পাণ : অস. তামোলৰ লগত খোৱা 'পাণ'; উড়ি. 'চুপাৰি, মচলা-সহ পাণ।'

পাণি : অস. 'হাত'; উড়ি. 'পানী' আৰু 'হাত' দুয়োটা বুজায়।

পূজাৰী : অস. 'পূজা কৰোঁতা'; উড়ি. 'পূজা কৰোঁতা' আৰু 'ৰান্ধনী'।

বাল : অস. 'গুপ্তাঙ্গৰ নোম'; উড়ি. 'চুলি'।

বহী : অস. 'লিখিবৰ বাবে ছাপ কৰি বান্ধি লোৱা কাকত', উড়ি. 'কিতাপ'।

বন্ধু : অস. তেজৰ সম্বন্ধ নোহোৱা 'মিত্ৰ'; উড়ি. 'আত্মীয় স্বজন'।

বিন্ধা : অস. বেজী জাতীয় জোঙা বস্তুৰে 'খোচা'; উড়ি; 'মৃৰ কামোৰ'।

বিয়া : অস. 'বিবাহ'; উড়ি. 'স্ত্ৰী-যৌনাঙ্গ'।

ৰিৰি : অস. 'বিড়ি'; উড়ি 'মাহ'।

বিল : অস. 'জলাশয়'; উড়ি. 'দ মাটি'।

মাটি : অস. 'জমি', 'সম্পত্তি'; উড়ি. পানীৰ বিপৰীত অৰ্থ, অৰ্থাৎ soil বুজায়।

মেঘ : অস. 'ডাৱৰ'; উড়ি. ই বৰষুণকো বুজায়।

ৰাইজ : অস. 'সমজুৱা', 'জনতা' বুজায়। উড়ি 'ৰাজ্য' বুজায়।

শ্ৰদ্ধা : অস. 'ডাঙৰলৈ সন্মান বা ভক্তি' বুজায়; উড়ি. সকলৈ 'স্নেহ' বুজায়।

✓হান : অস. 'বিন্ধা'; উড়ি. 'কটা'।

দুয়ো ভাষাতে উচ্চাৰণৰ ঈষৎ অমিল থকা কিছুমান শব্দ আছে, যাৰ অৰ্থৰ ভেদ যথেষ্ট চমকপ্ৰদ। তলত দুটামান উল্লেখ কৰা হল :—

অসমীয়াত 'কটাৰী' মানে 'সৰু কটাৰী', তামোল আদি কটা সৰু অস্ত্ৰ বুজায়; উড়িয়াত 'ডাঙৰ দা' বুজায়। অসমীয়াত 'ৰেমাৰী' মানে 'ৰোগী'; উড়িয়াত 'বিমাৰী' মানে 'ৰোগ' বুজায়। অসমীয়াত খৰাং মানে 'শুকান বতৰ'; উড়িয়াত 'খৰা' মানে 'ৰ'দ'।

০ ০ ০


## মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন

বিশ্ববিশ্ৰুত পণ্ডিত ৰাহুল সাংকৃত্যায়নৰ জীৱন আৰু প্ৰতিভাৰ পৰিচয়-জ্ঞাপক গ্ৰন্থ অসমীয়া ভাষাত নাছিল। শ্ৰীবাপচন্দ্ৰ মহন্তই লিখা এই গ্ৰন্থখন অসম সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত হোৱাৰ লগে লগে অসমীয়া ভাষাৰ ডাঙৰ অভাৱ এটা পূৰ হ'ল। প্ৰায় এশ পৃষ্ঠাৰ এই গ্ৰন্থখনত মহাপণ্ডিতজনাৰ জীৱন আৰু প্ৰতিভাৰ বিভিন্ন দিশ অভিব্যক্ত হৈছে। ছপা-বন্ধা ধুনীয়া, বেটুপাত সুদৃশ্য আৰু গাম্ভীৰ্যপূৰ্ণ।

মূল্য :— ৩·৫০ টকা মাত্ৰ।


# মিৰি শব্দৰ আঁতি-গুৰি

শ্ৰীনাহেন্দ্ৰ পাদুন

অসমৰ লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, দৰং জিলা আৰু অৰুণাচল প্ৰদেশৰ ছিয়াং আৰু লোহিত জিলাৰ অসম সীমান্তত থকা মিচিং লোকসকলক সাধাৰণতে 'মিৰি' নামেৰে জনা যায়। অসমৰ অসমীয়া মানুহে আৰু অসমৰ বাহিৰৰ লোকেও এই মিৰি নামেৰেই তেওঁলোকক জানে। ভাৰতৰ সংবিধানৰ জনজাতি-তালিকাত মিচিংসকলক মিৰি নামেৰেই অন্তৰ্ভুক্ত কৰিছে। কিন্তু মিচিংসকলে নিজৰ মাজত পৰিচয় দিওঁতে এই মিৰি নামৰ পৰিবৰ্তে মিচিং বুলিহে পৰিচয় দিয়ে।

এই মিৰি শব্দটো ক'ৰপৰা আৰু কেনেকৈ উৎপত্তি হৈছে, তাক সঠিকভাৱে ক'ব পৰা নাযায়। এই সম্পৰ্কে বিভিন্ন জনে বিভিন্ন মতামত পোষণ কৰিছে। কিন্তু কোনো এজনেও এতিয়ালৈকে মিৰি শব্দৰ ব্যুৎপত্তি আৰু ব্যৱহাৰ সম্পৰ্কে গ্ৰহণযোগ্যভাৱে ক'ব পৰা নাই। মিচিং ভাষাত মিৰি শব্দৰ ব্যৱহাৰ নাই, নাইবা ধাতুগত অৰ্থও প্ৰকাশ কৰিব নোৱাৰি। গতিকে অনুমান কৰিব পাৰি যে মিৰি শব্দ অনা-মিচিং ভাষাৰপৰাহে আহিছে। অসমীয়া মানুহে অসমৰ বিভিন্ন জনজাতিক বিভিন্ন নামেৰে প্ৰাচীন কালৰেপৰা নামকৰণ কৰি আহিছে। আবৰ, ডফলা, অ'কা, মিকিৰ, লুচাই এইবোৰ অসমীয়া মানুহে দিয়া নাম। কিন্তু সেই সেই জনজাতিবোৰে নিজকে ক্ৰমে আদি, নিচি, হ্ৰুচু, কাৰবি, মিজো বুলিহে পৰিচয় দিয়ে। সেইদৰে মিচিঙকো অসমীয়াই মিৰি নামেৰে নামকৰণ কৰি আহিছে। কিন্তু মিৰিসকলে নিজকে মিচিং বুলিহে পৰিচয় দিয়ে। স্বকীয় ভাষা থকা প্ৰত্যেক জাতিয়েই নিজৰ ভাষাৰ শব্দেৰে আন কোনো এটা জাতিৰ নামকৰণ কৰে। টাই-আহোম ভাষাত মিচিংসকলক 'খাকাঙ্-লাই' বা 'পাঙ্-ডিন্' বা 'লাঙ্-ডিন্' বোলে।[১] খামতি ভাষাত মিচিঙক 'হাঙ্-খাট' বুলি কয়। তেনেকৈ মিচিঙৰ আত্মীয় জনজাতি আদি বা আবৰে মিচিংসকলক 'আম্মিং'— অৰ্থাৎ 'ভৈয়ামৰ (আপোন) মানুহ' বোলে। মিচিং লোকে অসমৰ মানুহক আচিং বা মিপাগ্— (মি=মানুহ, পাগ্=অন্য, বিজাতীয়) অৰ্থাৎ নিজৰ মানুহ নহয়, আন মানুহ বুলি কয়।

অসমৰ মানুহে বা অসমীয়া মানুহে মিচিঙৰ ক্ষেত্ৰত

১। মিচিং জনজাতিৰ পৰিচয়— সৰ্বানন্দ ৰাজকুমাৰ, নীলাচল, ৫ৰ্থ বছৰ প্ৰথম সংখ্যা, ১৯৬৬ চন, পৃঃ ৩৩

মিৰি নামটো আৰোপ কৰিছে যদিও মিৰি শব্দটো প্ৰকৃততে অসমীয়া ভাষাৰ নহয়। অসমীয়া ভাষাত মিৰি শব্দৰ ধাতুগত ব্যুৎপত্তি দেখুৱাব নোৱাৰি। আন কি অসমীয়া ভাষাৰ মূল সংস্কৃততো এই শব্দৰ প্ৰচলন নাই। হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' অভিধানত প্ৰায় আটাইবোৰ শব্দৰ ধাতুগত ব্যুৎপত্তি দেখুওৱা হৈছে। কিন্তু মিৰি শব্দৰ ব্যুৎপত্তি দেখুওৱা নাই। তাৰ পৰিবৰ্তে মাত্ৰ "বহুকাল ভৈয়ামত বাস কৰা একাতি পৰ্বতীয়া মানুহ" বুলি অৰ্থ নিৰ্দেশ কৰিছে। এনে কথাৰপৰা ধৰি ল'ব পাৰি যে মিৰি শব্দ প্ৰকৃততে অসমীয়া নহয়।

পুৰণি অসমীয়া পুথি, বিশেষকৈ আহোম যুগত অসমীয়া ভাষাত ৰচিত বুৰঞ্জী আৰু উনবিংশ শতিকাৰ শেষৰ ফালে বৃটিছ ৰাজত্বৰ সময়ত ইংৰাজ লেখকসকলে লিখি থৈ যোৱা ৰচনা আৰু চৰকাৰী নথি-পত্ৰবোৰত এই মিৰি নামৰেই উল্লেখ পোৱা গৈছে। কিন্তু সেইবিলাকত মিৰি শব্দৰ উৎপত্তি বা অৰ্থ সম্পৰ্কে সন্তোষজনক ব্যাখ্যা পোৱা নাযায়। মিৰি নামটোৰ উল্লেখ থকা প্ৰাচীনতম ৰচনা হিচাপে শঙ্কৰদেৱৰ দশম স্কন্ধকেই প্ৰথমে ল'ব পাৰি। শঙ্কৰদেৱতকৈ আগৰ কোনো কবি বা লেখকৰ ৰচনাত মিৰি নামৰ উল্লেখ এতিয়ালৈকে আমাৰ দৃষ্টিগোচৰ হোৱা নাই। শঙ্কৰদেৱৰ দশম স্কন্ধত আছে—

কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ৰজক তুৰুক
কুৱাচ ম্লেচ্ছ চণ্ডাল॥

শঙ্কৰদেৱৰ এই পদত অসমৰ ভিন ভিন জাতি-জনজাতিৰ নামৰ লগতে থকা এই মিৰি শব্দই নিশ্চয় মিচিং সকলকেই বুজাইছে।[১] শঙ্কৰদেৱৰ দশম স্কন্ধ ৰচনাৰ সময়ত অন্যান্য জাতি-জনজাতিৰ লগতে মিৰি বা মিচিঙেও অসমত বসবাস কৰিছিল— এনে ধাৰণাত বাদে পদফাঁকিয়ে অন্য কোনো ইঙ্গিত বা পৰিচয় বহন নকৰে। গতিকে শঙ্কৰদেৱৰ উল্লেখতো মিৰি শব্দৰ উৎপত্তিৰ সম্পৰ্কে আমি জানিবলৈ অসমৰ্থ।

ষোড়শ শতিকাৰ পাছৰেপৰা অসমীয়া ভাষাত ৰচনা কৰা আহোম বুৰঞ্জী কেইখনতো মিৰি নামৰ উল্লেখ পোৱা গৈছে। আহোম ৰাজত্বৰ সময়ত মিৰিয়ে কেইবাবাৰো আহোম ৰাজ্যত আৰু আহোম প্ৰজাক উপদ্ৰৱ কৰা, মিৰিৰ লগত স্বৰ্গদেওসকলৰ মিত্ৰতা স্থাপন, সৈন্য বাহিনী আৰু অন্যান্য ৰাজকীয় পদত মিৰি লোকৰ অন্তৰ্ভুক্তি আদি সাতসৰী অসম বুৰঞ্জী, অসম বুৰঞ্জী, কছাৰী বুৰঞ্জী ইত্যাদিত উল্লেখ কৰা হৈছে। এই বুৰঞ্জীবিলাকতো মিৰি নাম বা শব্দৰ অ'ৰ্তি-গুৰি বিচাৰি পোৱা নাযায়। সম্ভৱতঃ আহোম ৰাজত্বৰ কালছোৱাত মিৰিসকল এই নামেৰে ইতিমধ্যে পৰিচিত হৈ পৰিছিল— যাৰ ফলত গ্ৰন্থকাৰসকলে নামৰ উৎপত্তি দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল।

অষ্টাদশ শতিকাৰ আগভাগত ৰচিত বুলি অনুমান কৰা দৈত্যাৰি ঠাকুৰৰ নামত প্ৰচলিত 'কথা-গুৰু চৰিত'ত[২] ভনীপুৰ আতাৰ পূৰ্বপুৰুষসকলৰ প্ৰব্ৰজনৰ প্ৰসঙ্গত উল্লেখ কৰিছে যে তেওঁলোকৰ পূৰ্বপুৰুষ পূৰ্বে 'চেক্ৰামহাটক্তি নৈ গ্ৰাম'ৰ কলিতা দেশত আছিল। তাৰপৰা "আৱৰ মিৰি চাৰি মাটি মিৰিত্ৰদি অচম দেশ ওলালহি।"[৩] ইয়াতো আবৰ মিৰিৰ কথা উল্লেখ কৰা হৈছে যদিও মিৰি শব্দৰ উৎপত্তি দিয়া

২। 'কথাগুৰুচৰিত' — সম্পাদক : শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰু, ২য় সংস্কৰণ, ১৯৬৪ চন, পৃঃ ৩১৮।
৩। ঐ।



নাই। এই 'মিৰি'য়ে সম্ভৱ পাহাৰী মিৰিসকলক বুজাইছে। পাহাৰী মিৰিক অসমীয়াই 'পানীবটীয়া মিৰি' অৰ্থাৎ পানীৰে অহা মিৰি আৰু 'তৰবটীয়া মিৰি' অৰ্থাৎ থলেৰে অহা মিৰি—এই দুটা ভাগত ভাগ কৰিছে।

অসমত বৃটিছ শাসনৰ কালছোৱাত ইংৰাজ প্ৰশাসক, পৰিব্ৰাজক আৰু নৃতাত্বিকসকলে অন্যান্য জনজাতিৰ লগতে মিৰিসকলৰ বিষয়েও অধ্যয়ন কৰি কিছু গ্ৰন্থ আৰু চৰকাৰী নথি-পত্ৰত লিপিবদ্ধ কৰি থৈ যায়। লোকপিয়লকে আৰম্ভ কৰি বিভিন্ন গ্ৰন্থত তেওঁলোকে মিচিঙৰ পৰিচয় দিয়াৰ লগতে মিৰি নামৰ উৎপত্তিৰ সম্পৰ্কেও ব্যাখ্যা দিবলৈ যত্ন কৰিছে। তাৰে উল্লেখযোগ্য কেইটামান হ'ল :—

(১) Edward Tuite Dalton :

"For long period under the Assam Government, the Miris managed to keep themselves the entire trade between Assam and the Abors; and as being thus the only medium of communication between the two peoples, they obtained the name Miri, which means mediator or go-between, and is the same word as 'Miria' or 'Milia' used with the same signification in Orissa. Perhaps the 'meriah' applied to the sacrifice of the Khunds is a cognate word, the 'meriah' being the messenger or mediator between man and the deity."[৪]

(২) Census of India, Assam : 1881.

"The accepted explanation of the name Miri is that it is an Assamese word signifying a go-between, and that it was applied to this section of the northern hill people in their special character as traders and interpreters between the mountains and the plains."[৫]

(৩) L. A. Waddell.

"They call themselves 'Mi-shing', but are known to the Assamese as 'Miri'. The Daflas call the hill Miris 'Chi-mur'.[৬]

(৪) Sir Athelstane Baines :

"It is advisable to note that the name of Miri which means middle-man in Assamese, is not known to the tribe itself".[৭]

(৫) Assam District Gazetteer :

"The Miris living in the plains are reverian people dwelling on the Brahmaputra and its tributories, and called themselves Mishing, 'Miri' being the Assamese word for go-between or interpreter".[৮]

(৪) Descriptive Ethnology of Bengal— Edward Tuite Dalton, First ed. 1872, reprint 1973, p. 29.
(৫) Census of India, Assam : 1881 ; Vol. III, Section 150.
(৬) The Tribes of the Brahmaputra Valley,— L. A. Waddell, First ed. 1901, reprint 1975. p. 57.
(৭) Ethnography— Sir Athelstane Baines, p. 127.
(৮) Assam District Gazatteer, Sadiya and Balipara Frontier Tract Gazatteer, Part I & III, chap. IV, p. 23.

(ঙ) E. A. Gait :
"They ( the Miris ) act as a channel of communication with the Abors and from this circumstances the name by which they are known in Assam, which means a 'go-between'."[৯]

(চ) B. C. Allen ৰ গেজেটিয়াৰতো সেই একেটা মতকেই সমৰ্থন কৰিছে। এই মতামতসমূহৰপৰা এইকেইটা অনুসিদ্ধান্ত গ্ৰহণ কৰিব পৰা যায় :—
(ক) অসম আৰু আবৰ বা আদিসকলৰ লগত যোগসূত্ৰ ৰক্ষাকাৰী হিচাপে মিচিংসকলে মধ্যস্থ লোক বা ব্যাখ্যাকাৰী— এই অৰ্থত মিৰি নাম পাইছিল ; (খ) মিৰিসকলে নিজকে মিচিং বুলি কয় ; (গ) মিৰি নামটো অসমীয়া মানুহে দিয়া বা অসমীয়া শব্দৰপৰা অহা ; (ঘ) মিৰি শব্দৰ অৰ্থ মধ্যস্থ লোক বা ব্যাখ্যাকাৰী ; (ঙ) মিৰি শব্দৰ অৰ্থ পুৰোহিত।

মিচিংসকলক মিৰি অৰ্থাৎ মধ্যস্থ লোক বা ব্যাখ্যাকাৰী বুলি আখ্যা দিয়াৰ কাৰণ— তেওঁলোকে বহুকালৰ আগৰপৰাই অসমত বসবাস কৰি অসমীয়া মানুহৰ সান্নিধ্যলৈ আহি অসমীয়া ভাষা আয়ত্ত কৰি লৈছিল। আনহাতেদি মিচিং আৰু আদি ভাষা প্ৰায় অভিন্ন হোৱাৰ কাৰণে আদি ভাষাও সহজে ক'ব পাৰে। অসমৰ লোকে আদি ভাষা, বা আদিয়ে অসমীয়া ভাষা ক'ব নোৱাৰাৰ হেতুকে এই দুয়ো জাতিৰ লগত সংযোগ-সূত্ৰ হিচাপে কাম কৰিবলগীয়া হৈছিল মিচিংসকলে। আহোম ৰাজত্বৰ সময়ত আদি বা আবৰসকলে বহুবাৰ আহোম ৰাজ্যত আৰু আহোম প্ৰজাক উপদ্ৰৱ কৰাৰ কথা বুৰঞ্জীসমূহত উল্লেখ আছে। আহোম ৰজাসকলে আদিসকলক যুদ্ধৰ জৰিয়তে শান্ত কৰিব বা বশ্যতা স্বীকাৰ কৰাব পৰা নাছিল। বশলৈ আনিব নোৱাৰাৰ বাবেই আদিক আবৰ [অৰ্থাৎ যাক ধৰিব নোৱাৰি, বা বশ কৰিব নোৱাৰি] বুলি কোৱা হৈছিল।[১১] পাছলৈ আহোম ৰজাসকলে আবৰৰ লগত মিত্ৰতা স্থাপন আৰু মুকলিকৈ বাণিজ্যিক লেন-দেনৰ যোগেদি শান্তি স্থাপন কৰি শান্তিপূৰ্ণ সহাৱস্থানৰ কামনা কৰিছিল। এই কাৰ্যত আদি আৰু অসমীয়া ভাষা জনা আহোম ৰাজ্যৰ অন্তৰ্গত মিচিংসকল বিশেষভাৱে সহায়ক হৈছিল।[১২] ৰাজনৈতিক, সামাজিক, বাণিজ্যিক সকলো দিশতে মিচিংসকলে ভাষাৰ ব্যাখ্যাকাৰী ( সেই সময়ত ইয়াৰ নাম কটকী ) হিচাপে কাম কৰিছিল। গতিকে দুয়ো জাতিৰ মাজৰ মধ্যস্থ লোক বা ব্যাখ্যাকাৰী আখ্যা পোৱা মিচিংকেই মিৰি বুলি কোৱা হৈছিল। আহোম ৰাজত্বৰ পাছত বৃটিছ শাসনৰ সময়তো মিচিংসকলে সেই একে ধৰণৰ দ্বিভাষী, তৰ্জমাকাৰী বা ব্যাখ্যাকাৰী হিচাপে কাম কৰিছিল। গতিকে ইংৰাজ লেখকসকলৰ দৃষ্টিতো মিৰিসকল ব্যাখ্যাকাৰী বা মধ্যস্থ লোক হিচাপেই পৰিচিত হৈ থাকিল।

মধ্যস্থ লোক বা ব্যাখ্যাকাৰী হিচাপে কাম কৰি মিচিংসকলে মিৰি নাম পোৱাটো নিশ্চিত যদিও ওপৰৰ মন্তব্যসমূহৰপৰা মিৰি শব্দৰ ব্যুৎপত্তি পোৱা নাযায়। অসমীয়া মানুহে মিচিংক মিৰি বুলি আখ্যা দিলেও নাইবা মিৰি শব্দ অসমীয়াৰ পৰা অহা বুলি কলেও নিঃসন্দেহ হ'ব পৰা নাযায়। কিয়নো অসমীয়া বা সংস্কৃতত মিৰি শব্দৰ ব্যুৎপত্তি

৯। A History of Assam — Sir E. A. Gait, 3rd Ed. 1963, P. 373.
১০। B. C. Allen's Gazetteer, Chapter III, P. 23.
১১। Aspects of Padam Minyong Culture — Sachin Roy, Shilong, 1966, P. 2.
১২। Anglo Assamese Relations — S K Bhuyan, Gauhati, 1949, P. 39.



দেখুৱাব পৰা নাযায়। 'হেমকোষ' বা 'চন্দ্ৰকান্ত' অভিধানত মিৰি শব্দৰ ব্যুৎপত্তি দিয়া নাই। মিৰি শব্দ মূলতে অসমীয়া বা তৎসম নহয়। আনহাতে মিচিঙে নিজকে মিৰি বুলি চিনাকি নিদিয়ে ; মিৰিৰ পৰিবৰ্তে মিচিং বুলিহে পৰিচয় দিয়ে। অৰ্থাৎ মিৰি শব্দ মিচিং ভাষাৰো নহয়। তেন্তে এই মিৰি শব্দ ক'ৰপৰা আহিল ?

মিৰি জাতিৰ পৰিচয় আৰু মিৰি শব্দৰ উৎপত্তি সম্পৰ্কে সোণাৰাম পাঞ্চাং কটকীয়ে তেওঁৰ 'মিৰি জাতিৰ বুৰঞ্জী' নামৰ পুথিত কৈছে— "প্ৰকৃততে মিৰি বুলি এটা জাতি নাই। মিচিং নামৰ জাতি-টোকে ভৈয়ামত মিৰি বোলে।"[১৩] ... ... ... "মিৰিসকলে আগেয়ে মৃগ মাৰিব পাৰিছিল আৰু মাৰিছিলো দেখি পূৰ্বে আহোম ৰজাসকলে মৃগৰ দেশ বুলিছিল বুলি বুঢ়াসকলে কয়, আৰু হেনো এই মিৰি শব্দ মৃগ শব্দৰেপৰা ওলোৱা।"[১৪] পাঞ্চাং কটকীৰ এই মত গ্ৰহণযোগ্য নহয়। তেওঁৰ পুথিখনক বুৰঞ্জী বুলি কোৱা হৈছে যদিও বুৰঞ্জীৰ প্ৰকৃত সমল, আন কি কোনো চন-তাৰিখেই পুথিখনত নাই। তাত উল্লেখিত বেছিভাগ তথ্যই ভ্ৰান্তিমূলক। আন-হাতে, মৃগ শব্দৰপৰা মিৰি শব্দ অহাটো সম্ভৱপৰ নহয়; কিয়নো, মৃ > মি হলেও গ > ৰলৈ ধ্বনি-পৰিবৰ্তন হোৱা উদাহৰণ বিৰল। 'আসাম বুৰঞ্জী'ত গুণাভিৰাম বৰুৱাই 'মিকিৰ' শব্দ 'শাখামৃগ' বা 'মৰ্কট' শব্দৰেই অপভ্ৰংশ[১৫] বুলি কোৱা কথাৰ লগত পাঞ্চাং কটকীৰ বক্তব্যৰ মিল দেখা যায়। সম্ভৱ মিৰি, মিকিৰ ধ্বনি দুটাৰ সাদৃশ্য থকাৰ বাবে দুয়োটা শব্দকেই মৃগ, শাখামৃগ বা মৰ্কট শব্দৰপৰা উৎপত্তি হোৱা বুলি সেই সময়ত ধাৰণা কৰিছিল।

নগেন্দ্ৰ নাথ বসুৱে তেওঁৰ The Social History of Kamarupa নামৰ গ্ৰন্থত মিৰি শব্দৰ ব্যুৎপত্তি দেখুৱাবলৈ যত্ন কৰিছে। তেওঁৰ মতে মিচিমিসকলক বুজোৱা 'মিধি' শব্দৰপৰা মিৰি আহিছে। তেওঁৰ এই যুক্তিৰ প্ৰধান ভেটি হৈছে— উত্তৰ-পূব অঞ্চলত থকা অ'কা, আবৰ, মিৰি, মিচিমি আদি জনজাতিৰ মাজত প্ৰাচীন বৈদিক আৰ্য সংস্কৃতিৰ প্ৰভাৱ; বিশেষকৈ মিচিমিসকলৰ আচাৰ-ৰীতি, পূজা-পাতল, বলি-যজ্ঞ, পৰশুৰামকুণ্ড দৰ্শন ইত্যাদিত বসুৱে বৈদিক প্ৰভাৱ দেখা পাইছে। এনে ধাৰণাৰ বশৱৰ্তী হৈয়ে তেওঁ কৈছে যে প্ৰাচীন কালত উত্তৰ-পূবৰ এই জনজাতি-অধ্যুষিত অঞ্চ-ললৈ বৈদিক আৰ্য সংস্কৃতিৰ প্ৰভাৱ বিস্তাৰিত হৈছিল আৰু মিচিমিসকলক বুজোৱা 'মিধি' শব্দক সংস্কৃতীয়া কৰি 'মেধিন্' বা 'গৃহমেধিন্' শব্দৰ অপভ্ৰংশ বুলি অভিমত পোষণ কৰিছে।[১৬] মিচিমিৰ লগত আবৰ আৰু মিৰিৰ আচাৰ-ৰীতিৰ মিল থকাৰ বাবে তেওঁ-লোককো সমগোত্ৰীয় বুলি ধৰি লৈ পৰৱৰ্তী কালত আচাৰ-ৰীতিৰ পৰিৱৰ্তনৰ লগে লগে মিধি শব্দও মিৰিলৈ পৰিৱৰ্তিত হ'ল বুলি তেওঁ থিৰাং কৰিছে।

নগেন্দ্ৰনাথ বসুৰ এই যুক্তি সবল আৰু সৰ্বজনগ্ৰাহ্য নহয়। প্ৰথম কথা— সুদূৰ অতীতত বৈদিক সংস্কৃতিয়ে উত্তৰ-পূব অঞ্চলৰ জনজাতিসকলক প্ৰভাৱান্বিত

১৩। মিৰি জাতিৰ বুৰঞ্জী — সোণাৰাম পাঞ্চাং কটকী, ১৯৩৫ চন, পৃঃ ১।
১৪। ঐ — পৃঃ ৭৬।
১৫। আসাম বুৰঞ্জী — গুণাভিৰাম বৰুৱা, পুনৰ্মুদ্ৰণ, ১৯৭২, পৃঃ ১৬।
১৬। The Social History of Kamarupa — Vol. I, Nagendra Nath Basu, Calcutta, 1922, P. 89

কৰা কথাটো ধুৱলি। ফালৰপৰা অতি কষ্টসাধ্য। মিচিমিসকলৰ মাজত বৈদিক আচাৰ-ৰীতিৰ লগত সাদৃশ্য থকা যি আচাৰ-ৰীতি বসুৱে দেখিছে, সি স্বতঃস্ফূৰ্ত; প্ৰভাৱৰ কাৰণে নহয়। তদুপৰি কেইবছৰমানৰ আগতে অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ কোনো কোনো অঞ্চলত পুৰাতত্ত্বৰ খনন-কাৰ্য চলাই ভাৰত-মঙ্গোলীয় আৰু ভাৰত-আৰ্য সংস্কৃতিৰ সংমিশ্ৰণৰ যি কিছু সন্ধেদ পোৱা গৈছে,[১৭] তাৰদ্বাৰাও বসুৰ মতক সম্পূৰ্ণৰূপে সমৰ্থন কৰিব পৰা সমল আহৰণ কৰিব পৰা হোৱা নাই। বসুৰ বহু যুক্তি অনুমান-ভিত্তিক যেন ধাৰণা হয়। মিচিমিসকলৰ আচাৰ-ৰীতিৰ সম্পৰ্কে আমাৰ যি সাধাৰণ অভিজ্ঞতা হৈছে, তাৰপৰাই এই কথা ন-দি কব কব পাৰি যে মিচিমিৰ মাজত বৈদিক সংস্কৃতিৰ প্ৰভাৱ নাই। মিচিমিসকল বৈদিক আচাৰ-ৰীতিৰ বিষয়ে সম্পূৰ্ণ অজ্ঞ। গতিকে বসুৱে কোৱা প্ৰভাৱ সম্পৰ্কে সন্দেহাতীতভাৱে যুক্তিৰ সমল দাঙি ধৰিব নোৱাৰিলে কেৱল সাদৃশ্যৰ বাবেই কোনো এটা স্বতন্ত্ৰবীয়া সংস্কৃতিক আনৰ প্ৰভাৱৰ ফল বুলি ঘোষণা কৰিব নোৱাৰি। এতেকে বৈদিক মেধিন্ বা 'গৃহমেধিন্' শব্দৰপৰা 'মিধি' শব্দ অহাটো যুক্তিসঙ্গত নহয়। এটা সময়ত অসম আৰু ইয়াৰ নিকটৱৰ্তী অঞ্চলৰ জনজাতিৰ সংস্কৃতিক আৰ্যীকৰণ (Aryanisation) কৰি অনাৰ্য শব্দসমূহকো সংস্কৃতীয়া কৰাৰ প্ৰবল সোঁত বৈছিল। সম্ভৱ বসুৰ মতো তেনে ধাৰণাৰ ফল।

অনাহাতেদি, আদি আৰু মিচিঙে মিচিমিক 'মিদি' বুলি কয়। মিদি শব্দৰ অৰ্থ মি = মানুহ, দি < আদি = পাহাৰ— অৰ্থাৎ পাহাৰীয়া মানুহ। পাহাৰত থকা বেছিভাগ জাতিয়েই নিজক 'পাহাৰী মানুহ' বুলি পৰিচয় দিয়ে। আদিসকলে নিজকে 'আদি' অৰ্থাৎ পাহাৰৰ মানুহ বুলি পৰিচয় দিয়াৰ দৰে মিচিং আৰু আদিয়েও মিচিমিক 'মিদি' বুলি কয়। আদি—মিচিং ভাষাত ঘোষ মহাপ্ৰাণ অৰ্থাৎ ঘ, ধ, ভ ধ্বনিৰ উচ্চাৰণ নাই। মিচিমি ভাষাত আছে। গতিকে 'মিদি' শব্দই মিচিমিত 'মিধি' ৰূপত উচ্চাৰিত হ'ব পাৰে। বসুৰ যুক্তি সমৰ্থন কৰিলে গৃহমেধিন্, মেধিন্ > মিধি > মিদি > মিৰি এইদৰে শব্দ-গঠন দেখুৱাব পৰা গ'লহেঁতেন।

কিন্তু এইদৰে শব্দৰ গঠন দেখুৱালে অৰ্থৰ ঐক্যসূত্ৰ নাথাকে। তদুপৰি মিদি > মিৰি নহয়। আদি-মিচিং ভাষাত দ > ৰলৈ পৰিবৰ্তন হোৱা উদাহৰণ বিৰল।[১৮] গতিকে মিধি > মিদি > মিৰি হ'ব নোৱাৰে। গতিকে বসুৰ বৈদিক সংস্কৃতিৰ কালক্ৰমৰ পৰিৱৰ্তনৰ ফলত মিধিৰপৰা মিৰি হৈছে বুলি আগবঢ়োৱা যুক্তি গ্ৰহণযোগ্য নহয়। তদুপৰি মিদি শব্দেৰে কেৱল মিচিমিকহে বুজোৱা হয়। মিচিঙক মিধি বা মিদি বুলি কোৱা নহয়। আচাৰ-বিচাৰৰ ক্ষেত্ৰতো মিচিং আৰু মিচিমিৰ মাজত যথেষ্ট পাৰ্থক্য দেখা যায়। মিচিং সংস্কৃতিত বৈদিক কোনো আচাৰ-ৰীতি পৰিলক্ষিত নহয়। গতিকে সংস্কৃতিৰ প্ৰভাৱৰ ফলস্বৰূপে মিধি > মিদি > মিৰি হোৱাটো সম্ভৱপৰ নহয়।

১৭। Archaeological Exploration in N.E.F.A., A Prelude — Sunirmal Dutta Chaudhury, in NEFA Information, Vol. III for Dec. 1968.

১৮। মিচিং ভাষাৰ বহুবচনৰ প্ৰত্যয় 'বোৰ' অৰ্থত কুদুং আৰু কুৰুং ব্যৱহাৰ হয়। কিন্তু ইয়াৰ দ > ৰ, বা ৰ > দলৈ পৰিবৰ্তন বা বিকল্প প্ৰয়োগ হোৱা নাই। দুয়োটাই সুকীয়া শব্দ। গতিকে কুদুং > কুৰুং হৈছে বুলি দেখুৱাব নোৱাৰি।



মিচিং লেখক শ্ৰীতৰুণ চন্দ্ৰ পামেগাম আৰু ডাঃ নোমল চন্দ্ৰ পেগুৱে মিৰি শব্দ মিচিংসকলৰ পুৰোহিতক বুজোৱা 'মিৰু'ৰপৰা অহা বুলি অভিমত পোষণ কৰে। পামেগামৰ মতে "আদিতে এই দেওধাইসকলেই মিৰিসকলৰ পুৰোহিতৰ কাম কৰিছিল আৰু সমাজৰ সকলো কাম দেউধাইৰ দিহা-পৰামৰ্শমতে হৈছিল। এই 'মিৰি' (মি-ৰ-উ) শব্দৰপৰাই 'মিৰি' হোৱা বুলি ধৰি ল'ব পাৰি।"[১৯] আৰু ডাঃ পেগুৰ মতে "The proposition that the word Miri is derived from the improper intonation of the word 'Mirui'— an ambiguous term denoting the socio-religious functions prevalent among the Pasi-Minyongs, the Padams, the Galongs of the Abor Hills, and the Mishings of the plains is generally agreed upon to be genuine."[২০] ইয়াত দেখা গৈছে যে পেগু আৰু পামেগাম দুয়োজনেই মিৰি শব্দৰ উৎপত্তিৰ সম্পৰ্কত ঐকামত্যত উপনীত হৈছে। উল্লেখযোগ্য যে মিচিংসকলৰ পুৰোহিতক বুজোৱা মিৰি বা মিৰু[২১]ৰ দ্বিতীয় অক্ষৰৰ উচ্চাৰণ অসমীয়া ভাষাত বা ভাৰতীয় আৰ্য ভাষাত নাই। তিব্বত-বৰ্মীয় ভাষাসমূহত এই উচ্চাৰণ আছে। এই ধ্বনিৰ উচ্চাৰণ-স্থান উচ্চ-কেন্দ্ৰীয় স্বৰধ্বনি, (high-central vowel) অসমীয়া-ভাষীয়ে সচৰাচৰ এই ধ্বনিৰ উচ্চাৰণৰ লগত পৰিচিত নোহোৱাৰ বাবে ইয়াক উচ্চাৰণ কৰিবৰ সময়ত 'ই' ধ্বনিৰ দৰে কৰে। ফলত 'মিৰু (মইৰঅ)'ৰ উচ্চাৰণ মিৰি হ'লগৈ। এই মিৰু শব্দৰ অৰ্থ আদি-মিচিং সমাজৰ পূজা-পাতলৰ পুৰোহিত বা দেওধাই। পামেগাম আৰু পেগুৰ মতৰ লগত ডেল্টনে উড়িষ্যাৰ খুণ্ডসকলৰ পুৰোহিত 'মেৰিয়া' শব্দৰ লগত তুলনা দেখুওৱাটো প্ৰায় সমপৰ্যায়ৰ।[২২]

অসমৰ উত্তৰ-পূৰত থকা অৰুণাচল প্ৰদেশৰ আঁকা, বা হ্ৰুচু, ডফলা বা নিচি, আবৰ বা আদি, মিৰি বা মিচিং আৰু মিচিমিৰ মাজত প্ৰচলিত ধৰ্মীয় আচাৰ-পদ্ধতিত মিৰু বা দেওধায়ে প্ৰধান ভূমিকা গ্ৰহণ কৰে। পূজা-পাতল, যাগ-যজ্ঞ, উৎসৱ-পাৰ্বন, জ্বৰ-নৰিয়া, মঙ্গল-অমঙ্গলৰ গণনা আদি সকলো ধৰণৰ কাৰ্যত মিৰু বা দেওধাই অপৰিহাৰ্য। আন কি সামাজিক, সাংস্কৃতিক আৰু সমাজৰ সাংগঠনিক দিশতো মিৰুয়ে সমাজৰ প্ৰধান ব্যক্তি হিচাপে কাম কৰে। অৰুণাচল প্ৰদেশৰ যিবোৰ জনজাতিয়ে মিৰুৰ এই পৌৰোহিত্য স্বীকাৰ কৰে, তেওঁলোকে নিজকে 'তানি' (আবতানি নামৰ পূৰ্বপুৰুষৰ বংশধৰ), 'আমি' (মানুহ), বা মি,-নি,-ঞি- (অৰ্থ = মানুহ) বুলি পৰিচয় দিয়ে। এই মানুহবাচক ধাতুৰ প্ৰথম অক্ষৰ মি-, নি-, ঞি-ৰ লগত পৰসৰ্গ বা প্ৰত্যয় সংযোগ কৰি আন আন শব্দ গঠন কৰে। সম্ভৱতঃ মিৰু শব্দ মি (মানুহ) + ৰু < অৰু, অৰুচাং = জঁকি উঠা, কঁপি উঠা, পকা, ৰঙা হোৱা ইত্যাদি

১৯। 'মিৰি বা মিচিং' প্ৰবন্ধ— তৰুণ চন্দ্ৰ পামেগাম। মূল গ্ৰন্থ 'অসমৰ জনজাতি', সম্পাদক, ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, ১৯৬২ চন, পৃঃ ১৫৫।

২০। The Miris or the Mishings of the Brahmaputra Valley— Dr. Nomal ch. Pegu, 1956, P. 4

২১। এই উচ্চ-কেন্দ্ৰীয় স্বৰধ্বনিৰ প্ৰতীক হিচাপে অসমীয়া বৰ্ণমালাৰ 'অ' ধ্বনিৰ লগত ঋ-কাৰ যোগ দি 'অৃ' কৰা হৈছে। দ্ৰষ্টব্য — 'মিচিং ভাষাৰ লিপি' — নাহেন্দ্ৰ পাদুন : গুৱাহাটী মিচিং কৌবাঙৰদ্বাৰা প্ৰকাশিত। ১৯৭০ চন।

২২। ডেল্টনৰ মত আগতে উনুকিয়াই অহা হৈছে।

অৰ্থত গঠিত হৈছে। মিবু বা দেওধায়ে প্ৰাচীন গীত-পদ আওৰাই এক আধিদৈৱিক শক্তি লাভ কৰে। এনে আধিদৈৱিক শক্তি লাভ কৰাৰ সময়ত দেওধাই কঁপি বা জ'কি উঠে আৰু তেওঁ ইহ-সংসাৰৰ সকলো পাৰ্থিৱ কথা পাহৰি যায়, মুখেৰে পাৰলৌকিক জীৱন আৰু অৱস্থাৰ বিষয়ে ভবিষ্যদ্বাণী কৰে। জ'কি উঠা বা কঁপি উঠাৰ বাবে বোধকৰোঁ মি-বু অৰ্থাৎ জ'কি উঠা ব্যক্তি বুলি নামকৰণ কৰা হৈছে। আদি-মিচিং ভাষাত মিবুক 'মিবু' বুলিও কোৱা হয়। মিবু = মি = মানুহ, বু < আবু = পিতৃ = মানুহ জাতিৰ পিতৃ। মঙ্গলামঙ্গল, জ্বৰ-বেমাৰ, অপায়-অমঙ্গল, সকলো ধৰণৰ অমঙ্গলৰ নিবাময়ৰ বিধান দিওঁতা হিচাপে মিবু বা মানুহ জাতিৰ পিতৃ বুলি কোৱা হৈছে। মিবু বা মিবুৰ কাৰ্য অনুযায়ী কেইবাটাও শ্ৰেণী-বিভাগ আছে। আদি সমাজত পনুং নৃত্য, চলুং, আৰাণ আদি উৎ-সৱৰ গীতৰ প্ৰধান সূত্ৰ ধৰোঁতাজনক আদি ভাষাত 'মিৰি' বোলে। এই 'মিৰি'ও মিবু-মিবুৰেই অপ-ভ্ৰংশ। হ্ৰুচু, নিচি, আদি, মিচিমিয়ে মিবু বা মিবুক — নিবু, ক্ৰিবু,[23] মিবু[24], ন্যিবু, ন্যিব, মুগউ[25] বোলে। আদি-মিচিং ভাষাৰ এই মিবু শব্দয়েই অসমীয়া মানুহৰ উচ্চাৰণত কিছু বিকৃতি ঘটি মিৰি হৈছে।

মিবুয়ে গাঁওখনৰ প্ৰধান পুৰোহিতস্বৰূপে প্ৰতি পত্তি লাভ কৰাৰ পাছত সামাজিক সংগঠনৰ দিশতো তেওঁ কেতিয়াবা গাম বা গাঁওবুঢ়াৰ দৰে কাম কৰিবলগীয়া হয়। বহু ঠাইত মিবুয়েই গাম বা গাঁওবুঢ়া হয়। কোনো এখন আদি-মিচিং গাঁৱৰ লগত মেল মোকৰ্দমা বা অন্যান্য যোগাযোগৰ সম্পৰ্ক ৰাখিবলগীয়া হ'লে গাম আৰু মিবুৰ সৈতে যোগা-যোগ কৰিবই লাগিব। গতিকে গাঁৱৰ মধ্যস্থ লোক হিচাপেও মিবুয়ে কাম কৰে। সম্ভৱ সেই কাৰণেই 'মিৰি'ৰ অৰ্থ মধ্যস্থ লোক বা ব্যাখ্যাকাৰী বুলি কোৱা হৈছে।

এইখিনিতে প্ৰশ্ন হয়, এক শ্ৰেণী পুৰোহিতক বুজোৱা এই মিবু শব্দৰপৰা কেনেকৈ সমগ্ৰ জাতিটোক বুজোৱা হ'ল? এই সম্পৰ্কে কোনো কোনো সংস্কৃতিবান আৰু বয়সস্থ মিচিং লোকে কয় যে মিচিংসকলে পাহাৰৰপৰা ভৈয়ামলৈ নামি অহাৰ পাছতো তেওঁলোকৰ ধৰ্মীয় আচাৰ-ৰীতি, সামাজিক কৰ্ম আদি মিবুৰ নেতৃত্বাধীনত কৰিছিল। নতুনকৈ অহা মিচিং জাতিক অসমৰ মানুহে ন-কৈ পৰিচিত হৈ তেওঁলোকৰ নেতাৰ নাম, জাতিৰ নাম, ধৰ্মৰ বিষয়ে সোধাত তাৰ উত্তৰস্বৰূপে মুখিয়াল ব্যক্তি মিবু বুলি ক'লে। স্থানীয় মানুহে এই মিবু শব্দকেই জাতিৰ নাম বুলি ধৰি লৈ মিৰি উচ্চাৰণ কৰি জাতিৰ নামত আৰোপ কৰে।[26] তেতিয়াৰ-পৰাই মিবু শব্দ বিকৃত উচ্চাৰণত মিৰি হৈ জাতিটোক বুজাবলৈ ব্যৱহৃত হয়।

২৩। 'A note on the Dafla Spirit world'— Padmadhar Saikia, in Bulletine of the De-Partment of Tribal Culture & Folklore Research, G. U., 1962, PP. 58, 59, 60.

২৪। Aspects of Padam-Minyong Culture— Sachin Ray, Shillong, 1966, P. 233.

২৫। The Akas— Raghuvir Sinha, Shillong, 1962, P. 113.

২৬। The Derivative meaning of Miri ( Mishing ) — T. Rukbo, in N E F A information, Shillong, 1969, Vol. III, No. 8, P. 22. আৰু লেখকৰ নিজৰ ক্ষেত্ৰ-কৰ্মৰ অভিজ্ঞতাৰপৰা সংগৃহীত।





শেহান্তৰত ইয়াকে ক'ব পাৰি যে মিৰি নাম বা শব্দ অসমীয়া মানুহে দিয়া হ'লেও প্ৰকৃততে মিচিং ভাষাৰ মিবু শব্দৰপৰাহে আহিছে। মিবু শব্দয়েই উচ্চাৰণৰ বিকৃতি ঘটি মিৰি হ'ল। মিবু বা মিৰি শব্দই প্ৰথমে মিচিংসকলৰ পুৰোহিতক বুজাইছিল; কিন্তু কালক্ৰমত এই শব্দই জাতিটোক বুজোৱাত প্ৰয়োগ হ'ল। অনা-মিচিং লোকে বহুদিন মিৰি শব্দেৰে মিচিঙক বুজাবলৈ ব্যৱহাৰ কৰাৰ বাবে অভ্যস্ত হৈ মিচিঙেও নিজকে মিৰি শব্দেৰে পৰিচয় দিয়া হ'ল।

পৰিশিষ্ট :

( ক ) বৃটিছ শাসনৰ সময়ছোৱাতে দুই-এজন মিচিং ব্যক্তিয়ে শিক্ষা-দীক্ষা লাভ কৰি আন আন ব্যক্তিৰ দৰে তেওঁলোকৰ নামৰ পিছত মিৰি শব্দটো উপাধি হিচাপে ব্যৱহাৰ কৰিছিল।[27] সাধাৰণতে মিচিঙে নিজৰ নামৰ পিছত নিজৰ গোত্ৰ বা বংশৰ (lineage) নাম উপাধি হিচাপে ব্যৱহাৰ কৰে। মিৰি শব্দ উপাধি হিচাপে ব্যৱহাৰ—কছাৰী, বড়ো, সোণোৱাল, দেউৰী আদি ব্যৱহাৰ কৰাৰ সাদৃশ্যতেই কৰা হৈছিল।

( খ ) মিৰি নামটো দুটা জনজাতিত আৰোপিত হৈছে। ভৈয়ামৰ মিৰি আৰু পাহাৰৰ মিৰি। ভৈয়ামৰ মিৰি বুলিলে অসমৰ মিচিংসকলক বুজায়। অৰুণাচল প্ৰদেশৰ সোৱণশিৰি আৰু কামেং জিলাত থকা এটা পাহাৰীয়া জনজাতিক পাহাৰী মিৰি বা Hill Miri বুলি কোৱা হয়। এই দুয়োটা জন-জাতিৰ ক্ষেত্ৰত মিৰি নামটো প্ৰয়োগ হ'লেও পাহাৰৰ মিৰি আৰু ভৈয়ামৰ মিৰি একে নহয়। নৃ-তাত্ত্বিক বিচাৰত দুয়োটা জনজাতিয়েই মঙ্গোলীয় যদিও পাহাৰী মিৰি আৰু ভৈয়ামৰ মিৰি বা মিচিঙৰ মাজত সাংস্কৃতিক পৰম্পৰা বা যোগসূত্ৰ নাই। তাৰ পৰিবৰ্তে মিচিংসকলে আদি বা আবৰসকলকহে নিজৰ ভাতৃ বুলি পৰিচয় দিয়ে আৰু তেওঁলোকৰ সৈতে আজিও সাংস্কৃতিক সম্পৰ্ক ৰক্ষা কৰি আছে।

১৯১১ চনত 'মিৰি মিছন' অভিযানৰ আগলৈকে পাহাৰী মিৰিৰ বিষয়ে একো জানিব পৰা নাছিল।[28] ইয়াৰ বহু বছৰৰ পাছত Dr. V. C. Furer-Haimendorf-এ মিৰি-ৰাজ্যত প্ৰথমে প্ৰৱেশ কৰে।[29] পাহাৰী মিৰিক মিৰি বুলি কোৱাৰ কাৰণো অজ্ঞাত। সম্ভৱতঃ এই মিৰি নামটোও ভৈয়ামৰ অসমীয়া মানুহে দিয়া। ভৈয়ামৰ মিৰিৰ লগত আচাৰ-ৰীতিৰ মিল দেখি, তেওঁলোকক একে জাতিৰ মানুহ হিচাপে গণ্য কৰি অসমীয়া মানুহে এই পাহাৰী জাতিটোক পাহাৰী মিৰি বুলি আখ্যা দিছিল।[30]

( গ ) ভৈয়ামৰ মিৰি সাধাৰণভাৱে মিৰি বুলিয়েই জনাজাত। এতিয়া মিৰিৰ পৰিবৰ্তে মিচিং শব্দৰ প্ৰয়োগ হৈছে। আহোম ৰাজত্বৰ সময়ৰপৰাই মিৰি নামটো প্ৰয়োগ হৈ আহিছে। বৃটিছ ৰাজত্বৰ সময়তো মিৰি নামেই জনপ্ৰিয়তা লাভ কৰিছিল আৰু সেই বাবেই পুৰণি অসমীয়া গ্ৰন্থ আৰু ইংৰাজসকলৰ ৰচনাত এই মিৰি নামেৰেই মিচিংসকলক উল্লেখ কৰি আহিছে। ০ ০ ০

২৭। যেনে :- কমলা মিৰি : স্বাধীনতাৰ স্বহীদ ; মুহিচন্দ্ৰ মিৰি : মিচিংসকলৰ ভিতৰত প্ৰথম বিজ্ঞানস্নাতক।

২৮। A Philosophy for NEFA — V. Elwin, Shillong, 1964, P. 15.

২৯। ঐ

৩০। The Apatanis and their Neighbours — C. Von. Furer-Haimendorf, London, 1962, P. 10.

# ‘মিচিং আগম্’

শ্ৰীভীমকান্ত বৰুৱা

নৈ-পৰীয়া মিচিংসকল তিব্বতবৰ্মী ভাষা-পৰিয়ালৰ। এই তিব্বতবৰ্মী ভাষাৰ মূল হ’ল চীন-তিব্বতী বা কিৰাত। তিব্বতবৰ্মীয় শাখাৰ তিনিটা প্ৰধান উপ-শাখা হ’ল— (ক) তিব্বত-হিমালয়ী (খ) উত্তৰ-অসম শাখা (গ) অসম-বৰ্মা শাখা। উত্তৰ-অসম শাখাক উত্তৰ-পূব সীমান্ত শাখা বুলিও কোৱা হয়। এই উত্তৰ-পূব সীমান্ত শাখাটোত অঁকা, ডফলা বা নিচি, আদি, মিৰি বা নিচিমিৰি, মিচিং, মিচিমি, চিংফৌ, আপাটানি, গালং, মিঞং, পাদাম, টাগিন্ ইত্যাদি ভাষাবোৰ পৰে। গতিকে ‘মিচিং আগম্’ বা ‘তানি আগম্’ উত্তৰ-পূব সীমান্ত শাখা বা উত্তৰ-অসম শাখাৰ অন্তৰ্গত।

‘মিচিং আগম’ৰ নিজা লিপি নাই। নগা জনজাতি সকলৰ দৰেই মিচিংসকলেও বিশ্বাস কৰে যে তেওঁ-লোকৰ লিপি মূলতে আছিল আৰু তাক জন্তুৰ ছালত লিখি ৰখা হৈছিল। কিন্তু সেই জন্তু মাৰি খোৱাত তেওঁলোকৰ নিজা লিপি হেৰাই গ’ল। যিহেতু তেওঁলোকৰ নিজা লিপি নাই, গতিকে সেই ভাষাত লিখিত সাহিত্যও সৃষ্টি হোৱা নাই। তথাপি মিচিং ব্যক্তি কেইজনমানে অসমীয়া লিপিৰ জৰিয়তে মিচিং ভাষাক প্ৰকাশ কৰিবলৈ যত্ন কৰিছে।

তাৰ ভিতৰত ৺সোণাৰাম পাঞ্চাঙৰ ‘মিৰি দোৱান’ (১৯১৫ চন) খনেই প্ৰথম। পাণ্ডিত কমল চন্দ্ৰ পাঙ্‌নৰ ‘মিচিং পাঠ’ (ডুমডুমা সাহিত্য সভা, ১৯৫৮ চন) আৰু বিভীষণ পেগুৰ ‘মিৰি দোৱান’ বা ‘মিচিং আগম্’ (চকুৱাখানা, ১৯৬৩ চন) উল্লেখযোগ্য পুথি। তদুপৰি বিভিন্ন আলোচনীত দুই-এটা মিচিং ভাষা-সংস্কৃতিৰ প্ৰবন্ধ লক্ষ্য কৰা যায়। এইবোৰৰ লিপি অসমীয়া। কিন্তু অসমীয়া লিপিত ‘মিচিং আগম্’ লিখিবলৈ গ’লে দুটামান নতুন ধ্বনি-প্ৰতীকৰ আৱশ্যক হ’ব। গৱেষণামূলক আৰু বৈজ্ঞানিক পদ্ধতিৰে ‘মিচিং আগম’ৰ ধ্বনি বিচাৰ কৰাৰ ক্ষেত্ৰত নাহেন্দ্ৰ পাঙ্‌নৰ নাম উল্লেখযোগ্য। ‘মিচিং আগম’ৰ ধ্বনি-লিপি বা লিপি ব্যৱহাৰৰ ক্ষেত্ৰত ৰোমক লিপিতকৈ অসমীয়া লিপিৰহে উপযোগিতা বেছি, তাক দোহৰা নিষ্প্ৰয়োজন।

‘মিচিং আগম’ত কেইটামান বিশেষ বৈশিষ্ট্য আছে। তাৰ ভিতৰত ধ্বনিগত বৈশিষ্ট্য হ’ল সাধাৰণ মান-স্বৰতকৈ (cardinal vowels) ইয়াত দুটা অধিক ধ্বনি পোৱা যায়। এটা কেন্দ্ৰীয় উচ্চ (যাৰ প্ৰতীক-চিহ্ন ‘অ্’) আৰু অন্যটো কেন্দ্ৰীয় উচ্চ-মধ্য (যাৰ প্ৰতীকচিহ্ন ‘অা’)। দ্বিতীয়তে, স্বৰধ্বনিসমূহৰ হ্ৰস্ব-দীৰ্ঘ



দুটা ৰূপ পোৱা যায়। দীৰ্ঘ ৰূপটো বুজাবৰ বাবে ধ্বনিৰ সোঁ-কাষে /ː/ দুটা ফুট দিয়া হয়। যেনে (অː)। আকৌ ব্যঞ্জন ধ্বনিসমূহৰ ক্ষেত্ৰত দেখা গৈছে তেওঁলোকৰ মহাপ্ৰাণ ধ্বনি মুঠেই নাই। /য়/ ধ্বনিৰ প্ৰয়োগ শব্দৰ আদি, মধ্য, অন্ত্য কেউটা পৰিবেশতে পোৱা যায়।

‘মিচিং আগম’ৰ ব্যাকৰণৰ কথালৈ আহিলেই প্ৰথম চকুত পৰে ইয়াৰ বাক্য-গঠনৰ ৰীতিটো। প্ৰাথমিক অধ্যয়নৰপৰা দেখা গৈছে বাক্যত কৰ্তা, কৰ্ম, ক্ৰিয়া যথাক্ৰমে প্ৰয়োগ কৰা হয় আৰু তাৰ পিছতেই বাক্যত অন্য অংশ যোগ হয়। উদাহৰণস্বৰূপে, ব় আপুন্ দগেলা ইচ্ কুল্ পে গিকাং (সি ভাত খাই স্কুললৈ গ’ল।) এতিয়া এটা ধাতুৰূপ কৰি চোৱা যাওক। মিচিং আগমত √ইদ্ ধাতুটোৱে অসমীয়া √কৰ্ অৰ্থ বুজায়। তলত বৰ্তমান, অতীত, ভৱিষ্যত আৰু সম্ভাব্য ভূত কালত এই √ইদ্ ধাতুৰ ৰূপ কৰি চোৱা হৈছে:—

বৰ্তমান কাল।

| | একবচন | বহুবচন |
|---|---|---|
| প্ৰথম পুৰুষ | ঙ ইদুং/ইয়ে | ঙলু ইদুং/ইয়ে |
| দ্বিতীয় পুৰুষ | ন ইদুন্ | নলু ইদুন্ |
| তৃতীয় পুৰুষ | ব় ইদুং | বলু ইদুং |

অতীত কাল।

| | একবচন | বহুবচন |
|---|---|---|
| প্ৰথম পুৰুষ | ঙ ইকা | ঙলু ইকা |
| দ্বিতীয় পুৰুষ | নলু ইকান্ | নলু ইকানে |
| তৃতীয় পুৰুষ | ব় ইকা | বলু ইকা |

ভৱিষ্যত কাল।

| | একবচন | বহুবচন |
|---|---|---|
| প্ৰথম পুৰুষ | ঙ ইয়ে | ঙলু ইয়ে |
| দ্বিতীয় পুৰুষ | ন ইলাং | নলু ইলাং |
| তৃতীয় পুৰুষ | ব় ইয়ে | ব়লু ইয়ে |

সম্ভাব্য ভূত কাল।

| | একবচন | বহুবচন |
|---|---|---|
| প্ৰথম পুৰুষ | ঙ ইয়্য়ায়্ | ঙলু ইয়্য়ায়্ |
| দ্বিতীয় পুৰুষ | ন ইয়্য়াপো | নলু ইয়্য়াপো |
| তৃতীয় পুৰুষ | ব় ইয়্য়াপো | ব়লু ইয়্য়াপো |

ধাতুৰূপৰ ক্ষেত্ৰত কাল অনুযায়ী বিভিন্ন প্ৰত্যয়-যোগ তলত দিয়াৰ দৰে বিশ্লেষণ কৰি চাব পাৰি। উল্লেখ-যোগ্য যে বৰ্তমানৰ অধ্যয়নত বচন অনুযায়ী ক্ৰিয়াৰ লগত ভিন্ন প্ৰত্যয়-যোগ পোৱা নাই।

| পুৰুষ | বৰ্তমান কাল | অতীত কাল | ভৱিষ্যত কাল | সম্ভাব্য ভূত কাল |
|---|---|---|---|---|
| প্ৰথম | — $\phi$, —য়ে, —ং | —কা | —য়ে | —য়্য়ায়্ |
| দ্বিতীয় | —ন্ | —কান্ / কানে | —লাং | —য়্য়াপো |
| তৃতীয় | — $\phi$, —ং | —কা | —য়ে | —য়্য়াপো |

‘মিচিং আগম’ত কাৰক আৰু বিভক্তিৰ প্ৰত্যয়সমূহ তলত দিয়াৰ দৰে নিৰ্ণয় কৰিব পাৰি:—

| বিভক্তি | কাৰক | প্ৰত্যয় |
|---|---|---|
| প্ৰথমা | কৰ্তা | —$\phi$, —বি |
| দ্বিতীয়া | কৰ্ম | —ম্ |
| তৃতীয়া | কৰণ | —কি, —ব, |
| চতুৰ্থী | সম্প্ৰদান | —লপ্ পে |
| পঞ্চমী | অপাদান | —লক্‌কেম্, —তক্‌কেম্ |

| | | |
|---|---|---|
| ষষ্ঠী | সম্বন্ধ পদ | —গক, —ক, —কৃকে |
| সপ্তমী | অধিকৰণ | —চ, —ল |

ইয়াৰ উদাহৰণ কেইটামান তলত দিয়া হৈছে :—

প্ৰথমা বিভক্তি

ঙ আগেবেম্ গেৰদাক্ (মই কাম কৰোঁ)

ব: আগেৰেম্ গেবদাক্ (সি কামটো কৰে)

ৰাম্‌বি আগেৰেম্ গেবদাক্ (ৰামে কামটো কৰিলে)

দ্বিতীয়া বিভক্তি

নম্ বিত (তোমাক দিলোঁ)

ব়ম্ বিত (তেওঁক দিলোঁ)

তৃতীয়া বিভক্তি

যক্তুঙ্কি ত্যোক্ত (দাৰে কাটিলোঁ)

দল/দলং তালেব গিকাং (দলভেদি গলোঁ)

চতুৰ্থী বিভক্তি

ব়কৃকলপ্‌পে আদ্‌তুং (তেওঁলৈ লিখিছোঁ)

পঞ্চমী বিভক্তি

ব়কৃকলক্কেম্ বম্তাক্কু (তেওঁৰপৰা আনিছোঁ)

ইচ্‌তেচন্তক্কেম্ (ষ্টেশ্বনৰপৰা)

ষষ্ঠী বিভক্তি

ব়গ্‌ক আত্‌তাৰে (তেওঁৰ বস্তু)

ঙক বস্তুঙে (মোৰ বস্তু)

সপ্তমী বিভক্তি

অক্কুম্‌চ দুয়ে (ঘৰত থাকিম)

অল্‌লুল গিয়ে (নাৱত যাম)

সপ্তমী বিভক্তিত প্ৰয়োগ হোৱা '-চ' ই 'ইয়াত' অৰ্থও বুজায়।

বচন :

বহুবচন বুজাবৰ বাবে সংখ্যাবাচক শব্দ আঞ্জিক, আউম্‌ক আদিৰ উপৰিও 'জুউঃমক্' (এজুম), 'জাক্‌ক' (এজাক) আদি ব্যৱহাৰ হয়। ইয়াৰ উপৰিও বিলাক, বোৰ আদি বুজাবলৈ মূল শব্দৰ পিছত -কীদাদে যোগ হয়। যেনে, একবচনত গৰুদে (গৰু), মেন্‌জেক্ (ম'হ), ; কিন্তু বহুবচনত গৰু-কীদাদে, মেন্‌জেক্-কীদাদে।

লিঙ্গ :

'মিচিং আগম'ত লিঙ্গভেদ কৰিবলৈ শব্দৰ আগত বা পিছত নেং/নে যোগ কৰি স্ত্ৰীলিঙ্গ বুজোৱা হয়। কেতিয়াবা আকৌ কোনো বস্তুৰ লগত থকা তাৰ কাৰ্যৰ সম্পৰ্কৰ দ্বাৰায়ো লিঙ্গভেদ কৰাৰ প্ৰথা দেখা গৈছে। উদাহৰণস্বৰূপে 'মতা গৰু' বা 'ষাঁড়' বুজাবলৈ 'আল্‌গিনাম্' (আল্=নাঙল, গিনাম্=বোৱা) শব্দ ব্যৱহাৰ কৰা হয়। তলত কেইটামান শব্দ দিয়া হ'ল :—

| পুংলিঙ্গ | স্ত্ৰীলিঙ্গ |
|---|---|
| ৰকৃপ' (মতা কুকুৰা) | ৰকনে (মাইকী কুকুৰা) |
| মিলবং (পুৰুষ) | নেং (তিৰোতা) |
| মিলবং গোৰে (ঘোঁৰা) | নেং গোৰে (মাইকী ঘোঁৰা) |
| ছমচুং (হৰিণ) | নেং ছমচুং (হৰিণী) |
| য়্যাগ্ৰে (মতা গাহৰি) | য়গ্‌নে (মাইকী গাহৰি) |
| মেন্‌জাক্ (মতা ম'হ) | জোগনে (মাইকী ম'হ) |

নঞাৰ্থ :

সাধাৰণতে ক্ৰিয়াৰ আগত বা পিছত -মা বা মাং যোগ কৰি নঞাৰ্থ সূচনা কৰা হয়। যেনে : বিয়ে (দিয়া), বিমা (নিদিয়া)। তেনেকৈ, নকৰোঁ=মামম/মমা/মমাং, নাযাওঁ=মা গিমা/গিমাং, নাখাওঁ=দমা/দমাং ইত্যাদি।

প্ৰশ্নবোধক বাক্য :

প্ৰশ্নবোধক বাক্য সাজিবলৈ হ'লে অক্‌ক, অক্‌কম্, অকলপে আদিৰ প্ৰয়োগৰ উপৰিও ক্ৰিয়াৰ শেষত —নে যোগ কৰিও প্ৰশ্নবোধক বাক্য সজা হয়। যেনে :—

ন অকলপে গিয়েন ? (তুমি কলৈ যাবা ?)



ন গিয়েনে ? (তুমি যাবানে ?)

ন চ অক্কম্ ইগুন ? (তুমি ইয়াত কিয় আছা ?)

'মিচিং আগম'ৰ শব্দ-ভাণ্ডাৰ দেশী-বিদেশী শব্দেৰে পুষ্ট হৈ আছে। দেশী শব্দৰ ক্ষেত্ৰত 'মিচিং আগম'ৰ একেটা ঠালৰ বিভিন্ন ভাষা আদি, গালঙৰ শব্দ-ভাণ্ডাৰৰ লগত যথেষ্ট মিল আছে। তদুপৰি বৰ্তমানে অসমীয়া ভাষাৰ বহুতো শব্দ সোমাই পৰিছে। বিদেশী শব্দৰ ক্ষেত্ৰত ইংৰাজী ভাষাৰ শব্দই অধিক। তদুপৰি ধ্বনিৰ ক্ষেত্ৰতো সামান্য মহাপ্ৰাণ উচ্চাৰণ দুই-এঠাইত শুনা গৈছে। ইও থলুৱা অসমীয়া ভাষাৰে প্ৰভাৱ হ'ব পাৰে। শেষত তেওঁলোকৰ এটি ঐনিতমেৰেই সামৰিব পাৰি :—

উলুক্ তানি আগমচী আঅ্‌ন মুবকং আগমী
আম্‌মে আইমাং আমদাগ্‌গম্ আঅী আইমাং
আমচুয়ক্

লুগাবচুলা দুঃলাংকা মোংগাব্‌বমনা দুঃলাংকা
লেকে দঃয়ুং আংবাঙাম আদ্‌গাব্ চুলা লালাংকা।

(আমাৰ তানি-আগম ভাষাটো সোণ-ৰূপৰ ভাষা। আনে বেয়া বুলিলেও, নিজে বেয়া বুলি নকৰা। শুদ্ধকৈ কৰা, সদায় মনত ৰাখিবা, অতীত বুৰঞ্জী, কাহিনী আৰু কৃষ্টি-সংস্কৃতিৰ কথা এই ভাষাৰে ভালকৈ লিখি ৰাখিবা।)

০ ০ ০

বিভিন্ন বিষয়ৰ প্ৰাথমিক জ্ঞান দিব পৰা কিতাপ অসমীয়া ভাষাত নোহোৱা হেতুকে অসম সাহিত্য সভাই 'পৰিচয় গ্ৰন্থমালা' নামেৰে যি লানি কিতাপ প্ৰকাশ কৰিছে, তাৰ প্ৰতিখনেই প্ৰতিজন শিক্ষিত অসমীয়া ব্যক্তিৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব। এই গ্ৰন্থমালাৰ গ্ৰন্থকেইখন হ'ল :—

| | | |
|---|---|---|
| ১) ড° মুকুন্দমাধৱ শৰ্মাৰ— ধ্বনি আৰু ৰসতত্ত্ব— | মূল্য | ৪·০০ টকা |
| ২) ড° ভুৱন মোহন দাসৰ— নৃ-তত্ত্বৰ চমু আভাস— | ,, | ২·৫০ ,, |
| ৩) ড° বীৰেন্দ্ৰনাথ দত্তৰ— অসমীয়া সঙ্গীতৰ ঐতিহ্য— | ,, | ৩·৫০ ,, |
| ৪) ডা: মথুৰানাথ ভট্টাচাৰ্যৰ— চিকিৎসা বিজ্ঞানৰ ইতিহাস— | ,, | ৫·০০ ,, |
| ৫) ড° দীননাথ বৰুৱাৰ— চাহৰ কথা— | ,, | ৩·০০ ,, |
| ৬) ড° যোগেন্দ্ৰ নাথ বৰুৱাৰ— ৰাসায়নিক আৱিষ্কাৰ আৰু আমি— | মূল্য | ৩·৫০ ,, |
| ৭) শ্ৰীশান্তনু তামুলীৰ— অসমৰ বনৌষধি— | ,, | ৪·০০ ,, |
| ৮) ড° শিশিৰ কুমাৰ দত্তৰ— অসমৰ খনিজ সম্পদ— | ,, | ৩·৫০ ,, |

# ৰ'ল' কেতেৰ ঃ
# কাৰবি সমাজ-বুৰঞ্জীৰ এখিলা পাত

শ্ৰীৰংবং তেৰাং

অসমৰ আৰলেং বা কাৰবি জনগোষ্ঠীৰ সুকীয়া পৰিচয় দিয়া নিষ্প্ৰয়োজন। কোনোবা যুগতেই 'মিকিৰ' চাংথৰৰ লগত অসমীয়া বিহুগীতে মিতিৰ পাতি আপোন হৈ পৰিছে; সম্ভৱ, কলং-কপিলীৰ পাৰত বসবাস কৰা যুগতে। কলং আৰু কপিলী যে থৰপানী নৈখনৰ দৰেই কাৰবিৰ অতি চিনাকি নৈ আছিল, তকাছেন গীতত ইয়াৰ স্পষ্ট উল্লেখ মন কৰিবলগীয়া :

ইক্ত কাছেন আচিকং
কপ্লি পালাংহে কলং
চিকং দনচুবি প্লেংচং
চিকং কিমপেত লাংথুথম।

ভাবাৰ্থ :—
ককা কাছেনে হাজাৰ-ঘৰীয়া গাঁওখন পাতিছিল কপ্লি (কপিলী) আৰু কলং নৈৰ পাৰত; নৈখনৰ তিনিটা পাক সামৰা সেই গাঁওখন শসোৱে হৈ পৰিছিল নদন-বদন।

কলং আৰু কপিলী অসমীয়াৰ চিৰচিনাকি। অসমীয়া সংস্কৃতিৰ আহুত-ধ্বনি খোলৰ বোল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কলং পাৰৰ কোমল মাটিৰপৰাই বুটলি আনি অসমীয়া নামঘৰৰ থাপনাত থাপিছিল।

'মোৰ আৰু পৃথিৱীৰ' কবি নৱকান্ত বৰুৱাই কলং আৰু কপিলীৰ 'পলস' চিনি পাইছে— হিয়াৰে :

কলং কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়
বুঢ়ী আইতাৰ কলিজাৰে গজে বন-নহৰৰ ফুল
... ... ... ...

আমাৰ পলসে সাকৰা কৰক কলঙৰ দুটি কূল।
কাৰবিসকলৰ সমাজ-বুৰঞ্জীক থৰপানীৰ দৰেই কলং আৰু কপিলীৰ পলসেও নিশ্চয় সাকৰা কৰি তুলিছিল। তেওঁলোকে ভৈয়ামৰ আন অসমীয়া মানুহক চিনি পাইছিল হিয়াৰে, মনেৰে; আৰু চিনি পাইছিল তেওঁলোকৰ কাষতে থকা অষ্ট্ৰিক জনগোষ্ঠীৰ খাচিয়া ভাইসকলক। কাৰবিসকল হৈ পৰিল ভৈয়ামৰ অসমীয়াৰ বৰ ককাই; খাচিয়াসকল হৈ পৰিল তেওঁলোকৰ চিনাকি জাৰী অৰ্থাৎ বন্ধু। তেওঁলোকৰ ভাষা, সমাজ আৰু কৃষ্টিৰ চাংঘৰত সেয়েহে অসমৰ আৰ্য আৰু অষ্ট্ৰিক জনগোষ্ঠীৰ ইমান আদৰ, ইমান প্ৰভাৱ। কাৰবিসকলৰ পূজা-পাতল আদি সামাজিক অনুষ্ঠানসমূহতো এনে সংমিশ্ৰিত ৰূপৰ ছবিবোৰ অতি স্পষ্ট। আজিকোপতি আলোচনা নোহোৱা কাৰবিসকলৰ পৱিত্ৰ ৰ'ল' কেতেৰ অনুষ্ঠানৰ তাৎপৰ্য বিচাৰেৰে তেওঁলোকৰ সংমিশ্ৰিত সমাজ-দৰ্শনৰ ছবিখন বিশ্লেষণ কৰাৰ



হৈপাহতেই আমাৰ এই প্ৰবন্ধটি যুগুত কৰা হৈছে।

কাৰবি সমাজখন মুঠতে পাঁচটা গোষ্ঠীৰদ্বাৰা গঠিত। এই গোষ্ঠী বা বংশক তেওঁলোকে 'কুৰ' বোলে। 'কুল' শব্দৰ উচ্চাৰণ-বিভ্ৰাট ঘটি কাৰবিত 'কুৰ' শব্দ সৃষ্টি হৈছে। এই কুৰ পাঁচটা হ'ল— ১। ইংতি ২। ইংহি ৩। তেৰাং ৪। তেৰণ আৰু ৫। তিমুং। এই পঞ্চ কুলেৰে গঠিত সমাজখনত কম-বেছি পৰিমাণে কিছুমান সমগোত্ৰীয় কুৰ থকা দেখা যায়। ইংহি আৰু তিমুং গোষ্ঠীয় কাৰবিৰ বংশ-লতাত প্ৰত্যেকৰে ত্ৰিশটাকৈ ঠাল থকাটো উল্লেখযোগ্য। সমাজ-গঠনৰ পৰিপ্ৰেক্ষিতত এই সম্প্ৰসাৰণৰ সূচনা হৈছিল বুলি ধাৰণা কৰিব পাৰি। একেটা বংশৰ ভিতৰত বৈবাহিক সম্বন্ধ স্থাপন কাৰবি সমাজত নিষিদ্ধ। আন কি সমগোত্ৰীয় কুৰৰ ঠালবোৰৰ মাজতো বৈবাহিক সম্বন্ধ ঘটিব নোৱাৰে। কাৰবি সমাজখনৰ এনে বৈবাহিক শৃঙ্খলাই এই পাঁচোটা গোষ্ঠীৰ বংশ-লতাক একেটা বান্ধোনত টানি আনিব পাৰিছে আৰু পৰস্পৰৰ মাজত বিভেদ ভাবৰ সূচনা হ'ব পৰা সম্ভাৱনা তেওঁলোকৰ সমাজতন্ত্ৰই নিৰ্মূল কৰিব পাৰিছে বুলি ক'ব পাৰি।

কাৰবি সমাজখন এক সুশৃঙ্খলিত সমাজ। কোনো ধৰণৰ আউল নলগাকৈ সমাজ-সংস্কাৰক ককা বেংৰাংহমৰ দিনৰপৰাই আজিকোপতি নিৰৱচ্ছিন্নভাৱে এই জনগোষ্ঠীৰ সমাজখন এক সাৱলীল গতিত চলি আহিছে। এনে সমাজতন্ত্ৰৰ অধীনত থকা কাৰবিসকল দুটা পৃথক বৃহৎ ভূখণ্ডত সম্প্ৰসাৰিত। কাৰবি আংলং জিলাৰ বৰ্তমান ৰাজনৈতিক সীমাৰেখাক এই সামাজিক নিয়ন্ত্ৰণৰ সীমাৰেখাস্বৰূপে গ্ৰহণ কৰিব নোৱাৰি। বৰং কপিলী নৈখনেৰেহে কাৰবিসকলৰ সামাজিক নিয়ন্ত্ৰণাধীন ভূখণ্ডক ভাগ কৰাটো সমীচীন হ'ব। কিয়নো এই নৈখনকেইহে সামাজিক নিয়মতন্ত্ৰৰ সীমাৰেখা বুলি কাৰবি সমাজে আজিও স্বীকৃতি দি আহিছে। এই হেতুকেই সমকালীন সামাজিক বিচাৰ-চ'ৰাত 'হীমা আছাৰ' অৰ্থাৎ সীমাৰক্ষী বিষয়াৰ মান কপিলীৰ উত্তৰ অঞ্চলৰ লোকক দি অহাৰ ব্যৱস্থা তেওঁলোকৰ সমাজত বিলুপ্ত হোৱা নাই। কপিলীৰ দক্ষিণাঞ্চলৰ অনুচ্চ পাহাৰীয়া ভূখণ্ডক 'ৰংখাং' বুলি অভিহিত কৰি সমাজতন্ত্ৰৰ লাইথুটাটো প্ৰাচীন ৰাজধানী ছ'চ্ছেং পাহাৰত স্থাপন কৰিছিল। বৰ্তমানেও ৰংহাংৰংবং ৰাজধানীৰপৰাই সমগ্ৰ কাৰবি সমাজখন নিয়ন্ত্ৰণ কৰা হৈ আহিছে। লুইতলৈকে সম্প্ৰসাৰিত কপিলীৰ উত্তৰাঞ্চলৰ এই বহল ভূখণ্ডক নিলিপ্-লুম্বাজং বুলি তেওঁলোকৰ সমাজতন্ত্ৰত উল্লেখ কৰা হৈছে। আন এটা অৰ্থত এই ভূখণ্ডক 'ছ'চ্ছেং-মেন্টা' বুলিও কাৰবি সামাজিক নিয়মতন্ত্ৰই স্বীকৃতি দি আহিছে। বিচ্ছিন্ন হৈ পৰা নিলিপ্-লুম্বাজং অঞ্চলৰ কাৰবিসকলৰ মূল ৰংখাঙৰ লগত সংযোগ-ৰক্ষকস্বৰূপে সীমাৰক্ষী বিষয়াজনেই সমাজৰ সকলো কাৰ্য সম্পাদনত সহায় কৰি আহিছে।

বিভিন্ন গোষ্ঠীৰদ্বাৰা কাৰবি সমাজখন গঠিত হ'লেও তেওঁলোকৰ মাজত কোনো শ্ৰেণী-বৈষম্য নাই। সকলোৱে সমভাৱে আহাৰ আৰু মদ গ্ৰহণ কৰিব পাৰে। অৱশ্যে সামাজিক অনুষ্ঠান, বিচাৰ-চ'ৰা আদিত মান-বিতৰণৰ বেলিকা কিছু বৈষম্য পৰিলক্ষিত নোহোৱাকৈ নাথাকে। এই বৈষম্য প্ৰধানতঃ চিন্থং, ৰংহাং আৰু আম্ৰি— এই আঞ্চলিক কাৰবিসকলৰ মাজত দেখা যায়। দৰাচলতে এই তিনিটা তেওঁলোকৰ কোনো গোত্ৰ বা কুলবোধক নাম নহয়। এই তিনিওটাতে তেওঁলোকৰ পাঁচোটা গোষ্ঠীৰ লোক থাকিব পাৰে। পৰস্পৰৰ মাজত বৈবাহিক সম্বন্ধও স্থাপন হ'ব পাৰে। সম্ভৱতঃ কোনোবা কালত ৰাজনৈতিক বা অন্য দুৰ্যোগ হেতু তেওঁলোকে কিছুমান

বিশেষ অঞ্চলত আশ্ৰয় লৈ বসতি কৰিছিল। 'ৰংহাং' শব্দটোৰ বাহিৰে 'চিন্‌থং' আৰু 'আম্‌ৰি' শব্দ দুটাৰ মূল কাৰবি নহয়। এই শব্দ দুটাত অ-ষ্ট্ৰিক গোষ্ঠ মিহলি হৈ আছে। যি কি নহওক, এই তিনিওটা আঞ্চলিক কাৰবিৰ ভিতৰত আম্‌ৰি কাৰবিক সুকীয়া মান দিয়াৰ ব্যৱস্থা কাৰবি সমাজ-তন্ত্ৰত দেখা নাযায়। অৱশ্যে সুকীয়া মান নাথা-কিলেও চিন্‌থং আৰু ৰংহাং অঞ্চলৰ মানৰ ভাগ আম্‌ৰিসকলে গ্ৰহণ কৰাত বাধা-নিষেধ নাই। এই সম্পৰ্কে Sir Charles Lyall-ৰ 'The Mikirs' নামৰ কিতাপখনত থকা কথাখিনি উল্লেখ কৰিব-লগীয়া। তেখেতে লিখিছে — "The Mikir people proper — that is, those who continue to live in the hills — are divided into three sections, called Chintong, Rohghang, and Amri ... ... ... The Mikir Hills are chiefly inhabited by the Chintong section, North Cachar and the hilly part of Nowgong by the Ronghang and the Khasi and Jayantia Hills by Amri; but individuals of all three are found dwelling among the others. ... ... ... ... Each of the three sections of the race has within it the same Kurs, whether in Chintong, Ronghang, or Amri, observe the same rules of exogamy."

কাৰবিসকলৰ সমাজতন্ত্ৰৰ বাধক্ৰী হামৰেণ মহকুমাৰ অন্তৰ্গত ৰংহাংৰংৰং ৰাজধানীৰপৰাই কাৰবি ৰজা লিন্দকপ'ই আজিকোপতি নিয়ন্ত্ৰণ কৰি আছে। নিলিপ-লুম্বাজং ভূখণ্ডৰ কাৰবিসকলে ৰেংবংহমে দেখুৱাই যোৱা সমাজ-নীতিকেই গ্ৰহণ কৰিছে যদিও এই অঞ্চলত সমাজতন্ত্ৰৰ উচ্চতম বিষয়া হাবে, পিনপ'ৰ ব্যৱস্থা ৰখা নাই। তাৰ পৰিবৰ্তে গাঁওবুঢ়াই নিজৰ গাঁও-খনৰ সমাজখন ৰেংবংহমৰ নীতি-নিয়ম অনুযায়ী পৰিচালনা কৰি আহিছে। গতিকে কপিলীৰ উত্তৰ পাৰত হাবে-পিনপ'ৰ কাৰণে সুকীয়া মানৰ প্ৰচলন ৰখা দেখা নাযায়।

কিন্তু কপিলীৰ দক্ষিণাঞ্চল অৰ্থাৎ লিন্দকপ'ৰদ্বাৰা পৰিচালিত কাৰবি সমাজখনৰ ছবিখন নিলিপ-লুম্বাজং অঞ্চলতকৈ বেছি নিখুঁত। লিন্দকপ'ৰ শাসনতন্ত্ৰই দক্ষিণ পাৰৰ সমগ্ৰ অঞ্চলটোক দুটা প্ৰধান ভাগত ভাগ কৰিছে: (১) ৰংছ'পি অৰ্থাৎ ৰাজধানী আৰু (২) জিৰই অৰ্থাৎ সাধাৰণ প্ৰজাৰ আবাস ভূমি।

ৰংছ'পিখন পাঁচটা আৰতু অৰ্থাৎ চুবুৰীদ্বাৰা গঠিত। এই চুবৰী পাঁচটাত কাৰবিসকলৰ পাঁচটা গোষ্ঠীৰ প্ৰতিনিধিয়ে বসতি কৰে। পাঁচটা গোষ্ঠীৰপৰা চাৰিজনক সন্মানৰ শ্ৰেষ্ঠতম পদৱী 'লিন্দক' নিৰ্বাচন কৰা হয়। এই লিন্দকসকল হ'ল— ১। ৰংহাং লিন্দক ২। ৰংপি লিন্দক ৩। ৰংচেইচ' লিন্দক আৰু ৪। কিলিং লিন্দক। লিন্দক চাৰিজনৰ মাজত ৰংহাং লিন্দকজনেই কাৰবি সমাজতন্ত্ৰৰ শ্ৰেষ্ঠতম ব্যক্তি আৰু তেওঁকেই লিন্দকপ' অৰ্থাৎ কাৰবি ৰজা বুলি সন্মান দেখুওৱা হয়। ইংতি গোষ্ঠীৰ কোনো লিন্দক নাথাকে। তেওঁলোক পুৰোহিত-শ্ৰেণীৰ। এই গোষ্ঠীৰপৰাই এজনক ৰাজপুৰোহিত স্বৰূপে ৰাজ-ধানীত ৰখা হয়। তেওঁক কাথাৰপ' বুলি জনা যায়। তেওঁৰ তলত কাথাৰবিছ' অৰ্থাৎ সহকাৰী ৰাজপুৰোহিত এজনক সেই একেটা গোষ্ঠীৰপৰাই নিৰ্বাচন কৰা হয়। লিন্দকপ'ৰ তলতেই তেৰাং গোষ্ঠীৰ ঠাল তেৰাং দিলিৰপৰা এজনক ৰবদিলি পদৱী দিয়া হয়। তেওঁ ৰজাৰ সোঁ-হাত স্বৰূপ। এইসকলৰ বাহিৰেও ৰৱজিনত, ৰৱমিজি, বুৰতিমেন, ফেৰাংকে, ৰৱৰা, দেংজা আদি ৰাজ-বিষয়াই ৰংছ'পিত বসতি কৰে। এক অৰ্থত এইসকলক পিনপ' বুলি জনা যায়। জিৰই অঞ্চলৰ ৰাইজেই এইসকল পিনপ'ক নিৰ্বাচন কৰি ৰাজধানীলৈ পঠিয়ায়। এই বিষয়া-সকলৰ দেহান্তৰ হ'লে বা সামাজিক নীতি উলঙ্ঘা কৰা কোনো বিষয়া পদচ্যুত হ'লে, পিনপ'সকলে আলোচনা কৰি জিৰই অঞ্চলৰপৰা উপযুক্ত ব্যক্তিক সেই পদৱীত পুনৰ বহুৱায়। ৰজাৰপৰা নিম্নতম বিষয়ালৈকে সকলো এই একেটা নিয়মেৰেই পৰি-চালিত হয়। ইয়াৰপৰাই কাৰবি সমাজতন্ত্ৰক সম্পূৰ্ণ অৰ্থত গণতান্ত্ৰিক বুলি নিশ্চয় ক'ব পাৰি।



সমগ্ৰ জিৰই অঞ্চলক কিছুমান লংৰিত বিভক্ত কৰি একোজন হাবেৰ ওপৰত প্ৰতি লংৰিৰ সমাজ-শাসনৰ দায়িত্ব অৰ্পণ কৰা হয়। এই হাবেসকল লিন্দকপ'ৰ তলতীয়া বিষয়া। হাবেসকলৰো বুৰতিমেন, ফেৰাংকে আদি বিষয়া থাকে। হাবেসকলৰ তলতীয়া বিষয়া হ'ল গাঁৱৰ ছাৰথে অৰ্থাৎ গাঁওবুঢ়া। একোজন হাবেৰ অধীনত বহুতো গাঁও থাকে। এই গাঁওসমূহৰ সামাজিক নিয়ম-নীতিৰ সুশৃংখলা ৰক্ষাৰ ভাৰ ছাৰথেৰ লগতে হাবেজনৰ ওপৰত ন্যস্ত থাকে। লংৰিবোৰৰ ভিতৰত হাবেপি আৰু উম্‌লাৰং— এই লংৰি দুটাই সন্মানত শ্ৰেষ্ঠতম। এই লংৰি দুটাৰ হাবে দুজনেই ৰাজধানীৰ লগত পোনপটীয়া সংযোগ ৰক্ষা কৰে। বছৰেকীয়া পূজা-অনুষ্ঠান আদিতো এই লংৰি দুটাৰ হাবে দুজনে সমগ্ৰ জিৰই অঞ্চলৰ হৈ প্ৰতিনিধিত্ব কৰিব লাগে। এনে পূজা-অনুষ্ঠান হ'ল— ৰ'ং' কেতেৰ। এই অনুষ্ঠানৰ পৰিচয়ে কাৰবি সমাজখনৰ ছবিখনত আলোকপাত কৰাত কিছু সহায় কৰিব।

ৰ'ং' কেতেৰ— কাৰবিসকলৰ এক পবিত্ৰ বছৰে-কীয়া পূজা-অনুষ্ঠান। এই অনুষ্ঠান পিনপ'সকলৰ একচেটিয়া। সৰ্বসাধাৰণ কাৰবি ৰাইজে এই পূজা কৰিব নোৱাৰে। সাধাৰণতে ফেব্ৰুৱাৰী-মাৰ্চ মাহত এই পূজানুষ্ঠান উদ্‌যাপন কৰা হয়। ৰাজপুৰোহিত কাথাৰবুৱাই এই পবিত্ৰ পূজাৰ কাম সম্পন্ন কৰে। পূজানুষ্ঠানৰ শুভদিন ঠিক কৰাৰ বহু পূৰ্বেই ৰাজ-বিষয়াসকল নামি আহিবৰ কাৰণে ৰাট কটাৰ কিদ' অৰ্থাৎ ৰাজ-আজ্ঞাসূচক সাংকেতিক চিনটো হাবেপি আৰু উম্‌লাৰঙৰ হাবেলৈ পঠিয়াই দিয়া হয়। ৰাট কাটি অঁতোৱাৰ শেষত লিন্দকপ'ৰ আজ্ঞা অনুসৰি ৰবদিলি, জিনত মিজি, পাতৰ আদি ৰাজবিষয়া-সকল ৰাজধানীৰপৰা নামি আহি প্ৰথমতে হাবেপি লংৰিৰ হাবেজনৰ ঘৰত জিৰণি লয়। ৰ'ং' কেতেৰ পূজাৰ দিন-বাৰ থিৰাং হোৱাৰ খবৰ দি তেওঁলোকে উম্‌লাৰং হাবেৰ ঘৰলৈ আহি পূজাৰ যা-যোগাৰসহ নিৰ্দিষ্ট দিনত ৰাজধানীলৈ আহিবলৈ ৰাজ-আজ্ঞা জ্ঞাপন কৰেহি। জিৰই অঞ্চলৰ প্ৰধানতম লংৰি দুটাত ৰাজপ্ৰতিনিধিসকলে পদাৰ্পণ কৰি সৰ্বসাধাৰণ ৰাইজৰ অৱস্থিতিৰ বুজ লয় আৰু পূজাৰ যাৱতীয় সাজ-বস্তুৰ দিহা দি প্ৰত্যাৱৰ্তন কৰে। অগত্যা কিবা কাৰণত লংৰিৰ হাবে দুজনে পূজানুষ্ঠানত যোগদান কৰিব নোৱাৰিলে সেই অঞ্চলৰ পিনপ' দুজনে সেই ভাৰ বহন কৰিব লাগে। এই পূজানুষ্ঠা-নৰ কাৰণে প্ৰয়োজনীয় সম্ভাৰসমূহ হ'ল এনে ধৰণৰ: হাবেপি অঞ্চলে ডাক দিয়া ৰঙা পাখিৰ কুকুৰা চাৰিটা, মদ এল বটল, তামোল-পাণ, ধঁপাত আৰু নগদ ধন কুৰিৰপৰা পঞ্চাছৰ ভিতৰত ৰাজভঁৰালীক জমা দিব লাগে। সেইদৰে উম্‌লাৰং অঞ্চলে দুটা ডাক দিয়া ৰঙা পাখিৰ কুকুৰা আৰু ডাক দিয়া বগা পাখিৰ কুকুৰা এটা, মুঠতে তিনিটা কুকুৰা আৰু হাবেপিৰ সমানেই মদ, তামোল-পাণ, ধঁপাত আদি দিব লাগে। এই সম্ভাৰসমূহ জিৰই অঞ্চলৰ ৰাইজেই আগবঢ়ায়। কেৱল তেওঁলোকৰ প্ৰতিনিধি হাবে দুজনে নীতি-নিয়মৰ মাজেৰে লিন্দকপ'ৰ ওচৰত দি আহিবগে

লাগে। পূজাৰ যাৱতীয় সাজ-বস্তু নিয়াৰ লগতে হাবে দুজনে শুকান মিছা মাছ, শুকুৰাই থোৱা কাউৰী কেৰেলা আৰু শুকান ফিৰিঙী জলকীয়া নিব লাগে।

ৰজাৰ কিদ' পোৱাৰ পাছত হাবে দুজনে পূজাৰ সম্ভাৰবোৰ যতনাই লয় আৰু দুয়ো মুক্ৰাং দেৱতালৈ পূজা আগবঢ়াই ৰাজধানীলৈ যাত্ৰা কৰে। প্ৰথমতে উম্‌লাৰঙৰ হাবেজনে যাত্ৰা কৰি হাবেপি লংবিৰ হাবেজনৰ ঘৰত জিৰণি লয়গৈ। হাবেপি অঞ্চলৰ-পৰাই দুয়োজনে পূৰ্ণ প্ৰস্তুতিৰে পুনৰ যাত্ৰা কৰে। সাজ-বস্তুসহ দুয়ো আম্‌লং নৈৰ পাৰত জিৰই অঞ্চলৰ দেৱতালৈ মদ তৰ্পণ কৰি স্নান-কাৰ্য সম্পাদন কৰে। নৈখনৰ সিটো পাৰৰ ভূখণ্ডই হ'ল ৰাজধানীৰ সীমা। নৈখন পাৰ হৈ তেওঁলোক দুজনে পৰস্পৰৰ মাজত নিয়মৰ মদ এৰটলৈকে আগবঢ়ায় আৰু নীতি-নিয়ম পালনৰ অন্তত ৰাজধানীত প্ৰবেশ কৰেগৈ। তেওঁলোকে নিজ অঞ্চলৰ পিনপা'ৰ সহায়ত ৰাজপুৰোহিত কাথাৰ বুৰাৰ চাংঘৰত পদাৰ্পণ কৰে আৰু ৰাইজৰ মঙ্গলাৰ্থে বছৰেকীয়া পূজা সম্পাদন কৰিবলৈ তেওঁক অনুৰোধ কৰে। তাৰ পাছত কাথাৰ বুৰাৰে সৈতে আটাইবোৰেই ৰজা লিন্দকপ'ৰ ঘৰত গৈ ৰাজ-অনুমতি বিচাৰে আৰু পূজা কাৰ্যত ৰজাক মুখ্য আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে।

ৰ'ল' কেতেৰ অনুষ্ঠান সাধাৰণতে শুক্ল পক্ষতহে অনুষ্ঠিত হয়। কাৰবিৰ প্ৰাচীন ৰাজধানীৰ হাট-বৰীয়া দিনটোৰ নাম হ'ল — খিৰ্‌লা। এই দিন অতি শুভ বুলি গণ্য কৰা হয়। আজি-কালি ৰাজধানীত হাট-বজাৰ নবহে যদিও উম্‌বাছু বজাৰখনৰ লগত সঙ্গতি ৰাখি এই দিন গণনা কৰা হয়। উম্‌বাছুৰ হাট-বৰীয়া দিন প্ৰতি সপ্তাহেই সলনি হোৱা হেতুকে অসমীয়া দিনপঞ্জীৰ লগত ইয়াৰ দিন-বাৰৰ মিল দেখা নাযায়। উম্‌বাছু হাট-বাৰৰ দিনটোক 'থিমিত্‌' বুলি কোৱা হয়। থিমিতৰ পাছৰ দিনটোৱেই খিৰ্‌লা। থিমিতৰ দিনাখন ৰজাৰ চ'ৰাত সকলো গোট খায় আৰু 'ছে ছাদী' বোধন অনুষ্ঠানৰ আয়োজনেৰে দেৱতা-সকলক পূজালৈ আহ্বান জনায়। ছে ছাদীৰ দিনাখন ৰজাৰ চ'ৰাত কেৱল তিনিজন ব্যক্তিয়েহে নিয়মৰ ৰাজহুৱা আহাৰ গ্ৰহণ কৰিব পাৰে। সেই কেইজন হ'ল— ৰজা লিন্দকপ', কাথাৰ বুৰা আৰু কাথাৰ বিছ'। ছে ছাদীৰ শেষত সেই ৰাতিয়েই ৰাজঘোষকে ৰংফাৰ তিনতৰ ঘৰৰ কাষৰ নিৰ্দিষ্ট স্থানৰপৰা ৰাজধানীৰ ৰাইজলৈ ঘোষণা কৰে যাতে খিৰ্‌লাৰ দিনাখন ৰাজপুৰোহিতে স্নান-কাৰ্য সম্পাদন কৰাৰ আগমুহূৰ্তত কোনো ব্যক্তিয়ে ৰাজঘাটৰ পানী স্পৰ্শ নকৰে।

পাছদিনাখন পুৱা কাথাৰ বুৰাই ৰাজঘাটত পবিত্ৰ উম্‌ৰাছি জুৰিত স্নান কৰি ৰজাৰ চ'ৰাত পূজাৰ কাৰণে যাৱতীয় কাৰ্য সম্পাদন কৰে। ৰাজধানীৰ-পৰা কিছু নিলগত এক নিৰ্দিষ্ট স্থানত এই পূজা অনুষ্ঠিত হয়। বহুযুগীয়া ল'বিং অৰ্থাৎ খাৰ গছ এজোপা সেই স্থানত এতিয়াও কাৰবিৰ ঐতিহ্য বহন কৰি বৈ আছে। সেই গছজোপাই 'তাথী আৰচক' অৰ্থাৎ দেৱতাৰ সাক্ষীৰ প্ৰতীকী বৃক্ষ। কাৰবি-সকলৰ মাজত এই গছজোপাক অতি পবিত্ৰ দৃষ্টিৰে চোৱা হয়। এই গছ চিৰ-অক্ষুণ্ণ। কেনেবাকৈ ইয়াৰ পাত এখিলা ছিঙি অনা মানেই লংবিত ভয়ঙ্কৰ বিপদৰ সূচনা কৰা। সেই গছজোপাৰ গুৰিত তিনিটা বেদী স্থাপন কৰা হয়। এই বেদী তিনিটা হ'ল যথাক্ৰমে সোঁ-ফালৰপৰা হেমফু, মুক্ৰাং আৰু ৰাছিংজা দেৱতাৰ বেদী। হেমফু আৰু মুক্ৰাং দুয়ো পুৰুষ-দেৱতা। কাৰবি সমাজত এই দেৱতা দুজনৰ অৱস্থান হিন্দুৰ বিষ্ণু আৰু শিৱৰ সমপৰ্যায়ত।



ৰাছিংজা হ'ল এগৰাকী দেৱী। কাৰবি সমাজৰ একমাত্ৰ স্বীকৃত দেৱী এই ৰাছিংজা এফালেদি মহাকালৰূপী, আন হাতেদি শান্তি প্ৰদায়িনী মাতৃ। কাৰবি সমাজত দেৱীৰ অৱস্থান পূৰ্বতে নিশ্চয় নাছিল। তেওঁলোকৰ লোকগীতবোৰতো এই দেৱীৰ উল্লেখ দেখা নাযায়। এইয়া অষ্ট্ৰিক জনগোষ্ঠীৰ প্ৰভাৱত মা কামাখ্যাৰেই প্ৰতিভূ দেৱী ৰাছিংজাই কাৰবি ৰাজহৰ্ম্যত অৱস্থান কৰিলেহি। দেৱীৰ বেদীৰ শিতানত দুডাল বাঁহৰ ত্ৰিশূল দিয়া থাকে। এই ত্ৰিশূল দুডালৰ এডালত মাজৰ শূল ডালৰপৰা ওপৰফালি দুডাল শূল তলমূৱাকৈ নি কাষৰ শূল দুডালত ক্ৰছ কৰাকৈ লগোৱা থাকে। উম্‌লাৰং লংবিৰ নৈবেদ্য স্বৰূপে আগবঢ়োৱা বগা কুকুৰা দুটা যথাক্ৰমে হেমফু আৰু মুক্ৰাং দেৱতালৈ উছৰ্গা কৰা হয়। ৰাছিংজা দেৱীলৈ বগা ৰঙৰ কুকুৰাটো উছৰ্গা কৰা এক উল্লেখযোগ্য কথা। কালৰূপী দেৱীৰ স্বৰূপ-প্ৰকাশক প্ৰতীকেই হ'ল শুভ্ৰ কুকুৰা। দেৱীলৈ কুকুৰা উছৰ্গা কৰোঁতেও অন্য দেৱতাৰ কুকুৰাৰ দৰে ডিঙিত ৰেপ দি এৰি দিয়া নহয়। বৰং ডিঙিত ৰেপ দি লৰচৰ কৰিব নোৱাৰাকৈ হেঁচা মাৰি ধৰা হয় আৰু কুকুৰাৰ গাত ছটিয়াই দিয়া ধূলিৰেই সমগ্ৰ অঞ্চলৰ ভৱিষ্যৎ গণনা কৰা হয়।

পূজা কাৰ্য সম্পূৰ্ণ কৰাৰ শেষত আহাৰাদি গ্ৰহণৰ বেলিকা বিশেষত্বপূৰ্ণ কিছুমান কাৰ্য বিশেষভাৱে মন কৰিবলগীয়া। সামাজিক মান আদি ইয়াতো বিতৰণ কৰা হয়। এনে মান-বিতৰণৰ মাধ্যমেদি কাৰবি সমাজ-জীৱনৰ ছবিখন প্ৰকাশ পায়। এনে ধৰণৰ মান সাধাৰণতে গাহৰিৰ ওঁঠ, চৰ্বিযুক্ত গাহৰিৰ ভাঠ ছাল— অকৰ্জৰ, পিৰাসহ আগ ঠেং বা তপিনাৰ মাংস আদিৰে জোখা হয়। কুকুৰা চৰাইৰ ক্ষেত্ৰত মূৰ, ঠেং আদিৰে সমাজৰ মান নিৰ্ণয় কৰা হয়। ৰ'ল' কেতেৰ অনুষ্ঠানত উছৰ্গা কৰা কুকুৰা চৰাইৰ মূৰ তিনিটা আৰু পিৰাসহ ঠেং দুটা আছুতীয়াকৈ ৰখা হয়। এইবোৰ বিতৰণৰ সময়ত হেমফু দেৱতালৈ উছৰ্গা কৰা কুকুৰাৰ মূৰটো সমাজৰ শ্ৰেষ্ঠতম ব্যক্তি লিন্দকপ'ৰ পাতত দিয়া হয়। ইয়াৰ তাৎপৰ্য এয়ে যে শ্ৰেষ্ঠতম দেৱতা হেমফুৰ আগ-পাত পোৱা মানেই লিন্দকপ'ক শ্ৰেষ্ঠতম ব্যক্তিৰূপে প্ৰতিপন্ন কৰা। বিষ্ণুৰ গুণাৱলীৰে লিন্দকপ'ৰ ব্যক্তিত্বক অভিব্যক্ত কৰা হৈছে। সেইদৰে মুক্ৰাং দেৱতাৰ নামত উছৰ্গা কৰা কুকুৰাৰ মূৰটো ৰৱদিলিৰ পাতত দিয়া হয়। মুক্ৰাঙৰ অৱস্থান মঙ্গলৰূপী শিৱ। মঙ্গলময় শিৱৰ লগত সাদৃশ্য ৰাখি ৰৱদিলিকো সমাজ-সংগঠন আৰু ছ'লাংদ'ৰ সুখ-শান্তিৰ তাৎপৰ্যৰে সালঙ্কৃত ব্যক্তি বুলি বিবেচনা কৰা হয়। ৰাছিংজা দেৱীৰ নামত উছৰ্গিত কুকুৰাৰ মূৰটো ৰাজপুৰোহিতৰ পাতত দিয়া হয়। ইয়াৰ তাৎপৰ্য এয়ে যে বিষ্ণু আৰু শিৱৰদ্বাৰা সৃষ্টি হোৱা জগতখন প্ৰকৃতিৰ স'হাৰি বিনে নিৰৰ্থক; সেইদৰেই কাৰবি সমাজতন্ত্ৰতো কাথাৰ বুৰাৰ কাৰ্যাৱলীৰ সুফলৰ অবিহনে কেৱল মাত্ৰ লিন্দকপ' আৰু ৰৱদিলিৰ পৰিচালনাৰে সমাজখন স্পন্দনশীল হ'ব নোৱাৰে। গতিকে লিন্দকপ', ৰৱদিলি আৰু কাথাৰ-বুৰাৰ অৱস্থানেৰে কাৰবি সমাজখনৰ নিয়ম-শৃংখলা ৰক্ষা কৰা হৈ আহিছে। এইকেইজনৰ উপৰিও ৰবৰা আৰু হাবেপিৰ হাবেজনৰ পাতত কুকুৰাৰ ঠেং একোটিকৈ দি সন্মান দেখুৱা হয়। কাথাৰ বুৰাৰ যাৱতীয় কাৰ্যত ৰবৰাৰ সাহায্য অপৰিহাৰ্য। এনে দৃষ্টিৰেই ৰবৰাক সেই সন্মান দিয়া হয়। ছ'লাংদ'ক সহস্ৰ দেৱতাৰূপে কাৰবি সমাজতন্ত্ৰই গণ্য কৰে। ছ'লাংদ'ৰ অৱস্থান যিহেতুকে জিৰইত, গতিকে জিৰইৰ সৰ্বশ্ৰেষ্ঠ হাবেজনকো সেই মান দিয়া হয়। হাবেপিৰ হাবেজনে কুকুৰা ঠেংটো দুফাল কৰি এফাল উম্‌লাৰঙৰ হাবেজনক দিব লাগে। এই কাৰ্যৰ মূল তাৎপৰ্য হ'ল ভ্ৰাতৃ-স্নেহ প্ৰদৰ্শন। কাৰবি শাসনতন্ত্ৰত উম্‌লাৰং হ'ল হাবেপিৰ ভ্ৰাতা স্বৰূপ; আৰু সম্ভৱ এই

কাৰণেই আহাৰ গ্ৰহণৰ সময়ত হাবেপিৰ পাতৰপৰা মিছা মাছৰ আঞ্জা আৰু কাউৰী কেৰেলাৰ আঞ্জা উমলাৰত্তৰ হাবেজনে খুজি খাব লাগে। ভ্ৰাতৃ-স্নেহৰ ই এক অন্যতম নিদৰ্শন। এই ৰ'ল' কেন্তেৰ অনুষ্ঠানে সমাজৰ শ্ৰেষ্ঠতম ব্যক্তি ৰজাৰপৰা নিম্নতম ব্যক্তি ছ'লাংদ'লৈকে এক নিখুঁত শৃংখলাৰে কাৰবি সমাজখন আজিকোপতি চলাই থকাটো বিশেষ তাৎপৰ্যপূৰ্ণ।

ৰ'ল' কেন্তেৰ পূজাৰ সামৰণি কাৰ্য অতি তাৎপৰ্যপূৰ্ণ। বছৰেকৰ মূৰত ৰজা-প্ৰজা একত্ৰিত হৈ হেমফু, মুক্ৰাং আৰু ৰাছিংজা দেৱীক পৱিত্ৰ ক্ষণত, পৱিত্ৰ অন্তৰেৰে নৈবেদ্য আগবঢ়ায়। এই অনুষ্ঠানৰ সাক্ষী স্বৰূপে পৃথিৱীৰ দহোটা দিশৰে নটা দিশক ৰাজপুৰোহিতে পূজাৰ বেদীলৈকে আহ্বান কৰি আনে। বেদীত সংস্থাপিত প্ৰাচীন মুদ্ৰা হাতত লৈ জোন-বেলিক সাক্ষী কৰি ন বাৰ মুদ্ৰাৰ গাত শব্দ তুলি কাথাৰ বুৰাই এই আহ্বান কাৰ্য সম্পন্ন কৰে। দহটা দিশৰে অধঃ স্থান পূজাৰ বেদীকেই গ্ৰহণ কৰা হেতুকে আঁতৰি থকা বাকী নটা দিশক ৰাজকীয় মুদ্ৰাৰে সেই আহ্বান জনোৱা হয়। পৃথিৱীৰ নটা দিশৰেই গতি অধঃ স্থানলৈ। এই বৈজ্ঞানিক সত্যৰ উদ্ঘাটন কাৰবি সমাজে কেনেদৰে কৰিলে, ভাবি চাবলগীয়া।

অনুষ্ঠানৰ শেষ স্তৰত পুৰোহিতে তিনিটা গীত গাব লাগে। এই গীতকেইটাৰ ভাবাৰ্থ বিচাৰ কৰিলে ৰ'ল' কেন্তেৰ অনুষ্ঠানটো বৰ্ষাদেৱীৰ আমন্ত্ৰণী অনুষ্ঠান বুলিও ক'ব পৰা যায়। কৃষিজীৱী কাৰবিসকলৰ কৃষিয়েই হ'ল মূল জীৱনী-শক্তি। বৰ্ষাদেৱীৰ কৃপা অবিহনে কৃষিৰ জুমখনি জানো সেউজবুলীয়া হৈ উঠিব? সেয়েহে হেমফু, মুক্ৰাং আৰু ৰাছিংজালৈ পূজা-নৈবেদ্য আগবঢ়াই বৰ্ষাদেৱীৰ স্তুতি-গীত গোৱা হয়।

প্ৰথম গীতফাঁকি পূজাৰ বেদীৰ কাষত কাথাৰ বুৰাই গাব লাগে। গীতফাঁকি এনে ধৰণৰ :

চি চি মা নেং নেং  
চি চি নাংহাংজেং  
বাং বৰ কৰে হাংজেং।

ভাবাৰ্থ :— হে ন বতৰৰ বাৰ্তাবাহক জিলীহঁত! তোমালোকৰ গীতৰ মূৰ্ছনাৰে বৰ্ষাদেৱীক পৃথিৱীলৈ নমাই আনা।

ৰাজধানীলৈ প্ৰত্যাৱৰ্তন কৰোঁতে মাজ পথত দ্বিতীয় ফাঁকি গীত কাথাৰ বুৰাই আকৌ গাব লাগে। এই গীত এনে ধৰণৰ :—

কুকুচুৰ মা কুকুচুৰ  
কুকুচুৰ নাং কেকুৰ;  
বাং বতৰ নাংচিংথুৰ  
বৰ কৰে নাংকুৰ।

ভাবাৰ্থ :

হে কুকুচুৰ • পক্ষী! তোমাৰ অমৃত কণ্ঠেৰে বৰ্ষাদেৱীক মৰ্ত্যলৈ নমাই আনা।

তৃতীয় গীতফাঁকি ৰাজধানীৰ সিংহ-দুৱাৰত গোৱা হয়। গীতফাঁকি এনে ধৰণৰ—

খুকুছ' মা খুকুছ'  
খুকুছ' নাংহাংজ';  
বাং বতৰ ছাৰপ'  
ৰামনং আপৰ ল'।  
দ' ৰাপাম ফাৰ'  
পিনি বাগি ফ'  
দান দি পিএং ল'।

• কুকুচুৰ :— এবিধ নিশাচৰ পক্ষী। বৰ্ষাকালৰ নিশা এইবিধ চৰাইৰ অবিৰাম কণ্ঠস্বৰ শুনা যায়। জোক, চীনা জোক আদি এইবিধ চৰায়ে সৃষ্টি কৰে বুলি কাৰবিসকলে বিশ্বাস কৰে।



ল'তি আংদেংছ' ছি  
ছেৰ লাংথে ৰাক্ প'  
ছেৰ লাংথে মেছ' ছি  
ফ'তুং ফয়াং ছ',  
নাং আপুন কেচক ছ' ছি  
নাং ছেৰ লাংথে মান ল'।  
লাং লাংথে মান ল'  
হৰ লাংথে মান ল'।  
নে ছাৰতি মেছ' পেন  
ছেৰ লাংথে ৰাক প';  
আদি পিনিং নিংকান ফ'  
আদি নাংনে ল' তে  
ছেৰ মাচৰ নাং ল'  
নাংক্ৰু' পাৰএ ক্ৰু'।

ভাবাৰ্থ :— হে ভেকুৰাজ! তোমালোকৰ অবিৰাম গীতৰ মূৰ্ছনাৰে বৰ্ষাদেৱীক পৃথিৱীলৈ নমাই আনা। এইয়াৰে ন-কৃষিৰ বতৰ। সহস্ৰ দেৱতাৰ সন্মুখত, আজিৰ পৱিত্ৰ দিনত দেৱতালৈ উছৰ্গা কাৰ্য সম্পূৰ্ণ কৰিলোঁ। এই মহান উৎসৱৰ সাক্ষী স্বৰূপে গৃহপ্ৰৱেশৰ আগ মুহূৰ্তত এই সোণকপী লাংথেযোৰৰ অঙ্গচ্ছেদ কৰিবলৈ ওলাইছোঁ।

হে অঙ্কুৰজাত বাঁহ দেৱতা! তুমি আমাৰ ত্ৰাণকৰ্তা শ্ৰেষ্ঠতম তৃণ। সেয়েহে তুমি দেৱতাৰো অতি প্ৰিয়তম। অমৃতস্পৰ্শী পানী আৰু দেৱতাৰ আদৰৰ সুৰাক তুমিয়েই ধাৰণ কৰিছা। সমগ্ৰ সংবিৰ শুভ হ'ব বুলি তুমি যদি ভাবিছা, হে বাঁহ দেৱতা, সহস্ৰ দেৱতাৰ সন্মুখত তোমাৰ মঙ্গল প্ৰদৰ্শন কৰা।

এনেকৈ গীতফাঁকি গাই পানী আৰু পোহন মদভৰা বাঁহৰ দুটা দীঘল চুঙা,— লাংথেৰ গাৰপৰা এচকলকৈ দুচকল বাঁহ কাটি মাটিত পেলাই দিয়া হয়। বাঁহ দুচকল তলমুৱা হ'লে অমঙ্গলৰ প্ৰতীক ৰূপে গণ্য কৰে আৰু এচকল ওপৰমুখী, এচকল তলমুখী হ'লে মঙ্গলৰ প্ৰতীক বুলি গণনা কৰা হয়; আৰু দুয়ো চকল ওপৰমুখী হ'লে মঙ্গল-অমঙ্গলৰ সমতাৰ প্ৰতীক ৰূপে গণনা কৰা হয়।

প্ৰত্যাৱৰ্তনৰ এই গীত তিনিফাঁকিয়ে কৃষিজীৱী কাৰবিসকলৰ ধ্যান-ধাৰণাৰ স্বৰূপ নিশ্চয় প্ৰকাশ কৰিছে। প্ৰকৃতিৰ পৰিবৰ্তনে কাৰবি কৃষকক সময়ৰ সঙ্কেত দিয়ে। বাঁহ কাৰবি সমাজ-জীৱনৰ এক অপৰিহাৰ্য সম্পদ। জন্মৰপৰা মৃত্যু পৰ্যন্ত বাঁহ হ'ল কাৰবিৰ জীৱন-সঙ্গী। Bamboo-Civilisation-ৰ সুন্দৰ নিদৰ্শন এই গীতৰ মাজত প্ৰকাশ পাইছে বুলি কব পাৰি; আৰু, সেয়েহে কাৰবিসকলে বাঁহ গছক দেৱতাৰ শাৰীলৈ তুলি স্তুতি কৰিছে।

দিনটোৰ সামৰণি মাৰিবলৈ ৰজাৰ ৰাজহৰ্ম্যত কাথাৰ বুৰাই আন এটি গীত গাব লাগে। এইফাঁকি গীত গাওঁতে লিন্দকপ' আৰু ৰবদিলিৰ লগতে জিৰইৰ হাবে দুজনো উপস্থিত থাকিব লাগে। গীতফাঁকি এনে ধৰণৰ :—

হাঙ্গি মু মান্দুং  
নাং জিৰই দ' আতুম  
লুনবি প' আতুম।  
ছ'চেং দ' আতুম  
কাথাৰ প' আলুন,  
আছেক ছেকছি লুন  
বাং কৰে কুৰ আলুন।  
ইজিৰপেত কেলুন  
ছেংপি মাবেংখুং;  
জিৰণি নাং কেলুন  
ছেৰ মাহুন থুৰলুন;  
জিৰথম পাচক দুন  
বৰ কৰে থক দুং।

ভাবাৰ্থ :— হে জিৰহ-বাসী, তোমালোকে হাঙৰ গীত ভুলতো নাগাবা। এয়া গীত ছ'ছেং-বাসীৰহে। কাথাৰ বুৰাইহে ন-বস্তৰ আহ্বান কৰোঁতে এই গীত গায়। এই গীতৰ মহিমা অপাৰ। ইয়াৰে এফাঁকি গালেই আকাশত বিজুলী-গাজনিৰ সৃষ্টি হয়। দুফাঁকি গীত গালেই আকাশ মেঘাচ্ছন্ন হৈ পৰে। তিনিফাঁকি গীত গালেই বৰ্ষাদেৱীৰ অশ্রুৰে পৃথিৱীত প্লাবনৰ সৃষ্টি কৰে।

হাই-লং তেবনৰ কাহিনীৰে বৰ্ষাদেৱীৰ অস্তিত্বক এই গীতৰ সহায়ত স্বীকাৰ কৰা হৈছে। ওপৰৰ গীতত মূল কাহিনীৰ পৰিবৰ্তে সেই গীতৰ মহিমাহে প্ৰকাশ কৰা হৈছে। লং তেবণৰ প্ৰিয়া হাঙ্গি লোকান্তৰৰ শেষত বৰ্ষাদেৱীলৈ ৰূপান্তৰিত হোৱা জনবিশ্বাসক সামৰি এই গীতৰ কাহিনীক অসাধাৰণ আৰু পৰম পৱিত্ৰ কৰি তোলা হৈছে বুলি কব পাৰি। সেয়েহে জিৰহৰ মাটিৰে ৰূপ পোৱা হাঙৰ মনোৰম গীতক ৰাজধানীৰ চাৰিবেৰৰ ভিতৰত নি আবদ্ধ কৰি ৰখা হৈছে।

উম্‌ৰাছি, উম্‌খেম, আম্‌লং আদি নৈ-জুৰিয়ে আঁকোৱালি ধৰি থকা কাৰবি ৰাজধানী ৰংহাং-ৰংবঙৰ পৱিত্ৰ মাটিত এই ৰ'ল' কেতেৰ পূজা অনুষ্ঠানটি আজিলৈকে কোনো ব্যতিক্ৰম নোহোৱাকৈ চলি আছে। এই পৱিত্ৰ অনুষ্ঠানৰ মাজেদি কাৰবিৰ সমাজ, ধৰ্ম, দৰ্শন, কৃষ্টি, লোক-বিশ্বাস আনকি জাতিটোৰ বুৰঞ্জীও প্ৰকাশ পাইছে বুলি কব পাৰি। দুৰ্ভেদ্য পাহাৰৰ বুকুত ইমান দিনে লুকাই থকা এই পৱিত্ৰ পূজানুষ্ঠানৰ মাজেৰে পাৰ্যমানে এনেবোৰ চিত্ৰ ফঁহিয়াই চাবৰ চেষ্টা কৰা হৈছে। আশা কৰোঁ অনুসন্ধিৎসু লোকে কাৰবি সমাজ-বুৰঞ্জীৰ কথাবোৰ ফঁহিয়াই চাবলৈ যত্ন কৰিব। ০০০

# টোকা

## 'কামৰূপ ৰত্নমালা'ৰ স্পষ্টীকৰণ

হীৰক জয়ন্তী সংখ্যা অসম সাহিত্য সভা পত্ৰিকাত শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে মই লিখা অম্বিকানাথ বৰা সম্পৰ্কীয় কথাত খুঁত ধৰিছে। চমুকৈ হলেও মই তাৰ উত্তৰ দিবলৈ বাধ্য হলোঁ। অয়জয়তে মই জনাই থওঁ যে এতিয়ালৈকে মই বহু প্ৰসঙ্গত পুৰণি কথা লিখিছোঁ; কিন্তু এই কথা ডাঠি কওঁ যে সেইবোৰৰ ক'তো মই জ্ঞাতসাৰে সত্যক বিকৃত কৰিবলৈ অপচেষ্টা কৰা নাই; তেনে প্ৰয়োজনো নাই।

শ্ৰীশৰ্মাই উল্লেখ কৰা কথাখিনি তেখেতে কল্পনা কৰাময়তে কেতিয়াও মোৰ কল্পনাপ্ৰসূত বা মনেসজা নাছিল। তাৰ সমল আহৰণ কৰিছিলোঁ তলত দিয়া তিনিটা সূত্ৰৰপৰা :

(১) অম্বিকানাথ বৰাৰ ভাতৃ আৰু অসম সাহিত্য সভাৰ অন্যতম প্ৰাক্তন সভাপতি জ্ঞাননাথ বৰা দেৱে এই কথা আমাৰ আগত নিজ-মুখে ব্যক্ত কৰিছিল।

(২) ড° বিৰিঞ্চি কুমাৰ বৰুৱায়ো একে কথাকে কৈছিল।

(৩) ড° শ্ৰীমহেশ্বৰ নেওগেও একে কথাকে কৈছিল। তেখেতে হেনো কথাটো ড° বাণীকান্ত কাকতি দেৱৰপৰা জানিব পাৰিছিল। মানিলে ধান, নামানিলে পতান। ইয়াতকৈ অধিক কবলৈ মোৰ নাই।

শ্ৰীশৰ্মা মোৰ কলেজীয়া সহপাঠী, তেখেতৰ লেখাখিনিত (শেষ বাক্যটোৰ বাহিৰে) আমাৰ পুৰণি বন্ধুত্বৰ চোক লাগি আছিল। পিছে, শেষৰ বাক্যটোত মাৰ্জিত ৰুচিৰ অভাৱ দেখিহে দুখ পাইছোঁ। তেখেতে জানি থওক যে মানুহক কামুৰিবলৈ নাইবা মৰম আদায় কৰিবলৈ মই কোনো দিনে কুকুৰ পোহা নাই। গতিকে তেখেতে এটা কল্পিত কুকুৰক মৰম কৰিবলগীয়া অৱস্থাৰ প্ৰশ্ন নুঠে। পৰম শ্ৰদ্ধাভাজন পণ্ডিত হেমচন্দ্ৰ গোস্বামী প্ৰভুক তললৈ নমোৱাৰ প্ৰশ্নও অবান্তৰ।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
তপোবন, গুৱাহাটী—১।

## 'প্ৰতিষ্ঠাতা সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী'

হীৰক জয়ন্তী সংখ্যা পত্ৰিকাত প্ৰকাশিত শ্ৰীঅতুল চন্দ্ৰ বৰুৱাৰ 'প্ৰতিষ্ঠাতা সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী' শীৰ্ষক প্ৰবন্ধত গোস্বামীদেৱৰ 'শিক্ষাবিধি' নামৰ কিতাপখনৰ কথা উল্লেখ কৰা নাই। ১৯২৬।২৭ চনত এই লিখকৰ পিতৃ চন্দ্ৰকান্ত ভট্টাচাৰ্যই যোৰহাট নৰ্মাল স্কুলত পঢ়িছিল। গোস্বামীদেৱৰ শিক্ষাবিধি সম্পৰ্কীয় টোকা (হাতৰ আখৰেৰে) আৰু ছাত্ৰৰ অনুশীলনৰ বাবে প্ৰস্তুত কৰা বহীৰ সৈতে কিতাপখন আৰু 'প্ৰভাত'ৰ দুটিমান সংখ্যা আমাৰ হাতত আছে। বোধকৰোঁ, নৰ্মাল স্কুলত শিক্ষাদানৰ বাবেই কিতাপখন প্ৰস্তুত কৰা হৈছিল।

শ্ৰীত্ৰৈলোক্য ভট্টাচাৰ্য
এল. বি, ৰোড,
তেজপুৰ।

# গ্ৰন্থ-পৰিচয়

## বিষ্ণুৰাভা এতিয়া কিমান ৰাতি

লেখক : শ্ৰীতিলক দাস

প্ৰকাশক : গুৱাহাটী বুক ষ্টল

পৃষ্ঠা : ২৭৯

মূল্য : ১২·০০ টকা

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা অসমৰ জনজাতি আৰু অ-জনজাতিৰ মাজৰ এডাল সোণালী সাঁকো, অসমৰ সাংস্কৃতিক জগতত এক সমন্বয়ৰ প্ৰতীক। বৰ্তমান শতিকাৰ অসমীয়া সাহিত্য-সংস্কৃতি আৰু সমাজ-জীৱনলৈ ৰাভাৰ যি অৱদান, তাৰ সমতুল্যতা আমাৰ সমাজ-সংস্কৃতিৰ বৰ্তমান ইতিহাসত বৰ বেছি নোলাব। অথচ এইজন প্ৰতিভাধৰ ব্যক্তি সম্পৰ্কে আমাৰ ভাষাত যিমান চিন্তা-চৰ্চা হ'ব লাগিছিল, সিমানযে হোৱা নাই, সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। ৰাভাৰ মৃত্যুৰ লগে লগে আমাৰ কাকত-আলোচনী-সমূহ ৰাভাৰ প্ৰশস্তিত মুখৰ হৈ পৰিছিল; কমেও এবছৰলৈ সেই মুখৰতা অটুত আছিল। তাৰ পৰবৰ্তী বছৰ কেইটাতো ৰাভাৰ মৃত্যু-দিৱসত তেওঁৰ প্ৰশস্তি গোৱা পদ্ধতি চলি আছে। কিন্তু বিষ্ণু ৰাভাৰ কালজয়ী প্ৰতিভাৰ সম্যক বিচাৰ সেইবিলাকৰ মাজত কিমান ঘটিছে, সেই কথা একে আষাৰতে কব পৰা বিধৰ নহয়। বহুমুখী প্ৰতিভাসম্পন্ন এই ব্যক্তিজনাৰ বিষয়ে তেখেতৰ মৃত্যুৰ পৰবৰ্তী দশকটোত যিমানখিনি গ্ৰন্থ ওলাব লাগিছিল, সেই কথা বিচাৰ কৰিলে হতাশ নহৈ নোৱাৰি। কিন্তু অসমীয়া ভাষাতনো অসমৰ কোনজন প্ৰতিভাধৰ ব্যক্তিৰ বিষয়ে কিমান গ্ৰন্থ ওলাইছে? বৈষ্ণৱ ধৰ্ম প্ৰচাৰক মহাপুৰুষসকলৰেনো বিশুদ্ধ ঐতিহাসিক দৃষ্টিভঙ্গীৰে লিখা জীৱনী যোৱা চাৰি শ বছৰত কেইখন ওলাল? আনন্দৰাম ঢেকিয়ালফুকন, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু প্ৰতিভাকেনো বৈজ্ঞানিক নিৰীক্ষাৰে আমি কিমান চালোঁইক? সেই পৰিপ্ৰেক্ষিতত বিষ্ণুপ্ৰসাদ ৰাভা সম্পৰ্কে হোৱা আলোচনা একেবাৰে অকিঞ্চিৎকৰ নহয়। অন্ততঃ শ্ৰীতিলক দাসৰ এই প্ৰচেষ্টাই সেই কথাকেই কৈছে।

গ্ৰন্থখনৰ লেখক শ্ৰীদাসে ৰাভাৰ সান্নিধ্য লাভৰ যি দুৰ্লভ সৌভাগ্য অৰ্জন কৰিলে, সেই সৌভাগ্যয়েই এই গ্ৰন্থ-ৰচনাৰ কাৰণ বুলিব পাৰি। ৰাভাৰ ৰচনা-সমগ্ৰ প্ৰকাশ নোহোৱালৈকে আন যি কোনো লেখকৰ বাবে ৰাভাৰ জীৱন-বৃত্ত আৰু প্ৰতিভাৰ সম্যক বিচাৰ কৰাটো সম্ভৱো নহয়। শ্ৰীদাসলৈ আমাৰ আন্তৰিক অভিনন্দন এই বাবেই যে তেখেতৰ এই প্ৰচেষ্টাই পৰবৰ্তী ৰাভা-জীৱনীকাৰসকলৰ কাৰণে নিশ্চয় আৰিয়া ধৰিছে। দেখিলেই হাতত লবলৈ আৰু হাতত ললেই পঢ়ি চাবলৈ হেঁপাহ জগাকৈ গ্ৰন্থখন ছপাই-বন্ধাই উলিওৱা বাবেই নহয়, বিষ্ণু-প্ৰসাদ ৰাভাৰ জীৱনৰ প্ৰায় পূৰ্ণাঙ্গ দলিল এখন পোন প্ৰথম বাৰৰ বাবে প্ৰকাশ কৰা কাৰণেও প্ৰকাশক শ্ৰীবংশীধৰ শৰ্মা অসমীয়া ৰাইজৰ শলাগৰ পাত্ৰ হৈছে।

কিন্তু আলোচ্য গ্ৰন্থখনক আমি প্ৰকৃত অৰ্থত জীৱনী বুলিব নোৱাৰোঁ। জীৱনীখনৰ নায়কজনে জীৱনী-কাৰলৈ লিখা মতেই ৰাভাৰ জীৱনটো Andre Maurois-অৰ 'Ariel' বা Irving Stone অৰ



'Lust for life'-অৰ আৰ্হিত লিখিবলৈ শ্ৰীদাসে যত্ন কৰিছিল যদিও তেখেতৰ সেই যত্ন সফল হৈছে বুলিব নোৱাৰি। তাৰ কাৰণ, আমাৰ মতে, নায়কৰ প্ৰতি থকা জীৱনীকাৰৰ শ্ৰদ্ধা-ভক্তি প্ৰকাশৰ আতিশয্য। নায়কজনৰ প্ৰতি প্ৰকৃত জীৱনীকাৰৰ এক প্ৰকাৰৰ নিৰাসক্তি থকা প্ৰয়োজন। নায়ক-জনক দোষ-গুণৰ অতীত ৰূপ এটা দিবলৈ চেষ্টা কৰিলে প্ৰকৃত অৰ্থত জীৱনী হৈ নাথাকে। শ্ৰীদাসে ৰাভাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা 'গন্ধৰ্ব ৰাভাদেৱ', 'নট-ৰাজ ৰাভাদেৱ', 'দেৱোপম পুৰুষ' আদি আখ্যায়ো সেই কথাকেই দাঙি ধৰিছে। জীৱনীকাৰ শ্ৰীদাসৰ বহুতো বৰ্ণনাত অলৌকিকতা বা অতিলৌকিকতাৰ প্ৰভাৱ আছে। অসমৰ জনজাতিসকলৰ লগত ৰাভাৰ জীৱনৰ যি ঐক্যসূত্ৰ দেখুৱা হৈছে, তাৰ তুলনাত ৰাভাৰ সমসাময়িক অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ প্ৰতিভাধৰ পুৰুষসকলৰ লগত থকা তেওঁৰ সংযোগৰ কাহিনী অস্পষ্ট হৈ থাকিল। ৰাভাৰ দৈনন্দিন জীৱনৰ বহুতো কথা হুবহু কথিত হৈছে; এইয়া লেখকৰ কৃতিত্ব; কিন্তু এই ক্ষেত্ৰত প্ৰয়োজনীয় উৎস-সমূহৰ উল্লেখ থাকিব লাগিছিল। বহুতো কথা বা বৰ্ণনা ৰাভাৰ বুলি দেখুৱাইছে যদিও সেইবোৰ কথা বা বৰ্ণনা ৰাভাৰ নিজৰ মুখৰ নে লেখকৰ, বুজাত অসুবিধা হৈছে। যি নহওক, গ্ৰন্থখনত ৰাভাৰ গীতিকাৰ, নৃত্য শিল্পী, ৰাজনীতিক, সমাজকৰ্মী, গৃহী, গল্পকাৰ, ঔপন্যাসিক, চিত্ৰকৰ আদি বিভিন্ন ৰূপ প্ৰকাশ পাইছে (অৱশ্যে আমি জনাত ৰাভাই সাহিত্যৰথী বেজ-বৰুৱাৰ ছবি এখনো আঁকিছিল, য'ত তেওঁ পাগুৰী পৰিহিত বেজবৰুৱাক এখন পাঁচ খলপীয়া সিংহাসনত বহুৱাইছে। গ্ৰন্থখনত সেই প্ৰসঙ্গৰ উল্লেখ নাই)। বিষ্ণু ৰাভাৰ জীৱনৰ এই আলেখ্য ৰচনাত লেখকে যিমানবোৰ সমলৰ সহায় লৈছে, যিমানখিনি পৰিশ্ৰম তেখেতে কৰিছে, ৰাভাৰ জীৱনৰ সৰ্বসাধাৰণে নজনা যিমানবোৰ কথাৰ স্তুপীকৃত সম্ভাৰ ইয়াত দাঙি ধৰিছে, তাৰ বাবে ভৱিষ্যতৰ ৰাভা-জীৱনীকাৰসকল নিশ্চয় শ্ৰীদাসৰ ওচৰত কৃতজ্ঞ হৈ থাকিব লাগিব।

## মেম

লেখক : ৺নীলকণ্ঠ বৰুৱা

সম্পাদক : শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

প্ৰকাশক : যোৰহাট সাহিত্য সভা

পৃষ্ঠা : ১৬+৪১

মূল্য : ৪·০০ টকা

৺নীলকণ্ঠ বৰুৱা ৺পদ্মনাথ গোহাঞি বৰুৱাৰ অগ্ৰজ। ১৮৬৯ চনত জন্ম হোৱা নীলকণ্ঠ বৰুৱা চাৰি কুৰি পাঁচ বছৰ বয়সত ১৯৫৩ চনত ঢুকায়। জোনাকী আৰু বিজুলী আলোচনীৰ লেখক হিচাপে নীলকণ্ঠ বৰুৱাৰ খ্যাতি তেতিয়া বৰ কম নাছিল। কিন্তু সেই যুগৰ অন্যান্য বহুতৰ দৰেই তেওঁৰো সাহিত্য প্ৰতিভা আছিল আলোচনীগতপ্ৰাণ, আৰু সেইবাবেই তেওঁৰ ৰচনাসমূহৰ লগত আজিৰ পাঠকৰ পৰিচয় ঘটা নাই। বিজুলী আলোচনীৰ দ্বিতীয় ভাগত ধাৰাবাহিকভাৱে ওলোৱা 'মেম' নামৰ উপন্যাসখন শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰদ্বাৰা সঙ্কলিত আৰু সম্পাদিত হৈ বৰ্তমান প্ৰকাশ পোৱাৰ লগে লগে কেৱল নীলকণ্ঠ বৰুৱাৰ নামটোৰ লগতেইসে অসমীয়া পাঠক সমাজৰ পৰিচয় ঘটিছে, এনে নহয়; অসমীয়া উপন্যাস সাহিত্যৰ আদি যুগৰ ধাৰাটোত লগ লগা আন এটি নতুন সুঁতিও আৱিষ্কৃত হৈছে বুলিব লাগিব। তাতোকৈ ডাঙৰ কথা হ'ল, আধু-নিক অসমীয়া সাহিত্যত হাস্য আৰু ব্যঙ্গ ৰসৰ যিটো ধাৰা আমি পাইছোঁ, সেই ধাৰাটোৰ প্ৰথম অংশতে 'মেম' উপন্যাসখন এক অন্যতম সংযোজন

হৈ পৰিছে। ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ হাতত ব্যঙ্গৰ তীব্ৰতাহে প্ৰকাশ পালে; ইহঁতিয়ে তেওঁৰ হাতত ঢৌ তুলিব নোৱাৰিলে। বেজবৰুৱাৰ সম-সাময়িক নীলকণ্ঠ বৰুৱায়ো সম্ভৱতঃ হেমচন্দ্ৰ বৰুৱাৰ ৰচনাকে আহি স্বৰূপে লৈ তদানীন্তন অসমীয়া সমাজখনক সংস্কাৰ কৰাৰ প্ৰৱণতাৰে ব্যঙ্গৰ সহায় লৈছিল; কিন্তু নীলকণ্ঠ হেমচন্দ্ৰতকৈ বহু দূৰ আঁতৰি আছিল, আৰু বেজবৰুৱাৰ কাষ চাপিব নোৱাৰিলেও হেমচন্দ্ৰৰ অবিমিশ্ৰ ব্যঙ্গৰ বিপৰীতে নীলকণ্ঠৰ কথাত হাঁহিয়েও প্ৰকাশ লাভ কৰিলে।

১৮৯২ চনত বিজুলীত ভোৰাছোৰাকৈ প্ৰকাশ হোৱা এই পুথিখনে আজিৰ জোখেৰে প্ৰকৃত উপন্যাসৰ ৰূপ পৰিগ্ৰহ কৰিব পৰা নাই; অসমীয়া সাহিত্যৰ কোনো সমালোচকেই নিশ্চয় সেইটো আশা নকৰে। কিন্তু উনবিংশ শতিকাৰ অন্ততঃ নৱম দশকটোৰ অসমীয়া সমাজখনৰ ৰূপটো 'মেম' পুথিখনে দাঙি ধৰিব পাৰিছে। তদানীন্তন অসমীয়া সমাজত কানিৰ প্ৰভাৱ, ইংৰাজী আদব-কায়দাৰ সম্ভাৱনীয়া প্ৰচলন, অসমীয়া নাৰীৰ মানসিকতা আদিৰ বুজ লোৱাৰ ক্ষেত্ৰত এই উপন্যাসধৰ্মী পুথিখনৰ অৱিহণাৰ পৰিমাণ নিশ্চয় বুজন বিধৰে হ'ব। অসমীয়া সাহিত্যৰ বুৰঞ্জীত নতুন পাত এখিলা সংযোগ কৰাত সুবিধা দিয়া বাবে সম্পাদক শ্ৰীগোস্বামী নিঃসন্দেহে ধন্যবাদৰ পাত্ৰ। প্ৰয়োজনীয় টোকাৰে সৈতে তেখেতে পুথিখন সম্পাদনা কৰি উলিয়াইছে। কিন্তু তেখেতৰ 'ভূমিকা'ত অসমীয়া উপন্যাসৰ ইতিবৃত্ত-কথনৰ পৰিবৰ্তে নীলকণ্ঠ গোহাঞি বৰুৱাৰ জীৱন আৰু সাহিত্য-কৰ্মৰ পৰিচয় বিস্তৃতভাৱে দাঙি ধৰা হ লেই আমাৰ বোধেৰে বেছি ভাল কথা হ'লহেঁতেন। এনে এখন অজ্ঞাতপূৰ্ব পুথি প্ৰকাশ কৰি যোৰহাট সাহিত্য সভাই এটি মহান কৰ্তব্য পালন কৰিছে বুলি একে আষাৰতে কব পাৰি।

## নগৰীয়া আতা শ্ৰীশ্ৰীসনাতনদেৱৰ চৰিত্ৰ

সংগ্ৰাহক : শ্ৰীৰাধানাথ মহন্ত

সম্পাদক : শ্ৰীমোহনচন্দ্ৰ মহন্ত

প্ৰকাশক : শ্ৰীশ্ৰীগোপালদেৱ প্ৰকাশন সমিতি,
যোৰহাট

পৃষ্ঠা : ৮ + ৫৬

মূল্য : ২·০০ টকা

নগৰীয়া আতা শ্ৰীশ্ৰীসনাতনদেৱ শ্ৰীশ্ৰীগোপালদেৱৰ এজন বিচক্ষণ শিষ্য। গোপালদেৱৰ ভক্ত-বহুসকলৰ ভিতৰত সনাতনদেৱে 'হীৰা' বিশেষণেৰে প্ৰখ্যাতি লাভ কৰিছিল। শঙ্কৰদেৱৰ ভকতীয়া আদৰ্শৰ যি ঐতিহ্য মাধৱদেৱে আৰু গোপালদেৱে বহন কৰি আনিছিল, সেই ঐতিহ্যৰে ধাৰক আৰু বাহক ৰূপত অসমৰ বৈষ্ণৱ সমাজত সনাতনদেৱৰ এখনি আসন আছে। দুখন প্ৰাচীন পদ চৰিত পুথিৰ (ৰচক— দ্বিজ নাৰায়ণ আৰু সৰ্বানন্দদেৱ) সহায়ত শ্ৰীমোহনচন্দ্ৰ মহন্ত ডাঙৰীয়াই এই জীৱনীখন যুগুত কৰি অসমৰ বৈষ্ণৱ ধৰ্ম-সংস্কৃতিৰ ইতিহাসত নতুন পাত এখিলা সংযোগ কৰিছে বুলিব পাৰি। যি দুখন চৰিত পুথি এই পুথিখনৰ অৱলম্ব, সেই দুখনৰ মৌলিকতা আৰু প্ৰাচীনত্ব সম্পৰ্কে সন্দেহ কৰিবলগীয়া নাই বুলি সম্পাদকে কৈছে। অৱশ্যে এই কৰ্ম একাধিক পাঠৰ সমীক্ষা-সম্মত হোৱা হ'লে পুথিখনিৰ নিৰ্ভৰযোগ্যতা এতিয়াতকৈ নিশ্চয় বহু গুণে বাঢ়িলহেঁতেন (সৰ্বানন্দ-ৰচিত চৰিত পুথিখনিৰ পাঠ মাত্ৰ এটাহে পোৱা হৈছে বুলি সম্পাদকে কৈছে)। যি নহওক, সম্পাদকে অতিশয় নিষ্ঠাৰে সৈতে প্ৰাপ্ত পুথি দুখনৰ তথ্যৰ তুলনামূলক বিচাৰেৰে এই জীৱনীখনৰ সম্পাদনা কাৰ্য সম্পন্ন কৰিছে। মাজে মাজে দি যোৱা টীকা-টিপনীসমূহ বক্তব্য বিষয় পৰিস্ফুট কৰাত সহায়ক হৈছে। কেৱল 'তেৰা' শব্দৰ প্ৰয়োগত



থকা আতিশয্যহে পুথিখনিৰ এটি দোষ বুলি বিবেচিত হ'ব পাৰে।

## কৰ্মপ্ৰাণ হৰিপ্ৰসাদ নেওগ

লেখক : শ্ৰীডিম্বেশ্বৰ শৰ্মা

প্ৰকাশক : পূৰ্বশ্ৰী প্ৰকাশন, যোৰহাট

পৃষ্ঠা : ৮+১৫৮

মূল্য : ১০·০০ টকা

অসম সাহিত্য সভাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ যোৱা মুষ্টি কেইটামান যিজন ব্যক্তিয়ে অনুষ্ঠান-টোক এটা গতিশীল ৰূপ দান কৰিলে, যিজনৰ নেতৃত্বত অসম সাহিত্য সভা কেৱল 'সাহিত্যিকৰ অনুষ্ঠান' হৈ নাথাকি অসমীয়া ৰাইজৰ অনুষ্ঠান হৈ পৰিছিল, অসম সাহিত্য সভাৰ সেইজন প্ৰাক্তন প্ৰধান সম্পাদক ৺হৰিপ্ৰসাদ নেওগৰ জীৱন আৰু কৰ্মৰাজি এই গ্ৰন্থখনিৰ যোগেদি শ্ৰীডিম্বেশ্বৰ শৰ্মাই সুঁৱৰিবলৈ যত্ন কৰিছে। ৺নেওগে তেখেতৰ কৰ্মক্ষেত্ৰৰ য'তেই হাত দিছিল, ত'তেই তেখেতে আন্তৰিকতা আৰু নিষ্ঠা প্ৰদৰ্শন কৰিছিল। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰা কালছোৱা-য়েই তেখেতৰ এই নিষ্ঠা আৰু আন্তৰিকতাৰ কথা সোঁৱৰাই থাকিব। যোৰহাট সাহিত্য সভাই হৰি-প্ৰসাদ নেওগক 'কৰ্মপ্ৰাণ' বুলি অভিহিত কৰিছে। ৺নেওগৰ প্ৰতি সন্মান জনাবলৈ আন বহুতো অভিধাৰ ভিতৰত 'কৰ্মপ্ৰাণ' অভিধাটোৱেই উপযুক্ত বুলি আমিও একে আষাৰতে কব খোজোঁ।

গ্ৰন্থখনত ৺নেওগৰ জন্ম আৰু বংশ-পৰিচয়ৰপৰা আৰম্ভ কৰি তেখেতৰ বিভিন্ন কৰ্মৰ পৰিচয় দাঙি ধৰাৰ উপৰি পৰিশিষ্টত নেওগৰ স্বৰচিত কেইটিমান কবিতাও সন্নিবেশ কৰিছে। লগতে নেওগৰ মৃত্যুত বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিৰপৰা অহা সমবেদনা-জ্ঞাপক প্ৰস্তাৱ আৰু চিঠি কিছুমানো প্ৰকাশ কৰা হৈছে। হৰিপ্ৰসাদ নেওগৰ কৰ্মপ্ৰাণতা প্ৰকাশ কৰিবৰ কাৰণে লেখক শ্ৰীশৰ্মাই যত্নৰ ক্ৰটী অলপো কৰা নাই। কিতাপখনৰ ছপা-বন্ধাহে সন্তোষজনক নহ'ল।

—সম্পাদক

## প্ৰাপ্তি-স্বীকাৰ

১। চেনিমাই
লেখক : শ্ৰীদুৰ্গেশ্বৰ শৰ্মা
প্ৰকাশক : শ্ৰীনাৰায়ণ দাস
মূল্য : ৩·৫০ টকা

২। জনতাৰ কবিতা
লেখক : শ্ৰীদুৰ্গেশ্বৰ শৰ্মা
প্ৰকাশক : শ্ৰীকন্দৰ্পেশ্বৰ গোস্বামী
মূল্য : ১·০০ টকা

৩। অন্বয় ব্যতিৰেক
লেখক আৰু প্ৰকাশক : শ্ৰীআনন্দমোহন মুখোপাধ্যায়
মূল্য : ৪·৭৫ টকা

৪। পদ্মাস্মৃথি
লেখক : শ্ৰীডম্বৰুধৰ হাজৰিকা
প্ৰকাশক : শ্ৰীজয়ৰাম হাজৰিকা
মূল্য : ১২·০০ টকা

৫। ভাহানিৰ সাধু
লেখক : শ্ৰীনন্দ তালুকদাৰ
প্ৰকাশক : মণি-মাণিক প্ৰকাশ
মূল্য : ১·৮০ টকা

৬। কমী নহীঁ
লেখক আৰু প্ৰকাশক : শ্ৰীবকুলচন্দ্ৰ বৰা
মূল্য : ৫·০০ টকা

৭। প্ৰসন্নলাল
লেখক : শ্ৰীনন্দ তালুকদাৰ
প্ৰকাশক : নবীন পুস্তক ভাণ্ডাৰ, গোলাঘাট
মূল্য : ৭·০০ টকা

৮। চয়নিকা
সম্পাদক : শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য
প্ৰকাশক : তেজপুৰ সাহিত্য চ'ৰা
মূল্য : ২·৫০ টকা

৯। পাঠ-সমীক্ষাৰ ভূমিকা
লেখক : শ্ৰীনাৰায়ণ দাস
প্ৰকাশক : কৃষ্ণ প্ৰকাশ, তেজপুৰ
মূল্য : ২·০০ টকা

১০। শিৱসাগৰ নাট্য সমাজৰ ইতিবৃত্ত
লেখক আৰু প্ৰকাশক : শ্ৰীসহজানন্দ ভ'ৰালী
মূল্য : ১৫·০০ টকা

১১। কবি প্ৰসন্নলাল
সম্পাদক : শ্ৰীঅক্ষয় কুমাৰ মিশ্ৰ
প্ৰকাশক : কমল বুক ষ্টল, বৰপেটা
মূল্য : ৬·০০ টকা

× × ×

# অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

## কাৰ্য-নিৰ্বাহক সমিতিৰ পঞ্চম অধিৱেশন

দেৱৰাজ ৰয় কলেজ, গোলাঘাট
৯ মাৰ্চ, ১৯৭৮ খ্ৰীঃ, বিয়লি ৩ বজা

উপস্থিত সদস্যসকল :—
চৈয়দ আব্দুল মালিক, আব্দুছ ছাত্তাৰ, শ্ৰীবসন্ত কুমাৰ গোস্বামী, শ্ৰীভৱানী প্ৰসাদ অধিকাৰী, ড° নিশি পদ চৌধুৰী, শ্ৰীজয়দেৱ শৰ্মা, শ্ৰীলংকাম তেৰণ, ড° হেমন্ত কুমাৰ শৰ্মা, শ্ৰীঅৰুণ গোস্বামী, শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা, শ্ৰীৰামচৰণ ঠাকুৰীয়া, শ্ৰীমতিদেৱ শাস্ত্ৰী, শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী, শ্ৰীবেণু প্ৰভা দাস, শ্ৰীনাহেন্দ্ৰ পাদুন, শ্ৰীঅৰুণ কুমাৰ খেৰিয়া, শ্ৰীকমল বাইলুং, শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰা, মোঃ আব্দুল মালিক চৌধুৰী।

নিমন্ত্ৰিতসকল :—
ড° মোহিনী কুমাৰ শইকীয়া, শ্ৰীপোনাৰাম বৰুৱা, শ্ৰীনগেন শইকীয়া, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

১। প্ৰধান সম্পাদকে সভাৰ মাননীয় সভাপতিক আসন গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনায়। সভাপতিয়ে আসন গ্ৰহণ কৰে।

২। সভাপতিয়ে তলত দিয়া শোক প্ৰস্তাৱ দুটি উত্থাপন কৰে। সমিতিয়ে এক মিনিট সময় মৌন হৈ বিদেহ আত্মাৰ সদ্গতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

(ক) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য একাডেমীৰ সদস্য মহত্তম, ভাৰতৰ মুক্তি যুঁজৰ অক্লান্ত কৰ্মী, দেশপ্ৰেমিক, সমাজসেৱী, কবি, সাহিত্যিক বাগ্মীবৰ ড° নীলমণি ফুকনৰ পৰলোক-প্ৰাপ্তিত অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ আজিৰ বৈঠকে গভীৰ শোক প্ৰকাশ কৰে আৰু বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। সভাই শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(খ) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ আজিৰ বৈঠকত তলত নাম দিয়া ব্যক্তিসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। সভাই স্বৰ্গগত আত্মাৰ সদ্গতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় :- খ্যাতনামা হিন্দী সাহিত্যিক সুমিত্ৰা নন্দন পন্ত, ভাৰত চৰকাৰৰ প্ৰাক্তন আইন-মন্ত্ৰী গোখলে, গোলাঘাট সাহিত্য সভাৰ সভাপতি নাট্যকাৰ সুৰেন্দ্ৰ নাথ শইকীয়া, ৰাজনীতিক শ্ৰীমান নাৰায়ণ, কামাখ্যা নাথ ঠাকুৰ, শিল্পী চাৰ্লি চেপলিন, কবি আৰু ঔপন্যাসিক ভি. শঙ্কৰ কুৰুপ, উত্তৰ গুৱাহাটীৰ বিশিষ্ট সমাজ-কৰ্মী পয়োধৰ বৰুৱা।

৩। অভ্যৰ্থনা সমিতিৰ সভাপতি ড° মোহিনী কুমাৰ শইকীয়াই সদস্যসকলক স্বাগত সম্ভাষণেৰে আদৰণি জ্ঞাপন কৰে।

৪। প্ৰধান সম্পাদকে পূৰ্ববৰ্তী বৈঠকৰ কাৰ্য-বিৱৰণি উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে।

৫। উত্থিত বিষয় : (ক) প্ৰধান সম্পাদকে জনায় যে — অসমৰ খনিজ সম্পদ, অসমৰ বনৌষধি, ৰাসায়নিক আবিষ্কাৰ আৰু আমি, মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন, কিম্বদন্তীৰ সাধু, প্ৰবন্ধ সঙ্কলন ছপা হৈ আছিল ; আৰু টলষ্টয়, আধুনিক অসমীয়া কবিতা, অসম সাহিত্য সভাৰ ৰূপলেখাৰ হিন্দী সংস্কৰণ ছপাশালত আছে। যোৱা বছৰ ছপাশালত থকা পুথি কামৰূপী লোকগীত সংগ্ৰহ আৰু হীৰক জয়ন্তী প্ৰকাশন শতাব্দীৰ অৰ্ধ্য ছপা হৈ আছিল আৰু নগাভূমি, অসমীয়া গল্পগুচ্ছ ছপাশালত আছে।

(খ) শ্ৰীহস্তমুক্তাৱলী ছপা কৰা সম্পৰ্কে প্ৰাক্তন সভাপতি ড° মহেশ্বৰ নেওগৰ চিঠি প্ৰধান সম্পাদকে পাঠ কৰি শুনায়। সমিতিয়ে উল্লিখিত গ্ৰন্থৰ ছপা-ব্যয়ৰ আধা কেন্দ্ৰীয় চৰকাৰে বহন কৰিব বুলি লিখিতভাৱে প্ৰতিশ্ৰুতি পাবলৈ প্ৰধান সম্পাদকক ড° নেওগৰ লগত পৰামৰ্শ কৰি যোগাযোগ কৰিবলৈ দায়িত্ব দিয়ে।

(গ) প্ৰধান সম্পাদকে জনায় যে সভাৰ চতুশ্চত্বাৰিংশ অধিৱেশনৰ সভাপতিৰ অভিভাষণৰ ছপা-ব্যয়ৰ দুহাজাৰ টকা অন্য পৰিমিত ছপাশালক দিয়া নাই। সমিতিয়ে ড° হেমন্ত কুমাৰ শৰ্মা, ড° নিৰ্মলপ্ৰভা চৌধুৰী আৰু শ্ৰীবসন্ত কুমাৰ গোস্বামীক সভাৰ হৈ অভ্যৰ্থনা সমিতিৰ বিষয়-ববীয়াৰ লগত যোগাযোগ কৰি পৰবৰ্তী বৈঠকত অৱগত কৰিবলৈ দায়িত্ব দিয়ে।

(ঘ) ওৱাইচ কুপি বৰাই যুগুত কৰা সভাৰ তথ্য-চিত্ৰখনৰ মুক্তিৰ কাৰণে আৰু কিমান টকা ব্যয় হোৱাৰ সম্ভাৱনা আছে, সেই সম্পৰ্কে ড° হেমন্ত কুমাৰ শৰ্মা, ড° নিৰ্মলপ্ৰভা চৌধুৰী, শ্ৰীৰামচৰণ ঠাকুৰীয়াক অধ্যয়ন কৰিবলৈ দায়িত্ব দিয়ে। সভাই উক্ত তথ্য-চিত্ৰৰ এটা প্ৰিণ্ট পাব লাগে বুলি মত পোষণ কৰে আৰু প্ৰয়োজনীয় চুক্তিৰ অনুকূলে দহ হাজাৰ টকা দিব পাৰি বুলি সম্মতি জনায়।

(ঙ) ড° হেমন্ত কুমাৰ শৰ্মাই অসম সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী নলিনীবালা দেৱীৰ স্মৃতিগ্ৰন্থৰ কাম আগবাঢ়িছে বুলি জনায়।

(চ) প্ৰধান সম্পাদকে জনায় যে— চতুস্ত্ৰিংশ বছৰৰ হীৰক জয়ন্তী বৰ্ষৰ বিশেষ সংখ্যা ( চতুৰ্থ সংখ্যা ) পত্ৰিকা ছপা হৈ আছিল।

(ছ) কেন্দ্ৰীয় কাৰ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীপ্ৰমোদ হাজৰিকাৰ পুত্ৰৰ চিকিৎসাৰ কাৰণে তিনি শ টকা দিয়া হয় বুলি প্ৰধান সম্পাদকে জনায়।

(জ) হীৰক জয়ন্তী উপলক্ষে সভাৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলক এককালীন ৰানচ দিয়া বুলি প্ৰধান সম্পাদকে জনায়।

(ঝ) প্ৰধান সম্পাদকে জনায় যে ৰাধাকান্ত সন্দিকৈ ভৱনৰ কাৰণে উপসমিতিয়ে আগবঢ়োৱা পৰামৰ্শ আৰু কাৰ্য-নিৰ্বাহকৰ অনুমোদন অনুযায়ী ভৱন নিৰ্মাণৰ সামগ্ৰী ক্ৰয় কৰা হৈছে।

(ঞ) প্ৰধান সম্পাদকে জনায় যে বাগ্মীবৰ নীলমণি ফুকন ককাৰ আদ্য শ্ৰাদ্ধৰ দিনটো বিভিন্ন কাৰ্যসূচীৰে পালন কৰিবলৈ শাখা সভাসমূহক নিৰ্দেশ দিয়া হৈছে।

৬। প্ৰধান সম্পাদকে পঞ্চচত্বাৰিংশ সন্মিলনৰ কাৰ্য-সূচী উত্থাপন কৰে আৰু সমিতিয়ে গ্ৰহণ কৰে।

কাৰ্যসূচী— ২৫ ফাগুন, ৯ মাৰ্চ, বৃহস্পতিবাৰ :
সন্ধ্যা ৫ বজা : প্ৰতিনিধি শিবিৰৰ দ্বাৰ উন্মোচন।
সন্ধ্যা ৭ বজা : বিষয়-বাচনী সভা।

২৬ ফাগুন, ১০ মাৰ্চ, শুক্ৰবাৰ :
পুৱা ৭-৩০ বজা : পতাকা উত্তোলন।
পুৱা ৮ বজা : প্ৰদৰ্শনীৰ দ্বাৰ উদ্ঘাটন।
পুৱা ৮-৩০ বজা : বিষয়-বাচনী সভা।
ৰাতি ৭ বজা : সাংস্কৃতিক সন্মিলন।



২৭ ফাগুন, ১১ মাৰ্চ, শনিবাৰ :
পুৱা ৮ বজা : গ্ৰন্থ উন্মোচনী সভা। (স্মৃতিগ্ৰন্থ, সাহিত্য সঙ্কলন আৰু অসম সাহিত্য সভাৰ প্ৰকাশন)
পুৱা ৮-৩০ বজা : যুৱক্তী সন্মিলন।
আবেলি ২ বজা : প্ৰথম মুকলি অধিৱেশন।
সন্ধ্যা ৬ বজা : কবি সন্মিলন।
ৰাতি ৮-৩০ বজা : সাংস্কৃতিক সমাবোহ।

২৮ ফাগুন, ১২ মাৰ্চ, দেওবাৰ :
পুৱা ৮-৩০ বজা : সাহিত্য আলোচনা চক্ৰৰ অধিৱেশন।
আবেলি ১ বজা : দ্বিতীয় মুকলি অধিৱেশন।

অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ভাণ্ডাৰীয়াক 'সদস্য মহীয়ান বৰণ'। সন্ধিয়া ৬ বজাত সঙ্গীতানুষ্ঠান।

৭। প্ৰধান সম্পাদকে পঞ্চচত্বাৰিংশ সন্মিলনত উত্থাপন কৰিবলগীয়া বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে। সমিতিয়ে গ্ৰহণ কৰে।

৮। প্ৰধান সম্পাদকে ১৯৭৬-৭৭ বিত্তীয় বছৰৰ পৰীক্ষিত হিচাপ উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে।

৯। প্ৰধান সম্পাদকে বিষয়-বাচনী সভাত উত্থাপন কৰিবলগীয়া নিয়মাৱলী-সংশোধনী প্ৰস্তাৱ উত্থাপন কৰে। সমিতিয়ে (জুকিয়াই উলিওৱা) সংশোধনী প্ৰস্তাৱসমূহ উত্থাপন কৰিবলৈ অনুমোদন জনায়।

১০। উপসমিতিৰ ফলাফল : প্ৰধান সম্পাদকে জনায় যে—

(ক) 'নবীয়া বজাৰ পৰীয়া' গ্ৰন্থৰ বাবে শ্ৰীকৈলাস শৰ্মাই প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা লাভ কৰিছে।

(খ) 'শ্ৰীমন্ত শঙ্কৰদেৱ' বিষয়ৰ ৰচনাৰ বাবে গোলাঘাট চৰকাৰী বেজলী হাই স্কুলৰ ছাত্ৰী শ্ৰীমতী ৰুচিৰা ভট্টাচাৰ্যই শৰৎ চন্দ্ৰ গোস্বামী বঁটা লাভ কৰিছে।

(গ) ১৯৭৪-৭৬ চনৰ ভিতৰত প্ৰকাশিত অসমীয়া চিন্তামূলক গ্ৰন্থৰ ভিতৰত শ্ৰেষ্ঠ বিবেচিত হৈ 'ৰমন্যাসবাদ' গ্ৰন্থৰ লেখক ড° মহেন্দ্ৰ বৰাই মোহনচন্দ্ৰ শৰ্মা বঁটা লাভ কৰিছে।

(ঘ) হৰিহৰ চৌধুৰী বঁটা, ডিগবৈ সাহিত্য সেৱা সমিতিৰ বঁটা শ্ৰেষ্ঠ বিবেচিত নোহোৱাত দিব পৰা নহ'ল।

(ঙ) হৰিপ্ৰসাদ নেওগ মুদ্ৰণ আৰু অলঙ্কৰণ বঁটা সম্পৰ্কত প্ৰধান সম্পাদকে জনায় যে— চলিত বছৰত উপসমিতিয়ে এটা বঁটাকে মুদ্ৰণ আৰু অলঙ্কৰণ দুটা ভাগত ভাগ কৰি মুদ্ৰণৰ বাবে 'অসমীয়া উপন্যাসৰ গতিধাৰা' আৰু অলঙ্কৰণৰ বাবে 'মন আৰু মন' পুথিক পুৰস্কাৰ দিয়ে। যিহেতু বঁটা এটা, সেয়ে সমিতিয়ে দুয়োখন পুথিৰ প্ৰকাশকক একোখনকৈ প্ৰমাণ-পত্ৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে (যিহেতু দুয়োখন পুথিৰ সম্পৰ্কে বাতৰি কাকতৰ যোগেদি প্ৰচাৰ কৰা হৈছিল)।

১১। ভাষাজ্ঞান পৰীক্ষা:—প্ৰধান সম্পাদকে ১৯৭৭-৭৮ বছৰৰ ভাষাজ্ঞান পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। সমিতিয়ে গ্ৰহণ কৰে।

ফলাফল—

প্ৰাথমিক—মুঠ পৰীক্ষাৰ্থী—৪৫৬। পৰীক্ষাত অনুপস্থিত—১৩৩। উত্তীৰ্ণ—২০৫।
১ম বিভাগ—দুজন, ২য় বিভাগ—৪৩, আৰু ৩য় বিভাগ ১৬০ জন। শতকৰা উত্তীৰ্ণৰ হাৰ—৬৩।

মাধ্যমিক—মুঠ পৰীক্ষাৰ্থী—৪৩৮। পৰীক্ষাত অনুপস্থিত ৯৮। উত্তীৰ্ণ—২৩৪।
১ম বিভাগ—নাই, ২য় বিভাগ—৪৭, ৩য় বিভাগ—১৮৭। শতকৰা উত্তীৰ্ণৰ হাৰ—৬৯।

প্ৰাকভাৰতী—মুঠ পৰীক্ষাৰ্থী—১২২। পৰীক্ষাত অনুপস্থিত—১৮। উত্তীৰ্ণ—৬৪।
১ম বিভাগ—নাই, ২য় বিভাগ—১১, ৩য় বিভাগ—৫৩। শতকৰা উত্তীৰ্ণৰ হাৰ ৬২

ভাৰতী—মুঠ পৰীক্ষাৰ্থী - ২১, পৰীক্ষাত অনুপস্থিত—৩, উত্তীৰ্ণ—১১। ১ম বিভাগ—নাই, ২য় বিভাগ—১ ৩য় বিভাগ—১০। শতকৰা উত্তীৰ্ণৰ হাৰ—৫০।

১২। সমিতিয়ে তলত দিয়া প্ৰস্তাৱসমূহ মুকলি অধিৱেশনত উত্থাপন কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(ক) অসম সাহিত্য সভাৰ পঞ্চচত্বাৰিংশ সন্মিলনৰ মুকলি অধিৱেশনে অনুভৱ কৰে যে—অসমৰ ৰাজ্য-ভাষা তথা ভাৰতৰ সংবিধান-স্বীকৃত আঞ্চলিক ভাষা অসমীয়া ভাষাৰ প্ৰয়োগ অসম সাহিত্য সভাই দাবী জনাই থকা সত্ত্বেও আৰু ৰাজ্য চৰকাৰে বিভিন্ন সময়ত প্ৰতিশ্ৰুতি দি অহা সত্ত্বেও প্ৰয়োজনীয় নিৰ্দেশ আদিত প্ৰশাসনত যথাৰ্থভাৱে হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰিও আঞ্চলিক ভাষাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। অসম সাহিত্য সভাই পুনৰাবৃত্তি কৰি দাবী জনায় যে—ৰাজ্যভাষা সম্পূৰ্ণৰূপে প্ৰয়োগ কৰাত যি বাধা বা অসুবিধাৰ সৃষ্টি হৈছে, সেই বিষয়ে অনুসন্ধান কৰি ৰাজ্য চৰকাৰে অনতিপলমে ৰাজ্যভাষা আইনৰ পূৰ্ণ প্ৰয়োগৰ বাবে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(খ) অসমৰ বিশ্ববিদ্যালয় দুটাৰ শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়ালৈ পৰিৱৰ্তন কৰা সত্ত্বেও আৰু ১৯৭৭ চনত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী অসমীয়া মাধ্যমেৰে স্নাতক হৈ ওলোৱা সত্ত্বেও অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লোকসেৱা আয়োগ আৰু অন্যান্য প্ৰশাসনীয় পৰ্যায়ৰ পদসমূহৰ অৰ্থে অনুষ্ঠিত প্ৰতি-যোগিতামূলক পৰীক্ষাসমূহত অন্যান্য ভাষাৰ দৰে অসমীয়া ভাষাক স্বীকৃতি নিদিয়াত অসম সাহিত্য সভাই ক্ষোভ প্ৰকাশ কৰে আৰু অতি সোনকালে উক্ত পৰীক্ষাসমূহত অসমীয়া ভাষাক যাৱতীয় মৰ্যাদা দিবলৈ টানি দাবী জনায়।

(গ) অসম সাহিত্য সভাই অসমৰ জনসাধাৰণৰ মাজত এতিয়াও শিক্ষাৰ প্ৰসাৰ বাঞ্ছিতভাৱে হোৱা নাই বুলি অনুভৱ কৰে। ভিতৰুৱা গ্ৰামাঞ্চল, পাৰ্বত্য অঞ্চল, চাহ বাগিচা, চৰ অঞ্চল আৰু অন্যান্য অঞ্চলত অসমীয়া ভাষাৰে সাক্ষৰতা অভিযান চলাবলৈ চৰকাৰক দাবী জনায়। এনে অভিযানত অসম সাহিত্য সভাই পূৰ্ণ সমৰ্থন দান কৰিব। আঞ্চলিক ভাষাৰ গুৰুত্বৰ প্ৰতি চকু ৰাখি উত্তৰ-পূব ভাৰতৰ জনসাধাৰণৰ মাজত ঐক্য আৰু সংহতি ৰক্ষা কৰাৰ প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিতত অসমৰ কাছাৰ জিলাত থকা শিলচৰ অনাতাঁৰ কেন্দ্ৰত অসমীয়া মাধ্যমৰ অনুষ্ঠান প্ৰচাৰ কৰাৰ বাবে অসম সাহিত্য সভাই সকীয়াই অহা সত্ত্বেও আকাশ-বাণীৰ সংশ্লিষ্ট কৰ্তৃপক্ষই বিহিত ব্যৱস্থা গ্ৰহণ নকৰাত অসম সাহিত্য সভাই অসন্তুষ্টি প্ৰকাশ কৰে আৰু এই সম্পৰ্কে আশু ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।

(ঘ) অসম চৰকাৰে প্ৰকাশ কৰা প্ৰশাসনীয় পৰি-ভাষাৰ অনেক ক্ষেত্ৰত থকা জটিলতা আৰু সীমা-বদ্ধতাৰ প্ৰতি চকু ৰাখি অসম সাহিত্য সভাই প্ৰস্তাৱ কৰে যে সভাৰ নিজৰ যত্নত বিশেষজ্ঞ পণ্ডিত-সকলৰ সহযোগত তুলনামূলকভাৱে সহজ আৰু সৰ্বজনবোধ্য পাৰিভাষিক অভিধান যুগুত কৰা হওক।

(ঙ) আমাৰ মাননীয় প্ৰধানমন্ত্ৰী আৰু অন্যান্য কেন্দ্ৰীয় নেতাসকলে বাৰে বাৰে ৰাজহুৱাভাৱে ঘোষণা কৰি আহিছে যে ৰাষ্ট্ৰভাষা হিন্দীৰ ব্যাপক প্ৰচলনে আঞ্চলিক ভাষাবোৰৰ কোনো অহিত সাধন নকৰে। সকলো স্তৰতে শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱাটো উচিত। হিন্দীৰ লগতে আঞ্চলিক ভাষাবো বিকাশ আৰু উন্নতি হোৱাটো বাঞ্ছনীয়। কিন্তু দুখৰ বিষয়, অসমত ইয়াৰ ওলোটাটোহে দেখা গৈছে। উদাহৰণস্বৰূপে, এই ৰাজ্যৰ কেন্দ্ৰীয় বিদ্যালয়বোৰত আঞ্চলিক ভাষাক



ন্যায্য স্থানৰপৰা বঞ্চিত কৰি ৰখা হৈছে। নিম্ন স্তৰৰপৰাই শিশুক ইংৰাজী আৰু হিন্দী বাধ্যতা-মূলক ভাষা হিচাপে দি এই দুই ভাষাৰ মাধ্যমেৰে শিকিবলৈ দিয়া হৈছে। পূৰ্বাঞ্চলৰ বিদ্যালয়বোৰত ইংৰাজী শিক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। অসমৰ বিদ্যালয়ত অসমীয়া ভাষাৰ সঙ্গীত ৰহিত কৰি দুবুৰীয়া ভাষাৰ সঙ্গীত শিকাবলৈ নিৰ্দেশ দিয়া হৈছে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে ভাৰত চৰকাৰৰ ঘোষিত শিক্ষা-নীতিৰ ত্ৰিভাষী সূত্ৰ মতে হিন্দী আৰু ইংৰাজীৰ লগতে আঞ্চলিক ভাষা অন্তৰ্ভুক্ত কৰাত কোনো আপত্তিৰ থল থাকিব নোৱাৰে। সেই কাৰণে অসম সাহিত্য সভাৰ আজিৰ এই গোলাঘাট অধিৱেশনে জোৰেৰে দাবী জনায় যে অসমৰ কেন্দ্ৰীয় বিদ্যালয়বোৰত নিম্ন স্তৰৰপৰা স্বীকৃত আঞ্চলিক ভাষা বাধ্যতামূলক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰি এই সম্পৰ্কত অবি-লম্বে কাৰ্যকৰী ব্যৱস্থা লব লাগে।

অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে তলত দিয়া প্ৰস্তাৱ কেইটা গ্ৰহণ কৰে আৰু প্ৰধান সম্পা-দকক যোগাযোগ কৰিবৰ কাৰণে দায়িত্ব দিয়ে।

১। (ক) অভয়াপুৰী সন্মিলনৰ অভ্যৰ্থনা সমিতিয়ে সভাপতিৰ ভাষণ ছপোৱা ব্যয়ৰ দুহাজাৰ টকা আদায় নিদিয়া বুলি সভাপতিয়ে লিখা চিঠিৰ সন্দৰ্ভত অভ্যৰ্থনা সমিতিক বিষয়টো জনোৱা সত্ত্বেও অভ্যৰ্থনা সমিতিয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত আৰু অভয়াপুৰী বাৰ্ষিকী প্ৰকাশ কৰিবৰ কাৰণে অসম সাহিত্য সভাক বাঞ্ছিত অৰ্থ অতি পৰিমিত নিদিয়াত অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে সভা দুয়ো ফালৰপৰাই অসুবিধাৰ সন্মুখীন হৈছে বুলি অনুভৱ কৰে। এই দুয়োটি বিষয়ত অভ্যৰ্থনা সমি-তিৰ ইতিবাচক সঁহাৰি পোৱা হ'ব বুলি সমিতিয়ে অনুভৱ কৰে। বিষয় কেইটিৰ খৰতকীয়া সমাধানৰ বাবে অভয়াপুৰী সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ মুখ্য বিষয়-ববীয়াসকলৰ লগত যোগাযোগ কৰিবলৈ ড° হেমন্ত কুমাৰ শৰ্মা, ড° নিৰ্মলপদ চৌধুৰী আৰু শ্ৰীবসন্ত কুমাৰ গোস্বামীক সমিতিয়ে দায়িত্ব দিয়ে।

(খ) সমিতিয়ে সভাপতিৰ ভাষণৰ ছপা-ব্যয় পৰিশোধৰ সন্দৰ্ভত এটি ইতিবাচক বিহিত ব্যৱস্থা লোৱাৰ বাবে বাট মুকলি কৰি ৰাখে।

২। অসম সাহিত্য সভাৰ এখনি তথ্যচিত্ৰ নিৰ্মাণ কৰি থকা ওৱাইছ কুৰ্ণি বৰাই অৰ্থাভাৱত এই চিত্ৰখনিৰ শেহ পৰ্যায়ৰ কাম সম্পূৰ্ণ কৰিব পৰা নাই বুলি সমিতিয়ে জানিব পাৰিছে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰীৰপৰা সভাৰ সভাপতিয়ে আশ্বাসপূৰ্ণ প্ৰতিশ্ৰুতি পোৱাৰ কথাও সমিতিৰ বিদিত। এনে অৱস্থাত তথ্যচিত্ৰখনি সম্পূৰ্ণ কৰাত ৰাজ্য চৰকাৰে দিব বুলি ভৰা সাহায্য নহাত সমিতিয়ে আশ্চৰ্য প্ৰকাশ কৰে। এই তথ্যচিত্ৰখনত সন্নিবিষ্ট অনেক চিত্ৰৰ মূল্যৰ প্ৰতি দৃষ্টি ৰাখি প্ৰয়োজনীয় দহ হাজাৰ টকাৰ অৰ্থ-সাহায্য ৰাজ্য চৰকাৰে সোনকালে প্ৰদান কৰিব বুলি সমিতিয়ে আশা কৰে।

১৩। সমিতিয়ে পঞ্চচত্বাৰিংশ সন্মিলনৰ পাঁচ হাজাৰ টকাৰ সম্ভাব্য ব্যয়ৰ অনুমোদন জনায়।

১৪। সমিতিয়ে নিয়মাৱলীৰ উপবিধি ২২ (ক) অনুযায়ী শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱাক নিৰ্বাচনী বিষয়া মনোনীত কৰে।

১৫। সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত ১ ফেব্ৰুৱাৰীৰপৰা শ্ৰীৰবীন বৰঠাকুৰক কাৰ্যালয় সহকাৰীৰূপে, স্থায়ী পিয়ন শ্ৰীৰাজেন বৰাৰ অসুস্থতাৰ বাবে শ্ৰীৰাজেন বৰাৰ ঠাইত শ্ৰীঅপূৰ্ব বৰাক ১৪।২।৭৮ তাৰিখৰপৰা, পঞ্চচত্বাৰিংশ অধিৱেশনৰ কাৰণে ৩।৩।৭৮ তাৰিখৰ পৰা শ্ৰীকুশল দত্তক আৰু পূৰ্বৰ দৰে পুথি চ'ৰাৰ দায়িত্বত শ্ৰীকৈলাস গোস্বামীক অস্থায়ী নিযুক্তি দিয়া হয়। অস্থায়ী নিযুক্তিত সমিতিয়ে অনুমোদন জনায়।

১৬। ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ অৰৱক্ষণ সমিতিৰ

ধনভঁড়ালী ড° মহেশ্বৰ নেওগ পাঞ্জাবলৈ যোৱাত সমিতিয়ে শ্ৰীযোগেশ দাসক ধনভঁড়ালী মনোনীত কৰে।

১৭। আঠখেল সাহিত্য সভাৰ ঠাইত গেলেকী সাহিত্য সভা আৰু নৱজ্যোতি সাহিত্য সভাৰ ঠাইত নৱজোতি সংঘ সাহিত্য সভা পুথিভঁৰাল হ'ব লাগে বুলি দুৱোখন শাখা সভাই বাজহুৱা প্ৰস্তাৱ যোগে আবেদন কৰাত সমিতিয়ে অনুমোদন জনায়।

১৮। সমিতিয়ে তলত নাম দিয়া শাখা সভা আৰু আজীৱন সভ্যসকলক স্বীকৃতি দিয়ে :

(ক) শাখা সভা :—

১। লঙ্কা সাহিত্য সভা—নগাঁও। ২। লঙ্কা আঞ্চলিক সাহিত্য সভা— নগাঁও। (সমিতিয়ে নিয়মাৱলীৰ তৃতীয় ছেদ ৫ (খ) অনুযায়ী দুয়োখন শাখা সভাক স্বীকৃতি দিয়ে।) ৩। জালাহ শাখা সাহিত্য সভা — কামৰূপ। ৪। নৱজ্যোতি সাহিত্য সভা— নগাঁও। ৫। হস্তিনাপুৰ সাহিত্য সভা— কামৰূপ। ৬। মদাৰখাট শাখা সাহিত্য সভা—ডিব্ৰুগড়। ৭। সাহিত্য কলা বিকাশ সঙ্ঘ—গুৱাহাটী। ৮। মিছামৰা সাহিত্য সভা— গোলাঘাট। ৯। আলমগঞ্জ শাখা সাহিত্য সভা—গোৱালপাৰা। ১০। ফেচুৱাল সাহিত্য সভা—যোৰহাট। ১১। ভাদৈ শাখা সাহিত্য সভা—ডিব্ৰুগড়।

(খ) আজীৱন সভ্য :—

১। (সৰ্বশ্ৰী) উত্তমচন্দ্ৰ গগৈ-বৰবৰুৱা ডিব্ৰুগড়। ২। অভয় হাজৰিকা, কাৰ্বি আংলং। ৩। মিঠাৰাম বৈৰাগী, পুৰণিগুদাম, নগাঁও। ৪। গোবিন্দচন্দ্ৰ মল্লিক, ডুমডুমা। ৫। মহচিন আলি, ডুমডুমা। ৬। নৰেন্দ্ৰ নাথ বৰ্মন, ওদালগুৰি, দৰং। ৭। নৰহৰি দাস, বৰপেটা। ৮। ৰাধাকান্ত তালুকদাৰ, বৰপেটা। ৯। ভুবকধৰ দাস, দৰং। ১০। ৰমণী শৰ্মা, দেৰগাঁও। ১১। গনেশচন্দ্ৰ চাংকাকতী, যোৰহাট। ১২। লক্ষ্মীকান্ত মহন্ত, শিৱসাগৰ। ১৩। বীৰেন বৰকটকী, শিৱসাগৰ। ১৪। নীলিমা বৰুৱা, শিৱসাগৰ। ১৫। হেমলতা দত্ত, শিৱসাগৰ। ১৬। পূৰ্ণ শইকীয়া, হাৱাজান, লক্ষীমপুৰ। ১৭। যতীন্দ্ৰনাথ শইকীয়া, শিৱসাগৰ। ১৮। ৰমেশ্বৰ বৰুৱা, চাচনি। ১৯। ভোলাৰাম গগৈ, মঠাৱনী, ডিব্ৰুগড়। ২০। গোবিন্দচন্দ্ৰ শইকীয়া, চাচনি। ২১। পীতাম্বৰ দাস, নগাঁও। ২২। তিলক চন্দ্ৰ মজুমদাৰ, নগাঁও। ২৩। ঘনশ্যাম চহৰীয়া, খৈৰাবাৰী। ২৪। মানসকুমাৰ বৰুৱা, ডুমডুমা। ২৫। হৰেন্দ্ৰ দেৱগোস্বামী, উঃ লক্ষীমপুৰ। ২৬। ব্ৰজেন শৰ্মাবৰুৱা, উঃ লক্ষীমপুৰ। ২৭। অমিয়া বৰা, উঃ লক্ষীমপুৰ। ২৮। যোগানন্দ বৰগোঁহাই, উঃ লক্ষীমপুৰ। ২৯। স্বৰ্ণ ঢেকিয়ালফুকন, উঃ লক্ষীমপুৰ। ৩০। দীপাঞ্জলি দত্ত, উঃ লক্ষীমপুৰ। ৩১। হেমন্ত কুমাৰ বৰুৱা, উঃ লক্ষীমপুৰ। ৩২। পুণ্য হাজৰিকা, উঃ লক্ষীমপুৰ। ৩৩। ভূমিধৰ নাথ, দুনী। ৩৪। ডাঃ মাখন চন্দ্ৰ কোঁৱৰ, ভগামুখ, শিৱসাগৰ। ৩৫। প্ৰফুল্ল চন্দ্ৰ দত্ত, ভগামুখ, শিৱসাগৰ। ৩৬। হেমচন্দ্ৰ গোহাঁই সেনাপতি—লাহোৱাল, ডিব্ৰুগড়। ৩৬। সৰ্বানন্দ ডেকা—সৰ্থেবাৰী, কামৰূপ। ৩৮। কুলৰঞ্জন ভূঞা—সৰ্থেবাৰী, কামৰূপ।

১৮। কহিমা সাহিত্য সভা সম্বন্ধে আলোচনা কৰা হয়। নগাভূমিৰ স্থানীয় লোকৰ সহযোগিতাত কহিমা সাহিত্য সভা গঠন কৰাৰ লাগে বুলি সভাই মত প্ৰকাশ কৰে আৰু কহিমা সাহিত্য সভাৰ কাৰণে সুকীয়া প্ৰতীক হ'ব নোৱাৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। অসুবিধা হ'লে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰাৰপৰা বিৰত থাকিব।

১৯। আজীৱন সভ্যৰ পুঁজি সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰা হয় যে— পূৰ্বৰ দৰেই চলিত বছৰত আজীৱন সভ্যৰ পুঁজিৰ টকা ষ্টেট বেঙ্ক অৱ ইণ্ডিয়া, যোৰহাট শাখাত ১০ বছৰীয়া ম্যাদৰ স্থায়ী জমা হিচাপে ৰাখিবৰ বাবে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকক ভাৰ দিয়া হওক। উল্লেখ থাকে যে স্থায়ী জমা

## পঞ্চচত্বাৰিংশ সম্মিলন : বিষয়-বাছনী সভা

৯ মাৰ্চ, ১৯৭৮

দেৱৰাজ ৰয় কলেজ প্ৰেক্ষাগৃহ, গোলাঘাট।

অসম সাহিত্য সভাৰ পঞ্চচত্বাৰিংশ সন্মিলনৰ লগত ১৯৭৮ খ্ৰীষ্টাব্দৰ ৯ মাৰ্চ তাৰিখে ৰাতি ৮ বজাৰপৰা দেৱৰাজ ৰয় কলেজ প্ৰেক্ষাগৃহত সভাৰ শাখা সমূহৰপৰা অহা ৫৮৪ জন প্ৰতিনিধিৰ সমাবেশত বিষয়-বাছনী সভা অনুষ্ঠিত হয়।

(১) অসম সাহিত্য সভাৰ বিদায়ী সভাপতি চৈয়দ আব্দুল মালিকক অভ্যৰ্থনা সমিতিৰ পক্ষৰপৰা গায়ন-বায়নেৰে প্ৰেক্ষাগৃহলৈ আগবঢ়াই অনা হয়।

(২) প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰে সভাৰ নিয়মাৱলীৰ ৫২ বিধি অনুযায়ী বিদায়ী সভাপতি চৈয়দ আব্দুল মালিকক বিষয়-বাছনী সভা পৰিচালনা কৰিবলৈ আহ্বান কৰে। অভ্যৰ্থনা সমিতিৰ পক্ষৰপৰা প্ৰতীক পৰিধান কৰোৱা হয়।

(৩) প্ৰধান সম্পাদকে প্ৰাক্তন সভাপতি আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি, সম্পাদকৰ পৰিচয় জ্ঞাপন কৰে আৰু প্ৰতিনিধিসকলক সম্ভাষণ জনায়।

(৪) সভাপতিয়ে আসন গ্ৰহণ কৰে আৰু তলত দিয়া শোক প্ৰস্তাৱটি উত্থাপন কৰে আৰু সমবেত সকলোৱে থিয় হৈ দুই মিনিট মৌন প্ৰাৰ্থনা কৰে :— ভাৰতবৰ্ষৰ সৰ্বসন্মানিত ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত অসম তথা ভাৰতৰ উজ্জ্বল ৰত্ন, অসম সাহিত্য সভাৰ টিহু অধিৱেশনৰ উদ্বোধক ফকৰুদ্দিন আলি আহমদৰ আকস্মিক বিয়োগত অসম সাহিত্য সভাই সমগ্ৰ দেশ আৰু জাতিৰ বাবে অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। সভাই তেখেতক সশ্ৰদ্ধভাৱে সোঁৱৰণ কৰি তৰ্পণ যাচিছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি খ্যাতনামা কবি-সাহিত্যিক, বিশিষ্ট সমালোচক আৰু বিশিষ্ট ৰাজনীতিবিদ হেম বৰুৱা, অসমৰ প্ৰখ্যাত অতীন্দ্ৰিয়বাদী কবি নলিনীবালা দেৱী, বাগ্মীবৰ কবি, সাহিত্যিক আৰু সাংবাদিক ককা নীলমণি ফুকনদেৱৰ মৃত্যুত অসম সাহিত্য সভাই সশ্ৰদ্ধ তৰ্পণ যাচিছে আৰু গভীৰ শোক প্ৰকাশ কৰিছে। ইয়াৰ বাহিৰেও কালিদাস খাটনিয়াৰ, লক্ষ্মীৰাম বৰুৱা, ৰছিদুজ্জামান, সিদ্ধেশ্বৰী দেৱী, এ কে গোপালন, কলিয়াবৰৰ ৰাপাৰাম হাজৰিকা, বঙ্গাইগাঁৱৰ কমলেশ্বৰ মজুমদাৰ, ধনদা কুমাৰী শইকীয়া ধীৰেন্দ্ৰ কুমাৰ ৰায়, খগেন শইকীয়া, বিশ্ববিশ্ৰুত পণ্ডিত ভাষাতাত্বিক ড° সুনীতি কুমাৰ চট্টোপাধ্যায়, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ক্ষিতীশ চন্দ্ৰ নিয়োগী, বিশিষ্ট শিক্ষাবিদ শঙ্খধৰ বৰুৱা, বিশিষ্ট নাট্যকাৰ আৰু অভিনেতা প্ৰভাত শৰ্মা, যোৰহাট সাহিত্য সভাৰ কৰ্মী বিনোদ চন্দ্ৰ বৰদলৈ, শিক্ষাবিদ নজিবুৰ ৰহমান, অধ্যাপক হৰকান্ত দাস, বিখ্যাত হিন্দী সাহিত্যিক ফণীন্দ্ৰ নাথ ৰেণু, প্ৰথিতযশা শিল্পী উদয়শঙ্কৰ,

(৮৮ পৃষ্ঠাৰ পিছৰপৰা)

হিচাপে থকা আজীৱন সভ্যৰ পুঁজিৰ টকা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰদ্বাৰা পৰিচালিত হ'ব।

২০। কাৰ্য-সূচীৰ অন্তত প্ৰধান সম্পাদকে সভাপতি প্ৰমুখ্যে সমূহ সদস্যলৈ আৰু গোলাঘাটৰ অভ্যৰ্থনা সমিতিলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

২১। সভাপতিয়ে সকলোটিলৈকে ধন্যবাদ জনাই সভাৰ সামৰণি ঘোষণা কৰে।

স্বা/ চৈয়দ আব্দুল মালিক,
সভাপতি,
অসম সাহিত্য সভা।

স্বা/ আব্দুছ ছাত্তাৰ,
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

ক্ৰীড়াবিদ আৰু সাংবাদিক ৰাধাগোবিন্দ বৰুৱা, বিশিষ্ট গায়ক আৰু সুৰকাৰ জয়ন্ত হাজৰিকা, প্ৰাক্তন এম, এল, এ, ধৰণীধৰ চৌধুৰী, বকতা সাহিত্য সভাৰ প্ৰতিষ্ঠাতা আজীৱন সভ্য সকনাথ গগৈ, আজীৱন সভ্য লক্ষেশ্বৰ বৰুৱা, যোৰহাটৰ বিমান দুৰ্ঘটনাত নিহত হোৱা বৈমানিক লিমা, যোগীন্দৰ সিং, ডি এম শঙ্কৰ, টাইকিয়াক, অ' পি অৰোৰা, ভৱানীপুৰৰ আজীৱন সভ্য ধীৰেন শৰ্মা, কামাখ্যা ঠাকুৰ, হিন্দী সাহিত্যিক সুমিত্ৰানন্দন পন্ত, ৰাজনীতিক শ্ৰীমান নাৰায়ণ, প্ৰাক্তন আইন মন্ত্ৰী গোখলে, গোলাঘাট সাহিত্য সভাৰ সভাপতি, নাট্যকাৰ সুৰেন শইকীয়া, উত্তৰ গুৱাহাটীৰ পয়োধৰ বৰুৱা, কবি-সাহিত্যিক ভি শঙ্কৰ কুৰুপ, শিল্পী চাৰ্লি চেপ্‌লিন, কনকলতা বৰুৱা, অধ্যক্ষ সুশীল দত্ত, মহম্মদ চালেহ কাজিম, মুক্তিনাথ শৰ্মা বৰদলৈ, উমাপ্ৰসাদ দে, চন্দ্ৰকুমাৰ বৰুৱা, চন্দ্ৰমোহন শৰ্মা, যোৰহাট সাহিত্য সভাৰ মুক্তানাথ বৰঠাকুৰ, প্ৰণব কুমাৰ বৰা, গুৱাহাটীৰ ভাৰত চন্দ্ৰ চৌধুৰী, দীপক বৰা, ভোলানাথ পূজাৰী, ডাঃ হেমন্ত ঠাকুৰ, নাট্যকাৰ মহেন্দ্ৰ শৰ্মা।

(৫) অভ্যৰ্থনা সমিতিৰ সভাপতি ড° মোহিনী কুমাৰ শইকীয়াই প্ৰতিনিধিসকলক স্বাগত সম্ভাষণ জ্ঞাপন কৰে।

(৬) প্ৰধান সম্পাদকে তলত দিয়া বিষয় সন্নিবেশ কৰি বিষয়-বাছনী সভাৰ কাৰ্যসূচী উত্থাপন কৰে।

১) সভাপতিৰ আসন গ্ৰহণ
২) প্ৰধান সম্পাদকৰ সম্ভাষণ জ্ঞাপন
৩) প্ৰাক্তন সভাপতি, অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সম্পাদকৰ পৰিচয় জ্ঞাপন
৪) অভ্যৰ্থনা সমিতিৰ পক্ষৰপৰা আদৰণী ভাষণ
৫) শোক প্ৰস্তাৱ
৬) প্ৰধান সম্পাদকৰ প্ৰতিবেদন উত্থাপন
৭) বছৰেকীয়া আয়-ব্যয়ক উত্থাপন
৮) নিৰ্বাচনী বিষয়া মনোনয়নত অনুমোদন
৯) পৰৱৰ্তী বছৰৰ বাবে বিষয়-ববীয়া নিৰ্বাচন
১০) নিয়মাৱলী সংশোধনী প্ৰস্তাৱ গ্ৰহণ
১১) সাধাৰণ প্ৰস্তাৱ গ্ৰহণ
১২) পৰৱৰ্তী বছৰৰ বাবে অধিৱেশন আমন্ত্ৰণ
১৩) শলাগ জ্ঞাপন
১৪) সভাপতিৰ মন্তব্য
১৫) সভা ভঙ্গ

(৭) প্ৰধান সম্পাদকে ১) উপক্ৰমণিকা ২) তৰ্পণ ৩) প্ৰস্তাৱ প্ৰসঙ্গ ৪) আঁচনি আৰু কাম ৫) প্ৰকাশন ৬) অসম সাহিত্য সভা পত্ৰিকা ৭) পঞ্চম লেখক শিবিৰ ৮) হীৰক জয়ন্তী উৎসৱ ৯) সাহিত্য সভা সপ্তাহ ১০) ৰাধাকান্ত সন্দিকৈ ভৱন ১১) ভাষা-জ্ঞান পৰীক্ষা ১২) সাহিত্য সভাৰ বঁটা ১৩) সাহিত্যিক পেঞ্চন ১৪) সভালৈ দান ১৫) সভাৰ সাহায্য দান ১৬) শুভেচ্ছামূলক ভ্ৰমণ ১৭) সভাৰ সংগঠন ১৮) শাখা সভাৰ বাতৰি ১৯) সভাৰ বিত্তীয় অৱস্থা ২০) অভ্যৰ্থনা সমিতিৰ হিচাপ-পত্ৰ ২১) আধকৰা কাম ২২) কৃতজ্ঞতা জ্ঞাপন— এই কেইটি ছেদত বিভক্ত কৰি চলিত বছৰৰ কামৰ খতিয়ান দাঙি ধৰে আৰু বিষয়-বাছনী সভাই সম্পাদকীয় প্ৰতিবেদন গ্ৰহণ কৰে।

(৮) প্ৰধান সম্পাদকে ১৯৭৬-৭৭ বিত্তীয় বছৰৰ পৰীক্ষিত হিচাপ ( আয়- ৪,৫৭,৫৭৬'৫৯ টকা, ব্যয় ৪,৪৮,৩৬৯'৮২ টকা আৰু বাহি ৯,২০৬'৭৭ টকা ) দাখিল কৰে।

(৯) সভাপতি ডাঙৰীয়াই ১০ মাৰ্চৰ পুৱা ৯ বজালৈ বিষয়-বাছনী সভা স্থগিত ৰাখে।

(১০) ১০ মাৰ্চৰ পুৱা ৯ বজাত পুনৰ বিষয়-বাছনী সভা অনুষ্ঠিত হয়।

(১১) সভাই বছৰেকীয়া আয়-ব্যয়ত তলৰ বিষয় কেইটি সন্নিবিষ্ট হ'ব লাগে বুলি দিয়া পৰামৰ্শ গ্ৰহণ কৰে।



ক) নৈমিত্তিক খৰচৰ হিচাপ বিতংভাৱে দেখুৱাব লাগে।

খ) সামৰণী উদ্বৃত্তৰ বিতং বিৱৰণ থাকিব লাগে।

গ) বেঙ্ক আৰু ডাকঘৰত থকা টকাৰ বিতং হিচাপ থাকিব লাগে।

(১২) সভাপতিয়ে ঘোষণা কৰে যে নিয়মাৱলীৰ উপবিধি ২২ (ক) অনুযায়ী শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱাক কাৰ্য-নিৰ্বাহক সমিতিয়ে নিৰ্বাচনী বিষয়াস্বৰূপে মনোনীত কৰিছে। সভাই উক্ত মনোনয়নত অনুমোদন জনায়।

(১৩) সভাপতিয়ে ঘোষণা কৰে যে সভাৰ নিয়মাৱলী অনুযায়ী অহা বছৰৰ কাৰ্য-নিৰ্বাহক সমিতিৰ বিষয়-ববীয়া নিৰ্বাচন কৰিব লাগে। উপসভাপতি, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক ( যোৰহাট ), সহকাৰী সম্পাদক (গুৱাহাটী), ধনভঁৰালী, পত্ৰিকা সম্পাদক, ভাষাজ্ঞান পৰীক্ষা-সংসদৰ সচিব আৰু ৯ জন সদস্যৰ বাবে নাম প্ৰস্তাৱ কৰিব লাগে।

উল্লিখিত পদসমূহৰ বাবে তলত দিয়া দৰে নাম প্ৰস্তাৱ হয় :—

১। উপসভাপতি : শ্ৰীযোগেশ দাস গুৱাহাটী
( বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত )

২। প্ৰধান সম্পাদক : শ্ৰীলীলা গগৈ ডিব্ৰুগড়
শ্ৰীদুৰ্গেশ্বৰ শৰ্মা উত্তৰ গুৱাহাটী

৩। ধনভঁড়ালী : শ্ৰীযতীন গোস্বামী গুৱাহাটী
শ্ৰীনগেন শইকীয়া ডিব্ৰুগড়

৪। সহকাৰী সম্পাদক : শ্ৰীবসন্ত কুমাৰ গোস্বামী
যোৰহাট ( বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত )
" শ্ৰীনিশিপদ চৌধুৰী গুৱাহাটী
( বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত )

৫। পত্ৰিকা সম্পাদক : শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা
নগাঁও ( বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত )

৬। ভাষাজ্ঞান পৰীক্ষা-সংসদৰ সচিব
শ্ৰীমহেশ চন্দ্ৰ ভট্টাচাৰ্য যোৰহাট
( বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত )

কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্য : গোৱালপাৰা জিলা- শ্ৰীভৱানী প্ৰসাদ অধিকাৰী, শ্ৰীমতী ৰেণুপ্ৰভা দাস, শ্ৰীউমেশ চন্দ্ৰ ভাগৱতী, শ্ৰীউত্তম শৰ্মা, শ্ৰীসচ্চিদানন্দ মেধি।

কামৰূপ জিলা— শ্ৰীসতীশচন্দ্ৰ চৌধুৰী, শ্ৰীৰামচৰণ ঠাকুৰীয়া, শ্ৰীমতী উমা বৰুৱা, শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী, শ্ৰীমহেশ চন্দ্ৰ শৰ্মা, শ্ৰীপ্ৰণৱকুমাৰ দাস, শ্ৰীমতী প্ৰেমময়ী দাস, শ্ৰীৰমেশ কলিতা, শ্ৰীভগৱান মড়ল।

নগাঁও জিলা— শ্ৰীৰুদ্ৰপ্ৰসাদ কাকতী, শ্ৰীহিৰণ্য নাৰায়ণ বৰা, শ্ৰীযজ্ঞেশ্বৰ লস্কৰ, শ্ৰীনৰেন্দ্ৰ নাথ কেওঁট।

দৰং জিলা— শ্ৰীৰজনীকান্ত শৰ্মা, শ্ৰীৰাজেন বৰঠাকুৰ, শ্ৰীধনপতি কলিতা।

শিৱসাগৰ জিলা— শ্ৰীবীৰেন বৰকটকী, শ্ৰীপ্ৰফুল্ল দত্ত, শ্ৰীপ্ৰফুল্ল বৰদলৈ, শ্ৰীঅবলা গোহাঁই, শ্ৰীকমলেশ্বৰ শইকীয়া।

কাৰবি আংলং— শ্ৰীলংকাম টেৰণ।

কাছাৰ জিলা— আব্দুল মালিক চৌধুৰী, শ্ৰীমনোৰঞ্জন দাস লস্কৰ।

লক্ষীমপুৰ জিলা— শ্ৰীমোহন চন্দ্ৰ ভূঞা।

ডিব্ৰুগড় জিলা— শ্ৰীনাৰায়ণ বৰপূজাৰী, শ্ৰীমেঘ গগৈ, শ্ৰীসিদ্ধেশ্বৰ তামুলী, শ্ৰীজ্যোতিৰিন্দ্ৰধৰ দত্ত, শ্ৰীধ্যানেশ্বৰ বৰা, শ্ৰীজগত নেওগ, আব্দুল হক চৌধুৰী।

নগাভূমি— শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰা।

মেঘালয়— শ্ৰীমতিলাল বৰ্মন।

(১৪) সভাপতি ডাঙৰীয়াই দিনৰ ১-৩০ বজালৈ বিষয়-বাছনী সভা স্থগিত ৰাখে।

(১৫) দিনৰ ১-৩০ বজাত পুনৰ বিষয়-বাছনী সভা অনুষ্ঠিত হয়।

(১৬) প্ৰধান সম্পাদকে শাখা সভাসমূহৰপৰা অহা ১১ টা নিয়মাৱলী সংশোধনী প্ৰস্তাৱ দাঙি ধৰে।

সভাই বিশদ আলোচনাৰ পাছত তলত দিয়া সংশোধনীসমূহ গ্ৰহণ কৰে।

ক) ৭ম ছেদ ৩৪- আঞ্চলিক সন্মিলন : 'সাহিত্য সন্মিলন'ৰ ঠাইত 'জিলা পৰিষদ' হ'ব লাগে। সংযোগ হ'ব— "জিলা পৰিষদৰ ওপৰত মূল সভাৰ কৰ্তৃত্ব থাকিব।"

খ) ৯ম ছেদ ৪৫- সন্মিলন : "আকস্মিক কাৰণত নিৰ্বাচিত সভাপতিৰ " পিছত যোগ হ'ব "সেই………………………… বিষয়-বাছনী সভাই" পিছত যোগ হ'ব সেই সন্মিলনৰ কাৰ্য পৰিচালনা কৰিবলৈ এজন সভাপতি বাছি ল'ব।

গ) উপবিধি (খ) আদৰণী সমিতি— সংযোগ হ'ব ঘ আৰু ঙ

ঘ) অভ্যৰ্থনা সমিতিয়ে অধিবেশনৰ অন্তত ৰাহি হোৱা ধন মূল সভাৰ অনুমোদন ক্ৰমেহে খৰচ কৰিব লাগিব।

ঙ) অভ্যৰ্থনা সমিতি ভঙ্গ হোৱাৰ পাছত অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰা অবিক্ৰীত গ্ৰন্থৰ অধিকাৰী হ'ব স্থানীয় শাখা সভা। এনে সভা নাথাকিলে অসম সাহিত্য সভা।

(১৭) অসম সাহিত্য সভাৰ শাখা সমূহৰপৰা অহা প্ৰস্তাৱসমূহ বিবেচনা কৰি চাই কাৰ্য-নিৰ্বাহক সমিতিয়ে তলত দিয়া প্ৰস্তাৱসমূহ উত্থাপন কৰিবৰ কাৰণে অনুমোদন জনাইছিল। তদনুসাৰে প্ৰধান সম্পাদকে প্ৰস্তাৱসমূহ উত্থাপন কৰে। সভাই বিস্তৃতভাৱে আলোচনা কৰি তলত দিয়া প্ৰস্তাৱ কেইটি গ্ৰহণ কৰে।

১। (ক) অসম সাহিত্য সভাৰ পঞ্চচত্বাৰিংশ মুকলি অধিৱেশনে অনুভৱ কৰে যে অসমৰ ৰাজ্য ভাষা তথা ভাৰতৰ সংবিধান-স্বীকৃত আঞ্চলিক ভাষা অসমীয়া ভাষাৰ প্ৰয়োগ অসম সাহিত্য সভাই দাবী জনাই থকা সত্ত্বেও আৰু ৰাজ্য চৰকাৰে বিভিন্ন সময়ত প্ৰতিশ্ৰুতি দি অহা সত্ত্বেও প্ৰয়োজনীয় নিৰ্দেশ আদিত প্ৰশাসনত যথাৰ্থভাৱে হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰিও আঞ্চলিক ভাষাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। অসম সাহিত্য সভাই পুনৰাবৃত্তি কৰি দাবী জনায় যে ৰাজ্য ভাষা সঞ্চালনিকৈ প্ৰয়োগ কৰাত যি বাধা বা অসুবিধাৰ সৃষ্টি হৈছে, সেই বিষয়ে অনুসন্ধান কৰি ৰাজ্য চৰকাৰে অনতিপলমে ৰাজ্য ভাষা আইনৰ পূৰ্ণ প্ৰয়োগৰ বাবে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(খ) অসমৰ বিশ্ববিদ্যালয় দুটাৰ শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়ালৈ পৰিবৰ্তন কৰা সত্ত্বেও আৰু ১৯৭৭ চনৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী অসমীয়া মাধ্যমেৰে স্নাতক হৈ ওলোৱা সত্ত্বেও অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লোকসেৱা আয়োগ আৰু অন্যান্য প্ৰশাসনীয় পৰ্যায়ৰ পদসমূহৰ অৰ্থে অনুষ্ঠিত প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অন্যান্য ভাষাৰ দৰে অসমীয়া ভাষাক স্বীকৃতি নিদিয়াত অসম সাহিত্য সভাই ক্ষোভ প্ৰকাশ কৰে আৰু অতি সোনকালে উক্ত পৰীক্ষাসমূহত অসমীয়া ভাষাক যাৱতীয় মৰ্যাদা দিবলৈ টানি দাবী জনায়।

(গ) অসম সাহিত্য সভাই অসমৰ জনসাধাৰণৰ মাজত এতিয়াও শিক্ষাৰ প্ৰসাৰ বাঞ্ছিতভাৱে হোৱা নাই বুলি অনুভৱ কৰে। ভিতৰুৱা গ্ৰামাঞ্চল, পাৰ্বত্য অঞ্চল, চাহ বাগিছা অঞ্চল আৰু অন্যান্য অঞ্চলত অসমীয়া ভাষাৰে সাক্ষৰতা অভিযান চলাবলৈ চৰকাৰক দাবী জনায়। এনে অভিযানত অসম সাহিত্য সভাই পূৰ্ণ সমৰ্থন দান কৰিব। আঞ্চলিক ভাষাৰ গুৰুত্বৰ প্ৰতি চকু ৰাখি উত্তৰ-পূব ভাৰতৰ জনসাধাৰণৰ মাজত ঐক্য আৰু সংহতি ৰক্ষা কৰাৰ প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিতত অসমৰ কাছাৰ জিলাত থকা শিলচৰ অনাতাঁৰ কেন্দ্ৰত অসমীয়া মাধ্যমৰ অনুষ্ঠান প্ৰচাৰ কৰাৰ বাবে অসম সাহিত্য সভাই সকীয়াই থকা সত্ত্বেও আকাশবাণীৰ সংশ্লিষ্ট কৰ্তৃপক্ষই বিহিত ব্যৱস্থা গ্ৰহণ নকৰাত অসম সাহিত্য সভাই অসন্তুষ্টি প্ৰকাশ কৰে আৰু এই সম্পৰ্কে আশু ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।



২। অসম চৰকাৰে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষাৰ অনেক ক্ষেত্ৰত থকা জটিলতা আৰু সীমাবদ্ধতাৰ প্ৰতি চকু ৰাখি অসম সাহিত্য সভাই প্ৰস্তাৱ কৰে যে সভাৰ নিজৰ যত্নত বিশেষজ্ঞ পণ্ডিত• সকলৰ সহযোগত তুলনামূলকভাৱে সহজ আৰু সৰ্বজনবোধ্য পাৰিভাষিক অভিধান যুগুত কৰা হওক।

৩। অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু অন্যান্য কেন্দ্ৰীয় নেতাসকলে বাৰে বাৰে ৰাজহুৱাভাৱে ঘোষণা কৰি আহিছে যে ৰাষ্ট্ৰভাষা হিন্দীৰ ব্যাপক প্ৰচলনে আঞ্চলিক ভাষাবোৰৰ কোনো অহিত সাধন নকৰে। সকলো স্তৰত শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱাটো উচিত। হিন্দীৰ লগতে আঞ্চলিক ভাষাবো বিকাশ আৰু উন্নতি হোৱাটো বাঞ্ছনীয়। কিন্তু দুখৰ বিষয়, অসমত ইয়াৰ ওলোটাটোহে দেখা গৈছে। উদাহৰণ স্বৰূপে, এই ৰাজ্যৰ কেন্দ্ৰীয় বিদ্যালয়বোৰত আঞ্চলিক ভাষাক ন্যায্য স্থানৰপৰা বঞ্চিত কৰি ৰখা হৈছে। অসমৰ বিদ্যালয়ত অসমীয়া ভাষাৰ সঙ্গীত ৰহিত কৰি চুবুৰীয়া ভাষাৰ সঙ্গীত শিকাবলৈ নিৰ্দেশ দিয়া হৈছে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে ভাৰত চৰকাৰৰ ঘোষিত শিক্ষানীতি ত্ৰিভাষী সূত্ৰমতে হিন্দী আৰু ইংৰাজীৰ লগতে আঞ্চলিক ভাষা অন্তৰ্ভুক্ত কৰাত কোনো আপত্তিৰ থল থাকিব নোৱাৰে।

সেইকাৰণে অসম সাহিত্য সভাৰ আজিৰ এই গোলাঘাট অধিৱেশনে জোৰেৰে দাবী জনায় যে অসমৰ কেন্দ্ৰীয় বিদ্যালয়বোৰত নিম্ন স্তৰৰপৰা স্বীকৃত আঞ্চলিক ভাষা বাধ্যতামূলক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰি এই সম্পৰ্কত অবিলম্বে কাৰ্যকৰী ব্যৱস্থা ল'ব লাগে।

(১৮) পৰামৰ্শ— ক) জিলা পৰিষদ গঠন সম্পৰ্কে উপসমিতিৰ প্ৰতিবেদন শাখাসমূহলৈ পঠিয়াই শাখা সভাৰ মতামত সংগ্ৰহ কৰি যথাবিহিতভাৱে নিয়মাৱলী সংশোধনী বিধিৰ অন্তৰ্ভুক্ত কৰি পৰৱৰ্তী বছৰৰ বিষয়-বাছনী সভাত উত্থাপন কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। এই সংক্ৰান্তত চলিত বছৰৰ উপসমিতিখনক পৰৱৰ্তী বছৰৰ বাবে দায়িত্ব নিৰ্বাহ কৰিবলৈ ব্যৱস্থা ৰাখিবৰ বাবে কাৰ্য-নিৰ্বাহক সমিতিক পৰামৰ্শ দিয়ে।

খ) নিয়মাৱলীৰ ১৪ 'আদৰণী সমিতি'ৰ হিচাপ লোকেল একাউণ্টছ্ কমিটিৰ হিচাপ পৰীক্ষকৰ যোগেদি কৰাব।

গ) শুভেচ্ছামূলক দলৰ ভ্ৰমণৰ একোটি প্ৰতিবেদন মূল সভাত দাখিল কৰিব লাগে। বাৰ্ষিক অধিৱেশনত যোগ দিবলৈ অহা প্ৰতিনিধিসকলৰ কাৰণে কন্‌ছেশ্বন ফৰমৰ ব্যৱস্থা আগতীয়াকৈ কৰিব লাগে।

ঘ) সদস্য মহীয়ান বৰণ সম্পৰ্কীয় উপসমিতিৰ প্ৰতিবেদন শাখাসমূহৰ মতামতৰ কাৰণে পঠিয়াৰ লাগে বুলি আৰু যথাবিহিতভাৱে নিয়মাৱলীৰ সংশোধনী বিধিৰ অন্তৰ্ভুক্ত কৰি পৰৱৰ্তী বছৰৰ বিষয়-বাছনী সভাত দাঙি ধৰিবলৈ পৰামৰ্শ দিয়ে।

(১৯) প্ৰধান সম্পাদকে জনায় যে গুৱালকুচি জ্যোতি সাহিত্য সভা, কামপুৰ সাহিত্য সভা, মৰিগাঁও সাহিত্য সভা, পাঠশালা সাহিত্য সভা, বহা আঞ্চলিক সাহিত্য সভা, উত্তৰ গুৱাহাটী সাহিত্য সভা, নাহৰকটীয়া সাহিত্য সভা, কোকৰাঝাৰ সাহিত্য সভা আৰু ১৯৮০ চনৰ কাৰণে বিহপুৰীয়া সাহিত্য সভাই পৰৱৰ্তী সন্মিলন নিমন্ত্ৰণ কৰিছে। আলোচনাৰ অন্তত গুৱালকুছিৰ নিমন্ত্ৰণ সভাই গ্ৰহণ কৰে। গুৱালকুছি সাহিত্য সভাৰ হৈ শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী আৰু শ্ৰীভগৱান মড়লে আনুষ্ঠানিকভাৱে সন্মিলন নিমন্ত্ৰণ কৰে। হৰ্ষধ্বনিৰে সভাই গ্ৰহণ কৰে।

(২০) মাননীয় সভাপতি চৈয়দ আব্দুল মালিক ডাঙৰীয়াই কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্য আৰু প্ৰতিনিধিসকলক সিসকলৰ সহায়-সহযোগৰ বাবে শলাগ জ্ঞাপন কৰে।

(২১) প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰে মাননীয়

সভাপতি প্ৰমুখ্যে সকলো সদস্য আৰু প্ৰতিনিধি-বৰ্গক শলাগ জনায় আৰু গোলাঘাটৰ অভ্যৰ্থনা সমিতিলৈ শুভেচ্ছা জ্ঞাপন কৰে।

(২২) প্ৰতিনিধিসকলৰ পক্ষৰপৰা অধ্যাপক শ্ৰীনগেন শইকীয়াই সভাপতি, প্ৰধান সম্পাদক আৰু কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্যসকলৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰে।

(২৩) সন্ধ্যা ৫ বজাত সভাপতিয়ে বিষয়-বাছনী সভাৰ সামৰণি ঘোষণা কৰে।

স্বা/ আব্দুছ ছাত্তাৰ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

স্বা/ চৈয়দ আব্দুল মালিক
সভাপতি,
অসম সাহিত্য সভা।

## নিৰ্বাচনৰ ফল ঃ

প্ৰধান সম্পাদকে ১৯ মাৰ্চ তাৰিখে সঙ্গীত অনুষ্ঠানৰ কাৰ্য-সূচীৰ মাজত নিৰ্বাচনী বিষয়া শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱাৰপৰা নিৰ্বাচনৰ ফলাফল গ্ৰহণ কৰি নিৰ্বাচনী বিষয়া প্ৰমুখ্যে সহযোগীসকলক ধন্যবাদ জ্ঞাপন কৰে।

অসম সাহিত্য সভাৰ ১৯৭৮-৭৯ চনৰ কাৰ্য-নিৰ্বাহক সমিতি : শ্ৰীপ্ৰসন্নলাল চৌধুৰী— সভাপতি, শ্ৰীযোগেশ দাস— উপসভাপতি, শ্ৰীলীলা গগৈ— প্ৰধান সম্পাদক, শ্ৰীনগেন শইকীয়া— ধনভঁৰালী, শ্ৰীবসন্ত কুমাৰ গোস্বামী— সহকাৰী সম্পাদক (যোৰহাট), শ্ৰীনিশিপদ চৌধুৰী— সহকাৰী সম্পাদক (গুৱাহাটী), শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা— পত্ৰিকা সম্পাদক, শ্ৰীমহেশ চন্দ্ৰ ভট্টাচাৰ্য— সচিব, ভাষাজ্ঞান পৰীক্ষা সংসদ।

সদস্যসকল :— (সৰ্বশ্ৰী) লংকাম টেৰণ, গোবিন্দ চন্দ্ৰ পৈৰা, ভৱানী প্ৰসাদ অধিকাৰী, সতীশ চন্দ্ৰ চৌধুৰী, আব্দুল মালিক চৌধুৰী, মতিলাল বৰ্মন, বীৰেন বৰকটকী, মোহন চন্দ্ৰ ভূঞা আৰু প্ৰেমময়ী দাস।

(২৪) ১২ মাৰ্চৰ সন্ধ্যা ৭ বজাত দেৱৰাজ ৰয় কলেজত বিদায়ী প্ৰধান সম্পাদকে আহ্বান কৰা নৱ-নিৰ্বাচিত সদস্যসকলৰ সভাই তলত নাম দিয়া প্ৰতিনিধিসকলক মনোনীত সদস্য হিচাপে গ্ৰহণ কৰে :- (সৰ্বশ্ৰী) পোনাৰাম বৰুৱা, দেউৰাম তাছা, ৰাজেন ৰাভা আৰু ইন্দ্ৰপ্ৰসাদ শইকীয়া।

স্বা/ আব্দুছ ছাত্তাৰ,
বিদায়ী প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

০ ০ ০



**মাদকদ্ৰব্য বৰ্জন কৰি সুখী জীৱন যাপন কৰক।**
**কাৰণ ঃ—**

* মাদকদ্ৰব্য সেৱনৰ অভ্যাসে ধৰ্মীয় আৰু নৈতিক অনুশাসনত আস্থা হেৰুৱায়।
* মদত ধৰিলে মানুহৰ চৰিত্ৰৰ অৱনতি ঘটে, লাজ আৰু অপমান সকলো লোপ পায় আৰু ই মানুহক পশুতুল্য কৰে।
* ঘৰুৱা অশান্তি, অৰ্থনৈতিক দুৰৱস্থা আৰু নানা ব্যাধিৰ আন এটা ঘাই কাৰণ হ'ল সুৰাপান।

**গতিকে— অনিষ্টকাৰী মদ বৰবিহ সমাজৰপৰা নিৰ্মূল কৰক।**

[ ৰাজ্যিক মাদকদ্ৰব্য নিবাৰণী পৰিষদৰ প্ৰচাৰ বিভাগৰদ্বাৰা প্ৰচাৰিত : গুৱাহাটী-৩ ]

**অসম সাহিত্য সভা পত্ৰিকাৰ**
**যোগেদি**

অসমবাসী তথা উত্তৰ-পূব ভাৰতৰ সমূহ ৰাইজলৈ আমাৰ অভিনন্দন জনাইছোঁ।

**পূৰ্বাঞ্চল বেঙ্ক লিমিটেড**

[ প্ৰধান কাৰ্যালয় : গুৱাহাটী-৭ ]

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | |
|---|---|---|
| ১ | ৰজনীকান্ত বৰদলৈ - ৰচনামালা | ১২·০০ |
| ২ | বেজবৰুৱাৰ প্ৰবন্ধ বাছনি | ১০·০০ |
| ৩ | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০·০০ |
| ৪ | অৰুণোদইৰ ধলফাট | ৮·০০ |
| ৫ | বেজবৰুৱা—প্ৰতিভা | ৮·০০ |
| ৬ | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৭·০০ |
| ৭ | বেজবৰুৱাৰ চিত্ৰলেখা | ৬·০০ |
| ৮ | বেজবৰুৱাৰ দিনলেখা | ৪·০০ |
| ৯ | আউট লুক অন নেফা | ৪·০০ |
| ১০ | ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪·০০ |
| ১১ | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪·০০ |
| ১২ | বিলিজিয়ন অব লভ এণ্ড ডিভ'শ্যন | ৩·০০ |
| ১৩ | মুদ্ৰাৰাক্ষস | ৩·০০ |
| ১৪ | কৰ্পূৰ মঞ্জৰী | ৩·০০ |
| ১৫ | আছামিজ ফৰ অল | ২·০০ |
| ১৬ | আপ্ কি অসমীয়া | ২·০০ |
| ১৭ | আনটাবুগাৰী অসমীয়াক' স্কিয়ানি | ২·০০ |
| ১৮ | আচামীয়া লা-বাবো-লেন আচামীয়া হিকাই-হি | ২·০০ |
| ১৯ | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২·০০ |
| ২০ | নীলাচল পাঠ | ২·০০ |
| ২১ | আমাৰ লক্ষ্মীনাথ | ১·৫০ |
| ২২ | অসমীয়া ভাষা | ১·০০ |
| ২৩ | অসম সাহিত্য সভাৰ পৰিচিতি | ১·০০ |
| ২৪ | প্ৰমথনাথ চক্ৰৱৰ্তী | ১·০০ |
| ২৫ | বিশ্বনাথ ৰাজবংশী | ১·০০ |
| ২৬ | লক্ষ্মীনাথ বেজবৰুৱা [ হিন্দী ] | ·৫০ |
| ২৭ | লক্ষ্মীনাথ বেজবৰুৱা [ ইংৰাজী ] | ·৫০ |
| ২৮ | লক্ষ্মীনাথ বেজবৰুৱা [ " ] | ·৫০ |
| ২৯ | অসম সাহিত্য সভা বাৰ্ষিকী—গোৱালপাৰা | ৩·০০ |
| ৩০ | " " " " —নলবাৰী | ৩·০০ |
| ৩১ | " " " " —উঃ লক্ষীমপুৰ | ৩·০০ |
| ৩২ | " " " " —ডিব্ৰুগড় | ৩·০০ |
| ৩৩ | অসম সাহিত্য সভা বাৰ্ষিকী—নাজিৰা | ৩·০০ |
| ৩৪ | " " " " —তেজপুৰ | ৩·০০ |
| ৩৫ | " " " " —বৰপেটা | ৩·০০ |
| ৩৬ | " " " " —শ্বিং | ৩·০০ |
| ৩৭ | " " " " —মাকুম | ৩·০০ |
| ৩৮ | " " " " —ধুবুৰী | ৩·০০ |
| ৩৯ | " " " " —ৰঙিয়া | ৩·০০ |
| ৪০ | মণ্ডলদৈ মণ্ডলদৈ | ১৫·০০ |
| ৪১ | তিতাবৰ সৌৰৱণ | ৬·০০ |
| ৪২ | টিঙ—লখিমী | ১০·০০ |
| ৪৩ | বেজবৰুৱাৰ বাণী | ৫০ |
| ৪৪ | হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | ২৫·০০ |
| ৪৫ | ষ্টাডিজ ইন দি আৰ্লি হিষ্টৰী অব আছাম | ৩০·০০ |
| ৪৬ | কনকলাল বৰুৱাৰ ৰচনাৱলী | ১০·০০ |
| ৪৭ | ভাষণাৱলী—৪ৰ্থ খণ্ড | ২০·০০ |
| ৪৮ | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০·০০ |
| ৪৯ | চন্দ্ৰধৰ বৰুৱাৰ গ্ৰন্থাৱলী | ৪০·০০ |
| ৫০ | গোৱালপৰীয়া লোকগীত | ১৫·০০ |
| ৫১ | গোতাজ্ৰিবৰুৱা—প্ৰতিভা | ১০·০০ |
| ৫২ | অসমীয়া জাতিৰ ইতিবৃত্ত | ১০·০০ |
| ৫৩ | লঙ্কাকাণ্ড ৰামায়ণ | ১০·০০ |
| ৫৪ | ৰাভা জনজাতি | ৭·০০ |
| ৫৫ | অসমীয়া গ্ৰন্থপঞ্জী | ৬·০০ |
| ৫৬ | পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬·০০ |
| ৫৭ | ছেমুৱেল জনছনৰ জীৱনী | ৫·০০ |
| ৫৮ | একাদশী | ৫·০০ |
| ৫৯ | চুটি গল্প | ৫·০০ |
| ৬০ | গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫·০০ |
| ৬১ | দেউৰী-চুটিয়া | ৪·৫০ |
| ৬২ | কাৰ্বি জনগোষ্ঠী | ৪·৫০ |
| ৬৩ | ডিমাছা | ৪·০০ |
| ৬৪ | লিপি সমস্যা | ৩·০০ |
| ৬৫ | টাই ভাষা | ৩·০০ |

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | | | | |
|---|---|---|---|---|---|
| ৬৬ | প্লেট' | ৩'০০ | ৯১ | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪'০০ |
| ৬৭ | ছক্ৰেটিছ | ৩'০০ | ৯২ | অধ্যয়ন চক্ৰ | ৫'০০ |
| ৬৮ | নাটক | ৩'০০ | ৯৩ | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২'০০ |
| ৬৯ | স্বপ্ন বাসৱদত্তা | ৩'০০ | ৯৪ | ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | ৭'০০ |
| ৭০ | জীৱনী | ৩'০০ | ৯৫ | তৰুণৰাম ফুকন স্মৃতিমালা | ১০'০০ |
| ৭১ | আনন্দচন্দ্ৰ আগৰৱালাৰ জীৱনী | ৩'০০ | ৯৬ | শ্বেক্সপীয়েৰ | ১০'০০ |
| ৭২ | চাহ বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩'০০ | ৯৭ | ধ্বনি আৰু ৰসতত্ত্ব | ৪'০০ |
| ৭৩ | কৰম পূজা আৰু ঝুমুৰগীত | ২'০০ | ৯৮ | অসমীয়া সংগীতৰ ঐতিহ্য | ৩'৫০ |
| ৭৪ | সভাপতিৰ অভিভাষণ ( ড° নেওগ ) | ২'০০ | ৯৯ | চাহৰ কথা | ৩'০০ |
| ৭৫ | মপিন উছৱ | ২'০০ | ১০০ | শতাব্দীৰ অৰ্ঘ্য | ৫'০০ |
| ৭৬ | দিগ্বিজয়ী | ২'০০ | ১০১ | কাৰ্বী সাধু | ২'০০ |
| ৭৭ | বিষ্ণুপ্ৰিয়া মণিপুৰী | ০'৬০ | ১০২ | কামেং সীমান্তৰ সাধু | ৩'০০ |
| ৭৮ | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০'৫০ | ১০৩ | ৰহিম-ৰূপবানৰ সাধু | '৫০ |
| ৭৯ | অসমৰ জনজাতি | ২'০০ | ১০৪ | দেউৰী সাধু | ৩'০০ |
| ৮০ | সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫'৫০ | ১০৫ | ৰাভা সাধু | ৪'০০ |
| ৮১ | জগন্নাথ বৰুৱা | ৫'০০ | ১০৬ | নৃতত্ত্বৰ চমু আভাস | ২'৫০ |
| ৮২ | তৰুণৰাম ফুকন | ৩'০০ | ১০৭ | চিকিৎসা বিজ্ঞানৰ কথা | ৫'০০ |
| ৮৩ | তিৱা সম্প্ৰদায় | ৪'০০ | ১০৮ | শিখ ধৰ্মীয় সাধু | ২'৫০ |
| ৮৪ | হিতেশ্বৰ বৰবৰুৱা স্মৃতিমাল্য | ৬'০০ | ১০৯ | অভিলেখ | ৩'০০ |
| ৮৫ | স্নেহৰ অৰুণাচল ( মাই হিল ষ্ট্ৰেং ) | ৫'০০ | ১১০ | অসম সাহিত্য সভাৰ সুবচনী | ৬'০০ |
| ৮৬ | Annals of Assam Sahitya Sabha | ৫'০০ | ১১১ | শাখা সভাৰ পৰিচয় | ২'৫০ |
| ৮৭ | চুফি আৰু চুফিবাদ | ৪'০০ | ১১২ | প্ৰকাশনৰ বৰ্ণনামূলক তালিকা | ১'৫০ |
| ৮৮ | সাগৰৰ কথা | ২'৫০ | ১১৩ | বাতৰিৰ বিভূতি | ৪'০০ |
| ৮৯ | Development of Script in Ancient Kamrupa | ১০'০০ | ১১৪ | শতাব্দীৰ অৰ্ঘ্য | ৫'০০ |
| ৯০ | বেজবৰুৱাৰ দিনলেখা [ ২য় খণ্ড ] | ১০'০০ | ১১৫ | A plea for Assam and Assamese | |
| | | | ১১৬ | অসম সাহিত্য সভাৰ ৰূপলেখা | |

## প্ৰাপ্তি স্থান

(১) কেন্দ্ৰীয় কাৰ্যালয় : অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১
ফোন-৩৭৬

(২) গুৱাহাটী কাৰ্যালয় : অসম সাহিত্য সভা
ভাগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১
ফোন-২৪৭৭৬

নগাঁৱৰ সুছন্দা প্ৰেছত ( বেটুপাত শৰাইঘাট প্ৰিণ্টাৰ্ছ'ত ) মুদ্ৰিত আৰু
অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীলীলা গগৈৰ দ্বাৰা প্ৰকাশিত।

সম্পাদক : যোগেন্দ্ৰনাৰায়ণ ভূঞা

মূল্য : তিনি টকা